From the Catholic
Mission Oxford.

721

[illegible]

অসমীয়াৰ ৰঙ্গ



জানুৱাৰি-ফেব্ৰুৱাৰি ১৯৩৫

मेरे प्यारे प्रचारक लोगो,

तेजपुर के फादर अपने प्रचारकों के लिये जो पत्र पहिले "सालेस्यान खबरें" में निकालते थे सो अब से आसामियां-बन्धु मे छापा जायगा। तुम लोग इस के विषय हम से बहुत बेर सुन चुके हो कि यहां आसामी भाषा जानना कितना दरकारी है और तुम लोग इसे समझते हो कि हम लोगों के डरंग और नौवगाङ्ग के सब ख्रीस्तान लोग धीरे २ आसामी भाषा सीखे क्योंकि (अ) आसामी भाषा आसाम की मुख्य भाषा है और इस लिये कि यही भाषा है जिस से हम लोगों का दूसरे आदमी लोग समझ सकते हैं; हम को बाजार जाने और आसामी लोगों की रीति-नीति औ रहन-सहन जानने में बड़ी सहायता पहुंचेगी (ब) सरकारी सब कागज पत्र, पट्टा, रसीद, कचहरी सम्बन्धी कागज पत्र सब के सब आसामी भाषा ही मे लिखे जाते हैं और तुम को कम से कम उन को पढ़ने के लिये आसामी भाषा सीखना चाहिये जिस मे कि तुम किसी से ठगे न जाओ (स) हम काथोलिक लोगों के लिये यह भाषा जानना परमावश्यक है विशेष करके इस बात के लिये कि हम लोगों के धर्म्म की उन्नति होगी और शीघ्र समुचे आसाम-धर्म्मप्रदेश मे हमारा धर्म्म फैल जायगा और कि सब भिन्न २ जाति के लोग हम लोगों के धर्म्म मे आ सकेंगे (द) और कि हम लोग सब एक ही पिता परमेश्वर के लड़के वाले और आपस मे भाई-बन्धु के समान रहने सकेंगे। यह तभी हो सकता है जब कि हम आसामी भाषा का ज्ञान प्राप्त करते हैं। इस लिये मेरा हुक्म है कि—

(अ) सब प्रचारकों को आसामी भाषा सिखना चाहिये और उन का जल्दी शुरू करना है। (ब) बस्ती के सब स्कूलों मे मास्टरों का आसामी भाषा पढ़ाने के लिये शुरू करना चाहिये और अगर हो सकता है तो मैं देखना चाहता हूं कि बगानों में भी ऐसा ही होवे। (स) सब प्रचारकों को कम से कम एक आसामियां बन्धु खरीदना चाहिये और उन का यत्न करना चाहिये कि उन के ख्रीस्तान लोग भी आसामियां बन्धु पढ़े।

मैं इस अच्छे अवसर मे तुम लोगों का बहुत धन्यवाद देता हूं कि तुम लोग दोन बास्को के परब में बहुत आये थे और कि तुम लोगों ने महासभा सब के समय हाजिर होने मे खूब कोशिश की। परमेश्वर तुम सब को असीस देवे।

तुम्हारा प्यारा फादर

অসমীয়াৰ বন্ধু

ভাগ ২য়।	বাৰ্ষিক মূল্য ৷০ আনা।	সংখ্যা ১ম-২য়

বন্ধুৰ বাণী।

মোৰ প্ৰিয় অসমীয়া বন্ধুবিলাক, মই শুনি বৰ আনন্দ পাইছোঁ যে তোমালোকে মোৰ পত্ৰ পাই তাক ভালকৈ মনোযোগ কৰি পঢ়িছা। মই তোমালোকৰ বন্ধু কাৰণ মই তোমালোকক সত্য সুখৰ বাট দেখুৱাম। বহুত মানুহে ভাবে যে সত্য-সুখ সুস্থ শৰীৰ থাকোঁতে বা বহুত ধন হোৱাত বা ভাল খোৱাত আৰু সকল প্ৰকাৰৰ সুখ অভিলাষত প্ৰকৃত সুখ পোৱা যায়। কিন্তু যিবিলাকে এনেকুৱা ভাব কৰে সিবিলাকৰ বহুত ভুল।

নহয়, মোৰ প্ৰিয় বন্ধুবিলাক, এই সংসাৰত টকাই মানুহক সুখী নকৰে। মানুহসকলোৰ আত্মা এই সংসাৰৰ ধনতকৈ বেচি মূল্যৱান। যদি আমি আমাৰ আত্মাৰ বিষয়ে সাবধানে থাকোঁ আৰু আমাৰ ঈশ্বৰৰ আৰু মানুহৰ সৈতে শান্তিৰে থাকোঁ তেন্তে বুজিবলৈ পাম প্ৰকৃত সুখ কি।

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই কৈছে "ধন্য যিবিলাকৰ মন নম্ৰ, কাৰণ সিবিলাকৰহে ঈশ্বৰৰ ৰাজ্য" (মথি ৫ অধ্যায় ৩ পদ)।

আৰু তেওঁ অন্য এঠাইত কৈছে "যদি মানুহে সকলো সংসাৰ জয় কৰে কিন্তু নিজৰ আত্মা হেৰুৱায় তেনে মানুহৰ কি লাভ আছে ? মানুহ আপোন আত্মাৰ পৰিবৰ্ত্তে কি দান দিব ?" (মথি ১৬ অধ্যায় ২৬ পদ)।

আমাৰ আত্মা কেতিয়াও নমৰে কিন্তু আমাৰ শৰীৰ অলপ বছৰৰ ভিতৰত মৰি যাব আৰু এমুঠি ধূলি হৈ যাব। এই দেখি কিয় আমি ইমান

মূৰ্খ যে নিজৰ অমৰ আত্মাৰ বিষয়ে চিন্তা কৰিবলৈ পাহৰি যাওঁ আৰু কেৱল আমাৰ শৰীৰৰ নিমিত্তে ইমান বেচি চিন্তা কৰি থাকোঁ ? ঈশ্বৰৰ পুত্ৰই আমাৰ আত্মাৰ ৰক্ষাৰ নিমিত্তে আমাৰ নিচিনা মানুহ হল আৰু ক্ৰুচত নিজৰ সকলো তেজ উলিয়ালে।

আমাৰ কি লাভ যদি আমি এই সংসাৰত সকলোতকৈ বেচি ধনী হওঁ যদি আমি নিজৰ আত্মাক নৰকত পৰি হেৰুৱাই দিওঁ ?

তুমি যীচু খ্ৰীষ্টৰ এই দৃষ্টান্ত শুনাঃ—এজন ধনী মানুহৰ পথাৰত বহুত শস্য উপজিলে আৰু সি আপোন মনত ভাবিবলৈ ধৰিলে "মই এই সকলোবোৰ কি কৰিম কাৰণ এই সকল ফলকে জমা কৰি ৰাখিবলৈ ঠাই নাই।" আৰু সি আপোন মনত কলে "মই এই ৰূপ কৰিম যে পুৰনী ভড়াল ভাঙ্গি পেলাই আকৌ নতুন ডাঙ্গৰ ভড়াল তৈয়াৰ কৰিম আৰু তাত মই সকল ফল আৰু আমাৰ সকল সম্পত্তি থম আৰু মই আপোন মনক কম, "হে মোৰ মন তোমাৰ নিমিত্তে বহুত বছৰৰ নিমিত্তে ধন সঞ্চয় কৰা হৈছে এতিয়া তুমি বিশ্ৰাম কৰি খোৱা, পান কৰা আৰু আনন্দ কৰি থাকা"

কিন্তু ঈশ্বৰে তেওঁক কলে "হে মূৰ্খ তোমাৰ আত্মাক আজি নিয়া হব তেতিয়া সেই ধনবোৰ কাৰ হব ?" "মই মৰিম ! মই মৰিম !" এজন সাধুৱে চয়তানক উত্তৰ দিছিল যেতিয়া সি তেওঁক পৰীক্ষা কৰিছিল আৰু তেওঁক এই জগতৰ সকল ধন সম্পত্তি আৰু তাৰ সকলো সুখ অভিলাষ দিম বুলি কৈছিল।

হে মোৰ প্ৰিয় বন্ধুবিলাক, আহা আমিও সেই দৰে উত্তৰ দিওঁঃ "আমি মৰি যাম !" আমাৰ মৰণ কালত এই সংসাৰৰ অসাৰতা বুজিবলৈ পাম কিন্তু আমি কেনেকুৱা আনন্দ পাম যদি আমি যীচু খ্ৰীষ্টৰ সত্য শিষ্য হৈ তেওঁৰ আজ্ঞা পালন কৰিছিলোঁ। যীচুৱে কৈছেঃ "ময়েই পথ, সত্য আৰু জীৱন"।

আহা আমি তেওঁৰ অনুকৰণ কৰোঁ আৰু তেওঁক বিশ্বাস কৰোঁ তেনেহলে আমি তেওঁৰ লগত ঈশ্বৰৰ ৰাজ্যত স্বৰ্গত বাস কৰিবলৈ পাম।

অসমীয়াৰ বন্ধু।

প্ৰথম অধ্যায়।

মণ্ডলীৰ ইতিহাস

যীচু খ্ৰীষ্টই মণ্ডলী স্থাপিত কৰিছিল।



আমাৰ পবিত্ৰ মণ্ডলী ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্টৰ দ্বাৰা স্থাপিত কৰা হৈছিল। তেওঁ এই সংসাৰলৈ অহা এতিয়া প্ৰায ২,০০ হেজাৰ বছৰ হৈ গল আৰু আমাৰ নিচিনাকৈ মানুহৰ দৰে ৩৩ বছৰলৈ'ক জগতত বাস কৰিছিল। তেওঁ আমাক স্বৰ্গৰ বাট দেখুৱাবলৈ আৰু স্বৰ্গৰ দুৱাৰ আমাৰ নিমিত্তে মুকলি কৰিবলৈ আহিছিল।

যীচু খ্ৰীষ্টৰ পিতা ঈশ্বৰ সৰ্ব্বশক্তিমান, আৰু তেওঁৰ মাতৃ কুমাৰী মাৰিয়া আছিল যাৰ গৰ্ভত তেওঁ শৰীৰ আৰু আত্মাৰে সৈতে আমাৰ নিচিনা জন্ম ধাৰণ কৰিছিল। সন্ত যোচেফ তেওঁৰ পিতা নাছিল কিন্তু তেওঁৰ প্ৰতিপালকহে আছিল আৰু তেওঁ তেওঁক তালাপি কৰিছিল আৰু খুৱাই-ছিল। তেওঁ বৈত্লাহেমত জন্ম ধাৰণ কৰিছিল। যদিও তেওঁ ঈশ্বৰ

আৰু ৰজাবিলাকৰ ৰজা আছিল আমি কেনেকুৱা দুখ ভুগিব লাগে তাক তেওঁ শিক্ষা দিবলৈ এটা গোহালিত জাৰৰ দিনত যেতিয়া তেওঁৰ গাত দিবলৈ কাপোড় নাছিল এনে অৱস্থাত তেওঁ জন্ম লৈছিল। প্ৰথম ৩০ বছৰলৈকে তেওঁ নাচৰত নগৰত বাস কৰিছিল আৰু সন্ত যোচেফৰ লগত কাম কৰিছিল আৰু তেওঁ আমাৰ কেনেকুৱা পবিত্ৰ জীৱন হব লাগে তাক দেখুৱাইছিল। তাৰ পিছত তিনি বছৰলৈকে তেওঁ নিজৰ দেশৰ চাৰিওফালে নতুন শুভবাতা প্ৰচাৰ কৰি ফুৰিছিল। আৰু তেওঁ যে এজন ঈশ্বৰ তাক আমাক দেখুৱাবলৈ বহুত আশ্চৰ্য্য কাম কৰিছিল; যেনে তেওঁ কণাবিলাকৰ চকু ভাল কৰিছিল, কলাবিলাকক শুনিবলৈ আৰু বোবাবিলা-কক কথা কবলৈ শক্তি দিছিল আৰু মৰা মানুহক আকৌ প্ৰাণদান কৰিছিল।

শেষত তেওঁ নিজ ইচ্ছায় আমাৰ নিমিত্তে বহুত কঠিন দুখ ভুগিলে আৰু ক্ৰুচত প্ৰাণ এৰিলে। কিন্তু ৩ দিনৰ পিছত তেওঁ আকৌ মৈদামৰ পৰা উঠিল। পুনৰুত্থানৰ পাচত তেওঁ নিজৰ পাচনিবিলাকৰ লগত বাস কৰিছিল আৰু শেষত এদিন তেওঁৰ সকলো পাচনি আৰু শিষ্যবিলাকক এটা পাহাড়ত একত্ৰ কৰি সিঁহতক শেষ আজ্ঞা দি তেওঁ স্বৰ্গলৈ গল।

বিশ্বাস আৰু প্ৰেম আত্মাৰ ডোকা। ঈশ্বৰক বিশ্বাস কৰা আৰু তেওঁক প্ৰেম কৰা তেনেহলে তুমি নিশ্চয় তেওঁৰ ওচৰলৈ উৰি যাব পাৰা। (ফাঃ ফাবেৰ)

মানুহৰ জীৱন এটা মোনা স্বৰূপ যাৰ ভিতৰত নিজ ইচ্ছাই সোণ ৰূপ আৰু আমাৰ টুকুৰাবোৰ ভৰাব পাৰি।

মই তোমাক কৈছো যে বিচাৰৰ দিনত কোন অযোগ্য কথা যি মানুহৰ মুখৰ পৰা ওলায় তাক হিচাব দিব লাগিব কাৰণ তোমাক আপোন কথাৰ দ্বাৰা নিৰ্দোষী বা দোষী কৰা হব। (মথী ১২—৩৬, ৩৭ পদ)



ব্যৱসায়

ধৰ্ম্মৰ ব্যৱসায ইমান ডাঙ্গৰ কৃপা আছে যে তাৰ আচল মূল্য আত্মাই স্বৰ্গতহে বুজিব পাৰে। মানুহৰ সঙ্গৰ পৰা আতঁৰাই দিয়া ঐশ্ব্যৰিক মৰ্য্যদাৰ হাতত ৰখা আৰু ঈশ্বৰৰ অদ্বিতীয় ও অব্যাহতিৰ সেৱাৰ নিমিত্তে ৰখা; ঈশ্বৰৰ পুত্ৰলৈ পত্নী আৰু আত্মাবিলাকৰ ত্ৰাণলৈ কাম কৰিবলৈ তেওঁক আহ্বান কৰা আছে; ইএনে ডাঙ্গৰ উপকাৰ যে সকলো মানুহৰ আকাঙ্খাৰ শ্ৰেষ্ঠতম আৰু তাৰ হৃদয় অবিৰাম কৃতজ্ঞভাৱে পৰি-পূৰ্ণ কৰিছে।

সৌৱা, আত্মাই কাক ববকৈ আৰু আগ্ৰহেৰে ঈশ্বৰৰ মাত সংগ্ৰহ কৰি তেওঁৰ নম্ৰ নিমন্ত্ৰণ শুনে আৰু মাত, নিমন্ত্ৰন উৎসাহ প্ৰাৰ্থনাত গ্ৰহণ কৰি যীচুক উত্তৰ দিয়েঃ—"হে যীচু, তোমাৰ নিমিত্তে মই জীৱন খোজোঁ। আজিৰ পৰা মোৰ সমস্ত শক্তি, মোৰ প্ৰাণী তোমাৰ হব। কিন্তু গন্তীনৰ কঠিন হব। একো নহয়! যীচুৱে মাতিছে, বাট সৰু আৰু খলা-বমা। একো নহয়! যীচুৱে মাতিছে।" "যদি মোৰ পাচত আহিব খুজিছা তুমি নিজে মুই কৰা; তোমাৰ ক্ৰুচ ধৰি মোৰ পিচে পিচে আহাঁ।" "কত ?"

"সদায় আৰু যতে ত'তে শোকৰ বাটত খোজ কাটি কালৰাবি পৰ্য্যন্ত লৈকে।" কিন্তু যীচুৱে যে বাট স্থিৰ কৰিলে, আমালোকৰ নিমিত্তে

যিবিলাকে সমস্ত চিত্তেৰে তেওঁক বিছাৰে অলেখ কৃপা সিবিলাকক ঢালি দিয়ে যে তেওঁবিলাকৰ শান্তনা আৰু বল হব।

এদিন যীচুৱে এজনী পবিত্র উদাসিনীক দৰ্শণত আত্মাবিলাকৰ পত্নী দেখা দিলে যে তেওঁৰ ওচৰ'ল গৈছে আৰু আটাইবিলাকে তেওঁৰ পবিত্র হৃদয়ত ঠাই পাইছিল, আৰু যীচুৱে ক'লে, "অনন্ত কাললৈ এনে হব" দেখিলে যে যীচুৱে প্রত্যেক পত্নীৰ আত্মাত অতি সুন্দৰ সোণৰ চেইনৰে লগ লগালে। ইয়াৰ অৰ্থ এই যে যীচুৰ পিচে পিচে যোৱা ৰাজত্ব কৰা হয়। যীচুৱে তেওঁৰ প্রিয়বিলাকক বাছি লৈ তেওঁৰ মৰমৰ গুপ্ত ভাগী কৰিছে।

বিশ্বাসী আত্মাই যীচুৰ মাত শুনি তেওঁৰ পিচে পিচে যায়। যীচুৱে নিস্কলঙ্ক মেৰ পোৱালী আৰু সতী আত্মবিলাকক বৰ ভাল পায়।

জগতৰ দৃষ্টিতো সতীত্ব মাননীয়। পূজোতা ৰোম ভেষ্টাল কুমাৰী-বিলাকক মান কৰিছিল আৰু বেলেগ আৰু শ্রেষ্ঠ জাত সজাইছিল। তেওঁ-বিলাকে দেৱতাৰ আগত পবিত্র জুই ৰাখিছিল। ৰোমীয় ভদ্রলোকবিলাক স্বয়ং মহা ৰজা আৰু জেতাবিলাকে বাটতে ভেষ্টালিৰ লগত সাক্ষাৎ কৰিলে আৰু সম্মান স্বৰূপে ৰথৰ পৰা নামিছিল। যদি এজন প্রাণদণ্ড পাব লগা মানুহে নিজ ফাঁচিৰ ঠাইত এজনী ভেষ্টলাৰ লগ পোৱা হলে তেওঁ তাক চোৱা মাত্রে তাৰ জীৱনৰ কৃপা পালেহেঁতেন। ই-সম্মান আছিল কাৰণ ৰোমীয়বিলাকে ভাবিছিল যে সতা আত্মাত দেৱতাই বাস কৰে।

আৰু কাথলিক বিশ্বাসৰ দৃষ্টিতো এই পূণ্যত কেনে সৌন্দৰ্য্য আৰু পবিত্রতা জ্বলে! এই পূণ্যই কাথলিক মণ্ডলিতহে নিজৰ উজ্বলতা পায়।

চলমন ৰজাই কৈছিল "সতীত্বৰ বংশ কেনে সুন্দৰ! তেওঁৰ স্মৰণ অনন্ত; ই-ঈশ্বৰৰ আৰু মানুহৰ হৃদয়ত সদায় উপস্থিত আছে।

কাথলিক উদাসীনাবিলাকে (চিস্টাৰবিলাকে) মৰ্য্যদালৈ ঈশ্বৰলৈ নিজৰ প্রাণ উচৰ্গা কৰিছে। আৰু তেওঁবিলাকে প্রেমৰ সকলো কামতে হাত দিয়ে। নম্র উদাসীনাবিলাকে নানা ঠাইত আৰু নানা ৰকম স্কুলত নিৰাশ্রয় অনাথ সন্তানবিলাকৰ লগত আৰু যতে ততে প্রেম আৰু দয়াৰ কাম কৰি আছে।

কাথলিক মণ্ডলীৰ শিক্ষা



পিতৰৰ কাম

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই পাচনিবিলাকক কলে 'তোমালোকে গৈ সকলো জাতিক শিক্ষা দিয়া। যিবিলাকে তোমালোকৰ কথা শুনিব, সিবিলাকে মোৰ কথা শুনিব"। আৰু যেন সকলোৱে এক সম মত শিক্ষা দিব পাৰিব এই কাৰণে তেওঁৱে এজনক মুৰিয়াল, পিতৰক নামে নিযুক্ত কৰিলে। যীচুৱে মণ্ডলীৰ প্ৰত্যক্ষ ঘাইক স্থাপন কৰি তেওঁক কলে; "তুমি পিতৰ [অৰ্থাৎ শিল] আৰু এই শিলৰ ওপৰত মই মোৰ মণ্ডলীক স্থাপন কৰিম। আৰু নৰকৰ দুৱাৰবোৰ তাইৰ ওপৰত প্ৰবল নহব। আৰু স্বৰ্গৰ ৰাজ্যৰ চবি তোমাক দিম," যীচুৱে তেওঁক আৰু কলে; "মোৰ মেৰপোৱালিবিলাকক চৰোৱা"। "মোৰ মেৰ-বিলাকক [অৰ্থাৎ পাচনিবিলাকক] চৰোৱা"।

আৰু যেন পিতৰৰ বিশ্বাসৰ কেতিয়াও ক্ষয় নহ'ব তাৰ নিমিত্তে যীচুৱে প্ৰাৰ্থনা কৰিলে আৰু নিজ ভাইবিলাকক বিশ্বাসত দৃঢ় কৰিবলৈ তেওঁক আদেশ দিলে। এই কথাবোৰৰ দ্বাৰা যীচু খ্ৰীষ্টই মেৰ পোৱালিবিলাক (আটাই খ্ৰীষ্টানলোকে) আৰু মেৰবিলাকৰ মুৰিয়াল-মূৰক নিযুক্ত কৰিলে। এই দেখি তেওঁৰ প্ৰধান আজ্ঞাকাৰীলোক হোৱা আমাৰ আৱশ্যক।

পিতৰৰ মৃত্যুৰ পাচত

পিতৰৰ পাচত মণ্ডলীৰ শেষ নহৈ তেওঁৰ উত্তৰাধিকাৰীবিলাকে, অৰ্থাৎ ৰমীয় বিচপবিলাকে সেই সম-ক্ষমতা ব্যৱহাৰ কৰিলে। ৰমৰ যি পপ মহাশয় আছে সকলোৱে আৰু সদায় তেওঁক পিতৰৰ উত্তৰাধিকাৰী আৰু সৰ্ব্বসাধাৰণ মণ্ডলীৰ প্ৰত্যক্ষ মূৰক তেওঁক চিনি স্বীকাৰ কৰিলে। একহে সৰ্ব্বসাধাৰণ মেল নহল যাতে পপে নাইবা তেওঁৰ এজন পাচনি উপস্থিত হোৱা নাই।

পপৰ গ্ৰহণ নকৰাকৈ তাৰ এটাও নিস্পত্তি গ্ৰাহ্য নেপালে সকলো জগতৰ বিচপ আৰু খ্ৰীষ্টানবিলাকে তলত দয়া পুৰণী স্বতঃসিদ্ধ স্বীকাৰ কৰিছিল "য'তে পিতৰ মণ্ডলীও ত'তে"। ৰমহে পিতৰৰ বাসৰ ঠাই। পাচনিবিলাকৰ পৰা আজি ৰম মণ্ডলীহে পুৰ্ণাঙ্ক বিশ্বাস ৰাখিছে। ঈশ্বৰে যে পিতৰে আৰু তেওঁৰ উত্তৰাধিকাৰীবিলাকে বিশ্বাসীলোকৰ সমূহক অপথে নিনিব তেওঁৰে নেৰানেপেৰাকৈ বিশেষ মনোযোগ দিয়ে। এই বিশেষ সহায়ৰ দ্বাৰা পপে ধৰ্ম্মশিক্ষাত অৰ্থাৎ বিশ্বাস আৰু নিতিৰ কথাত ভুল কৰিব নোৱাৰে। এই বিশেষ অধিকাৰৰ নাম অভ্ৰান্তত্তা বা ভুলশুন্যতা। যে পপে অপকাৰ, অন্যায় কৰিব নোৱাৰে তাৰ অৰ্থ নহয়। তেওঁৱেই আপোন আত্মাক হেৰুৱাব পাৰে, কিন্তু পপে ধৰ্ম্মশিক্ষাতহে ভুল-ভ্ৰান্ত কৰিব নোৱাৰে কাৰণ যীচু খ্ৰীষ্টই পবিত্ৰ পিতৰক আৰু তেওঁৰ উত্তৰাধিকাৰীবিলাকক প্ৰতিজ্ঞা কৰিলে যে নৰকৰ দুৱাৰবোৰে মণ্ডলীৰ ওপৰত প্ৰবল নকৰিব। এই দেখি ধৰ্ম্মশিক্ষাত ভুল-ভ্ৰান্ত ওলালে কাথলিক মণ্ডলীয়ে সত্যতাৰ পথ দেখুৱাই দিয়ে।

অত্ৰান্ত নগৰৰ ৮০০ জন ধৰ্ম্মহত।

ইটালী দেশৰ দক্ষিণ কালে এখন ধুনীয়া সৰু নগৰ আছে। নাম অত্ৰান্ত। ইয়াত ইং ১৪৮০ চনৰ আগষ্ট মাহত, এটা ভয়ানক হত্যাকাণ্ড কৰা হয়। ৮১৪ মুনিহে যীচুৰ নিমিত্তে প্ৰাণ ত্যাগ কৰে। দ্বিতীয় মহম্মদে খ্ৰীষ্টিয়ান ধৰ্ম্ম ছাৰখাৰ কৰিব বুলি এখন ডাঙ্গৰ ফৌজ গোটাই ইটালী দেশলৈ পাল তৰি যাত্ৰা কৰে। সকলো ঠাইতে বৰ ভয়। অত্ৰান্ত নগৰৰ বাসিন্দা সকলহে নিৰ্ভয়। তেওঁলোক বাৰ হেজাৰ মাত্ৰ। শত্ৰুৰ ২০০ নাও আৰু ওঠৰ হেজাৰ যুগুৱা।


অত্ৰান্তৰ ওচৰ চাপি মুচলমান সেনাপতিয়ে তেওলোকক বশ মানিবলৈ কবলৈ পঠিয়ালেগৈ। কিন্তু উত্তৰটো এই 'আম, যীচু খ্ৰীষ্টৰ আৰু আমাৰ ৰজাৰ নিমিত্তে মৰিবলৈ সাজু।" সেনাপতি খঙত জ্বলি পকি উঠিল। আৰু চহৰখন আক্ৰমন কৰিবলৈ আদেশ দিলে। পোন্ধৰ দিনৰ মূৰতহে মুচলমানে হেজাৰ বিজাৰ শৰ ওপৰত খোজ কাঢ়ি নগৰ দখল কৰে। গীৰ্জাঘৰলৈ চোচা লৈ তাত গোটখোৱা ফাদাৰবিলাক আৰু ধৰ্ম্মাধ্যক্ষক কাটে। তাৰ পিচত সেনাপতিযে অৱশিষ্ট মানুহবিলাকক মতাই অনালে। আছিল ৮১৩ জন। মুচলমানে সিহঁতৰ গোটেই ভৰিৰ পৰা মূৰলৈকে এবাৰ থং জৰা চকুৰে চাই ললে। তেতিয়া সিহঁতক কৈ বোলে সিহত মুচলমান হৈ যাব যদি সিহঁতক বধ কৰক ছাৰি ধনহে দিব। কিন্তু সেই সাহসী মানুহ-বিলাকৰ এজনে অসাধাৰণ সাহসেৰে কলে "আমি যীচু খ্ৰীষ্ট ঈশ্বৰৰ পুত্ৰেকতহে বিশ্বাস কৰো, আৰু তেখেতৰ নিমিত্তে মৰিবলৈ সাজু। ভাই সকল, আজিলৈ জন্মভূমিৰ কাৰণে আমাৰ ৰণ, আগলৈ আমাৰ আত্মাৰ, যীচু আমাৰ ত্ৰাণকৰ্ত্তাৰ নিমিত্তে আমাৰ যুদ্ধ।" চুলতানৰ খঙে চুলি পালেহি। কিন্তু ধৰ্য্য ধৰি পিচলৈ শাস্তি দিবৰ দৃঢ় প্ৰতিজ্ঞা হল। তিনি দিন উকলিলত চুলতানে সিহতক চহৰৰ সকলো বাটেদি চোচোৰোৱাই নিয়ালেগৈ। পিচে আকৌ সিহতক মতাই অনালেহি। তিনি দিনৰ আগে কথা কোৱা জনে দুনাই মাত লগাই কলে। "আমি হলে মৰিম, হয়, কিন্তু যীচুক কেতিয়াও ত্যাগ নকৰিম।" চুলতানে আৰু ধৰ্য্য ধৰিব নোৱাৰি



অত্ৰান্ত নগৰৰ ৮০০ জন ধৰ্ম্মহত

তদ্দণ্ডে তাৰ প্ৰাণদণ্ডৰ আদেশ দি পেলালে। ভেবা কথা, এনে ডাঙ্গৰ বীৰৰ মূৰ কটা মাত্ৰকে তেওঁৰ শৰীৰ থিয় দি তাক খহাই দিয়া অসম্ভৱ। সেই দেখি ছাউদাঙে তৰোৱাল দলিয়াই দি পেলাই তেতিয়াই নিজক খ্ৰীষ্টান স্বীকাৰ কৰে। তেওঁৰ মূৰ তৎক্ষণাতে কটা হল আৰু তেওঁৰ পিচত আন সকলৰো মূৰ কটা হল। তেতিয়াহে সৌ বীৰৰ পবিত্ৰ শৰীৰ মাটিত পৰিল গৈ। সেই ৮১৪ মানুহৰ এটা সৰু হাফলুৰ আগৰ এখন মুকলি ঠাইতে ১৩ মাহ থাকিও নেগেলিল। মুচলমানে মাটিত থোৱা নাছিল কাৰণ হাফলুটো স্বৰ্গীয় পোহৰেৰে অলকিত আছিল। এই আচৰিত খ্ৰীষ্টীয় সাহসে আমাকে উৎসাহহে দিব লাগে। আমালোকৰ অতি পবিত্ৰ ধৰ্ম্মৰ প্ৰতি আমাৰ প্ৰেম দিনে পতিয়ে বাঢ়িব লাগে কাৰণ অলেখ ধৰ্ম্মহতে তাৰ নিমিত্তে প্ৰাণ ত্যাগ কৰিছে।

ঈশ্বৰৰ ইচ্ছা।



আমালোকৰ জীৱন পৰীক্ষা পৰখ। এই দেখি ইহকালত আমালোকে সম্পূৰ্ণ ৰূপে সুখী হব নোৱাৰোঁ। এই কাৰণে যীচু খ্ৰীষ্টই কলে "কোনোৱে যদি মোৰ পাছে পাছে আহিবলৈ ইচ্ছা কৰে তেনেহলে তেওঁ আপোনাক আপুনি দমন কৰক আৰু আপোন ক্ৰুচ তুলি লৈ মোৰ পাছে পাছে আহক।" এই দেখি দুখ, শোক কষ্ট শ্ৰম ঈশ্বৰৰ নিমিত্তে ৰংমনেৰে সহিব লাগে। পৰীক্ষা উত্তীৰ্ণ কৰিলে আমালোকে অনন্তকাললৈকে ভাগ্যবান হম।

অনেক, অনেক বছৰৰ আগেয়ে পিতৰৰ নামে এজন লোক আছিল। এদিন নৰিয়াত পৰি থাকোঁতে থাকোঁতে তেওঁ গোৰোগেঁথোকৈ আৰু অস্থিৰ ভাবে নিজ অৱস্থা সহ্য কৰিছিল। বেমাৰৰ পৰা সুস্থ হবৰ নিমিত্তে নিতৌ তেওঁ ঈশ্বৰক খাটি তলত দিয়া প্ৰাৰ্থনা কৰিছিল:—"হে ঈশ্বৰ, আপোনাৰ শ্ৰেষ্ঠ দয়াৰ দ্বাৰা এনে বেমাৰৰ পৰা মোক তৰাই সুস্থ কৰক, কাৰণ মই

তাক আৰু সহিব নোৱাৰো। এই ক্রুচৰ ভৰ অতিশীত, কৃপা কৰি আন আন ক্রুচ পঠিয়াই এই ক্রুচৰ পৰা মোক ৰক্ষা কৰক, তেনেহলে মই সুখী হম।"

এৰাতি সেইজনে শুই থাকোতে এটা সমাজিক দেখিলে। এজন স্বৰ্গীয় দূতে তেওঁৰ ওচৰলৈ আহি তেওঁক কলে:--ঈশ্বৰে তোমাৰ প্ৰাৰ্থনা শুনিলে। মোৰ পাছে পাছে আহা।" নৰিয়ালোকে দূতৰ কথা মানিলে। এই দেখি দুয়ো এখন আহল বহল কোঁঠাত উপস্থিত হলহি। সেই কোঠা ক্রুচবোৰেৰে পূৰ আছিল। স্বৰ্গীয় দূতে পিতৰকে চাই দেখি কলে:—"তুমি যি ক্রুচখনক সহিবলৈ প্রস্তুত সেইবোৰৰ ভিতৰত তাক বাছি লোৱা।" নৰিয়ালোকে এটা এটাকৈ ক্রুচখন তুলিবলৈ চেষ্টা কৰিলে কিন্তু তেওঁৰ সকলো যত্ন অনাৰ্থক পৰিছিল। নাকণি-কাননি আৰু নিৰাশ হৈ পিতৰে বৰ লজ্জা গম পাই শেষ ক্রুচখনলৈ আহিল। তাক সহজে ধৰি তুলি পিতৰে চিঞৰিলে:—জয় জয়, এই ক্রুচখন সকলোতকৈ পাতল, সন্তোষেৰে মই তাক তুলি লম।"

স্বৰ্গীয় দূতে মিচিকিয়াকৈ কলে:—"ক্রুচখন ওলোটোৱা।" নৰিয়ালোকে কথা মানিলে। ক্রুচখনৰ পিচ ফালে তেওঁ বৰ আখৰেৰে লেখা তলত দিয়া কথা দেখা পালে: ; "পিতৰ" অৰ্থাৎ তেওঁৰ নিজ নাম। শিক্ষা বুজ পাই ইমান লাজ লাগিল যে সাৰ পাই সবল অন্তঃকৰণেৰে আটাহ পাৰি কলে:—"হে ঈশ্বৰ, তোমাৰ ইচ্ছা হওক।"

"ঈশ্বৰ বিশ্বাসী; তেওঁৱে তোমালোকলৈ শক্তিৰ অতিৰিক্ত পৰীক্ষা ঘটিবলৈ নিদিব; কিন্তু যিহতে তোমালোকে সহ্য কৰিব পাৰিবা তাৰ নিমিত্তে পৰীক্ষাই সৈতে সাৰিবৰ উপায়ো কৰিব।" (১ কৰিন্থিয় ১০—১৩)

তোমাক যেন কোন কথা ভয় নেদেখুৱায়। সকলোবে শেষ হয়, কেৱল ঈশ্বৰতে অটল। ধৈৰ্য্য গুণত আৰু নম্ৰ হৃদয়ত সকলো বিষয়ৰ সফলতা প্ৰাপ্ত হয়। যাৰ ওচৰত ঈশ্বৰ থাকে তাৰ নিমিত্তে অন্য কোন বস্তুৰ অভাব নাই।



প্রভুৰ আহাৰ

যীচু খ্ৰীষ্টই আমাৰ ত্ৰাণৰ নিমিত্তে স্বৰ্গৰ পৰা নামি অনেক দুখ শোক কষ্ট শ্ৰমৰ ভিতৰত প্ৰাণ ধাৰণ কৰিলে আৰু অৱশেষত আমাৰ প্ৰেমৰ কাৰণে ক্ৰুচৰ ওপৰত প্ৰাণ ত্যাগ কৰিলে। তেওঁ আমাৰ নিমিত্তে আৰু বেচি কৰিলে। সৰ্ব্বশেষভোজনত তেওঁ আমাক অসীম প্ৰেমৰ চিন দেখুৱালে। শিষ্যবিলাকে ভোজন কৰোতে কৰোতে যীচুৱে ৰুটি লৈ তাক আশীৰ্ব্বাদ কৰিলে আৰু ভাঙ্গি সিবিলাকক দি কলে: "লোৱা এই মোৰ শৰীৰ"। তাৰ পাচত যীচুৱে পান পাত্ৰক লৈ স্তুতি কৰি সিবিলাকক দি কলে: "নতুন আৰু নিত্য নিয়মৰ যি তেজ অনেকৰ নিমিত্তে উলিওৱা হব সেয়ে এই ......মোৰ স্মৰণাৰ্থে ইয়াক কৰিবা।"

ওপৰত দিয়া কথাবোৰৰ দ্বাৰা যীচুৱে ৰুটিক নিজ শৰীৰত আৰু দ্ৰাক্ষাৰসক নিজৰ তেজত পৰিবৰ্ত্তিত কৰিলে। সেই দিনৰ পৰা এতিয়ালৈকে পাচনি আৰু পাদ্ৰিবিলাকে যীচু খ্ৰীষ্টৰ আজ্ঞা মানি পবিত্ৰ মিচ্চাৰ বলিদানত ৰুটি আৰু দ্ৰাক্ষাৰস যীচু খ্ৰীষ্টৰ পবিত্ৰ শৰীৰ আৰু তেজত পৰিবৰ্ত্তন কৰে। এই দেখি দিনে দিনে সৰ্ব্বতিকালে আৰু সৰ্ব্বত্ৰ যীচু খ্ৰীষ্টই

আমালোকৰ মাজত আহি আমালোকৰ সঙ্গত বহিবলৈ খোজে। পবিত্ৰ ইউখাৰিস্ত, প্ৰভুৰ ভোজন, ধৰ্ম্মহৃতবিলাকৰ শক্তি বল আছিল। প্ৰভুৰ শৰীৰ গ্ৰহণ কৰাৰ পাচত দুৰ্ব্বল কুমাৰীবিলাকে আৰু আলসুৰা শিশু আৰু লৰাবিলাকে সিংহৰ নিচিনা বলৱন্ত হৈ উঠি ৰকমৰ দুখ কষ্ট সহ্য কৰিবলৈ সাজু আছিল। সচাঁকৈয়ে আমাৰ প্ৰভু যীচু খ্ৰীষ্টই পবিত্ৰ ইউ-খাৰিস্তৰ চাক্ৰামেণ্টত উপস্থিত আছে। তেওঁবে অনেক আশ্চয্য ঘটনাৰ দ্বাৰা এই কথাৰ সত্যতাৰ প্ৰমান কৰিলে। এই কাৰণে যদি যীচু ৰজা বিলাকৰ ৰজা আমালোকৰ মাজত উপস্থিত হৈ থাকে কিমান গভীৰ আদৰেৰে আৰু সম্মানেৰে আমালোকে তেওঁৰ আগমন সাদৰ অভ্যৰ্থনা কৰিব লাগে ! ধৰ্ম্মশাস্ত্ৰত আমালোকে পঢ়িছো যে ঃ "পিছদিনা পৰ্ব্বলৈ অহা সেই ডাঙ্গৰ লোক সমূহ যিৰূচালেমলৈ যীচু আহিছে বুলি শুনি খজুৰ ডাল লৈ তেওঁক আগ বঢ়াবলৈ গৈ জয়ধ্বনি কৰিলে ঃ

"জয়, জয ! যিজন প্ৰভুৰ নামত আহিছে ঈশ্বৰ ঈস্ৰায়েলৰ ৰজা ধন্য !"

আমালোকেও যীচুক আগ বঢ়াবলৈ গৈ কওহক ঃ

"হে যীচু, দুৰ্ব্বললোকৰ শক্তি আৰু আমালোকৰ আত্মাৰ স্বৰ্গীয আহাৰ আমালোকে তোমাক আৰাধনা কৰোঁ, তোমাকে প্ৰেম কৰোঁ। তুমি আমালোকৰ ৰজা হৈ আমালোকৰ ওপৰত ৰজত্ব কৰা যাতে তোমাৰ অধীনত আমালোকে সদায় সজ বাটত চলি ইহকালত সুখী হওঁ আৰু তোমাৰ লৈতে স্বৰ্গসুখ লভিব পাম।"

এই জগতৰ এজন ৰজাই বা ডাঙ্গৰীয়ালোকে আমাৰ গাওঁলৈ আহিলে আমালোকে কিমান আদৰেৰে তেওঁৰ অহা অভ্যৰ্থনা কৰিলোহেঁতেন। যীচুৱে অকল আমালোকেৰ ৰজাই নহয় তেওঁৱে ৰজাবিলাকৰ ৰজা, তেখেতে আমালোকৰ ঈশ্বৰ, আমালোকৰ প্ৰকৃত বন্ধু আৰু পিতা। এই জগতৰ মিত্ৰবিলাকে আমালোকৰ সকলো দুখ কষ্ট গুচাব নোৱাৰে, কিন্তু যীচুৱে ঈশ্বৰ হৈ আমালোকৰ সৰ্ব্বিদুখত মনোযোগী হৈ আমালোকৰ হিতকাৰ্য্যহে কৰিবলৈ ইচ্ছা কৰে। তেওঁ আমালোকক অনেক কৃপা দান কৰিবলৈ ইচ্ছুক।



যীচু তুমি আত্মাৰ মৰম
যীচু সন্তোষ, সুন্দৰ পদম
আহা, যীচু, আমাৰ হৃদয়
তোমাৰ হব বিশ্ৰাম নিশ্চয়

এক আচৰিত কুকুৰ



ডন বস্কৰ জীৱনীত আমি ঈশ্বৰে ডন বস্কক কিছুমান দুস্ট মানুহৰ পৰা ৰক্ষা কৰি সহায় কৰিবলৈ পঠোৱা এক আচৰিত কুকুৰৰ বিষয়ে পঢ়িবলৈ পাইছোঁক।

এদিন ৰাতি ডন বস্ক বহুত ঘুৰি-ফুৰি ঘৰলৈ উভতি আহিছিল। ৰাতি বৰ আন্ধাৰ আছিল আৰু তেওঁ অকলে আহিছিল। এনে সময়ত দুটা ডকাইত সেই পুৰোহিতৰ ওপৰত এখন ডাঙৰ কটাৰী লৈ বধ কৰিবৰ কাৰণে জপিয়াই পৰিল। কিন্তু তেওঁ ঈশ্বৰৰ বৰ প্ৰিয় আছিল আৰু তৎক্ষনাৎ ঈশ্বৰে তেওঁক সহায় কৰিলে। এটা বৰ প্ৰকাণ্ড কুকুৰ ডকাইত দুটাৰ ওপৰত পৰি ভুকি আচুৰি-কামুৰিবলৈ ধৰিলে।

পিচত ডন বস্কই নিজৰ ওচৰলৈ কুকুৰটোক মতাতহে সি ডকাইত দুটাক এৰিলে আৰু সেই পুৰুহিতৰ লগে লগে ওৰে বাট গল। তেতিয়াহে ডকাইত দুটা পলাই সাৰিব পাৰিলে।

আৰু কেইবা বাৰো সেই কুকুৰটোৱে ডন বস্কৰ জীৱন ৰক্ষা কৰিছিল। এই প্ৰকাণ্ড কুকুৰটো ক'ৰ পৰা আহিছিল, কোনেও কব নোৱাৰে কিন্তু ডন বস্কই জানিছিল যে ইয়াক ঈশ্বৰে তেওঁক প্ৰত্যেক বিপদৰ পৰা ৰক্ষা কৰিবৰ কাৰণে-পঠাইছিল।

তেজপুৰত
পবিত্ৰ যোহন বস্কৰ
সন্মানাৰ্থে মহৎ উৎসৱ



পবিত্ৰ যোহন বস্ক মাউৰা-বিলাকৰ পিতাৰ নিমিত্তে আমা-লোকে তেজপুৰত এটা খুব সুন্দৰ পৰ্ব্বদিন প্ৰস্তুত কৰিছিলোঁ। তিনি হেজাৰতকৈ অধিক খ্ৰীষ্টান লোক উপস্থিত আছিল আৰু আন আন মানুহবিলাকৰ মাজত বহুতে ঘনে ঘনে আমাৰ বঙ্গলা দৰ্শন কৰিবলৈ আহিছিল। শুক্ৰ বাৰ দিনা, ফেব্ৰুৱাৰি মাহৰ ১ তাৰিখে ৰাইত ৰেং মন্সিগ্নৰ মাথিয়াচ, এচ চি, ডি ডি, আৰু আন আন পাদ্ৰি আৰু বদাৰবিলাকৰ আদৰ অভ্যৰ্থনা হ'ল। শনিবাৰত মনতলগা এখন অসধাৰণ গান বাজনা হ'ল। অনেক চাহেবেও হাজিৰ আছিল। সেই দিনাও প্ৰায় এশজনে বাপ্তাইজিত হ'ল। পিছ দিনা দেওবাৰ ফেব্ৰুৱাৰি মাহৰ ২ তাৰিখে ৰাতিপুৱাত পন্তিফিকেল মিচ্ছা, ৰাইত ৰেং মন্সিগ্নৰ মাথিয়াচ, এচ চি, ডি ডি, শিলঙৰ বিচপৰ দ্বাৰা। গধূলি পবিত্ৰ চাক্ৰামেণ্টৰ যাত্ৰা যি একেবাৰে সুন্দৰ আৰু মনতলগা আছিলঃ প্ৰায় তিনি হেজাৰ মানুহে হাতত আৰিয়া ধৰি যাত্ৰা কৰিছিল। কেইজনমানৰ ঢোলো আছিল। এক সুন্দৰ ৰথৰ ওপৰত আমাৰ প্ৰভূ যীচু খ্ৰীস্টই ৰজাবিলাকৰ ৰজাই তেজপুৰৰ বাটেদি ফুৰোতে আমাৰ ভাৰবৰ্ষ আৰু আই মাত আসাম দেশক আশীৰ্ব্বাদ কৰিছিল।

সোমবাৰ দিনা প্ৰায় ছয় শ মানুহে হস্তাৰ্পণ চাক্ৰামেণ্ট গ্ৰহণ কৰিলে।

SPECIAL NUMBER.

অসমীয়াৰ বন্ধু



[illegible]



কাথলিক মণ্ডলীৰ মস্তক

Pope Pius XI.

অসমীয়াৰ বন্ধু

ভাগ ২য় | ফেব্ৰুৱাৰী ১৯৩৫ | সংখ্যা ২

বন্ধুৰ বাণী।



আমি বাইবেলত এনে ভাল কথা পঢ়িবলৈ পাইছোঁ ' যদি তুমি এজন বন্ধুক পাইছা তেনেহলে তুমি এটা ধন পাইছা।" হেৰা, তুমি কি এজন ভাল বন্ধুক পাবলৈ ইচ্ছা কৰা? যদি তুমি ইচ্ছা কৰা তেনেহলে এই সকু ৰচনাক বৰ সাবধানেৰে আৰু প্ৰেমেৰে পঢ়িলে তুমি জানিবলৈ পাবা যে সন্ত জোন বস্ক তোমাৰ জীৱনৰ এজন উত্তম বন্ধু। সন্ত জোন বস্ক ল'ৰা-কালত এজন বৰ দুখীয়া ল'ৰা আছিল কাৰণ তেওঁক গৰু ছাগলী চৰাবলৈ দিছিল। কিন্তু ঈশ্বৰে সেই দুখীয়া ল'ৰাক যে কেনেকুৱা ভাল আৰু পবিত্ৰ আছিল গ্ৰহণ কৰি তেওঁক মাউৰা লৰাবিলাকৰ পিতৃ আৰু এটা ডাঙৰ সঙ্গ স্থাপিত কৰিবলৈ তেওঁক নিযুক্ত কৰিলে। সেই সঙ্গ এতিয়া সকলো

জগত ব্যাপি গৈছে। সন্ত জোন বস্কৰ নাম এতিয়া সকলো জাতিৰ মাজত জনাজাত হৈছে আৰু সেই নাম এতিয়া মহৎ হৈছে। তেওঁ ইটালী দেশত জন্ম লৈছিল কিন্তু এতিয়া সমস্ত পৃথিবীয়েই "তেওঁৰ-দেশ" হৈ গৈছে। তেওঁ স্বৰ্গী হোৱা এতিয়া প্ৰায় ৫০ বছৰ হ'ল কিন্তু তেওঁ আন সকলো ডাঙৰ মানুহৰ দৰে সকলোৰ মনত জীৱিত আছে। দুই মাহৰ আগেয়ে আসামৰ লাট চাহেবে সন্ত জোন বস্কৰ সম্মানাৰ্থে এটা সুন্দৰ কীৰ্ত্তিস্তম্ভ শ্বিলংত মানুহৰ আগত মুকলি ক'ৰি দিলে। ১০ হেজাৰ মানুহে ডেকা সকলৰ বন্ধুক সম্মান দেখুৱাবৰ কাৰণে গোট খাইছিল। সন্ত জোন বস্কয়ে সকলো মানুহৰ হৃদয় জয় কৰিছে; তেওঁ সকলোৰ হৃদয়ৰ ৰজা! তেওঁ হৃদয় পৃথিবী যেনেকুৱা আছিল আৰু তেওঁ সকলোক মত আৰু জাতি ভেদ বিচাৰ নকৰি সকলোকেই প্ৰেম কৰিছিল। তেওঁ পৃথিবীৰ চাৰিওফালে মানুহবিলাকক প্ৰভু যীচু খ্ৰীষ্টৰ শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ চেলেচিয়ান্ ফাদাৰবিলাকক পঠিয়াইছিল। সন্ত জোন বস্কই কেনেকৈ যে মানুহক এই সংসাৰত আৰু স্বৰ্গত সুখী কৰিব পাৰে তাৰে কেৱল তেওঁৰ সকলোতকৈ ডাঙৰ ভাব আছিল! এই কাৰণে তেওঁ বহুত প'ৰিশ্ৰমেৰে নিজৰ কাম কৰিছিল আৰু তেওঁ বহুত দুখ ভোগ কৰিছিল। সন্ত জোন বস্কই কৈছিল "তোমাৰ আত্মা মোক দিয়া, বাকী সকলো তুমি লোৱাঁ।" তেওঁ কোনো প্ৰকাৰৰ আমোদ প্ৰমোদ বিচাৰ কৰা নাই তেওঁ কেৱল চাৰিও ফালে ঈশ্বৰৰ ৰাজ্য বঢ়াবৰ নিমিত্তে চেষ্টা ক'ৰিছিল।

প্ৰিয় অসমীয়া বন্ধুবিলাক, তোমাৰ সকলোতকৈ উত্তম বন্ধুক চোৱা। এই সুন্দৰ আসাম দেশত বহুত মানুহ আছে যি ঈশ্বৰৰ ওচৰত যাবৰ বাট পাবলৈ ইচ্ছা কৰে। বোৱা, তেনেহলে তুমিও অলপ এই উজ্জ্বল তৰাক চোৱাঁ। তুমি তাৰ পিছে পিছে গলে নিশ্চয় সত্য আৰু চিৰস্থায়ী সুখ পাবা! কাথোলিক মণ্ডলী সন্ত জোন বস্কৰ যে তেওঁক আদৰ্শ স্বৰূপ গ্ৰহণ কৰিব লাগে তেনেকুৱা কৰাত তেওঁক বহুত আদৰ দিছে। সন্ত জোন বস্ক সকলোৰ বন্ধু! আমি তেনেহলে তেওঁক আমাৰ সকলতকৈ ভাল বন্ধুৰ নিচিনা প্ৰেম কৰিব লাগে। আমি তেওঁৰ উপদেশবিলাক শুনিব লাগে আৰু তেওঁৰ সুউদাহৰণ অনুকৰণ কৰিব লাগে! "অসমীয়াৰ বন্ধু"

ডন বস্কৰ স্বপ্ন



যোহন বস্কৰ দুখিয়া জন্ম ঠাই।

১৮১৫ খৃষ্টাব্দৰ ১৬ আগষ্টত জন বস্কৰ জন্ম হৈছিল। তেওঁৰ নিচেই কোমল বয়সতে অৰ্থাৎ ১৮১৭ খৃষ্টাব্দত তেওঁৰ বয়স দুবছৰ হওঁতেই তেওঁৰ বাপেক মৰি নিঠৰুৱা হয়।

তেতিয়াৰ পৰা নিচেই কোমল বয়সতে ভৱিষ্যতৰ সেই যুবাধৰ্ম্ম প্ৰচাৰকে যিবিলাকৰ সংসাৰত পিতা নাই তেওঁলোকৰ দুখৰ কথা বহুত ঠেকি শিকিব লগা হৈছিল। যিজন মানুহ পিচত 'মাউৰাৰ পিতা' হৈছিল গৈ তেওঁৰ জ্ঞান দুখ বেজাৰৰ মাজেদি লাভ কৰিছিল।

১৮২৪ খৃষ্টাব্দৰ আগষ্ট মাহ বেগাই চমু চাপি আহিল। জহনৰ বয়স এতিয়া নবছৰ। সেই সময়ত এৰাতি জনে সপোন দেখিলে—

তেওঁ ঘৰৰ ওচৰৰ এখন ডাঙৰ খেল মাটিত, আৰু তাত এজাক সৰু সৰু লৰা। কিছুমানে হাঁহিছে, কিছুমানে খেলি আছে। কিন্তু সিহঁতৰ কেইটামানে ফিতাহি মাৰিছিল আৰু ঈশ্বৰৰ নিন্দা বখনা কৰিছিল। জনে সিহঁতক উপযুক্ত শাস্তি দিবৰ কাৰণে সিহঁতৰ মাজলৈ ঠেলি হেচি সোমাই গল আৰু হাতৰ মুঠি দুটা টানকৈ ধৰি মহতিয়াবলৈ ধৰিলে যাতে সিহঁতক তেনে কৰি ঈশ্বৰৰ কোপাদৃষ্টিৰ পৰা ৰক্ষা কৰিব পাৰে।



স। সাতন বয়সই গৰু চৰায়।

অকস্মাত সেই ঠাইত এজন শান্ত মূৰ্ত্তিৰ মানুহ আবির্ভাব হ'ল মানুহ জনে আচৰিত ৰকমে পোচাক-পৰিচ্ছদ পিন্ধিছিল আৰু ডেকা বয়সৰ বুলি অনুমান হৈছিল। তেওঁ জ'নক নাম কাঢ়ি মাতি ক'লে "নহয়, কিল, ভুকুৰ দ্বাৰা নহয়; তুমি তোমাৰ এই বন্ধুবোৰৰ হৃদয় নম্ৰতাৰে, দয়াৰে জয় কৰিব লাগিব। সেই কাৰণে সিহঁতক পাপৰ নীচতা আৰু ধৰ্ম্মৰ পবিত্ৰতা দেখুৱাই দিয়া"।

জ'ন বৰ আচৰিত হ'ল আৰু তেওঁ কি কৰিছে নকৰিছে একো কব নোৱাৰা হৈ এনে অসম্ভৱ কাম কৰিবলৈ কোনো তেওঁ কোন সুধিলে।

মানুহ আকৃতি ঈশ্বৰ যাচৰে (কিয়নো এওঁ আন কোন নহয়) জ'নক ক'লে যে ই সম্ভৱ হব যদি তেওঁ আদেশ পালি চলিবলৈ আৰু লাগতিয়াল জ্ঞান আৰ্জ্জিবলৈ শিকে।

জ'ন বয়সে তেওঁৰ জীৱনীত লিখি থৈ গৈছে ——তেতিয়া এজনা গহীন আকৃতি তিৰোতাৰ আবিৰ্ভাব হ'ল। তেওঁ গাত এখন আৱৰণ পিন্ধিছিল আৰু ই প্ৰত্যেক মুহূৰ্ত্তে তিৰ বিৰাই আছিল যেন ইয়াক অতি উজ্জ্বল চিকমিকিয়া তৰাৰ দ্বাৰাহে গোঠা হৈছিল। মই প্ৰশ্ন কৰি আৰু তাৰ উত্তৰ পাই থাকোঁতে থাকোঁতে ভুলহৈ গলো আৰু একো কব নোৱাৰো

হৈ সেই তিৰোতা গৰাকীৰ ওচৰ চাপিলোঁ। তেওঁ বৰ মৰমেৰে মোক হাতত ধৰি ক'লে "চোৱা"।

লৰাবোৰ থকা ঠাই ডোখৰলৈ চাই মই দেখিবলৈ পালোঁ যে সিহঁতৰ ঠাইত কিছুমান ছাগলি, কুকুৰ, মেকুৰী, গাহৰি আৰু আন আন জন্তু মাথোন আছে।

তিৰোতা গৰাকীয়ে ক'লে "দেখা ই তোমাৰ কৰ্ম্মক্ষেত্ৰ। নম্ৰ, শক্তিবান আৰু ধৰ্ম্মপৰায়ন হবলৈ চেষ্টা কৰা আৰু তুমি এই জন্তুবোৰৰ কি অৱস্থা ঘটিছে দেখিছা, সিহঁতক তুমি ল'ৰাৰ জীৱন দান দিব লাগিব"।

মই আকৌ এবাৰ সেই খেলমাটিৰ ফালে চালো; এইবাৰ ওপৰত কোৱা জন্তুবোৰৰ ঠাইত শান্ত ভেৰা ছাগলি কিছুমান দেখিলোঁ, সিহঁতে দেও দি নাচি নাচি ঘাঁহৰ ওপৰত জপিয়াই আনন্দেৰে বেৰাই ফুৰিছিল যেন সিহতে মোক উপদেশ দি থকা মানুহ জন আৰু তিৰোতা গৰাকীৰ প্ৰতি সন্মানহে দেখুৱাইছিল।

তেতিয়াও শুয়েই মই ভাবিছিলোঁ যে সপোনত মই কান্দিবলৈ ধৰি সেই তিৰোতা গৰাকীক দয়া কৰি মই তেতিয়াও একো ৰহস্য নোপোৱা কথাবোৰ ভালকৈ ভাঙ্গি কবলৈ কলোঁ যাতে সেই ঘটনাবোৰৰ অৰ্থ মই বুজিব পাৰোঁ।

তেওঁ তেতিয়া উত্তৰত মোৰ মূৰত হাত ফুৰাই ক'লে "যেতিয়া ইয়াৰ ঠিক সময় আহিব তেতিয়া তুমি সকলো কথা বুজিব পাৰিবা"।

তেতিয়া কিবা শব্দ হোৱাত মই সাৰ পালোঁ আৰু সকলো কথা "সপোনত আলাসত চাং পতাৰ নিচিনাকৈ নাইকিয়া হ'ল"।

—এশ বছৰৰ পাচত আজি সেই সপোনটো সঁচাকৈয়ে সম্পুৰ্ণে আখৰে আখৰে আৰু অখণ্ডনীয় হৈ ফলিয়াইছে।

ডন বস্কৰ উক্তি

সন্তোষেৰে প্ৰভুৰ সেৱা কৰিবাঁ

তোমাক ভয় কৰিব লাগে যদি মৰমৰ পাত্ৰ হবলৈ ইচ্ছা কৰাঁ।

স্বৰ্গৰাজ্যৰ এডোখৰে তোমালোকৰ সকলো দুখ শোক ঠিক কৰিব।

যোহন বস্কৰ নিয়ম

এই সপোনৰ পৰাই অকণি জ'নে তেওঁৰ ভৱিষ্যতৰ কাৰ্য্য আৰু তাক সম্পূৰ্ণ কৰিবৰ উপায় বুজিব পাৰিলে। তেওঁ তেওঁৰ ল'ৰাবিলাকৰ নিমিত্তে যত্ন লব লাগিছিল, ঈশ্বৰ আৰু মানুহৰ প্ৰতি সিহঁতৰ কৰ্ত্তব্যত উপদেশ দিব লাগিছিল, আৰু এমুঠি ভাতৰ যোগাৰ কৰা উপায়ো শিকাব লাগিছিল। অতি দুখীয়া আৰু অভাৱত পৰা ল'ৰাবিলাক তেওঁৰ সুযোগৰ ভাগী হ'ব। সিহঁতক শিক্ষিত আৰু নগৰবাসী সকলো ভালমানুহতকৈ বেচি উপযোগী কৰিয়েই তেওঁ জীৱন কটাব। সিহঁতৰ কাৰণেই তেওঁ এক উপাসক-ঠাই কৰিব যাতে ল'ৰাবিলাকৰ ঈশ্বৰৰ প্ৰতি, চুবুৰীয়াৰ প্ৰতি, আৰু সিহঁতৰ নিজৰ প্ৰতিও যি কৰ্ত্তব্য তাক কৰিবলৈ তেওঁ সিহঁতক সহায় কৰিব পাৰে। তেওঁ সপোনত উপদেশ পাইছিল আৰু ইচ্ছা কৰিছিল যে তেওঁৰ ল'ৰাবিলাক নম্ৰ, সহিষ্ণু কিন্তু এক মন আৰু এক প্ৰাণৰ হব লাগে। তেওঁ এই বিষয়ত স্বৰ্গীয় প্ৰভুৰ আদেশ মানি চলিছিল। তেওঁ সৰুৰ লগত সৰু হৈছিল আৰু এই দৰে তেওঁ সিহঁতৰ মন পাইছিল। তেওঁ ভালকৈ জানিছিল যে সকলো মানুহে পঢ়া জীৱন ভাল নাপায়, আৰু ল'ৰাবিলাকৰ সকলোৰে ইচ্ছা একে নহয়, সেই কাৰণে তেওঁ অনেক শিল্প আৰু খেতিবিষয়ক শিক্ষাৰ স্কুল খুলিলে, যাতে সেইবোৰত ল'ৰাবিলাকে এক এক ব্যৱসায় শিকি সিহঁতৰ জীৱিকা আৰ্জ্জন কৰিব পাৰে।


ইয়াতকৈ আৰু কিবা আচৰিত নিয়ম হব পাৰে নে ?

শোক আৰু জলকা মোৰ ঘৰত ঠাই নাপাব।

যি ইচ্ছা তাকে কৰিব পাৰা, কিন্তু এটা কথাহে মই বাধা কৰোঁ সেয়ে হৈছে পাপ।

যদি তোমাক পাৰ্গত বুলি ভাবা, তেন্তে ঈশ্বৰক ধন্যবাদ দিবা আৰু তেওঁৰ মহিমা গাবা কাৰণ তেৱেঁইহে সকলো-কুশল-মঙ্গলৰ গৰাকী; কিন্তু অহঙ্কাৰী নহবাঁ, কিয়নো অহঙ্কাৰে পোকৰ নিচিনাকৈ তোমাৰ সকলো ভাল কামৰ গুণ আৰু যোগ্যতা নষ্ট কৰিবলৈ চেষ্টা কৰে। (ডন বস্কো)

জোন বস্কৰ কামৰ বৃদ্ধি।



আগৰ চালি ঘৰ এতিয়া সক নগৰৰ নিচিনা হৈ উঠিছে।

পুৰোহিত হোৱা মাত্রে জোন বস্কই লৰাবিলাকক শিক্ষা দিবৰ মনেৰে তেওঁ- লোকক গোটাবলৈ ধৰিলে। সেইকাম ১৩৪১ চনৰ ডিচে- ম্বৰ মাহৰ ৮ তাৰিখে আৰম্ভ কৰা হল। তেৱেঁই এজন অত্যাচাৰ পোৱা ল'ৰাক ৰক্ষা কৰিলে। তেওঁক কিবা শিক্ষা আৰু ভাল উপদেশ সুপ- ৰামশ দিয়াৰ পাচত পাচৰ দেওবাৰত আন আন অনেক ল'ৰাৰে সৈতে আহিবলৈ কৈ নিমন্ত্রণ কৰিলে। সেই দিনাৰ পৰাই ডন বস্কৰ কাম আৰম্ভ হ'ল। সকলো সুকার্য্যৰ আৰম্ভনিৰ নিচিনাকৈ ডন বস্কৰ কামৰ আৰম্ভনি কন্টকৰ আৰু মস্কিল আছিল ; কিন্তু লাহে লাহে ডন বস্কই নিজৰ মউবা ল'ৰা- বিলাকৰ নিমিত্তে এখন অটল ঘৰ পালে ; সি সৰু আছিল যদিও ক্রমে ক্রমে বৃদ্ধি আৰু ক্রমোন্নতি হ'ল, সিমানলৈ যে তাতে হেজাৰ মান ল'ৰাই আশ্রয় পাব পাৰিছিল ! তাৰ পাচত শিল্পবিদ্যা, আৰু খেতি সমন্ধীয় স্কুল স্থাপন কৰা হ'ল। স্কুলৰ প্রথম শিক্ষক নিজে ডন বস্কই আছিল। তেওঁ স্কুলত পঢ়া উপকৰা সময়ত কেইটামান শিল্প কাম শিকিবলৈ পাইছিল। বাঢ়ৈৰ কাম, দৰ্জ্জিৰ কাম, ইত্যাদি জানিছিল। এই সকলো কাম এতিয়া কামত লাগি উপকাৰত আহিল। সেই শিল্প স্কুল সোণকালে সেই ৰকমৰ স্কুলৰ ভিতৰত অতি উত্তম হ'লহি। কিন্তু ডন বস্কই ভবিষ্যতৰ কথা বুজ পাই, দৃঢ়ৰূপে কাম স্থাপন কৰিবলৈ খুজিছিল। সেই দেখি এই ভাল কাম যেন সদায় একেদৰে চলি থাকে তাৰ নিমিত্তে ডন বস্কই এটা সৎসঙ্গ স্থাপন



যোহন বস্ক ল'ৰাবিলাকৰ মাজত।

কৰিলে, নাম চেলেচিয়ান সংসঙ্গ (সুসমাজ)। ল'ৰাবিলাকৰ নিমিত্তে যেনেকৈ চেলিচিয়ান লোক সকলে কৰে, তেনেকৈ, চিষ্টাৰবিলাকে (মঠবাসীণীবিলাকে) "মাৰিয়া খ্রীষ্টানবিলাকৰ সহায় জীবোৰ" নামে ছোৱালীবিলাকৰ কাৰণে কৰে।

কিন্তু পবিত্র জোহন বস্কৰ অসীম উৎসাহ আৰু পৰোপকাৰ ইয়াতে অন্ত নহল। তেওঁ ডেকা সকলক ভাল পাইছিল। সমস্ত জগতৰ যুবকসকলে তেওঁল প্রেমৰ ভাগী হব লাগিছিল। আমাৰ প্রভু যীচু খ্রীষ্টৰ নিচিনাকৈ তেৰোঁ কৈছিল : "শিশুবিলাকক মোৰ ওচৰলৈ আহিব দিয়া, নিষেধ নকৰিবা, কাৰণ তেওঁবিলাকৰ স্বৰ্গৰাজ্য"।

এই কাৰণে তেৰোঁ নিজৰ আধ্যাত্মিক পুত্রবিলাকক গোটেই জগততে পঠাই দিলে। এনেকৈ ইটালি, ফ্রান্স, স্পেইন, জাৰ্ম্মানি, ইংলণ্ড ইত্যাদি দেশবোৰে চেলিচিয়ান পাদ্রিবিলাকক বৰ আদৰেৰে অভ্যৰ্থনা কৰিলে। জোহন বস্কৰ আত্মা সচাঁকৈয়ে কাথলিক অৰ্থাৎ সকলোতে খটা আছিল। চেলিচিয়ানবিলাকে এমেৰিকা, এছিয়া, আফ্রিকা আৰু অষ্ট্রেলিয়ালৈ যাত্রা কৰিলে। এই সকলোবোৰ মহাদেশত শিল্প কাৰ্য্যৰ স্কুল স্থাপন কৰিলে, যাতে হাজাৰ হাজাৰ ল'ৰা ছোৱালীয়ে অকপট আৰু সৰল স্বভাৱেৰে জীৱন কটাই কামৰ অভ্যাস কৰে। ইয়াতে তেওঁবিলাকে নিজ দেশৰ, সজ, সৰল, মান্যবান্ আৰু সভ্য হবলৈ শিকে।

এই দেখি ভাৰতবৰ্ষই আৰু আসাম দেশে চেলিচিয়ান পাদ্রিবিলাকৰ কামত অমনোযোগী হব নে?

আত্মাবিলাকৰ ৰক্ষাত দন বস্কৰ উৎসাহ



যীচুৰ নিচিনা জোহন বস্কই কয় 'শিশুবিলাকক মোৰ ওচৰলৈ আহিব দিয়া।"

পৃথিবীত সকলো সময়তে অনেক মহা পুৰুষৰ আবিৰ্ভাব হৈ আহিছে আৰু হবও ; কিন্তু সেই সকলৰ মহত্ব সম্পূৰ্ণ যেতিয়া সিবিলাকে সিবিলাকৰ নিমিত্তে মহৎ সুখ্যাতি আৰ্জ্জন কৰে — যি সুখ্যাতি পৃথিবীৰ শেষ মুহূৰ্ত্ত পৰ্য্যন্ত জ্বলি থাকিব। এই শিৰৰ মুকুট স্বৰূপ সুখ্যাতি জগতত সকলোৰে আদৰণীয় আৰু জাতিৰ অথবা কেই জন মান নিযুক্ত কৰা মানুহৰো গৌৰব।

কিন্তু জন বস্কৰ কাৰণে এনে নহয় ; তেওঁৰ অসীম উদাৰ হৃদয়ে সকলো মানুহকে, সকলো জাতিকে, সকলো অবস্থাকে সাবটি ধৰিছিল। তেওঁ তেওঁৰ একান্ত অনুৰাগী পুত্ৰ সকলৰ দ্বাৰা ইমেৰুৰ পৰা সিমেৰুলৈ সকলোৰ কাৰণে কৰিছিল আৰু কৰিবও : তেও সকলোকে জীৱ জ্ঞান কৰি সেই সকলোকে ৰক্ষা কৰিব লাগিব যেন বিবেচনা কৰিছিল, কিয়নো এই অকথণীয় সাহৰ প্ৰাণী সকলো স্বয়ং ঈশ্বৰৰ কাৰণে সৃজিত আৰু এই সকলো স্বৰ্গীয় মহাত্ম্যৰ ভাগী হব। তেওঁৰ জীৱমুক্তিৰ প্ৰবল আকাঙ্খাক একোৱে বাধা দিব নোৱাৰিছিল। ইয়াক তেওঁ মূলমন্ত্ৰ কৰি লৈছিল, "মোক আত্মা বোৰ দিয়ক আৰু ইবোৰ যাবলৈ দিয়ক"। ইয়াৰ কাৰণেই তেওঁ তেওঁৰ সমস্ত জীৱন কটাইছিল। তেওঁ ত্ৰাণকৰ্ত্তাৰ এই কথা ভালকৈ বুজিছিল ;



জোহন বস্কব নামে হাইস্কুল—বোম্বাই।

"এজন মানুহে যদি গোটেই পৃথিবীকে লাভ কৰে কিন্তু আপোন আত্মাকে হেৰুৱাই, তেন্তে তাৰ পৰা কি লাভ? এজন মানুহক তেওঁৰ আত্মাৰ সলনি কিহে দিব পাৰে?"

তেওঁ সেই কাৰণে তেওঁৰ লৰাবিলাকক প্ৰায়েই কৈছিল "মোক তোমালোকৰ আত্মা ৰক্ষা কৰিবৰ কাৰণে সহায় কৰা। যেতিয়া তেও মাত্ৰ কেইবছৰ মানৰ ল'ৰা আছিল তেতিয়াই জীৱমুক্তিৰ প্ৰবল আকাঙ্ক্ষাই তেওঁৰ হৃদয়ত ঠাইত পাইছিল। আই মাগাৰেটে ক'লে "সোণাই জন সেই ল'ৰাবোৰৰ লগত নাযাবা, সিহঁত বৰ দুষ্ট, সিহঁতে তোমাৰ অনিষ্ট কৰিব"। "আই, মোক সিহঁতৰ লগত যাব দিয়ক। মই যেতিয়া সিহতৰ লগত থাকো, সিহত বৰ ভাল, আৰু সদ্ব্যৱহাৰ কৰে"।

অকণমান জ'ন গিৰ্জ্জালৈ যায়। ৰবিবাৰ; কিন্তু তেওঁ বৰ আচৰিত হ'ল যে তথাপি গিৰ্জ্জা লোকশূণ্য। এক চুটি প্ৰাৰ্থনা কৰি গিৰ্জ্জাত যিমান পাৰে সিমান মানুহ গোটাবলৈ অকণি জ'ন বাহিৰ হ'ল; কিন্তু গিৰ্জ্জাৰ ওচৰতো কোনো মানুহ নাই। অলপ দূৰতে এক বাদ্য শুনা গ'ল। জ'ন বস্কই বুজিব পাৰিলে আৰু অলপ ল'ৰি গৈ এক বহুল জনতা গোট খোৱা ঠাইত উপস্থিত হৈ খেলোৱাৰীৰ খেলা চাই থকা মানুহ বোৰক দেখা পালে। খেলোৱাৰীটোৱে তাৰ খেল দেখুৱাই মানুহবোৰক দেওবাৰৰ পবিত্ৰ সভাত যোগ দিয়াৰ পৰা আতৰাই ৰাখিছে। অকণি জ'নে খেলোৱাৰীৰ ওচৰ চাপি ডাঙ্গৰকৈ কলে "মই এটা কথালৈ তোৰে সৈতে যোৰ মাৰিব খোজো।"...খেলোৱাৰীৰ আৰু লগতে গোটখোৱা

মানুহৰ খল-খলীয়া হাঁহি মাত্ৰ জ'নে উত্তৰ পালে। "মই সঁচাকৈয়ে কৈছোঁ আৰু মই নিশ্চয়কৈ কব পাৰো যে মই জয় লাভ কৰিব পাৰিম"।

"বাৰু, বাৰু, তোমাৰ নিয়ম কোৱাঁ........."।

"যদি মই জয় লাভ কৰো তেন্তে তই এই গাওঁ এতিয়াই এৰি যাব লাগিব আৰু ইয়াত কেতিয়াও ভৰি দিব নোৱাৰ"। খেলোৱাৰী সম্মত হ'ল আৰু সেই ব্যগ্ৰ বহুল জনতাৰ মাজত খেল, বাজি আৰম্ভ কৰিলে। কিন্তু জ'ন বস্ক যদিও বয়স আৰু আকাৰে খেলোৱাৰীতকৈ সৰু আছিল তথাপি বুদ্ধিত তাতকৈ অনেক বেচি আছিল আৰু শেষত বিবুদ্ধি হৈ বেচেৰা খেলোৱাৰীয়ে পৰাজয় স্বীকাৰ কৰি তৎক্ষণাত সেই ঠাই এৰিব লগাত পৰিল। তেতিয়া অৰ্কণি জ'ন বস্কোৱে সেই মানুহবিলকক গিৰ্জ্জালৈ লৈ গ'ল আৰু তেওঁলোকে তেওঁলোকৰ আধ্যাত্মিক কাৰ্য্য সম্পন্ন কৰা দেখি সন্তোষ হ'ল।

আৰু আন এসময়ত জ'নে এজাক মানুহৰ কাষেদি যাওঁতে শুনিলে যে এটা মানুহে বেয়া কথা কৈছে। তেতিয়া জ'নে তেওঁৰ সুললিত মাতেৰে এটা বৰ সুন্দৰ গান গাবলৈ আৰম্ভ কৰিলে। তেওঁ এনে সুন্দৰকৈ গাইছিল যে সকলোৱে তেওঁৰ গানৰ দ্বাৰা আকৰ্ষিত হৈ সেই ঘৃণিত মানুহটোক অকলে এৰি তেওঁৰ পাচে পাচে যাবলৈ ধৰিলে।

শিল্প আৰু কৃষিকাৰ্য্য বিষয়ক স্কুলবোৰৰ আৱশ্যকতা



কাঠৰ কাম,— দন বস্ক ইন্দাষ্ট্ৰিয়াল স্কুল শিলং।

সাহিত্য বিষয়ক শিক্ষাৰ বহিৰেও চেলিচিয়ান সকলে পাকৈত শিল্পী আৰু বনিজ প্ৰস্তুত কৰিবৰ কাৰণে চেষ্টা কৰে। আজিকালি স্কুল বহুত। উপদেশ এটা বৰ ভাল বিষয়, আৰু ইয়াক কিছু দূৰলৈ আৱশ্যক হয়। কিন্তু মানুহৰ বিশেষ আৰু অতি লাগতিয়াল কথা হৈছে নিজৰ জীৱিকা আৰ্জ্জনৰ



লোহাৰ কাম — ডন বস্কৰ ইন্দাষ্ট্ৰিয়েল স্কুল শিলং

উপায় স্থিৰ কৰা। এই কথা কোনো ৰকমৰ প্ৰশ্নৰ বাহিৰ। সেই কাৰণে দেশত অতি আৱশ্যকীয় বস্তু হৈছে ভাল আৰু বৰ্ত্তমান সময়ৰ উপযোগী শিল্প আৰু কৃষি বিষয়ক স্কুল। এই কথাকেই ডন বস্কৰ শিষ্যসকলে লক্ষ কৰিছে, অৰ্থাৎ সজ ইচ্ছাৰ সকলো ডেকাকে আচল শিক্ষা দিব খুজিছে, যাতে ভবিষ্যতে তেওঁলোকে নিজকো আৰু তেওঁ লোকৰ পৰিয়ালকো পোহ-পাল দিব পাৰে। আসাম সাৰুৱা দেশ। ই বৰ্ত্তমানে যিমান কৰিছে, তাতকৈ অনেক বেচি উৎপন্ন কৰিব পাৰে। মাত্ৰ উপযুক্ত কৃষিবিদ্যা লাগে. দেখিবা আমাৰ সোণৰ অসম অতীজৰ নিচিনা উন্নত, আৰু ধনে ধানে ৰৈ পৰা হব। এই কামত ডন বস্কৰ শিষ্য সকলে বৰ আগ্ৰহ আৰু উল্লাসেৰে সাহায্যৰ হাত আগবঢাব। এই নিমিত্তেই তেওঁলোকে গোটেই ভাৰতত আৰু আসামতো আসামৰ কাৰণে এক বিশেষ সুবিধা দি. শিল্প, ব্যৱসায় আৰু কৃষিবিষয়ক স্কুল স্থাপন কৰিছে। এই স্কুলবোৰে চৰকাৰৰ ঘৰৰ পৰা বৰ উৎসাহ আৰু আদৰ পাইছে।



ডন বস্কৰ নামে কৃষি কাম স্কুল ৰালিয়া।


ভাৰতত ডন বস্ক—তেওঁৰ কাৰ্য্য-কলাপ



[illegible]

প্ৰায় ত্ৰিশ বছৰৰ আগেয়ে চেলেচিয়ান ফাদাৰ সকল ভাৰতলৈ আহিছে। তেওঁলোকে ২০ বছৰ তাঞ্জৰ জিলাত কাম কৰে: তাৰ পাঁচটা স্কুল চলোৱা, শিল্প-স্কুল স্থাপন কৰা, খবৰ কাগজ চলোৱা, ইত্যাদি সকলো ৰকমৰ ভাল কামতে আগবাঢ়ি মান্দ্ৰাজলৈ আহে। তেওঁলোক আসামলৈ ১৯২২ চনত আহে লৰাছোৱালীৰ কাৰণে স্কুল তৎক্ষণাত খোলা হ'ল। পোন প্ৰথমেই শিলঙেই এক ব্যৱসায় স্কুল পায। ই যদিও আৰম্ভনীতে সৰু আছিল, তথাপি অলপ অলপকৈ উন্নতি কৰি ই এতিয়া ভাৰতৰ বৰ্ত্তমান সময়ত বিশেষ উপযোগী এই শ্ৰেণীৰ স্কুলবোৰৰ ভিতৰত এক অদ্বিতীয় হৈ উঠিছে। এই স্কুলৰ কাৰু-কাৰ্য্যই আসামৰ আগৰ জন আৰু বৰ্ত্তমান গবৰ্ণৰ বাহাদুৰৰো বৰ প্ৰশংসা পায়। লৰাই, কাঠমিস্ত্ৰি, শিল্প-বিদ্যা, ছাপা-খানা, কিতাপ-বন্ধোৱা, দৰ্জ্জিৰ কাম, জোতা তৈয়াৰ কৰা, ইত্যাদি কামবোৰৰ যোন টোকেই বেচি পচন্দ কৰে তাকেই ৫ বছৰ কাল শিকোৱা হয়।

গৌহাটিৰ ডন বস্কৰ টেক্‌নিকেল স্কুল, কাঠ-মিস্ত্ৰি বিভাগেৰে ১৯২৬ চনত খোলা হয় আৰু আশা কৰা যায় সোণকালে ছাপা-খানা আৰু শিল্প-বিদ্যা বিষয়ো খোলা হ'ব। এক কৃষিবিষয়ক স্কুল জয়ন্তিয়া পাহাৰৰ ৰেলিয়াণত



চিৰংগৰ কেথলিক মিছনৰ বঙলা ঘৰ।

খোলা হৈছিল: আৰু আমি ব্ৰহ্মপুত্ৰ উপত্যকাতো অনেক স্কুল হ'ব বুলি আশা কৰোঁ। এই তিনি খন স্কুলৰ বাহিৰেও চেলিচিয়ান ফাদৰ সকলে, প্ৰায় মাৰী, মধ্য আৰু উচ্চ শিক্ষা বিষয়ক স্কুলৰ ভেটিত আগ বাঢ়িছে আৰু বাঢিবই লাগিছে। চিলঙত চাৰিখন হাই স্কুল আছে: গৌহাটিত আৰু বেলিয়াণত এখন এখন মধ্য-ইংৰাজ স্কুল আছে আৰু অনেক প্ৰাইমাৰী স্কুল আসামৰ প্ৰায় বিলাক ঠাইতে আছে। আসামত সাত খন মাউৰা-আশ্ৰমেও ঠাই পাইছে।



গুৱাহাটি—দন বস্কৰ তেক্‌নিকেল স্কুল।


এই বাৰবছৰৰ ভিতৰতে অনেক কৰা হৈছে; ডন বস্কৰ শিষ্য সকলে আৰু জোৰেৰে এই দেশৰ কাৰণে পৰিশ্ৰম কৰিব কিয়নো তেওঁলোকে এই দেশক তেও-



চিলাই কাম,—গুৱাহাটী

লোকৰ নিজৰ যেন দেখে, কাৰণ এই দেশৰ লোক সকলক তেওঁলোকে ভাতৃ যেন স্নেহ কৰে। তেওঁলোকে অসমীয়া মানুহ বোৰক, শক্তিমন্ত, স্বাস্থ্যবান্, শিক্ষিত আৰু উন্নত হোৱাত সহায় কৰিবলৈ বিচাৰে যাতে সোণকালে আসাম, ভাৰতবৰ্ষৰ ভিতৰত আটাতকৈ সাকৰা, উন্নতিশীল আৰু ব্যবসায়ী দেশ হব পাৰে।

চেলিচিয়ান ফাদাৰ সকলৰ কৃষ্ণগৰতে এখন শিল্প স্কুল আছে আৰু এখন কৃষিবিষয়ক স্কুল চাহাবানপুৰত (যুক্ত প্ৰদেশ) আছে। কলিকতাৰ ওচৰত লিলোৱাহ চহৰত অতি সোণকালে এখন বৰ ডাঙৰ শিল্প-স্কুল খোলা হব।



ডিব্ৰুগড়,—কাথলিক মিচনৰ গিৰ্জা ঘৰ

জ'ন বস্কৰ মহাত্ম্য।



ছেইণ্ট পিটাৰৰ গিৰ্জা—ৰোম।

বৰ লোক সকলৰ মিছা গৌৰৱ ক্ষণস্থায়ী, কিন্তু তেওঁলোকৰ আচল মহাত্ম্য যাউতি যুগীয়া।


পৃথিবীত জন্ম লোৱা মহৎ পুৰুষ সকলৰ মাজত জ'ন বস্কও এজন। এই কাৰণেই আজি তেওঁৰ নাম সকলোৰে মাজত জনাজাত আৰু তেওঁৰ মহাত্ম্য পৃথিবীৰ শেষ পৰ্য্যন্ত জিলিকি থাকিব।

মহা মাননীয় পোপ—যি পৃথিবীত আধ্যাত্মিক শক্তিত সকলোতকৈ শক্তিমন্ত, সেই সিদ্ধ পুৰুষে সেইদিনা অলপতে কেইমাহমানৰ আগেয়ে ৰোমৰ চেণ্ট পিটাৰৰ গিৰ্জাত ২০০,০০০ মানুহৰ এক বহুল জনতাৰ মাজত জ'ন বস্কৰ সন্মান দেখুৱালে। তাত শ্যাম দেশৰ ৰজা-ৰাণী, ইটালীৰ যুৱৰাজ, অনেক সেনাপতি আৰু ডাঙৰ মানুহ উপস্থিত আছিল।

চিগানৰ মুচোলিণীয়েও এই ক্ষুদ্ৰ পুৰোহিতক ৰজা সকলৰ প্ৰকাণ্ড হলত সন্মান দেখুৱালে। ভাৰতবৰ্ষৰ পৰাও ৫০০ মানুহৰ এটা দল ৰোমৰ এই উৎসৱত যোগদান কৰিবৰ কাৰণে গৈছিল।

তেতিয়া জ'ন বস্কৰে নিজে সজা সুন্দৰ গিৰ্জ্জা—যত তেওঁৰ মৃত-দেহ থোৱা হৈছে, সেই ঠাই টুৰিণৰ পাল আহিল। যদিও গোটেই দিন বৰষুণ

হৈছিল তথাপি সকলোৱে তেওঁৰ সন্মানাৰ্থে কৰা শোভা-যাত্ৰাত যোগদান কৰিবৰ ইচ্ছা কৰিছিল। ই জ'ন বস্কৰ বিজয় উৎসৱ হৈছিল। ৰোম আৰু টুৰিণ নগৰৰ নিচিনাকৈ সকলো নগৰ-চহৰে এই ঐশ্বৰিক পুৰুষৰ প্ৰশংসা গাবলৈ আৰম্ভ কৰিলে।



তুৰিন নগৰত জোহন বস্কৰ মাহাত্ম্য।

আমাৰ প্ৰকৃতি সুন্দৰ ভূমি আসামেও জ'ন বস্কক পাহৰিব নোৱাৰিলে। চিলঙত যোৰা নৱেম্বৰ মাহত ১০০০০ মানুহে তেওঁৰ সন্মানাৰ্থে পতা উৎসৱত যোগদান কৰিছিল। নতুন জ'ন বস্ক স্কোয়াৰত এক মুকলি মুৰ্ত্তি সজা হ'ল। আসামৰ গবৰ্ণৰ বাহাদুৰে এই আচৰ্য্য পুৰুষৰ জীৱণৰ বিষয়ে এক সুন্দৰ বক্তৃতা দিয়ে।

কিন্তু জ'ন বস্কৰ আচল মহাত্ম্য আৰু সত্য কীৰ্ত্তি দেখিবলৈ পাবা— তেওঁ পতা স্কুল, মাউৰা আশ্ৰম, হস্পিতাল আৰু মিচন বোৰত, যিবিলাকে এই আসামতো দুখীয়াৰ মঙ্গলৰ কাৰণে আৰু যুৱক সকলৰ শিক্ষাৰ কাৰণে সদায় যত্ন কৰে।

তেন্তে আহাঁ আমিও এই মহৎ সাধু পুৰুষৰ সন্মান দেখুৱাওঁ আৰু তেওঁৰ চৰণত ফুল চতিয়াও।

PERMISSU SUPERIORUM
PRINTED AT THE CATHOLIC ORPHAN PRESS, CALCUTTA.
EDITED BY REV. FR. A. ALESSI, S.C., CATHOLIC MISSION TEZPUR. (ASSAM.)



মহানিষ্কলঙ্ক মাতৃ, আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰা

আসমীয়াৰ বন্ধু



দ্বিতীয় বছৰ   মাৰ্চ-এপ্ৰিল, ১৯৩৫   নং ৯

ভাৰত বাতৰি

ৰাঁচিঃ--ইয়াত চোট নাগপুৰৰ কাথলিক মিচনে গল্‌ডেন জুবিলী উৎসব পাতিছে। এই মিচন ইয়াত বহা ৫০ বছৰ হৈছে আৰু এই অতীত কাথলিক মণ্ডলীৰ কাৰনে সঁচাকৈয়ে বৰ গৌৰৱৰ বিষয়। চোট নাগপুৰত প্ৰায় ৩০০০০০ হেজাৰ কাথলিক, কেই খন মান হাইস্কুল, কেইশ মান নিম্ন স্কুল, হস্পিতাল, অনাথ-আশ্ৰম আৰু বৰ সুন্দৰ সুন্দৰ গিৰ্জা আছে। ৰেভাৰেন্দ্‌ ফাদৰ লিভেন্সৰ নাম "চোট নাগপুৰৰ পাচনি" স্বৰূপে সদায় জিলিকি থাকিব।

মাদ্ৰাজঃ অলপতে আমি জানিবলৈ পাইছো যে মাদ্ৰাজৰ মহামান্যবৰ বিচপ্‌ ৰাইট্‌, ৰেভাৰেন্দ মন্‌চিগনৰ, ই, মেডাৰলেট, এচ, চি, স্বৰ্গীয় হল। তেখেত কেই মাহ মানৰ আগতে আসামলৈও আহিছিল আৰু চিলঙত পতা সন্ত যোহন বস্কৰ উৎসৱত যোগ দিছিল হি। অতি বৃদ্ধ হলেও তেখেতে তেখেতৰ ডাঙৰ ডাঙৰ মিচন বোৰ চাই ফুৰি সকলোৰে উপকাৰ সাধি ফুৰিছিল। এদিন উত্তৰ আৰ্কটৰ এটি সৰু গিৰ্জাত পাপ-স্বীকাৰ শুনি থাকোতে তেখেতে হঠাৎ মৃত্যুৰ আহ্বান পায়, আহা আমিও তেখেতৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা কৰো।

বাণ্ডেলঃ--কলিকতাৰ অনতি দুৰত হুগলী নদীৰ পাৰত "সুখৰ সমুদ্ৰ যাত্ৰাৰ মাতৃৰ" সন্মানৰ উদ্দেশ্যে এটা অতি সুন্দৰ গিৰ্জা আছে। এই গিৰ্জা প্ৰায় ৩০০০ শতকৈয়ো অধিক বছৰৰ আগয়ে, আমাৰ মাতৃৰ মহতী কৃপাৰ দ্বাৰা সমুদ্ৰৰ ভীষন ধমুহাৰ পৰা সাৰি অহা কিছুমান নাবিকে সজাইছিল। প্ৰতি দিনে শই শই ধৰ্মপৰায়ন যাত্ৰীয়ে এই গিৰ্জালৈ গৈ আমাৰ মহতী ঈশ্বৰ মাতৃৰ মধ্যস্থা কৃপা বিচাৰি প্ৰাৰ্থনা কৰে।

যোৰহাট (আসাম)ঃ—কেই মাহ মানৰ ভিতৰতে ডিব্ৰুগড়, গৌহাটি, চিলং ইত্যাদিৰ নিচিনাকৈ কাথলিক চিস্টাৰবিলাকে ইয়াতো হস্পিতালত কাম কৰিবলৈ যাব। এটা নতুন মিচন ইয়াত খোলা হব আৰু আশা কৰা যায় ইয়ো সাগৰৰ মাজৰ বৃহৎ বস্তিৰ নিচিনাকৈ চাৰিউফালে পোহৰ বিস্তাৰ কৰিব।

অসমীয়াৰ বন্ধু

ভাগ ২য় | বাৰ্ষিক মূল্য৸০ আনা। | সংখ্যা ৯

বন্ধুৰ বাণী।

মৰমৰ বন্ধু সকল,

মোৰ শেস পত্ৰত মই তোমালোকক কৈছিলো যে এই সংসাৰত আমি প্ৰকৃত আৰু চিৰস্থায়ী সুখ পাব নোৱাৰো। এই মৰ্ত্ত্যত সকলো বস্তুবেই আমাৰ এই বৃহৎ নদ বন্ধপুত্ৰৰ পানী নচিনাকৈ হব লাগিছে। এই পানী সমুদ্ৰ নেপোৱালৈকে অবিৰাম গতিৰে যাব লাগিছে, আৰু শেষত সমুদ্ৰত অনন্ত জিৰণি লৈছে। আমিও সেই দৰে যাব লাগিছোঁ। কত বছৰৰ আগয়ে আমি এই সংসাৰত নাছিলোঁ। এদিন ঈশ্বৰৰ দ্বাৰা সৃষ্ট হৈ সৰু কেছুৱাৰ পৰা এই জীৱন আৰম্ভ কৰিছো। তাৰ পাচত ক্ৰমান্বয়ে বাঢি মুনিহ, তিৰোতা হৈছোহি হঁক। কিন্তু আমি সদায় একে বয়সতে নাথাকোঁ। ক্ৰমে ক্ৰমে বুঢা হৈ শেষত মৰিম গৈ।

যেতিয়া আমাৰ পূৰ্ব্ব পুৰুষ আদামে আদি পাপ কৰিলে, ঈশ্বৰে ক'লে "ধূলিৰে নিৰ্ম্মিত তই, আৰু ধূলিতে মিলিব তোৰ দেহা"। সচাঁকৈয়ে, হে মোৰ প্ৰিয় বন্ধু সকল, আমি আজিয়েই বা কেইদিন মানৰ পাচত মৰিম, তেতিয়া আমাৰ শৰীৰৰ কি হব? ইয়াক পুৰি ছাই কৰা হব নাইবা মাটিৰ তলত পোতা হব আৰু কীট পতঙ্গৰ ভক্ষ্য হব।

কিন্তু যদিও আমাৰ শৰীৰৰ পতন হব আমাৰ আত্মা চিৰদিন থাকিব কিয়নো ই ঐশ্বৰিক আৰু পৰমেশ্বৰৰ দ্বাৰা অমৰ ভাবে সৃষ্ট। মৃত্যুৰ পাচত আত্মাৰ কি হব? কোনো কোনোৱে কয় যে ই আকৌ মানুহ বা পশু আকাৰে জন্ম লব। কিন্তু আমাৰ প্ৰভু যীচু খ্ৰীষ্টই কয় যে আমাৰ আত্মা এই সংসাৰৰ কাৰ্য্যানুযায়ী পুৰস্কাৰ বা শাস্তি লবৰ কাৰণে ঈশ্বৰৰ ওচৰত উপস্থিত হব। পুৰস্কাৰ হৈছে এই যে আমি স্বৰ্গত ঈশ্বৰক মুখা মুখিকৈ দেখিবলৈ পাম আৰু চিৰকালৰ নিমিত্তে স্বৰ্গৰ অময়া সুখ পাই আনন্দৰে উপভোগ কৰিম। তাত দুঃখ, শোক, জৰা মৃত্যু একো নাই। পানীত মাছ ডুবি থকাৰ দৰে আমিও প্ৰকৃত সুখ সাগৰত মাজ থাকিম।

কিন্তু দুষ্ট বিলাকৰ গতি কি হব? সিহঁতক নৰকৰ অগ্নি সমুদ্ৰত পেলোৱা হব আৰু চিৰকাল পিশাচৰ যাতনাত দুঃখ ভোগ কৰিব। তাত তাৰ আৰু আনন্দ, শান্তি আৰু শেষ নহব। সিহঁতক নৰকৰ চিৰকাল মুমুমুৰা জুইয়ে দাহ কৰিব তথাপি সিহঁতৰ মৃত্যু নহব, কিন্তু চিৰদিন জী থাকিয়েই ভয়ানক যন্ত্ৰনা ভোগ কৰিয়েই থাক ।

হে মোৰ মৰমৰ বন্ধু সকল, মই আকৌ এবাৰ তোমালোকক প্ৰভু যীচুৰ কথালৈ কাণ দিবলৈ অনুৰোধ কৰো। তেৱেঁই প্ৰকৃত পথ, সত্য আৰু অনন্ত জীৱন।

তেওঁ কৈছিল—"যি জনে মোত বিশ্বাস স্থাপন কৰিব তেও মৰিও অমৰ হব" (জ'ন ১১—২৫)। সেই কাৰণে আজি আহা মোৰ বন্ধু সকল, আহা আমাৰ প্ৰভু যীচু খ্ৰীষ্টত ঈশ্বৰৰ প্ৰকৃত আৰু একমাত্ৰ পুত্ৰত বিশ্বাস কৰো! আমি মৰিও অমৰ হম, চিৰজীৱী হম!

"অসমীয়াৰ বন্ধু





তেওঁ পুনৰ উঠিছে

যেতিয়া যীচুৱে ক্রুচৰ ওপৰত মুৰ দোৱালে আৰু কলে "পিতা, আপোনাৰ হাতত মোৰ আত্মা সমৰ্পণ কৰিলো", তেতিয়া আমাৰ মুক্তি সিদ্ধি হ'ল। আমাৰ পাপৰ মূল্য সম্পূর্ণে শোধ কৰা হ'ল, স্বৰ্গৰ দুৱাৰ আমাৰ নিমিত্তে আকৌ মুকলি কৰা হ'ল।

তিনি দিন ব্যাপি যীচুৰ মৃত দেহ কবৰত থাকিল। ফাৰিচিবিলাকে তেওঁৰ শিষ্য বোৰে মৃতদেহ চুৰ কৰি লৈ যায়হি বুলি কিছুমান সৈন্য পহৰা দিয়াই ৰাখিছিল।......

দেওবাৰে ৰাতিপুৱা যীচু মৃত্যুৰ পৰা অসীম শক্তি আৰু মহিমা লৈ পুনৰ উঠিল। প্ৰভুৰ দূতবোৰে আহি কবৰৰ মুখৰ শিল আতৰাই দিলেহি; পৃথিবী কঁপি উঠিল; সৈন্যবোৰে ভয়-বিহ্বল হৈ মাটিত টাঁচ টাঁচ্ কৰি পৰি গ'ল; কিয়নো অপূৰ্ব জ্যোতিয়ে সেই ঠাই আলোকিত কৰি তুলিলে আৰু যি যীচুক সিহঁতে ক্রুচত বিদ্ধ কৰি মৰিছিল, সেই যীচু এতিয়া সিহঁতৰ আগত থিয় দি আছে...তেওঁৰ মুখ সূৰ্য্যতকৈয়ো অপূৰ্ব্ব জ্যোতিৰে আলোকিত—আৰু হাতত জয়ৰ নিচান!

আল্লেলুয়া! প্ৰভু পুনৰ উত্থিত হৈছে!! তেওঁৰ মহিমাৰে উঠিছে আৰু কেতিয়াও মৃত্যু নহব। তেওঁ শক্তিমন্ত হৈ উঠিছে আৰু স্বৰ্গলৈ বিজয়ী ৰজাৰ দৰে আৰোহণ কৰিব।

প্ৰভুৰ পুনৰুত্থানৰ দিন বছৰৰ ভিতৰত মহৎ আৰু অতি সুখৰ দিন। ই সৰ্ব্বশ্ৰেষ্ঠ দিন কিয়নো আমি জানোঁ যে আমি মুক্তি পাইছোঁ। ই অতি সুখৰ দিন কিয়নো আমিও যীচু খ্ৰীষ্টৰ লগত পুনৰ উত্থিত হৈ স্বৰ্গৰ অমিয়া পাম গৈ।

যীচুৱে কৈছিল "যদি মই পৃথিবীৰ পৰা উত্থান কৰিব পাৰো, লগতে মই সকলোকে মোৰ ওচৰলৈ টানি নিম" (যোন ১২—৩২) সচাঁকৈয়ে অতি নিষ্ঠুৰ যাতনাৰ মাজত যীচুক ক্ৰুচৰ ওপৰলৈ তোলা হ'ল। আৰু অপূৰ্ব্ব মহিমাৰে তেওঁক স্বৰ্গলৈ নিয়া হ'ল…।

সেই দিন ধৰি তেওঁ সকলোকে তেওঁৰ ওচৰলৈ নিবলৈ আৰম্ভ কৰিছে। পৃথিবীৰ অতি উত্তম আৰু আধা তেওঁৰ ওচৰলৈ নিছে। আমি নিশ্চিত যে এদিন গোটেই জগতকে যীচুৰ ক্ৰুচৰ ওপৰলৈ তুলিব—কিয়নো তাত, আৰু কেৱল তাতেই হে আচল মুক্তি আছে।

দকাইতৰ পৰা সন্তলৈ



ৰুফুচ সচাঁকৈয়ে এটা বৰ ডাঙৰ দকাইত আছিল। তাৰ কুখ্যাতি গোটেই দেশতে ব্যাপি পৰিছিল। তাৰ নাম সকলোৰ নিমিত্তে বিশেষকৈ লৰা-ছোৱালী বিলাকৰ প্ৰতি বৰ ভয়ৰ কাৰণ হৈছিল। সি বহুত লৰা ছোৱালী বধ কৰিছিল। সি থকা নৈৰ দাঁতিৰ হাবিৰ গহ্বৰটো মানুহৰ লাও খোলাৰে ভৰি আছিল। সেই হাবিৰ মাজেদি কোনেও হত্যাকাৰী ৰুফুচৰ হাতত নপৰাকৈ সাৰি যাব নোৱাৰিছিল।

কিন্তু এদিন এটা বৰ আচৰিত ঘটনা ঘটিল। যেতিয়া ৰুফুচে কোনো মানুহ আহিলে মাৰিবৰ কাৰণে নৈৰ দাতিত ফুৰি ফুৰিছিল তেতিয়া হঠাৎ তাৰ চকু এটি অকনমানী লৰাৰ ওপৰত পৰিল। লৰাটি এনে সুন্দৰ

আৰু মধুৰ আছিল যে কুফুচে বৰ আচৰিত হৈ নিজে নিজে ভাবিলে, "এই লৰাটো কোন? সি দেখোন মোক দেখি ভয় কৰা নাই। তাৰ মুখ সূৰ্য্যৰ দৰে জিলিকিছে"!

সি গৈ সুধিলে "বাছাঁ, ক'ল যোৱা? মই তোমাক কোনো সহায় কৰিব পাৰোনে?" "নিশ্চয়! মোক নৈৰ সিপাৰ কৰিথৈ আহঁা; কিন্তু মই সন্দেহ কৰো মই তোমাৰ নিমিত্তে অতিশয় গধুৰ হ'ম।" লৰাটিয়ে ক'লে।

"মোৰ নিমিত্তে অতিশয় গধুৰ? তুমি কোৱা কি? তুমি নাজানানে যে মই হাতীৰ সমান বলী?"

এই বুলি কৈ কুফুচে সেই আচৰিত লৰাটি কান্ধত লৈ নৈত নামি গ'ল। কিন্তু অলপ অলপকৈ লৰাটি ইমান গধুৰ হবলৈ ধৰিলে যে শেহত বেচেৰা কুফুচ ভৰত যামি-জামি কুঁজা হৈ পৰিল। শেষত সিটো পাৰ পাই লৰাটিক নমাই থৈ আকৌ সুধিলে "কোৱাচোন, তুমি কোন? তুমি কিয় ইমান গধুৰ?

লৰাটিয়ে হাঁহি হাঁহি ক'লে "মই "যীচু"; মই ইমান গধুৰ, কিয়নো মই তোমাৰ পাপ হৰণ কৰি আনিছোঁ।" এই বুলি কৈ তেওঁ নাইকিয়া হ'ল।

সেই দিনৰ পৰাই দকাইত কুফুচ সন্ত ক্রিষ্টফাৰ হ'ল। ক্রিষ্টফা মানে যীচুক কঢ়িয়াওঁতা। আমি সকলোৱেই ক্রিষ্টফাৰ হৈ যীচুক হৃদয়ত লৈ ফুৰা উচিত।






মণ্ডলী কি?

দ্বিতীয় অধ্যায়।

মণ্ডলী এটা ডাঙৰ পৰিয়ালৰ নিচিনা যি যীচুখ্ৰীষ্টৰ সকলো শিষ্যৰ পৰা হৈছে। প্ৰত্যেক পৰিয়ালত পিতৃ মাতৃ থাকে যিবিলাকে নিজৰ সন্তানবিলাকক আজ্ঞা পালন কৰিবলৈ হুকুম দিযে। তেনেকৈ কাথলিক মণ্ডলীতো পোপ আৰু বিশপ সকল আছে যি সকলে মানুহবিলাকক শিক্ষা দিয়ে আৰু সিহঁতৰ শিক্ষা অনুসাৰে চলে। মণ্ডলী এজাল ডাঙৰ গছৰ নিচিনা। গৰম কালত যেতিয়া বেঁচ গৰম হয় তেতিয়া নিশা চৰাইবোৰ গছঁত থাকে আৰু তাত জিৰণি লয়। তেনেকৈ আমাৰ নিমিত্তে মণ্ডলীয়ে আমাক জিৰণি দি আমাক ৰক্ষা কৰে। কিন্তু মণ্ডলীৰ অৰ্থ তাতকৈ বেচি বুজায়। তেওঁ এটা ডাঙৰ জাহাজৰ নিচিনা। তুমি সমুদ্ৰ দেখিছা নে? সমুদ্ৰ এটা ডাঙৰ হ্ৰদৰ নিচিনা আৰু ইমান ডাঙৰ যে তাৰ আনটো পাৰ দেখা না যায়; তাক পাৰ হবলৈ বহুত দিন লাগে। বহুত মানুহে আনটো পাৰ পাবলৈ চেষ্টা কৰে, কোনো কোনো মানুহে ডাঙৰ জাহাজৰ দ্বাৰা, কিন্তু কোনো মানুহ ইমান মূৰ্খ যে সাঁতুৰিও পাৰ হব খোজে। তাৰ ফল কি হয়? যিবিলাকে সাঁতুৰি পাৰ হব খোজে তাগৰ লাগি আগ বাঢ়িব নোৱাৰি ডুবি মৰি যায়। কিন্তু যিবিলাকে জাহাজত উঠে সিবিলাকে সোনকালে আনটো পাৰ পাব পাৰে। আমিও এই সংসাৰ সমুদ্ৰত জীয়াই থাকি অপাৰলৈ যাব খুজিছোঁ।

মণ্ডলীৰ সহায়ৰ দ্বাৰা আমি সহজে স্বৰ্গ পাব পাৰোঁ। কিন্তু তোমা-লোকে শুনা—মণ্ডলী যদিও এখন জাহাজৰ নিচিনা কিন্তু তাতকৈ বেছি এজনী সৰু পোৱালী থকা কুকুৰাৰ নিচিনা। তেওঁ সদায় পোৱালিবোৰৰ লগত থাকি সেই বোৰক খুৱায় আৰু সহায় কৰে। তেওঁ সিহঁতক চিলনিৰ পৰা, আৰু সাপৰ পৰা ৰক্ষা কৰে আৰু সিহঁতক বাট দেখুৱায়, ঠিক তেনেকৈ আমাৰ নিমিত্তে মণ্ডলী আমাৰ ভাল মাতৃ। আৰু এই সংসাৰৰ সকলো খ্ৰীষ্টীয়ান আমাৰ ভাই যদিও সিবিলাকৰ আন ভাষা আৰু সিবিলাক আন জাতৰ মানুহ আৰু যদিও সিবিলাক বগা বা কলা তথাপি সদায় আমাৰেই ভাই।

আহাঁ আমি আমাৰ ঈশ্বৰক ধন্যবাদ দিওঁ কাৰণ আমাক খ্ৰীষ্টীয়ান হবলৈ মাতিছে কাৰণ আমালোকৰ নিমিত্তে সকলাতকৈ ডাঙৰ অনুগ্ৰহ আমাৰ ঈশ্বৰে আমাক দান দিছে। আহাঁ আমি সকলোৱে মণ্ডলীৰ উত্তম সন্তান হৈ তেওঁৰ কথা শুনিবলৈ সাজু থাকোঁহক।



—যিবিলাক লৰাই সৰু কালৰ পৰা কাম অভ্যাস নকৰে, তেওঁলোকে গোটেই জীৱন এলেহুৱা হৈ কটাব লাগিব। তেওঁবিলাকে, পিতৃ-মাতৃ, পৰিয়ালৰ আৰু দেশৰো দুনাম, অপমান আনিব; আৰু তেওঁবিলাকে নিজৰ আত্মাকো হেৰুৱাব পাৰে।

—অহঙ্কাৰী ছাত্ৰ আও মূৰ্খ।

—সাৱধান হোৱা যাতে চয়তানে তোমাক কেতিয়াও এলেহুৱা হৈ থকা নেপায়।

ৰেবং ফাদৰ "মিখাএল প্ৰ"

আমেৰিকা দেশৰ উত্তৰ ফালে মেক্সিকো দেশ। তাত প্ৰায়বিলাক কাথলিক। কিন্তু ১০ বছৰ আগেয়ে দেশৰ শাসন কেইজনমান দুষ্ট মানুহৰ হাতত পৰিছিলহি। সিইঁতে কাথলিক ধৰ্ম্ম পানী কৰিব মনেৰে ফাদাৰ আৰু বিচপ বিলাকক দেশৰ পৰা খেদাই দিয়াই সকলো গীৰ্জ্জা ঘৰ বন্ধ কৰালেগৈ ফলত খ্ৰীষ্টানবিলাকৰ নিমিত্তে চাক্ৰামেণ্ট গ্ৰহন কৰা, মিচ্চা শুনা, গীৰ্জ্জা ঘৰতো সোমোৰা অসম্ভৱ হৈ পৰিলহি।

এনে দুৰ্ভাগীয়া দেশত মিখাএল প্ৰ নামেৰে এজন নিৰ্ভয় ফাদাৰ আছিল তৎক্ষণাতে এৰিবৰ আজ্ঞা পাই, লাখ লাখ খ্ৰীষ্টান নিৰুপায় ত্যাগ কৰিবলৈ সাহ নকৰি, ছদ্মবেশ ধৰি তেখেতৰ তাত থাকিলগৈ।

দুষ্ট শাসনকৰ্ত্তাই বাধা দিয়াতো তেখেতে যতে ততে মিচ্চা বলিদান উৎসৰ্গ কৰিছিল, পাপস্বীকাৰ শুনিছিল, আৰু ঘৰে ঘৰে পবিত্ৰ কমুনীয় বিলাইছিল।

পুলিচে তেখেতক ধৰিবলৈ চেষ্টা কৰি দিনে পতি তেওঁৰ পিচ ধৰিছিল-গৈ। সকলো মিছা; কাৰণ তেখেত প্ৰায়েই ফাঁকিফুকাকৈ সাৰিছিল।

এবাৰ দৈবাৎ তেওঁ এখন মকানত মিচ্চা বলিদান উচৰ্গা কৰে, এনেতে পুলিচ অহা গম পায়। তাতে তেখেতে ততাতৈয়াকৈ সকলো লুকাই পেলায়, আৰু আটাইবিলাকক লৰাল্লৰিকৈ যাবলৈ কৈ, নিৰ্ভয়ে পুলিচক অভ্যাৰ্থনা কৰিবলৈ ওলালগৈ। পুলিচে তেওঁক ঘৰৰ গৰাকী বুলি ভাবি, তেওঁক মাকানৰ ভিতৰত পুৰোহিত আছে নে নাই সুধিলেগৈ। ফাদাৰে তাত কোনো পুৰোহিত নাই বুলি, সিহঁতক ঘৰৰ ভিতৰত আনি, সকলো কোঠালি দেখুৱাইছিল। তাৰ পিচত সিহঁতক ভাল দৰে বিদায় দিলেগৈ।

এদিনাখন তিনিজন মানুহে হঠাৎ অৰিগন নামেৰে শাসনকৰ্ত্তাক আক্ৰমণ কৰিলে, পুলিচে এই ঘটনা ঘটাত, ছল পাই, ফং প্ৰকেই দোষী কৰিলে। ৰাতিৰ সময়ত তেওঁক ধৰি ফাটাকত পেলাই দিলে। আৰু কেইদিমানৰ পিচত, গোচৰ বা বিচাৰ নোহোৱাকৈয়ে বন্দুকেৰে তেওঁক বধ কৰিলে। কিন্তু মৰিবৰ আগেয়ে অলপ প্ৰাৰ্থনা কৰি আৰু সকলোকে ক্ষমা দি যীচু খ্ৰীষ্ট ৰজাৰ জয় চিয়ঁৰি আত্মাবিলাকৰ ত্ৰাণৰ নিমিত্তে প্ৰাণ দিলে।

হে যীচু, আমাৰ আচল ৰজা, আমাকো এনেকুৱা ভাল খ্ৰীষ্টান কৰা।

কাথলিক মণ্ডলীৰ শিক্ষা

ধাৰ্ম্মিক লোকসকলৰ সহভাগিত্ব



মণ্ডলী তিনিটা ভিন্ন ভিন্ন ঠাইত পোৱা যায় অৰ্থাৎ স্বৰ্গৰ মণ্ডলী জয়ী মণ্ডলী নামে, শুচ্যগ্নিৰ মণ্ডলী দুঃখিত মণ্ডলীৰ নামেৰে আৰু ইহলোকৰ মণ্ডলী; তাৰ নাম যুঁজাৰু মণ্ডলী। স্বৰ্গৰ, শুচ্যগ্নিৰ আৰু পৃথিৱীৰ সভ্য লগ লগোৱা হৈ যীচু খ্ৰীষ্টৰ সৈতে একমাত্ৰ দল আৰু জাক; তাৰ অৰ্থ এই যে তেওঁবিলাকৰ মাজত পবিত্ৰ বন্ধুতা, প্ৰিয় সমাগম আৰু হিতকাৰ্য্য-বোৰৰ সলনা সলনি। পৃথিৱীৰ বিশ্বাসীবিলাকৰ সহভাগীত্বৰ অৰ্থ এই যে তেওঁবিলাকে এক সম বিশ্বাস গ্ৰহণ কৰি এক সম ক্ষমতাৰ আদেশ মানি ইজনে সিটোক ভাল কাম আৰু প্ৰাৰ্থনাৰ দ্বাৰা সহায় কৰে।

এই কাৰণে আমালোকে স্বৰ্গৰ ধাৰ্ম্মিকলোকৰ সহভাগিত্বত আমা-লোকে মণ্ডলীৰ মহিমা পোৱা সম্ভৱ নিচিনা তেওঁবিলাকক সন্মান কৰি তেওঁবিলাকৰ সহায় খোজোঁ। তেওঁবিলাকেও আমালোকৰ নিমিত্তে প্ৰাৰ্থনা কৰে। আমালোকৰ প্ৰাৰ্থনা আৰু হিতকাৰ্য্যৰ দ্বাৰা আমালোকে শুচ্যগ্নিত থকা আত্মাবিলাকক সহায় কৰিব পাৰোঁ; এই দেখি আমালোকো তেওঁবিলাকৰ সহভাগিত্বত।

"মৃতবিলাকে যে পাপৰ পৰা মুক্তি পাব পাৰিব তাৰ নিমিত্তে প্ৰাৰ্থনা কৰিলে সি পবিত্ৰ আৰু ভাল কাৰ্য্য।"

শোধক অগ্নি

ধৰ্ম্মপুথিত কৈছে যে পৰমেশ্বৰে আটাইলোকৰ নিজ কাৰ্য্যবোৰ অনুসৰি পুৰস্কাৰ বা শাস্তি দিব আমালোকে জানো যে স্বৰ্গত একো অশুদ্ধ নোসোমাব আৰু যে কেইজনমান জুইৰ দ্বাৰা পৰিত্ৰাণ পাব। যি আটাই আত্মা সামান্য পাপত থাকি মৰে বা পাপৰ ক্ষমা পাই কোনো খন্তেকীয়া শাস্তিৰ দাযা থাকে সেই আটাই আত্মা শুচাগ্নিলৈ যায় তেতিয়া-লৈকে তেওঁ বিলাকে সকলো পাপৰ দাইৰ পৰা পৰিশুদ্ধ হৈ স্বৰ্গসুখলৈ সোমাব পাৰিব।

চেলচৰ পবিত্ৰ ফ্ৰানচিচ



ফ্ৰানচিচ ১৫৬৭ খৃষ্টাব্দত আনেচিৰ ওচৰত জন্ম হৈছিল। তেওঁৰ পিতা মাতা সম্ভ্ৰান্ত আৰু ধৰ্ম্ম পৰায়ন আছিল। তেওঁ পাৰিচ আৰু পাডুৱাত বিশেষ কৃতিত্বৰে অধ্যয়ন কৰে। তেওঁৰ পিতাকে তেওঁৰ কাৰণে চৰকাৰী কামত ডাঙৰ জীৱন পথ নিৰ্দ্ধাৰিত কৰি ৰাখিছিল। ইটালীৰ পৰা ঘুৰি আহি ফ্ৰানচিচে সেই পথ পৰিত্যাগ কৰি পুৰোহিত হল।

যেতিয়া চেভয়ৰ ৰজা চাবেইয়ে অঞ্চলত কাথলিক মণ্ডলী পুনৰ স্থাপন কৰিবৰ সঙ্কল্প কৰে আৰু নিজৰ বাইবেল আৰু প্ৰাৰ্থনা পুথি লৈ নিজৰ খুড়াকৰ পুতেক চেলচৰ

লুইচৰ সৈতে খোজ কাঢ়ি ৰাওনা কৰিলে। ই পৰিশ্ৰম কষ্ট আৰু বিপদৰ কাম আছিল। প্ৰত্যেক ঘৰৰ দুৱাৰ আৰু প্ৰত্যেক হৃদয় তেওঁৰ প্ৰতিবোধৰ অৰ্থে বন্ধ আছিল; তেওঁক অবজ্ঞাৰে প্ৰত্যাখ্যান কৰা হ'ল আৰু মৰণৰো ভয় দেখুৱা হ'ল। কিন্তু একোৱে তেওঁক ভয় দেখুৱাব অথবা প্ৰতিবোধ কৰিব নোৱাৰিলে। আৰু হঠাৎ মণ্ডলীত তেওঁৰ আবিৰ্ভাৱে নব উৎসাহৰ সৃষ্টি কৰিলে। কথিত আছে যে তেওঁ ৭২,০০০ কালভিনিষ্টক (প্ৰটেষ্টাণ্ট বিলাক) খ্ৰীষ্ট ধৰ্ম্ম গ্ৰহণ কৰাইছিল। তেতিয়া সন্ত প'পে তেওঁক জেনিভাৰ সহকাৰী বিচপ হবলৈ বাধ্য কৰে। তেওঁ ১৬০২ খ্ৰীষ্টাব্দত সেই পদত অধিষ্ঠিত হয়।

বিচপ হিচাবে তেওঁ সকলোকে যত্ন কৰিছিল। তেওঁৰ ভদ্ৰতা আৰু মধুৰ স্বভাৱে সকলোৰে হৃদয় জয় কৰিছিল। তেওঁ আনেচিত "তত্বাৱধান সম্প্ৰদায়" প্ৰতিষ্ঠিত কৰে। অতি অলপ সময়ৰ ভিতৰতে এই সম্প্ৰদায় ইউৰোপত বিস্তৃত হৈ পৰে দৰিদ্ৰ হৈয়ো তেওঁ উত্তম উত্তম খাদ্য উচ্চপদ, এনেকি পাৰিচৰ বিচপৰ পদো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ চপোৱা কিতাপ বোৰ গভীৰ পাণ্ডিত্য পৰিপূৰ্ণ আৰু সৰল। সেই সকলো-বোৰ কিতাপৰ বিশেষত্ব এই যে তেওঁৰ ভাষাত ভক্তিৰ ভাব উদ্ৰেক হয়। আৰু সেই বোৰৰ মাজত প্ৰীতিকৰ আৰু অদ্ভুত উদাহৰণ আছে। তেওঁ ১৬৬২ খৃষ্টাব্দৰ ২৮ ডিচেম্বৰত লাইয়োনচ নগৰত প্ৰাণত্যাগ কৰে। তেওঁৰ মৃত দেহ আনেচিতলৈ লৈ যোৱা হয়। সেই দেহ আজিও সেই ঠাইত বিদ্যমান আছে।

সন্ত জোহন বস্কৰ ফ্ৰানচিচ চেলৰ প্ৰতি বৰ মৰম আছিল। তেওঁ এই মহৎ সাধু পুৰুষক তেওঁ স্থাপন কৰা যুৱক সকলৰ শিক্ষা সঙ্ঘৰ ৰক্ষক আৰু সমস্ত জগতত সুসমাচাৰ প্ৰচাৰ কাৰী স্বৰূপে মনোনিত কৰিছিল। সেই কাৰণে আমাৰ এই আসামত কাথলিক ফাদাৰ সকলক চেলেচিয়ান অৰ্থাৎ চেলচৰ সন্ত ফ্ৰানচিচৰ সঙ্ঘত বোলে।

এই মহৎ সাধু পুৰুষৰ পৰা আমি বিশেষকৈ সকলোৰে প্ৰতি দয়ালু আৰু নম্ৰ হবলৈ শিকিব লাগে।



আমাৰ মাতৃ কুমাৰী মাৰিয়া

কাথলিক মন্দিৰ বছৰৰ উপৰি বছৰে অনেক শত্ৰুৰ বাধা বি ঘনিৰ মাজত প্ৰশংসনীয় হৈ আহিছে আৰু এনেকৈ সদায় থাকিব, আৰু বছৰে বছৰে সমান ক্ষমতাৰে চলিও থাকিব আৰু বেচি পৰিমানে প্ৰশংসীত হব। কুমাৰী মাৰীয়াৰ একান্ত ভক্তি সন্তান সন্ততি বিলাকৰ নিমিত্তে সাঁচি থোৱা এটা ধন সম্পত্তি বুলি ধৰিব লাগিব। ডাঙৰ মন্দিৰ বিলাকৰ বাহিৰ ভিতৰ সকলো ফালে দেখা যায় যে অতি শোভাযুক্তভাৱে মঠ সাজি তাৰ ভিতৰত মাৰিযাৰ মূৰ্ত্তী আৰু জপমালা গুটি ইত্যাদিৰে আৰু ঠিক মন্দিৰৰ বাহিৰা-বাটৰ কাষতো ৰখা হয়। ই সত্য যে এই সকলো বিলাক চিন আমাৰ প্ৰত্যেক কাথলিক ঘৰত ৰখা নিতান্ত উচিত। আৰু মাৰিয়াক সম্বোধন কৰা হয় 'স্বৰ্গৰ দুৱাৰ'। কাৰণ এই পৃথিবীৰ সকলোবিলাক লোকৰ মাজত তেওঁৱেই ঈশ্বৰৰ পৰা প্ৰধান আশীৰ্ব্বাদ প্ৰাপ্ত এক মাত্ৰ নাৰী। এই নিমিত্তে আমি তেওঁক ভক্তিভাৱ দেখুৱাবৰ কাৰণে মন্দিৰৰ বাহিৰ ভিতৰ সকলো ফালে তেওঁৰ ভক্তি কৰা চিন দেখুৱা নিতান্ত প্ৰয়োজন।

প্ৰভু যীচু খ্ৰীষ্টে আমাৰ পাপৰ নিমিত্তে ক্ৰুচ কাঠত নিজৰ প্ৰাণ অৰ্পণ কৰি প্ৰায়শ্চিত্ত সাধন কৰিলে আৰু আমাৰ নিমিত্তে স্বৰ্গৰ দুৱাৰ মুকলি কৰিলে। কিন্তু আমালোকৰ শত্ৰুবিলাকে সেই পুৰস্কাৰ ভাগৰ বিষয়ে অস্বীকাৰ কৰে। এই সকলোৰ বিষয়ে পূৰ্ব্বেই কোৱা আছিল যে

আশীৰ্ব্বাদ প্ৰাপ্তা নাৰী কুমাৰী মাৰীয়াৰ দ্বাৰায় সেই সৰ্পৰূপ চয়তানৰ মূৰ মৰ্দ্দন কৰিব আৰু তেওঁৰেই আমাৰ ঠিক পথৰ সহায়কাৰী হব।

শাস্ত্ৰৰ নতুন নিয়মৰ পৰা আমি শিক্ষা পাওঁ যে তেওঁ আমাক সহায় কৰিবৰ নিমিত্তে অতি শিক্ষিতা নাৰী। যেতিয়া খ্ৰীষ্টই তিনি বছৰ শিক্ষা পোৱাৰ পাচত তেওঁৰ পাচনিবিলাকৰ মাজত স্বৰ্গ ৰাজ্যৰ গুপুত বিষয়-বিলাক জনাইছিল আৰু কৈছিল যে স্বৰ্গত থকা পিতৃ পৰম ঈশ্বৰে মোক যি যি দেখুৱালে আৰু কলে তাকেহে মই তোমালোকক জনালোঁ। তেন্তে যীচুৱে নিজৰ মাক মাৰিয়াৰ লগত ত্ৰিশ বছৰ লৈকে আছিল; ইয়াৰ ভিতৰত তেওঁক নো যীচুৱে স্বৰ্গ ৰাজ্যৰ বিষয় কোৱা নাইনে? তেওঁ যীচুৰ সকলো বোৰ কথা মনত ৰাখি গমি চাই আছিল।

কুমাৰী মাৰিয়াই তেওঁৰ নিজৰ জ্ঞানৰ পৰা নহয় কেৱল ঐশ্বৰিক জ্ঞানৰ পৰাহে ফলদায়। কোনো নগৰত কোনো এখন বিয়াৰ ভোজত যীচুৰ মাক মাৰিয়াও উপস্থিত আছিল; ঠিক সময়ত অতি স্বাভাবিক ভাবেৰে ঐশ্বৰিক কাৰ্য্যত মন দিছিল আৰু সেই ভোজৰ লোকবিলাকৰ বিপত্তি হৈছিল। এনেতে সিবিলাকৰ ওচৰলৈ গৈ ফুচ-ফুচাই কৈছিল যে এওঁ অৰ্থাৎ যীচুৱে তোমালোকক যিহকে কৰিবলৈ আদেশ কৰে তাঁক কৰিবাঁ, এই বুলি মনেমনে চিন্তাকৰি এক চুকত বহি থাকিল। যদি কোনো জনে বাস্তবিকতে মাৰিয়া আমাৰ সহায়কাৰী আছে, কেৱল আমাৰ আশীৰ্ব্বাদ পোৱা নাৰী মাৰিয়াহে। আৰু তেওঁৰ জ্ঞান আৰু মনৰ বলেৰে অতি মৰমেৰে সহায়-কৰে। সেইহে তেনেকৈ কুমাৰী মাৰিয়াৰ শক্তি আৰু নিঃসন্দেহ ভাবে ইচ্ছা আৰু মৰমেৰে আমাক সহায় কৰে। তেওঁৰ সকলো কথাতে অতি জ্ঞান-বতী আৰু উদাৰ ভাব। তেওঁ কয় যি কোনোৱে মোক ভাল পায় মই তেওঁ লোকক ভাল পাওঁ আৰু যি কোনোৱে মোক বিচাৰে মোক দেখা পাব। আমি কল্পনা কৰিব পাৰোনে? যি জনা মাতৃয়ে অতি আশঙ্কা হৈছিল নিৰ্ভয়েৰে আৰু একো বিবেচনা নকৰাকৈ আওকান কৰি পাহৰি সেইহে বিশ্বাস কৰি এটা বিশেষ কাৰ্য্য কৰিবলৈ নিয়োজিত সকলক আৰু মৃত পুত্ৰলৈ? আৰু আমালোকে কল্পনা কৰিব পাৰোনে? যি জনা মাকে যাৰ ইমান ডাঙৰ এটা ভাগ হাতত থকাটো নিজৰ পুত্ৰক ক্ৰুচ যন্ত্ৰণাৰ পৰা উদ্ধাৰ

কৰিবৰ নিমিত্তে কোনো আপত্তি নকৰি অমন যোগ কৰিছিল ? আমালোকে পাৰোনে ? নিজকে নিজে শান্তনা কৰিবলৈ আৰু বিবেচনা কৰিবলৈ ? আৰু নিজ কুমাৰী জীৱন ঈশ্বৰৰ নিমিত্তে উচৰ্গা কৰি যি জনাই সকলো গুণে এই পৃথিবীৰ তপনত যদিও আমালোকৰ সাহায্যৰ নিমিত্তে তেওঁৰ ওপৰত কোনো দাবী নাছিল তথাপিও আমাৰ আশীৰ্ব্বাদ পোৱা কুমাৰী মাৰিয়াই কেতিয়াও কোনো বিষযত মৰম কৰি কাণ পাতিবলৈ ত্ৰুটি নকৰিলে, কাৰণ আমাৰ প্ৰভু পৰম ঈশ্বৰৰ ইচ্ছাত যাচুৱে আমালোকক কৈছে যে যি সকলো বিষয় পিতৃয়ে তেওঁক দিলে এই সকলো যেন তোমালোকে নেহেৰুৱাবা আৰু তেওঁৰ পাচনিয়ে কয যে সকলো বিলাক লোকে যেন সত্য পথত থাকিবলৈ শিক্ষা কৰে আৰু যেন সবলাক সকলোৱেই পাপৰ পৰা ৰক্ষা পায।

আচৰিত মূৰ্ত্তি



এসময়ত এজন চিত্ৰকৰে ত্ৰাণকৰ্ত্তা প্ৰভুৰ এটি মূৰ্ত্তি নিৰ্ম্মান কৰিছিল। ই তেওঁৰ দিনৰ চিন্তা আৰু ৰাতিৰ সপোন হৈছিল। প্ৰভু বুলি চিনিবলৈ মূৰ্ত্তিৰ কোনো ফালে আঘাত, ক্ৰুচ কাইটৰ মুকুট ইত্যাদি একোকে নাছিল।

সন্ধ্যা হলত এটি লৰাক মূৰ্ত্তিটো কাৰ উদ্দেশ্যে কাৰ সজা হৈছে বুলি সোধা হ'ল, 'যাচুক' লৰাটিয়ে অলপো দিক্কক্তি নকৰি উত্তৰ দিলে।

এটা মূৰ্ত্তিটো এনে পবিত্ৰতা আৰু ঈশ্বৰত্বৰ আচান দিব পৰা—যাক এটি সৰু লৰায়ো চিনিব পাৰে সচাঁকৈয়ে চিত্ৰকৰৰ ই এক মহত্বৰ চিন।

আমিও আমাৰ জীৱন চাৰণত যাচুৰ এই পবিত্ৰতা আৰু সৌন্দৰ্য্যৰ আদৰ্শ দেখুৱা উচিত, যাতে আমাৰ ওচৰত থকা সকলোৱে কব পাৰে - "সচাঁকৈযে ইযো যীচুৰ পবিত্ৰতাৰ আহি।"

সাপ আৰু চৰাই



তুমি কেতিয়াবা ফেটি সাপ দেখিছানে? পৃথিবীৰ ভিতৰত ইয়েই সকলো সাপত কৈ বেচি বিষাল। ভাৰতবৰ্ষত বছাৰ বছাৰে হাজাৰে হাজাৰে মানুহ এই সাপৰ কামোৰ খাই প্ৰাণ এৰে। এই সাপৰ কামোৰ খাই মৰা আত দুখৰ মৃত্যু।

ফেটি সাপ চৰাই চকাবাঁও। এদিন এখন হাবিত মই এজোপা গছৰ ডালত এটি বৰ সুন্দৰ চৰাই দেখিলো। ই কেনে মুকলি মুৰীয়া সুখী আৰু মনোহৰ আছিল! ই অনবৰত গান গাই আছিল।

এনে সময়তে এটা সাংঘাতিক ফেটি সাপ সেই ঠাইত উলাল হি আৰু চৰাই টোলৈ একেৰাহে চাই থাকিবলৈ ধৰিলে। আ! কি ভয়ানক তাৰ চাৱনি! চৰাইটো ভয়ত মনে মনে থাকিল ই তাৰ পলাই যাব নোৱাৰিলে। বেচেৰা চৰাইটি সেই ভয়ানক চাৱনিৰ মোহ নাত পাৰিল। সাপটো লাহে লাহে গছ জোপাত বগাই উঠিবলৈ ধৰিলে। তাৰ চকু দুটা জুইৰ দুটা অঙ্গাৰ দৰে জ্বলাকাছিল, আৰু আতিয়া চৰাইটো থকা ডালটো পালেগৈ, তাৰ ফেট তোলা, আৰু মুখ খোলা। এক...দুই...তিন, আ, চোৰা সেই ধুনীয়া চৰাইটি সেই ভয়ঙ্কৰ সাপটোৰ মুখৰ ভিতৰত...মাটিত কেইটোপাল মান তেজ আৰু কেইটা মান লেতেৰা পাখী...।

মই বেজাৰ মনেৰে ঘৰলৈ উলটিলো। মই দেখা সেই দৃশ্য তেতিয়াও মোৰ মনত বাজি আছিল।

তেতিয়া মই ভাবিলোঁ আমাৰ বেচেৰা "আত্মাৰো এই দুৰ্দ্দশাই" আমাৰ আত্মাও সেই অকণমানা চৰাইটিৰ নিচিনা সুন্দৰ, সুখী, কলি মুৰীয়া। সাপে আমাক মোহ লগাই ফুচুলাবলৈ আহে যি আমাৰ আত্মাৰ সৌন্দৰ্য্য নষ্ট কৰি তাৰ দাস কৰিবলৈ ইচ্ছা কৰে সেই চয়তানেই এই সাপ।

আমি তেতিয়া লৰচৰ কৰিব নোৱাৰোঁ। চয়তানৰ মোহনী আমাৰ ওপৰত পৰিব আৰু আমি তাৰ খামোচত পাৰ তাৰ উপভোগ্য হৈ শেষ হ'ম।

যেতিয়া আমি মুকলি হৈ থাকো, আহঁা আম চয়তানৰ পৰা আতৰত থাকো। আহঁা আমি আকাশত থাকি ঈশ্বৰৰ মহিমা কীৰ্ত্তন কৰোঁ।

ভাৰতবৰ্ষত কাথলিক মণ্ডলীৰ বৃদ্ধি।

আমি অলপতে ভাৰতবৰ্ষত কাথলিক মণ্ডলীৰ এই পহিলা পঞ্চাশ বছৰৰ ভিতৰত হোৱা বৃদ্ধি দেখুউৱা এখন কিতাপ পাইছো। সচাকৈয়ে ঈশ্বৰে এই মণ্ডলীক আচৰিত ৰকমে কৃপা দিয়া চাবলৈ বৰ প্ৰীতিজনক।

পঞ্চাশ বছৰৰ আগতে ভাৰতবৰ্ষত মাত্ৰ ১,৬৬০,০০০টা কাথলিক আছিল। আজি ১,৯৫০,০০০। তেতিয়া মাত্ৰ ১,১২০ কাথলিক পুৰোহিত আছিল। এতিয়া ৪,২২৫ জন। তেতিয়া ২৫০ জন ব্ৰাদাৰ আছিল এতিয়া ৯৫০ জন। চিস্টাৰ সকল ৯০০ পৰা ৮,৭০০ হৈছেহি।


কলেজ আৰু হাই স্কুলৰো সংখ্যা বেচি হব ধৰিছে। কলিকতাত ৬টা কাথলিক কলেজ আৰু আন আন স্কুল লৈ মুঠতে ৫,০০০ হেজাৰ ছাত্ৰ আছে। সেইদৰে মাদ্ৰাজ আৰু বম্বেতো আছে। ভাৰতবৰ্ষৰ প্ৰায় বোৰ ঠাইতেই নতুন নতুন মিচন খোলা হৈছে। নতুন হস্পিতাল, অনাথ-আশ্ৰম আৰু শিল্প স্কুল ৰোগী, দৰ্কাৰী আৰু অনাথ সকলৰ কাৰণে খোলা হৈছে।

পঞ্চাশ বছৰৰ আগতে আসামত কাথলিক প্ৰায় নাছিলেই ; এশতকৈয়ো কম। এতিয়া ৫০,০০০ আৰু প্ৰতি বছৰে সংখ্যা অনেক বেচি হৈ যায়। মঙ্গলদৈৰ কছাৰী বিলাক, গাৰো বিলাক, মুণ্ডা বিলাক আৰু খাচিয়া বিলাক কাথলিক মণ্ডলীলৈ আহিব লাগিছে কিয়নো তেওঁলোকে দেখিছে যে ইয়েই হে আচল যীচুৰ গিৰ্জ্জা। বহুত প্ৰটেষ্টাণ্টো কাথলিক হৈছেহি কিয়নো তেওঁলোকে অনেক মূল নোহোৱা সুদা মতত আমনি পায় গৈ।

কেইজন মান এংলিকান্ আৰু আৰু লুথেৰিয়ান্ পাদ্ৰিয়েও কাথলিক গিৰ্জ্জাত যোগ দিছে আৰু এতিয়া তেওঁলোকে আচল পথত সকলো···ভাল ভেৰাক আনিবলৈ চেস্টা কৰিছে।

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই তেওঁৰ অনন্ত পিতৃৰ ওচৰত প্ৰাৰ্থনা কৰিছে যে তেওঁৰ মতাবলম্বী সকলোৰেই এজন ৰখীয়াৰ তলত একে জাকত লগ লাগিব লাগে।

আহাঁ আমিও এই পবিত্ৰ, এক আৰু ঈশ্বৰিক কাথলিক গিৰ্জ্জাত এই মহৎ একতাৰ কাৰণে প্ৰাৰ্থনা কৰোঁ।



বিদেশৰ বাতৰি

স্পেন যোৱা কেইমাহত কিছুমান অসৎ প্ৰকৃতিৰ মানুহে পাৰ্লামেণ্ট আৰু কাথলিক মণ্ডলীৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আৰম্ভ কৰিছিল। সেইহঁতে কেইখনমান স্কুল আৰু গিৰ্জ্জা ধ্বংস কৰিলে আৰু ৩০ জনতকৈও অধিক পুৰোহিত বধ কৰিলে। সেইলোকে ধৰ্মৰ সত্য বিশ্বাসৰ কাৰণে নিজৰ জীৱন বলিদান কৰিছে। খ্ৰীষ্টৰ কাৰণে, ধৰ্মৰ কাৰণে জীৱন আহুতি দিয়া সকল ধন্য।

যুক্ত-ৰাজ্য (আমেৰিকা) ত্যা ১৭,০০০ গিৰ্জ্জাৰে ২৫,০০০,০০০ কেথলিকে ২০ বিশ্ববিদ্যালয় আৰু ৬,০০০ স্কুল লৈ আছে। প্ৰত্যেক বছৰেই হাজাৰেক শই শই আমাৰ মণ্ডলীত ভৰ্ত্তি হয়।

পেলেষ্টাইন্ হয়াৰ কাথলিক সকলে জৰ্দন নদীৰ পাৰত—য'ত আমাৰ প্ৰভু যীচু খ্ৰীষ্টই সন্ত জনৰ বাপ্তিস্মা পাইছিল, তাৰ এটা ডাঙৰ গিৰ্জ্জা আজিকালি ধৰিছে।

বাক্ফাষ্ট (ইংলেণ্ড) যোৱা বছৰ ছজন কাথলিক মঠাধ্যক্ষই (পুৰোহিত) এটা অতি সুন্দৰ গিৰ্জ্জা সাজিছে। তেওঁলোকে আন কোনোৰ সহায় নোলোৱাকৈ সকলো কাম নিজে নিজে কৰিছিল।

অষ্ট্ৰেলিয়াঃ--মেলবৰ্ণ চহৰত অলপতে আমাৰ কাথলিক ভাই ভগ্নী সকলৰ এক মহা উৎসব হৈছিল। ৭০০০০ হেজাৰতকৈ ও অধিক মানুহে এই মহা সভাত যোগদান কৰিছিল। চহৰৰ মাজেদি এখন ডাঙৰ শোভা যাত্ৰাও হৈছিল। এই অষ্ট্ৰেলিয়াতো কেই কোটি মান কাথলিক মানুহ আছে আৰু প্ৰতি বছৰে অনেক অনেক লোকো আমাৰ পবিত্ৰ ধৰ্মত দিক্ষিত হয়।



হাঁহি ধেমালি।

শিক্ষক ঃ—কচোন, লুইচ, নৰভুক্‌বিলাক নো কোন?

লুইচ ঃ—জানো মহাশয়।

আকৌ শিক্ষকে বুজাই দি কলে ঃ—তই মাৰবাপেৰক খাই পেলালে, তই নো কি হবি?

ছাত্ৰই ঘপৰাই উত্তৰ দি কলে ঃ—নাপৰা মহাশয়।

এদিন প্ৰচাৰক এজনে স্বৰ্গৰ কথা কৈবা ভাল শিক্ষা দিয়াত, উপদেশৰ শেষত কলে “যিমানে কব যবলৈকে স্বৰ্গলৈ যাবা ইচ্ছা কৰা, উঠাচোন।”

এজনৰ বাহিৰে আটায়েই থিয় হলহি।

তাতে প্ৰচাৰক জনে বহি থকা লোকক এ শব্দেৰে চাই কৈছিল “তই আটনা, উঠা নাই কিয়? স্বৰ্গলৈ যাব মন নেনা নাই, তই?”

আটনা (গহীনভাবে) —“এতিয়াই, নহয়।

ASSAMIYAR-BONDU

Name

Address

P.O.

PERMISSU SUPERIORUM

PRINTED AT THE CATHOLIC ORPHAN PRESS, CALCUTTA.

EDITED BY REV. FR. A. ALESSI, S.C., CATHOLIC MISSION TEZPUR. (ASSAM.)

অসমীয়াৰ বন্ধু



৩য় বছৰ মে, ১৯৩০ নং ১০

অসমীয়াৰ বন্ধু

ভাগ ২য় | বাৰ্ষিক মূল্য ৷০ অনা। | সংখ্যা ১০

বন্ধুৰ বাণী।

যীচু খ্ৰীষ্ট আমাৰ নিমিত্তে কি?



এদিন মই কিছুমান হিন্দু মানুহৰ আগত আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ বিষয়ে ধৰ্ম্মোপদেশ দি আছিলো আৰু মই তেওঁ লোকক কৈছিলো কেনেকৈ তেও আমাৰ প্ৰতি মহৎ স্নেহৰ কাৰণে ইমান যাতনা ভোগ কৰিছিল। তেওঁলোকে দুখন কাণেৰে মাত্ৰ সেই কথা শুনিছিল; তেওঁলোকৰ অন্তৰ ৰুদ্ধ আছিল আৰু সেই কাৰণে প্ৰভুৰ উপদেশে তেওঁলোকৰ মনত কোনো ভাল আচনি দিব নোৱাৰিলে।

মই থিক যাব ধৰোতে সেই শ্ৰোতাবিলাকৰ এজনে আহি মোক সুধিলেহি "বাৰু! আপুনি যীচু খ্ৰীষ্টৰ বিষয যি কৈছে ভালেই কৈছে: কিন্তু মোক আপোনাৰ অন্তৰ খুলি কওকচোন যীচু খ্ৰীষ্ট আপোনালোকৰ কাৰণে কি?"

মই বৈ একাষাৰ মাত্ৰ কথা কলোঁ "সকলো"। সচাকৈয়ে, যীচু খ্ৰীষ্ট মোৰ নিমিত্তে সকলো যিমানেই মই এই কথাৰ বিষয়ে চিন্তা কৰো তিমানেই

এই মহৎ সত্য মোৰ মনত পৰিস্ফুট হৈ উঠে। তেৱেঁই আদি আৰু অন্ত। তেৱেঁই সকলো বস্তুৰ আদি মূল আৰু শেষ উদ্দেশ্য।

যীচু খ্ৰীষ্ট 'মোৰ ঈশ্বৰ-মোৰ স্ৰজন আৰু পালন কৰ্ত্তা।' যি জনে মোক সৃজন কৰিলে তেওঁক মই যিমান দিন জীয়াই থাকোঁ তিমান দিন কৃতজ্ঞতাত আবদ্ধ হৈ ধন্যবাদ দিবলৈ বাধ্য। তেওঁ নহলে মোৰ কোনো সাৰতা নাই : আৰু মই সমুদ্ৰৰ দাতিৰ এমুঠি শুকান ধূলিতকৈও মূল্য হীন।

যীচু খ্ৰীষ্ট 'মোৰ ত্ৰাণকৰ্ত্তা'। আমি ভেড়াৰ দৰে অবাটত চলিছিলো। আমি চয়তানৰ হাতত পৰি অনন্ত ধ্বংশৰ বাটত আগ বাঢ়িছিলো। কিন্তু চোৱা! ঈশ্বৰ পুত্ৰৰ আমাৰ প্ৰতি দয়া উপজিল আৰু আমাৰ মুক্তিৰ কাৰণে স্বৰগৰ পৰা নামি আহিল।

তেওঁ কেনেকৈ আমাক মুক্তি দান দিলে? ক্ৰুচৰ ওপৰত নিষ্ঠুৰ যাতনাৰ মৃত্যু অবলম্বন কৰি।

যীচু খ্ৰীষ্ট 'মোৰ গুৰু'। এই সংসাৰত আমাৰ অনেক গুৰু আছে; কিন্তু যি আমাক স্বৰ্গ-পথ দেখুৱাব পাৰে তেনে গুৰু এজন হে। তেওঁ আমাৰ অভ্ৰান্ত গুৰু। তেওঁ সত্য পথৰ গুৰু আৰু এই সংসাৰৰ গুৰু সকলৰ দৰে ভুল ভ্ৰান্তি কৰিব নোৱাৰে।

যীচু খ্ৰীষ্ট 'আমাৰ চিকিৎসক'। তেওঁ মোৰ অন্তৰৰ সকলো বেমাৰ বেদনা জানে। তেওঁক যদি মাত্ৰ দেখুৱাওঁ তেন্তে তেওঁ ভাল কৰিবলৈ সাজু। তেওঁৰ এক স্বৰ্গীয় ঔষধ আছে যাৰ দ্বাৰা মোৰ আত্মা ৰঙ্গা হলেও চাফা কৰি বৰফৰ নিচিনা পৰিষ্কাৰ কৰিব পাৰে।

যীচু খ্ৰীষ্ট 'মোৰ ভাই'। তেওঁ মোৰ ওচৰ হবৰ কাৰণে নিজকে নম্ৰ কৰিছে। তেওঁ মোৰ সৈতে মোৰ দুঃখ লাঘৱ কৰিবৰ কাৰণে স্বৰ্গ-সুখ ত্যাগ কৰিছে। এতিয়া তেওঁৰ স্বৰ্গীয়, পিতৃ মোৰ নিজ পিতৃ হৈছে আৰু তেওঁৰ স্বৰ্গীয় সম্পত্তিৰ অংশ পাবলৈ মই পৈতৃক অধিকাৰ পাইছো।

যীচু খ্ৰীষ্টই 'মোৰ প্ৰেম, মোৰ জীৱন আৰু সকলো'। তেওঁৰ বিহনে মই পানী নোহোৱা মাছৰ নিচিনা; আকাশ-বতাহ নোহোৱা চৰাইৰ নিচিনা। তেওঁৰ বিহনে মোৰ হৃদয়ত শান্তি নাই। তেওঁৰ লগত মই সুখী, মই পবিত্ৰ, মই শক্তিশালী।

সঁচাকৈয়ে যীচু খ্ৰীষ্ট মোৰ নিমিত্তে সকলো।



তৃতীয় অধ্যায়

মণ্ডলীৰ ইতিহাস

আচল গিৰ্জ্জা কোন টো ?

লুথেৰান, বাপটিষ্ট, এচ, পী, জা আৰু অন্য প্ৰটেষ্টেণ্ট মিশনৰ খ্ৰীষ্টান-বিলাক গিৰ্জ্জাৰ সন্তান হয় নে ? সিবিলাক নহয়, কাৰণ সিবিলাকে পোপ আৰু বিশপ সকলৰ কথা নুশুনে। তেওঁ লোকৰ যীচু খ্ৰীষ্টৰ দ্বাৰা স্থাপিত হোৱা চাক্ৰামেণ্ট নাই। যীচুৱে কইছে যে যিবিলাকে পাচনি বিলাকৰ কথা শুনে আৰু পোপ আৰু বিশপ সকলৰ আদেশ মানে তেওঁবিলাকে তেওঁৰেই কথাকেহে শুনে আৰু যিবিলাকে সেই সকলৰ কথা নামানে তেওঁ-বিলাকে তেওঁৰেই কথাকেহে নামানে। তেন্তে প্ৰটেষ্টেণ্ট বিলাকে ঈশ্বৰৰ আজ্ঞা নামানে।

সিবিলাকে নিজকে খ্ৰীষ্টান বুলি কয়, কিন্তু সিবিলাক আচলতে মৰা খ্ৰীষ্টান হে।

যদি তুমি হাবিলৈ গই এডাল গছ কাটা তুমি দেখিবা যদিও সেই ডাল গছ হয় কিন্তু সি ঠিকৰূপে বাঢ়িব পৰা নাই আৰু তাত বেচি ডাঙ্গৰো নহয়, কেই বছৰ মানৰ প্যাচত তুমি তাক কাটি পেলাবা নতুবা পুৰি পেলাবা। তেনেকুৱাই ঈশ্বৰে সেই খ্ৰীষ্টান বিলাকৰ কৰিব।

কেৱল এটাহে সত্য আৰু আচল গিৰ্জ্জা আছে আৰু সেইটো কেৱল এক আমাৰ কাথলিক গিৰ্জ্জাহে কাৰণ সেইটোৱেইহে কেৱল সত্য পবিত্ৰ, আচল পাচনি আৰু কাথলিক।

প্ৰটেষ্টেণ্ট মণ্ডলী বিলাক যেনে ইংৰাজী, লুথেৰান আৰু বাপটিষ্ট বিলাক যীচু খ্ৰীষ্টৰ দ্বাৰা স্থাপিত হোৱা নাছিল। সিবিলাকৰ আৰম্ভ যীচু খ্ৰীষ্টৰ ১৫০০ বছৰ পিছত হৈছিল আৰু মানুহ বিলাকৰ দ্বাৰা স্থাপিত কৰা হৈছিল। লুথেৰান মণ্ডলী জাৰ্ম্মানী দেশত মাৰ্টিন লুথাৰৰ দ্বাৰা স্থাপিত হৈছিল। তেওঁ এজন কাথলিক পাদ্ৰী আছিল কিন্তু তেওঁৰ দুষ্ট আৰু অহঙ্কাৰী মনৰ কাৰণে আৰু তেওঁ এগৰাকী ছোৱালীক বিয়া কৰিবৰ কাৰণে কাথলিক গিৰ্জ্জাৰ পৰা ওলাই গৈ আপোন ইচ্ছা অনুসাৰে লুথেৰান মণ্ডলী স্থাপিত কৰিছিল।

ইংৰাজী মণ্ডলী অলপ বছৰ পাছত ইংলেণ্ডৰ অষ্টম হেনৰী যি এজন দুষ্ট ৰজা আছিল আৰু তেওঁ প্ৰথম এজন কাথলিক ৰজা আছিল ইংৰাজী মণ্ডলী তেওঁহে স্থাপিত কৰিছিল। তেওঁ আপোন তিৰোতাক এৰিবৰ ইচ্ছা কৰি আন তিৰোতা বিয়া কৰিব খুজিছিল। কিন্তু এই অনুমতি পোপে তেওঁক নিদলে আৰু সেই কাৰণে হেনৰী ৰজাই আপোন প্ৰজাৰ মাজত অন্য মণ্ডলী অৰ্থাত প্ৰটেষ্টেণ্ট ইংৰাজী মণ্ডলী) স্থাপিত কৰিছিল।

আমেৰিকান বাপটিষ্ট বিলাক এক দল নহয় কিন্তু ভিন্ন ভিন্ন দল আৰু আৰু তেওঁবিলাকৰ মাজতো এক মত নাই কোনো কোনো দল এনেকুৱা আছে যে তেওঁবিলাকৰ মাজত ঠিককৈ নেজানে কোন মানুহৰ দ্বাৰা স্থাপিত কৰা হৈছিল। কোনো কোনোৱে কয় যে সেই মণ্ডলী ৰোগাৰ উইলিয়মচৰ দ্বাৰা ৰোডচ দ্বীপত ১৬৩৯ চনত স্থাপিত কৰা হৈছিল। কোনো কোনো অন্য মানুহে কয় যে বাপটিষ্ট মণ্ডলী ১৬৬৩ চনত জোহন মিৰচৰৰ দ্বাৰা আৰম্ভ কৰা হৈছিল। আচল কথা এই যে সিবিলাকৰ দলবিলাকে আৰম্ভৰ পৰা এতিয়ালৈকে পৰস্পৰ বিবাদ কৰিআছে, সদায় পৰিবৰ্ত্তন হৈ আছে আৰু নতুন নতুন দল ওলাই আহিছে। কিন্তু সিবিলাক প্ৰটেষ্টেণ্টৰ দল

নহয় কিন্তু বহুত সহস্র দল, প্ৰায় এহেজাৰমান। আমি ঠিক সংখ্যা কিমান যে আছে তাক কব নোৱাৰোঁ কাৰণ নতুন নতুন দল ওলাইছে আৰু পুৰণিবিলাক বাদ হৈছে। কেৱল সিবিলাকৰ গোলমালহে জনা যায়।

কেনে সন্তোষৰ কথা আমাৰ নিমিত্তে বুজিবলৈ গলে আমাৰ পবিত্ৰ মাতৃ গিৰ্জ্জা আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰা স্বৰ্গলৈ যোৱাৰ আগেয়ে স্থাপিত হৈছিল। সেই গিৰ্জ্জাহে পাচনিবিলাকৰ, ই সদায় একেৰকম শিক্ষা দিছে আৰু এজন অধিকাৰীৰ দ্বাৰা শাসিত হৈ আহিছে আৰু কেৱল ইয়েই হে যীচু খ্ৰীষ্টৰ গিৰ্জ্জা।

বিশেষ চাবলগীয়া ঃ- আমি গিৰ্জ্জাৰ বিষয়েহে কৈছোঁ : কোনো মানুহ বা ব্যক্তি বিশেষক উদ্দেশ্য কৰি কোৱা নাই। “Editor.”


কুমাৰী মাৰীয়া আমাৰ মাতৃ

যীচুৰ মাতৃ কুমাৰী মাৰীয়া। কিন্তু পবিত্ৰ ধৰ্ম্মপুথিত লিখা পোৱা যায় যে যীচু আমাৰ ভাই আৰু ঈশ্বৰ। এতেকে কুমাৰী মাৰীয়াই আমাৰ মাতৃও।



আকৌ সন্ত যোহনৰ শুভবাৰ্ত্তাত এই বিলাক কথা আছে। যীচুৱে মাকক কলে “হে নাৰি, দেখা তোমাৰ পুত্ৰ” পিচত যোহনক কলে “দেখা, তোমাৰ মাতৃ”। তাত প্ৰেৰিত যোহনহে আছিল। আৰু তেওঁ আমাৰ নিমিত্তেও যীচুৰ পৰা এই কথা শুনিলেগৈ। তেন্তে কুমাৰী মাৰীয়া আমাৰ মাতৃ।

তেওঁৰ ইচ্ছা এই যে আমি যীচুকে প্ৰেম কৰোঁ আৰু ঈশ্বৰৰ আশা পুৰ কৰোঁ। তেখেতে সদায় আমাৰ হকে মধ্যস্থা হৈ যীচুত থাকে। তেনেহলে আমি তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰিলেই নিশ্চয়ে তেখেতে আমাৰ নিমিত্তে যীচুক বহুত কৃপা খুজিবগৈ।



পবিত্ৰ মিচ্চা বলিদান

আদম আৰু হেৱাই পাপ কৰাৰ পাচত সমস্ত মনুষ্য জাতিৰ ওপৰত শাস্তিৰ বোজা পৰিল। ঈশ্বৰে যদি এজন সঠিক ত্ৰাণকৰ্ত্তাৰ নিমিত্তে প্ৰতিজ্ঞা কৰিছিল তেন্তে কিয় মানুহবিলাকে নিজ পাপৰ কাৰণে অনুতাপ নকৰে বা শাস্তিৰ বিষয়ে চিন্তা নকৰে? ইয়াৰ কাৰণ মানুহে যেতিয়া বুজিবলৈ পাইছিল যে পাপৰ শাস্তি মৰণ আৰু আহিব লগীয়া মুক্তিদাতাই



ঈশ্বৰক কোনো মূল্যবান বস্তু, যেনে:— পশু আদি বলি দি বা পুৰি সন্তুষ্ট কৰাৰ নিচিনাকৈ নিজ মৰণ শাস্তি ভুগিব। দুৰ্ব্বল মানুহে নিজৰ পৰা ঈশ্বৰক কি বস্তু দিব পাৰে? তেনে পশুৰ বলিদান যীচু খ্ৰীষ্টৰ সত্য বলিদানৰ এক দৃষ্টান্ত স্বৰূপ আছিল। আদম আৰু হেৱাৰ সন্তান বোৰে আৰু যি বিলাক তেওঁলোকৰ পাচত হৈছিল সেই সকলোৱে এনে বলি দি আছিল। এই

কথা আমি শাস্ত্ৰৰ পৰা জানিব পাৰোঁ। অন্য সাংসাৰিক মানুহেও বলি দান কৰিছিল কাৰণ সকলো মানুহে জানিব পাৰিছিল যে এজন হে ঈশ্বৰ আছে আৰু তেওঁ মহৎ শক্তিমান্ আৰু যে মানুহ অতি তুচ্ছ আৰু নিৰ্ব্বলী, সেই দেখি তেওঁৰ সহায় বিচাৰে আৰু তেওঁৰ মিত্ৰ হয়।



যীহুদি বিলাকৰ আৰু সাংসাৰিক বিলাকৰ বলিদানত অনেক বিভিন্নতা আছে। যীহুদি বিলাকে আহিব লগীয়া ত্ৰাণকৰ্ত্তাৰ নামত বলিদান কৰিছিল। কিন্তু সাংসাৰিক বিলাকে অসত্য আৰু অসৎ দেৱ দেৱী বিলাকৰ প্ৰতি বলিদান কৰিছিল; আৰু তেনে কৰি ঈশ্বৰক সন্তুষ্ট নকৰি কেৱল সিহঁতৰ ওপৰত অভিশাপ মাত্ৰ নমাইছিল। পুৰণি নিয়মত যীহুদি বিলাকৰ চাৰি প্ৰকাৰৰ বলিদান হৈছিল কাৰণ ঈশ্বৰৰ পৰা মানুহে যি কৰিব লগীয়া কাম পাইছে সেই মুখ্য কাম চাৰি প্ৰকাৰ।

(১) তেওঁক সৰ্ব্বশ্ৰেষ্ঠ প্ৰভু বুলি স্বীকাৰ কৰা আৰু তেওঁৰেইহে পূজা কৰা উচিত।

(২) সকলোৰে মনত ৰখা উচিত যে মানুহৰ সকলো বস্তু ঈশ্বৰৰ দান আৰু তাৰ নিমিত্তে তেওঁক ধন্যবাদ দিয়া উচিত।

(৩) পাপৰ কাৰণে তেওঁৰ ওচৰত ক্ষমা বিচাৰ কৰা আৰু সেই পাপৰ ক্ষতি পুৰণ দিয়া উচিত।

(৪) শেষত নিজৰ তুচ্ছতা স্বীকাৰ কৰি নিজৰ দুৰ্দশাৰ কাৰণে তেওঁৰ পৰা সহায় প্ৰাৰ্থনা কৰা উচিত।

এই অনুসাৰে চাৰি প্ৰকাৰৰ বলিদান হৈছিল, অৰ্থাৎ পূজাৰ বলিদান, ধন্যবাদৰ বলিদান, ক্ষমাৰ বলিদান, আৰু সহায় পোৱাৰ বলিদান।

নতুন নিয়মৰ বলিদান সকলো প্ৰকাৰ বলিদানৰ পূৰ্ণতা আছে কাৰণ পবিত্ৰ মিচ্চা বলিদানত বিশেষৰূপে মুক্তিৰ আৰু অন্য সকলো কৃপা দানৰ নিমিত্তে ঈশ্বৰৰ ধন্যবাদ দিয়া হয়। নতুন নিয়মৰ বলিদান শ্ৰেষ্ঠবলি আৰু সেই নিয়মে পূজা কৰি আমাৰ আৰু জগতৰ পাপৰ কাৰণে ক্ষমা ভিক্ষা কৰে, আৰু যি কোনো কৃপা দান দৰকাৰৰ সময়ত ঈশ্বৰৰ পৰা বিচাৰ কৰো। সঁচা কথা যে পবিত্ৰ মিচ্চাৰ পৰা আমাৰ নিমিত্তে সকলো উচিত কৃপাদান পোৱা যায়। সাধু ভিও-পাচে কৈছিল "পবিত্ৰ মিচ্চা ধৰ্মৰ নিমিত্তে সভাৰ নিৰ্চনা বিশ্বাসৰ মূল আৰু সকলো সত্য আৰু শুদ্ধতাৰ সমষ্টি"। ইয়াৰ বাহিৰেও পবিত্ৰ মিচ্চা ক্ৰুচৰ



বলিদান স্মৰণৰৰ কাৰণ নহয় কিন্তু সেই কালভেৰী পাহাড়ত তাৰ বলিদান হৈয়েই থাকে আৰু সেই দৰেই তাৰ মূল্য তেনে ডাঙ্গৰো। ভিন্নতা কেৱল

এই যে ক্রুচৰ বলিদানত যীচুৰ হাত আৰু ভৰিৰ প্ৰথমৰ তেজ হৃদয়ৰ পৰা ওলাইছিল, কিন্তু পবিত্র মিচ্চাৰ বেদীত যীচুৰ শৰীৰ আৰু তেজ থাকে কিন্তু আগৰ দৰে নোলায়। ক্রুচৰ বলি কেইঘণ্টা মানৰ নিমিত্তে আছিল কিন্তু ইউখাৰিস্তৰ বলিদান জগতৰ শেষলৈকে থাকিব।" যেনেকৈ কালভেৰী পাহাৰত যীচুখ্ৰীষ্ট প্রকৃত মাংস আৰু ঈশ্বৰৰ নিজ শৰীৰ আৰু তেজে সৈতে বলিদান হৈছিল তেনেকৈ বেদীৰ ওপৰতো এতিয়া হয়। ই বৰ ডাঙৰ বলিদান কাৰণ ই যীচুৰ দ্বাৰা স্থাপিত হৈছিল আৰু যি বলিদান উচগা কৰা হয় সি যীচুৰ শৰীৰ আৰু তেজহে। পবিত্র মিচ্চা বলিদানৰ বাহিৰে অন্য কোনো তেনে পবিত্র বলিদান নাই। ইয়াত এই কথা সিদ্ধ হ'ল যে যীচুৱে মানুহবিলাকক বৰ ভাল পাইছিল। তেওঁ শেষ ভোজন কৰা সময়লৈকে বহুত মৰম দেখুৱালে। আমি বাস্তবিকে তেওঁৰ শৰীৰৰ অংশ হৈ পৰোঁ কিয়নো আমি তেওঁৰ মঙহ আৰু তেজ পান কৰোঁ। অতি ভক্তিৰে আমি মিচ্চা বলিদানত উপস্থিত হোৱা উচিত আৰু যেতিয়াই আমি সুযোগ পাওঁ আমি ভালকৈ প্রস্তুত হৈ আৰু শক্তিৰে পবিত্র চাক্ৰামেণ্টত যীচুক লব'লৈ যোৱা উচিত যেন তেওঁ আমাৰ হৃদয়ত আহি বাস কৰি আমাৰ আত্মাক জীৱনৰ বাক্য কব পাৰে যাতে আমি এই সংসাৰৰ অৰণ্য যাত্রাত এই ভোজনৰ দ্বাৰা শক্তি পাই আমি আগলৈ যাব পাৰোঁ ---য'ত সুখৰ শান্তি আৰু দুখৰ আৰম্ভ কেতিয়াও নহব।

"সন্ত ফ্রান্চিচ চেৱিয়ৰ"

চবিশ বছৰ মান আগেয়ে স্বদেশ এৰি, সন্ত ফ্রান্চিচ আমাৰ ভাৰতলৈ বাওনা হয়। তেওঁৰ ঈশ্বৰলৈ প্ৰেমেহে তেওঁক আমাৰ ইয়ালৈ পঠায়। ইয়াত পোৱা মাত্ৰকে তেখেতে যীচু খ্ৰীষ্টক প্রচাৰ কৰিবলৈ ধৰিলে। গোৱা নগৰৰ পৰা ত্ৰিবাঙ্কোৰ ৰাজ্যলৈ যায়। তাত এক মাত্র মাহত দহ হেজাৰ মানুহ তিৰোতাৰ বাপ্তাইজিত কৰে। ধৰ্ম্মোপদেশ দি দি কথা কব নোৱাৰা আৰু বাপ্তিস্ম দি দি হাত ডাঙিব নোৱাৰা হল। এজন মৰা লৰাকে আকৌ সজীৱ কৰিলে।



পিচে জাপান দেশ আৱিষ্কাৰ হোৱাত, তেখেতে তালৈয়ো যাত্ৰা কৰিলেগৈ।


কিছুমান বছৰ উকলিলত চিন সাম্ৰাজ্যত সোমাবৰ মনেৰে জাহাজ এখনত উঠে। কিন্তু লোক নেপালে কেও, কাৰণ চাং চিউ এল দ্বিপত জাহাজৰ পৰা নামি টান বেমাৰত পৰিল। তেওঁৰ লগত মাত্ৰ এজন চিনা মানুহ। তেখেতে ক্ৰুচ চাটি হাতত ধৰি, আমাৰ ভাৰত আৰু চিন দেশক আশীৰ্বাদ দি, ৪৬ বছৰ বয়সতে চিৰদিন ঠাইত যাবৰ নিমিত্তে ঢুকায়।

আত্মাবিলাকৰ ত্ৰাণৰ হকে তেখেতে পাদ্ৰীসকলে কৰোতেই, দিনে পতিয়ে বহু ঘণ্টালৈ প্ৰাৰ্থনা কৰিবলৈ সময় পাইছিলহি। তেওঁৰ সকলোলৈ প্ৰেম আছিল। নবা, দুখীয়া মানুহ, মগনীয়াবিলাক তেওঁৰ প্ৰিয়পাত্ৰ আছিল। আমিও, যদি ভাল খ্ৰীষ্টান হব খোজো পুৰুষাৰ্থ কৰিব লাগে যাতে বহুত আৰু ভাল খ্ৰীষ্টান হৈ যায়

পবিত্ৰ জেৰম

দাল্মাশিয়া দেশত খ্ৰীষ্টাব্দ ৩৪০ চনত পবিত্ৰ জেৰমৰ জন্ম হয়। ডেকা কালত পঢ়াশিক্ষাৰ নিমিত্তে তেওঁ ৰম নগৰলৈ যায়। পঢ়াশুনাত জেৰমে অতি ধাউতি আগ্ৰহ দেখুৱাইছিল। পাঠ্য কিতাপ তেওঁৰ বৰ হেঁপাহ। তেওঁৰ শিক্ষক এজন অতি প্ৰসিদ্ধ মানুহ আছিল। কিন্তু ঈশ্বৰে মণ্ডলীৰ সেৱাত তেওঁক মনোনীত কৰিলে এই দেখি জেৰমে পৰমেশ্বৰৰ মাত শুনি ৰম নগৰৰ পৰা পলাই গৈ চিৰিয়া দেশৰ মৰুভূমিত নিত্য থকা ঠাই স্থাপন কৰিলে। ইয়াতে একেবাৰে নিৰ্জ্জন সহিত পৰিচিত আৰু প্ৰাৰ্থনা কৰাৰ কাৰ্য্যত পবিত্ৰ জেৰমে চাৰি বছৰ কটালে। কিন্তু পবিত্ৰ পপে তেওঁক ৰম নগৰলৈ মাতি হিব্ৰি ভাষাৰ পৰা লাটিন ভাষালৈ ধৰ্ম্মপুথি ভাঙ্গিবলৈ আদেশ দিলে। এই কামৰ নিমিত্তে জেৰমে বেথলেহেম নগৰলৈ গৈ ইয়াতে নেৰানেপেৰাকৈ কাম কৰি ত্ৰিশ বছৰ কটালে। অনেক মানুহে তেওঁৰ সুপৰামৰ্শ লবলৈ খুজিছিল। পবিত্ৰ পপৰ প্ৰতি তেওঁৰ বৰ আদৰ মান সন্মান আছিল। এদিন ধৰ্ম্মৰ বিষয়ে তৰ্ক বিতৰ্ক উঠাত জেৰমে শন্ত পপৰ পৰামৰ্শ সোধ তলত দিয়া কথা লিখিলে "মই আপোনাৰ সৈতে ধৰ্ম্মভাগী। আপুনি কি কৰিব লগীয়া মোক আদেশ দিব, কাৰণ মণ্ডলী শীলতে বন্ধন স্থাপন কৰা হয়। যিবিলাক এই পবিত্ৰ জাহাজত নেথাকে সেই বিলাক নষ্ট হব।"

পবিত্ৰ জেৰম খ্ৰীষ্টাব্দৰ ৪২০ চনত স্বৰ্গী হল।



অভ্যাস আমালোকে যদি সকলো ধৰ্ম্মপুথি মুখস্থ দিওঁ কিন্তু আমালোকৰ হৃদয়ত ঈশ্বৰৰ প্ৰেম নাই আমালোকৰ কি লাভ হব?

আহা আমি পবিত্ৰ জেৰমৰ উদাহৰণ লৈ সদায় শন্ত পপৰ সৈতে থাকোঁহক কাৰণ য'তে পপ, ত'তে পিতৰ, য'তে পিতৰ ত'তে যীচু, য'তে যীচু খ্ৰীষ্ট সেই ঠাইত মণ্ডলী আৰু পৰিত্ৰাণ।

কাথলিক মণ্ডলীৰ ইতিহাস

পাপ



পাপ ঈশ্বৰৰ অপৰাধ, অৰ্থাৎ এনেবিলাক চিন্তা, বাক্য, কাৰ্য্য বা ত্ৰুটি যাৰ দ্বাৰা ঈশ্বৰৰ আজ্ঞা পালন কৰা নহয়। পাপ দ্বিবিধ,—আদি পাপ আৰু স্বকৃত পাপ। যি পাপ আদমে নিষিদ্ধ ফল খাই কৰিলে সেই পাপৰ নাম আদি বা পূৰ্ব্ব পাপ। কুমাৰী মাৰীয়াত বাজে আদমৰ যি সকল মনুষ্যজাতিৰ মুৰ. তেওঁৰ পৰা আটাই বিলাক সন্তান পাপৰ দণ্ডখনত প্ৰস্তুত হয়। আমি স্বয়ং যি পাপ কৰো, সেয়ে স্বকৃত পাপ। স্বকৃত পাপ মাৰাত্মক পাপ আৰু সামান্য পাপ। তাৰ নাম মাৰাত্মক পাপ এই কাৰণে, যে সি কৃপাক অপবিত্ৰ কৰিব পাৰে, অৰ্থাৎ স্বাভাবিক জীৱন গুচাই—আত্মাক বধ কৰিব পাৰে। আত্মাক স্বাভাবিক জীৱন যাৰ দ্বাৰা আমি গতি কৰিব, ভাবিব আৰু কথা কব পাৰো: তাইৰ স্বাভাবিক জীৱন যাৰ দ্বাৰা আমি পবিত্ৰ কৃপা পাই ঈশ্বৰৰ বন্ধু হব পাৰো। তাইৰ অস্বাভাবিক জীৱনে ঈশ্বৰৰ সাক্ষাতে তাইক শুৱনী আৰু মনোহৰ কৰে। পাপেৰে আমি এই কৃপাক হেৰুৱাওঁ। মাৰাত্মক পাপৰ পাচত বাহিৰ সলনি নহয়; প্ৰথমতে যেনে তেনে, পাচত আমি ফুৰো, কাম কৰোঁ, আৰু হাঁহো। কিন্তু পৰমেশ্বৰ আৰু দূতবিলাকৰ সাক্ষাতে তাইৰ ভয়ানক জলনি; পাপৰ পাচত আমাৰ আত্মা ভীষণ আৰু ঘৃণিত হয়। যি পুৰস্কাৰ হিত কাৰ্য্যবোৰেৰে আমি

গোটা খুৰাইছোঁ পাপৰ পাচত ইয়াক হেৰুৱাও। মাৰাত্মক পাপৰ অৱস্থাত ভাল কাম কৰিলে সি চিৰস্থায়ী পুৰস্কাৰৰ যোগ্য নহয়। মাৰাত্মক পাপৰ দণ্ড নৰকৰ অনন্ত জুই। পাপ মাৰাত্মক যেতিয়া (১) গম্ভীৰ বাস্তৱিক (২) পূৰ্ণ জ্ঞান (৩) পূৰ্ণ শান্তি।

(১) গম্ভীৰ বাস্তবিক

পাপীৰ চিন্তা, বাক্য আৰু কাৰ্য্য বা ক্ৰুটিৰ বৰ গুৰুতৰ আৱশ্যক,—যেনে ধনৰ মুঠ চুৰ কৰা কাৰ্য্য ইত্যাদি।

(২) পূৰ্ণ জ্ঞান—জানি শুনি তাক নকৰিলে এইটো মাৰাত্মক পাপ নহয়। কি কি কৰিছে ইয়াক জানিবলৈ মনৰ আৱশ্যক।

(৩) পূৰ্ণ শান্তি—যেতিয়া ইচ্ছা পৰীক্ষাৰ চিন্তা বাক্যৰে বা কাৰ্য্যৰে সৈতে একমত হৈছে। পূৰ্ণজ্ঞান নহলে বা পৰীক্ষা গ্ৰহণ কৰাত আকাংক্ষা হ'লে, পাপ। পাপ সামান্য হে অথাৎ আত্মালাভ পায়, বধ কৰা নেযায়। সামান্য অৰ্থ ক্ষমনীয় এই কাৰণে মাৰাত্মক পাপতকৈ তাৰ ক্ষমা উজু। ওজৰৰ নিমিত্তে মিছা কথা কবলৈ, আমাৰ চুবুৰীয়াৰ প্ৰতি সৰু ক্ষতি; সি আমাক ঈশ্বৰৰ ওচৰত শক্ৰ নকৰে। তথাপি সামান্য পাপ ডাঙৰ ডাঙৰ অপকাৰ। মাৰাত্মক পাপত বাজে সি আটাইতকৈ ডাঙৰ অনিষ্ট; এইদেখি আমি তাৰ নিমিত্তে শোকাৰ্ত্ত হোৱা আবশ্যক। সি আমাৰ পৰা বহুত কৃপা কাঢ়ি নিয়ে আৰু সাধাৰণতঃ মাৰাত্মক পাপৰ আলি। সকলোৱে সামান্য পাপৰ বাবে ইহকালত বা পৰকালত দণ্ডপাব।

যি অন্যক শাস্তি দিব খোজে সি নিজৰ নাশ তৈয়াৰ কৰে

এজন ভাল ৰজাৰ দুজন লগুৱা আছিল। এজন বৰ ভাল হোজা আৰু নিৰ্ম্মল লৰা। তেওঁৰ নাম আছিল লুইছ। আনটো বেয়া লাঠুৱা লৰা যাৰ নাম ৰাম। ৰজাই লুইছক বহুত প্ৰেম চেনেহ কৰে। তেওঁৰ লগত থাকিবলৈ ৰৰ ৰং পায়। এই বাবে ৰামে লুইছক ঘিনাইছিল। এদিন

ৰজাই নিজৰ প্ৰিয় লৰাক এটা সুন্দৰ পুৰস্কাৰ দিছিল। ৰামে তাক গম পাই লগৰিয়াৰ নষ্ট কৰিবলৈ মনত থিৰ কৰে।
এবাৰ ৰজা বিদেশলৈ গল। ৰামে ৰজাৰ থৌটালীত এটা মনি মুক্তা দেখি পালে। থৌটাত সুৰুকামাৰে। মনি নি লই লুইছৰ বিচনাত ৰাখি থৈছে। লুইছে একো নেদেখিলে।

ৰজা ঘৰলৈ আহে। ৰাম ৰজাৰ কাষলৈ চাপি মাত লগাই কৈছে "মহাশয়, আপুনি লুইছক বেচি প্ৰেম কৰে। লুইছ ইমান প্ৰেম চেনেহ পাবৰ যোগ্য নহয়। আপোনাৰ থৌটালীত এটা বৰ বহুমূলীয়া মনি আছিল। এই মনি লুইছে নি লৈ নিজৰ বিচনাত লুকাই থৈছে। ৰজাই ৰামৰ কথাত বিশ্বাস কৰে। লুইছক মাতি আনি বজ্ৰ কলে "মই তোক ইমান প্ৰেম কৰিছো কিয়? ঘৰত মই অনুপস্থিত থকাত তই মোৰ মনি চুৰ কৰিছ। লুইছে এই কথা শুনি বিস্মিত হৈ উত্তৰ দিব নোৱাৰে। ৰামে ৰজাক সুধিলে "মহাশয়, আহক চোন।" তিনিজন লুইছৰ থৌটালীত গল। তাত পাই ৰামে বিচনাৰ পৰা মনি উলিয়াইছে। লুইছে থৰথৰকৈ কান্দি আঠুকাঢি কলে—নহয় মই চুৰ নাইকৰা। কিন্তু ৰজাই তেওঁক দুশুনি খঙতে থৌটাৰ পৰা উলিয়ালে। ৰামৰ স্ফূৰ্তি চায় কোনে?

ৰজাই লুইছক বৰ শাস্তি দিবলৈ মন লগালে। আগুনিকুণ্ডৰ পৰাকীলৈ এই বাতৰি পঠিয়ালে "কালি ৰাতিপুৱাতে তোৰ ওচৰলৈ এজন লগুৱা আহিব। তেওঁক সোনকালে অগ্নিকুণ্ডত পেলাবি।"

লুইছ ৰাতিত শুব নোৱাৰে। মাকৰ ছাচি দেখে। তেওঁ এই খবৰ পালে কব কি? দুখ কিমান পাব? আৰু বৰ চকুৰ পানী টুকিছে। বিচনাৰ পৰা নামি আঁঠুকাঢ়ি আৰু স্বৰ্গৰ মাক কুমাৰী মাৰীয়াৰ ওচৰত চিত্তেৰে প্ৰাৰ্থনা কৰে। ৰাতিপুৱা, ৰজাই তেওঁক মাতি আনি চিঠি দি কয়। এইটোক ঠিকনাৰ মতেই লৈ যাবি। "লুইছ এবাৰ ৰজাৰ চকুলৈ চাই, দেখে ৰজাৰ চকুটান। চিঠি লৈ গল। বাটত এটা গীৰ্জাঘৰ আছে। তাত পাই লুইছ অলপ প্ৰাৰ্থনা কৰিম বুলি সোমাল। ফাদাৰে যেতিয়া মিচা আৰম্ভ কৰে। লুইছে ভাবে, "চিঠি বেচি অৱশ্যকীয় নহয়, মিচা শুনি পাছত লৰালৰিকৈ তাক লৈ যাম।"

ইতিমধ্যে ৰজাৰ মনে গাজিল। তেওঁক বধ কৰিম কিয় ? আৰু মাত লগাই কলে। "ৰাম এই চিঠি বেগতে অগ্নিকুণ্ডৰ গৰাকীৰ ওচৰলৈ লৈ যা।" ৰামে ৰজাৰ মন বুজিলে। তেওঁ লাহে লাহে যাবলৈ ধৰিলে। গীৰ্জাঘৰত পাই ঘাঁটি আগবাঢ়িল। লুইচ এতিয়াও তাৰ ভিতৰত। ৰামে অগ্নিকুণ্ডত পাই গৰাকীক চিঠিখন দিব খোজে; গৰাকী কিন্তু তেওঁক ধৰি তেওঁক কথা মুশুনি ৰজাই কোৱামতেই লগুৰাক অগ্নিকুণ্ডত পেলাই দিয়ে।

এখন্তেকৰ পাছত লুইচ চাপে। মালিকে চিঠি লৈ লুইচক কলে, "ৰজাক কবি যে তেওঁৰ আদেশ পুৰ হল।"

লুইচ উভতিল. ৰজাই তেওঁক দেখি বৰ বিচুৰ্ত্তি আৰু সন্তুষ্ট হল। লুইচৰ সকলো কথা শুনি বুজিলে যে লুইচ ঈশ্বৰৰ দ্বাৰা ৰক্ষা হৈছে। আৰু দুয়ো ঈশ্বৰক ধন্যবাদ দিয়ে।

মহা সংবাদ



আমি ৰোম নগৰৰ পৰা খবৰ পাইছো যে আমাৰ মানাবৰ বিচপ মহোদয়ক নতামানাবৰ পোপে। মাদ্ৰাজৰ "আচ বিচপ" মনোনীত কৰিছে। ই আমাৰ মিচন বোৰৰ নিমিত্তে বৰ গৌৰবৰ বিষয়, কিয়নো তেখেতে আমাৰ ইয়াত বাৰ বছৰ কাল কাম কৰিছিল;


আমি তেখেতক হেৰুৱাই বৰ দুঃখ পাইছো আৰু আমি তেখেতক আমাৰ প্ৰাৰ্থনাত সদায় সুঁৱৰিম। ঈশ্বৰে তেখেতৰ প্ৰেৰিতসকলৰ নতুন কাৰ্য্যক্ষেত্ৰক আশীষ দিয়ক।



বিদেশৰ বাতৰি

ৰোমঃ ১৯ মে তাৰিখে চেণ্ট পিটাৰৰ গির্জাত চেণ্ট থমাচ ম'ৰ আৰু চেণ্ট যোহন ফিচাৰৰ নাম সাধু সকলৰ তামৰ লগত ঘোষনা কৰা হব। প্ৰথম জন প্ৰধান মন্ত্ৰী আৰু দ্বিতীয় জন ইংলণ্ডৰ অত্যাচাৰী ৮ম হেনৰীৰ দিনত বিচপ আছিল। এওঁ প্ৰথমে এজন কাথলিক আছিল। তেওঁ নিজৰ ঘৈণীয়েকক খেদাই আন এজনী তিৰোতা বিয়া কৰিবলৈ মন মেলিছিল। পপে এই কথাত অমান্তি হ'লত ৰজাৰ বৰ খং উঠি প্ৰটেষ্টাণ্ট হৈ পৰিল। তেওঁ বহুতক তেওঁৰ এই অসৎ আহি অনুকৰণ কৰিবলৈ বাধ্য কৰিছিল আৰু যি বিলাকে তেওঁৰ এই কথা নুশুনিছিল সেই সকলক বধ কৰিছিল। তেওঁৰ প্ৰধান মন্ত্ৰী থমাচ ম'ৰে আৰু যোহন ফিচাৰে ৰজাৰ এই কথা নামানিলে। এই কাৰণে তেওঁলোকে এই অত্যাচাৰী ৰজাৰ বহুত কঠোৰ যান্ত্ৰনা ভোগ কৰিব লগিয়া হৈছিল আৰু শেহত সকলোৰে আগত মুকলি ঠাইত তেওঁলোকৰ শিৰচ্ছেদ কৰা হল। তেওঁলোক নিষ্ঠাৱন্ত কাথলিক আছিল আৰু ঈশ্বৰক অমান্য কৰাৰ সলনি মৰণকে আলিঙ্গণ কৰিলে।


লুৰ্ডচ্ঃ ফ্ৰান্সৰ এই অঞ্চলৰ ঠাইত আমাৰ মাতৃ পবিত্ৰ কুমাৰী মাৰিয়াই অকনমানী ছোৱালী বাৰ্নাদেট্টি চুবিৰুচৰ আগত দেখা দিছিল। ইয়াত যীচুৰ পবিত্ৰ মাতৃয়ে বহুত আচৰিত কাম সাধিছে আৰু তালৈ যোৱা নৰিয়া সকলক বহুত কৃপা দিছে। ইষ্টাৰৰ আগৰ তিন দিনত খ্ৰীষ্টীয়ান সকল আমাৰ মুক্তি উৎসৱ সমাধা কৰিবৰ কাৰণে ইযাত গোট খাব। শহ শহ, হাজাৰে হাজাৰে মানুহ ইযালৈ যাব। পঞ্চাশ জনতকৈও অধিক কাৰ্ডিনেল আৰু বিচপ লগ লাগিব। যি ডোখৰ ঠাইত ঈশ্বৰৰ মাতৃয়ে দেখা দিছিল সেই ডোখৰ ঠাইতে বৃহস্পতি বাৰৰ তিনি বজাৰ পৰা ইষ্টাৰ দেওবাৰৰ তিনি বজালৈকে অনবৰত দিনে ৰাতিয়ে পবিত্ৰ মিচ্চাৰ বলি উচৰ্গা কৰা হব। প্ৰায় এক হাজাৰ নশ বছৰৰ আগেয়ে আমাৰ মুক্তিৰ কাৰণে প্ৰভু যীচু খ্ৰীষ্টই ক্ৰুচৰ ওপৰত প্ৰাণত্যাগ কৰিছিল আৰু ই উচিত যে আমি আজি তেওঁক সেই কৃপাৰ কাৰণে ধন্যবাদ দিব লাগে।







ওপৰত দেখা ছবি দুটাৰ বিষয়ে ব্যাখ্যা কৰি বৃত্তান্ত দিয়া আৰু তোমাৰ ৰচনাখন তেজপুৰ কাথলিক মিচনৰ "অসমীয়াৰ বন্ধু"ৰ সম্পাদকলৈ পঠাই দিয়া। সকলোতকৈ ভাল হোৱা ৰচনাখনি চপা কৰা হ'ব আৰু লিখকক এটা সুন্দৰ ফাউণ্টেন পেন পুৰস্কাৰ দিয়া হ'ব। তোমাৰ ভাগ্য পৰীক্ষা কৰা চোন। "পুৰস্কাৰ" দেওবাৰৰ আগেয়েই ৰচনা পঠাব লাগে।



'অসমীয়াৰ বন্ধু'ৰ বছৰেকীয়া বৰঙণি [illegible] মাত্ৰ। যদি আমাৰ মাহেকীয়া বন্ধু আলোচনীৰ গ্ৰাহক হ'ব লাগে তেন্তে আজিয়েই গ্ৰাহক হওক আৰু আপোনাৰ নাম ঠিকনা লৈ পাঠাওক


ASSAMIYAR-BONDU

Name

Address

P.O.

PERMISSU SUPERIORUM
PRINTED AT THE CATHOLIC ORPHAN PRESS, CALCUTTA.
EDITED BY REV. FR. A. ALESSI, S.C., CATHOLIC MISSION TEZPUR. (ASSAM.)



মোৰ ওচৰলৈ সকলো আহঁা



বিদেশৰ বাতৰি

মানিলা (ফিলিপাইন্): অহা বছৰত এই সুন্দৰ চহৰত "আন্তৰ্জ্জাতিক ইউখাৰিষ্টিক মহা সভা' পতা হব। এচিয়া মহাদেশত এই মহা সভা পতা এয়েই প্ৰথম বাৰ। চীন আৰু ভাৰতবৰ্ষৰ পৰা অনেক কাথলিকে ইয়াত যোগ দিব। এই ফিলিপাইন দ্বীপবোৰ চীন উপকূলৰ ওচৰত। সেই ঠাইৰ সকলো মানুহেই ভাল কাথলিক। তাত অনেক পুৰণি কলীয়া স্পেনীয় গির্জ্জা আছে আৰু এটা বিখ্যাত কাথলিক বিশ্ববিদ্যালয়ো আছে।

ষ্ট্ৰেচা (ইটালি): এই সুন্দৰ সৰু চহৰ খনত অলপতে এখন বৰ ডাঙৰ সভা হৈ গ'ল। চিগনৰ মুচোলিনী, ইংৰাজ আৰু ফ্ৰেঞ্চ মন্ত্ৰী সকলৰ লগত ইউৰোপৰ আৰু লগতে গোটেই পৃথিবীত শান্তি ৰক্ষাৰ কাৰণে অনেক গুৰুতৰ বিষয় আলোচনা কৰিবলৈ ইয়াত গোট খাইছিল। আমি প্ৰাৰ্থনা কৰোঁ— ঈশ্বৰে এই নেতা সকলৰ মন পৰিষ্কাৰ কৰক যাতে পৃথিবীত শান্তি আৰু সদিচ্ছাই বিৰাজ কৰিব পাৰে।

মস্কো (ৰাছিয়া): এই দেশত বলচেভিক আৰু চোভিয়েট বিলাকে ধৰ্ম্ম আৰু ঈশ্বৰৰ বিৰুদ্ধে যুদ্ধ কৰিছে। ঈশ্বৰে অধৰ্ম্মৰ কাৰণে সিহঁতক শাস্তি দিছে। কেই দিন মানৰ আগতে ৪০ টা মানুহৰ সৈতে এখন উৰা জাহাজ আকাশতে চুৰমাৰ হৈ সকলোবোৰ মৰিল।

ৰোম:— এই নগৰৰ সন্ত পিটাৰৰ গির্জ্জাত সন্ত জন ফিচাৰ আৰু সন্ত থমাচ মৰক সন্ত বুলি ঘোষণা কৰোঁতে ৫০,০০০ জনতকৈও অধিক মানুহ গোট খাইছিল।

— —

অসমীয়াৰ বন্ধু

ভাগ ২য় | জুন, ১৯৩৫ | সংখ্যা ১১

বন্ধুৰ বাণী।

মৰমৰ বন্ধু সকল,

মোৰ শেষৰ পত্ৰত তোমালোকক মই "যীচু মোৰ নিমিত্তে কি" স্পষ্টকৈ কৈছোঁ। এতিয়া মই ঘূৰি তোমালোকক সেই প্ৰশ্নকে সোধোঁ। কোৱাচোঁন! যীচু তোমালোকৰ নিমিত্তে কি?

হিন্দু বিলাকে কয়—যীচু এজন মহৎ পুৰুষ। মুচলমান সকলে কয়—যীচু এজন সিদ্ধ পুৰুষ।

কিন্তু আমি খ্ৰীষ্টীয়ান বিলাকে বিশ্বাস কৰোঁ যে যীচু কেৱল এজন মহা-পুৰুষ বা ভবিষ্যবাদীয়েই নহয় তেওঁ ঈশ্বৰৰ একমাত্ৰ পুত্ৰ। ঈশ্বৰ শব্দৰ মানে যি বুজায় সেই ঈশ্বৰেই; পিতা আৰু পবিত্ৰাত্মাৰ সৈতে যি সদায় ঈশ্বৰ। তেওঁৰ আদি আৰু অন্ত নাই। আমি নকওঁ যে তিনিজন ঈশ্বৰ আছে; কিয়নো ঈশ্বৰ এজন হে হব পাৰে; নহলে তেওঁ ঈশ্বৰ নহব। কিন্তু আমি বিশ্বাস কৰোঁ যে এক ঈশ্বৰত তিনি ব্যক্তি আছে, "পিতা, পুত্ৰ আৰু পবিত্ৰাত্মা," আৰু যে এই তিনি ব্যক্তি এক ঈশ্বৰ।

তেন্তে যীচু তোমালোকৰ নিমিত্তে কি? তোমালোকে তেওঁত বিশ্বাস কৰা নে? তোমালোকে তেওঁক তোমালোকৰ অন্তৰেৰে ভাল পোৱানে?

তোমালোকে তোমালোকৰ এই ভাল পোৱা সময়ত দৰকাৰ হ'লে নিজৰ জীৱন উচৰ্গা কৰি জগতক দেখুৱাবলৈ সাজু নে?

যি তোমালোকক ভাল পায় তোমালোকে তেওঁক ভাল পোৱানে? যি তোমালোকক মহৎ উপকাৰ সাধি দিয়ে?......তেন্তে তোমালোকে যীচুক নিশ্চয় ভাল পাব লাগিব।

কিয়নো তেওঁ তোমালোকক অনাদি কালৰ পৰা ভাল পাই আহিছে আৰু তোমালোকক উদ্ধাৰ কৰিবৰ কাৰণে তোমালোকৰ কাৰণে স্বৰ্গৰ দুৱাৰ মুকলি কৰিবৰ কাৰণে মানুহ জন্ম লৈ ক্ৰুচৰ ওপৰত মৃত্যু অবলম্বন কৰিলে।

যীচু তোমালোকৰ ত্ৰাণকৰ্ত্তা! তেও তোমালোকৰ সৰ্ব্বশ্ৰেষ্ঠ বন্ধু। তেওঁ তোমালোকৰ ভাই। তোমালোকক কোলাত তুলি লবৰ কাৰণে, তোমালোকক ক্ষমাৰ চুম্বন দিবৰ কাৰণে, তোমালোকক তেওঁৰ স্বৰ্গীয় পিতাৰ ওচৰলৈ লৈ যাবৰ কাৰণে তেওঁ সদায় সাজু।

যীচু স্বৃষ্টিৰ পোহৰ। তুমি যদি তেওঁৰ পদানুসৰণ কৰাঁ তেন্তে তোমাৰ বাট ভুল হবৰ অলপো ভয় নাই। তেওঁ কব লাগিছে—

হে শোকাতুৰ বিলাক, হে ক্লেশাতুৰ বিলাক, মোৰ ওচৰলৈ আহাঁ, তোমালোকক মই শান্তি দিম '

হে পাপী বিলাক মোৰ ওচৰলৈ আহা মই তোবালোকৰ পাপ লৈ গাম—তোমালোকৰ পাপী অন্তৰ পৰিষ্কাৰ কৰিম। হে ৰোগী বিলাক মোৰ ওচৰলৈ আহাঁ, মই তোমালোকক আৰোগ্য কৰিম। হে মৃত সকল মোৰ ওচৰলৈ আহঁা মই তোমালোক উৰ্দ্ধত তুলিম। ময়েই পুনৰুত্থান আৰু জীৱন।

তেন্তে আহঁা আমি যীচুৰ ওচৰলৈ যাওঁ। আহা আমিও মেৰি মেকডেলেনাৰ নিচিনাকৈ যীচুৰ চৰণত পৰি অনুতাপৰ অশ্ৰু মোচোঁ। তেওঁ আমাৰ মন পৰিবৰ্ত্তন কৰিব। তেওঁ আমাক পবিত্ৰ কৰি ঈশ্বৰৰ সন্তান-সন্ততি হবৰ উপযুক্ত কৰিব।

অসমীয়াৰ বন্ধু।

যীচ ভাল ভেৰা ৰখীয়া



এদিন যীচুৱে কইছিল 'মই ভাল ভেৰা ৰখীয়া।' ভাল ভেৰা ৰখাযাই ভেৰা বিলাকৰ নিমিত্তে আপোন প্ৰাণ দিযে কিন্তু বেচ-খোৱাই ৰাং কুকুৰ আহিবৰ দেখিলে ভেৰাবিলাকক এৰি পেলাই গুচি যায। মযেই ভাল ভেৰা ৰখীযা আৰু সকলোকে জানো আৰু সিবিলাকেও মোক জানে। মঃ ভেৰা বিলাকৰ কাৰণে আপোন প্ৰাণ দিওঁ। মোৰ আৰু ভেৰা আছে যিবিলাক এই গঁৰালৰ নহয মই সেই বিলাককো আনিব লাগে আৰু সেইবিলাকে মোৰ মাত শুনিলে একেটা গঁৰালৰ আৰু একেটা ৰখীয়াৰে হৈ যাব।

যিবিলাক খ্ৰীষ্টৰ ওচৰত আহিছিল সিবিলাকৰ মাজত তহচিলদাৰ আৰু পাপী মানুহ আছিল সেই কাৰণে ফাৰিচী বিলাকে গোৰ-গোৰাই কইছিল "তেও পাপীবিলাকক গ্ৰহণ কৰে আৰু সিবিলাকৰ লগত খায়। তেতিয়া যীচুৱে এই দৃষ্টান্ত দি সিহঁতক কলে "তোমালোকৰ মাজত কোন হয় যে তাৰ এশ ভেৰা আছে আৰু যদি তাৰ ভিতৰত এটা হেৰাই যায় তেন্তে সি মানুহ কি সেই নিৰানব্বৈটা ভেৰাক তাত এৰি নেযায় আৰু যেতিয়ালৈকে তাক নেপায় তেতিয়ালৈকে কি তাক নিবিচাৰে? আৰু যেতিয়াই তাক পায় তেতিয়া সি নিজৰ কান্ধত তুলি লয় আৰু ঘৰলৈ গই নিজৰ বন্ধুবিলাকক আৰু চুবুৰীয়া বিলাকক মাতি নলয় আৰু কি সিবিলাকক নকয় আমাৰ লগত আনন্দ কৰা কাৰণ মই মোৰ হেৰোৱা

ভেৰা পাইছোঁ। মই তোমাক কওঁ সেই নিৰানব্বৈ জন ধৰ্ম্মৱন্তৰ নিমিত্তে খিবিলাকৰ মন পালটাবৰ আৱশ্যক নহয় সিহতৰ কাৰণে যিমান আনন্দ আছে তাতকৈ বেচি এজন পাপীৰ কাৰণ হব।

এজনী মূৰ্খ কাউৰীৰ কথা



তুমি মূৰ্খ কাউৰী জনীৰ গল্প জানানে? মই কওঁ শুনা—এসময়ত এখন গাবিত এজনী বৰ মূৰ্খ আৰু গৰ্ব্বিত কাউৰী আছিল। তাইৰ বাপেক বুঢ়া কাউৰীটোৱে সদায তাইক অনেক ভাল উপদেশ দিয়াতো সেই অবাধ্য কাউৰী জন'যে অলপো কাণ-মন দিযা নাছিল। "মই ডাঙৰ" তাই কব, "মই এতিয়া কি কৰিব লাগে মই জানো। তই মনে মনে থাক।" তেতিয়া বুঢ়া কাউৰী টোবে মুৰ ডুপিযাই কলে "তই এদিন বৰ আও মৰণে।মৰিবি।"

সেই বুঢাই কোৱাৰ দৰে এদিন ঘটিলো। এদিন ৰাতিপূৱা কাউৰীটোৱে খাবলৈ ইফালে সিফালে কিবা বিচাৰি ফুৰিছিল। পাচত এটা সৰু সাপ দেখিলে। তাই কেইবা বাৰো আগয়ে কোৱা শুনিছিল যে সাপ ধৰা বৰ বিপদৰ কাম। তথাপি তাই অলপো দ্বিধা নকৰিলে। তাই ভাবিলে "ই এটা কেৱল অকণমান সাপ।" উৰি থোঁট মাৰি ধৰিলেগৈ। সাপটোৱে উভতি কামোৰ মাৰি দিলে আৰু সেই মুহূৰ্ত্ততে কাউৰীজনী মৰি থাকিল কিয়নো সাপটো বৰ দাইল আছিল।

উপদেশ—বহুত মানুহ এই মূৰ্খ কাউৰী টোৰ নিচিনা। যি তেওঁ-লোকত কৈ বেচি জানে তেওঁকো মানিব নোখোজে। তেওঁলোকে এইদৰে মৰসাহ দিব খোজে আৰু শেহত এই ফল হয়। যেতিয়া তেওঁলোকে শিকনি পায় তেতিয়া আৰু কোনো উপায় নাথাকে।

যীচুৰ পবিত্ৰ হৃদয়

আমাৰ নিমিত্তে এজন ফাদাৰ পঠিওৱা।



তলত দিয়া ঘটনাটো কেই বছৰ মানৰ আগতে ওপৰ আসামৰ কোনো ঠাইত ঘটাছিল।

কিছুমান খ্ৰীষ্টীয়ান মানুহে বহুত দুৰৰ এখন হাবিৰ মাজত নতুন গাওঁ পাতি বহিছিল গৈ। ফাদাৰে তেওঁলোকক বিচাৰি শেহত কোনো সুংগুত্ৰ নাপাই বহুত দিন তেওঁলোকৰ লগত দেখা কৰিব নোৱাৰি আশা এৰি দিলে।

কিন্তু তেওঁলোক উত্তম খ্রীষ্টীয়ান্ আছিল তেওঁলোকৰ প্ৰচাৰ জনো বৰ উৎসাহী আছিল আৰু তেওঁ তাত এটা গিৰ্জ্জাঘৰ সাজি প্ৰত্যেক ৰবিবাৰে সকলোকে গোট খুৱাই প্ৰাৰ্থনা কৰিছিল। তেওঁলোকৰ তেতিয়া একান্ত ইচ্ছা এজন কাথলিক ফাদাৰ পোৱা আৰু চাক্ৰামেণ্ট গ্ৰহণ কৰা।

দিন যোৱাৰ লগে লগে তেওঁলোকেও ফাদাৰ দেখা পোৱাৰ আশা এৰি বৰ হতাশ হ'ল। কিন্তু প্ৰচাৰ জন নিৰাশ নহল। তেওঁ কাঠৰে যীচুৰ সকলোকে সাগ্ৰহে গ্ৰহণ কৰা এখন চবি সাজিলে। এই চবি খনি গিৰ্জ্জাত থ'লে আৰু ন দিন একেৰাহে প্ৰভুক তেওঁলোকৰ ওপৰত দয়া বৰশাবৰ কাৰণে প্ৰাৰ্থনা কৰিলে। ঘৰলৈ যোৱাৰ আগতে সকলোৱে একেলগে প্ৰাৰ্থনা কৰে "হে যীচুৰ পৰম পবিত্ৰ হৃদয়, আমাৰ নিমিত্তে এজন ফাদাৰ পঠিওৱা।"

আৰু যীচুৱে তেওঁলোকৰ প্ৰাৰ্থনা শুনিলে। এদিন এজন কাথলিক ফাদাৰ কোনো ঠাইলৈ গৈছিল। বাটতে সন্ধ্যা হ'ল; বাট হেৰুৱাই কেনি যাব উৰাদিহ নাপাই সেই হাবিৰ মাজে মাজে যাবলৈ ধৰিলে। আন্ধাৰ বেচি হবলৈ ধৰিলত বেচেৰা ফাদাৰৰ ভয় লাগিবলৈ ধৰিলে। পাচত কিছু দূৰ গৈ পোহৰ দেখা পালে। তেওঁ সেই পোহৰৰ ফালে গৈ সেই ঠাই পাই বৰ আচৰিত হ'ল।

খ্ৰীষ্টীয়ান বিলাকে গোট খাই গিৰ্জ্জাত প্ৰাৰ্থনা কৰিছে। তেওঁলোকে ৰেতিয়া শেহত "হে যীচুৰ পবিত্ৰ হৃদয় আমালৈ এজন ফাদাৰ পঠিওৱা" এই প্ৰাৰ্থনা কৰিছিল সেই সময়ত ফাদাৰে সেই ঠাই পাই গিৰ্জাত সোমাই গ'ল।

প্ৰভুৱে তেওঁৰ সন্তান-সন্ততি সকলৰ প্ৰাৰ্থনা পূৰণ কৰিছে।

যীচুৰ কথা।

"যি জনে মই দিয়া পানী খাব তেওঁ আৰু কেতিয়াও পিপাসিত নহব, বৰং এই পানী তেওঁৰ গাত বাঢ়ি অনন্ত জীৱনত পৰিণত হব।"

(জ'ন, ৪।১৪)

কাথলিক মণ্ডলীৰ ইতিহাস

ভৰসা

ঈশ্বৰে আমাক যি বিশ্বাস কৰিবলৈ দিয়ে, ইয়াৰ বাহিৰে আমি তেওঁৰ অঙ্গীকাৰ বোৰত আশা কৰিবলৈ বাধ্যিত। তেওঁ যি যি কৈছে তাকে কৰিলে আমি তেওঁৰ প্ৰতি মৰম দেখুউৱা হব। অন্য কথাত কৈ. বিশ্বাস, ভৰসা আৰু প্ৰেমেৰে ঈশ্বৰক সেৱা কৰা আমাৰ আৱশ্যক। পৰমেশ্বৰ অসীম শক্তিমান, দযালু আৰু প্ৰতিজ্ঞাপালক: তেওঁক বিশ্বস্তৰূপে সেৱা কৰিলে পৰকালত অনন্ত সুখ আৰু তাক পাবৰ নিমিত্তে লাগতিয়াল কৃপা আৰু প্ৰয়োজনীয় বস্তু ঠিকৰূপে সুধিলে সেই সকলো আমাক দিব, ইয়াক ভৰসা কৰা আমাৰ আৱশ্যক। ভৰসা আমাৰ জীবনৰ পোহৰ আৰু সম্পদ। ঈশ্বৰে জানে যে আমাৰ হৃদয় ভীৰু আৰু মন পাতল;; এই হেতুকে তেওঁ নিজত আশা কৰিবলৈ আমাক আদেশ দিয়ে, এই কাৰণে ভগ্নোৎসাহ হোৱা আমাৰ উচিত নহয়।

পৰমেশ্বৰ সততে দয়ালু। পাপৰ প'চত আমি প্ৰকৃত পক্ষে অনু-তাপিত হলে তেওঁ সদায় আমাৰ পাপ বোৰৰ ক্ষমা দিয়ে। আমাৰ শক্তিৰ বাহিৰৰ পৰীক্ষাত পৰিবলৈ তেও আমাক নিদিয়ে। এই দেখি আমি ধৃষ্ট হব নোৱাৰো। আমি যদি ঈশ্বৰৰ আজ্ঞা উপলঙ্ঘা কৰো, পাপৰ সুযোগত যাওঁ, নাইবা মৰাত্মক পাপত থাকো আৰু মৰণ কালত পৰমেশ্বৰৰ শ্ৰেষ্ঠ দয়াতো আশা কৰো, ই ভৰসাৰ গুণ নহয়; বৰং পৰমেশ্বৰৰ প্ৰথম আজ্ঞাৰ অবধ্যতা। পৰীক্ষাৰ কালত বিশেষকৈ আমি ভৰসাৰ নিবেদন কৰিবলৈ বাধ্য আমাৰ ভক্তি আৰু আশা পৰমেশ্বৰৰ প্ৰতি অন্তৰৰ প্ৰাৰ্থনাৰে দেখুৱাম।





ফচল অনেক

এদিন প্ৰভু যীচু তেখেতৰ ১২ জন পাচনিৰ সৈতে এখন শস্যৰ পথাৰৰ মাজেদি খৰি ফুৰিছিল। শস্য পকিছিল আৰু থোক বোৰ ভৰতে দোঁখাই আছিল।

তেতিয়া প্ৰভু যীচুৱে আকাশৰ ফালনৈ চাই কলে, সচাঁকৈয়ে মই তোমালোকক কওঁ ফচল অনেক, কিন্তু পৰিশ্ৰমী বৰ কম। তাৰ দ্বাৰাই প্ৰভুৱে কৈছিল যে সংসাৰত অনেক মানুহ নৰকৰ বাটেদি যাব লাগিছে, তেখেতে পাচনি বিলাকক প্ৰাৰ্থনা কৰিবলৈ খাটিছিল যাতে পৰিশ্ৰমী বিলাক সৈতে (মিচনাৰি বিলাক) সেই বোৰক ৰক্ষা কৰিব পাৰে।

সচাঁকৈয়ে ফচল অনেক, এই সুন্দৰ অসম ভূমিতো অনেক নাজল নাথল আৰু আন ঈশ্বৰ দত্তৰ নিমিত্তে অপেক্ষা কৰি আছে। তেওঁলোক মানুহতকৈও হীন ইমানবোৰ দেৱতাক পূজা পালনেদি আশীৰ্বাদ পাইছে। তেওঁলোকে এতিয়া দেখিব পাৰিছে যে তেওঁলোকৰ [illegible] আৰু শক্তিহীন, এতিয়া তেওঁলোক সত্যৰ পিপাসু।

আহা আমি প্ৰাৰ্থনা কৰোঁ যাতে ঈশ্বৰে আমালৈ অনেক ভাল মিচনাৰি পঠায় আৰু যাতে অতি শীঘ্ৰে অন্ধই দেখিবলৈ পায়, আৰু মৃত সকল পুনৰ উত্থিত হয়।

“তোমাৰ ৰাজ্য আহক

———

যীচুৰ কথা

“সচাঁকৈয়ে, সচাঁকৈয়ে, পানী আৰু পবিত্ৰ আত্মাৰ পৰা জন্ম নহলে কোনো মানুহ ঈশ্বৰৰ ৰাজ্যত সোমাব নোৱাৰে” (জ'ন, ৩:৫)

“ঈশ্বৰে পৃথিবীক ই মান ভাল পায যে তেওঁৰ এক মাত্ৰ পুত্ৰকো দিলে আৰু যি জনেই তেওঁত বিশ্বাস কৰিব তেওঁৰ বিনাশ নহব কিন্তু অনন্ত জীৱন হে পাব”। (জ'ন, ৩:১৬)

পবিত্ৰ চেচিলিয়া



পবিত্ৰ চেচিলিয়া এজনা বিখ্যাত ৰমান হৈ পবিত্ৰ উৰালুচৰ পৰা খৃষ্টীয়ান শিক্ষা পাই খৃষ্টীয়ান হৈছিলহি। বাপ্তিস্ম গ্ৰহণ কৰাৰ পাচত তেওঁ কেৱল ঈশ্বৰৰ নিমিত্তে জীৱন কটাবলৈ স্থিৰ কৰিলে। আৰু তেও লৈয়েই নিজৰ শুদ্ধতা উচৰ্গা কৰিলে। চেলিলিয়াৰ বিশ বছৰ বয়সত মাক বাপেকে বালেৰীয়ান নামে এজন মানুহৰ লগত বিয়া দিবলৈ ইচ্ছা কৰিছিল। কিন্তু বিয়াৰ সময়ত পবিত্ৰ চেচিলিয়াই বালেৰীয়ানক মাতি ক'লে "চোৱা, ঈশ্বৰৰ এজন দূতে মোৰ শৰীৰ ৰক্ষা কৰে, তুমি যদি তাক অপব্যৱহাৰ কৰা তোমাৰ হানি হব।" বালেৰীয়াই তেওঁক সুধিলে "সেই দূতটোক মোক দেখুৱাব পাৰিবা?" পবিত্ৰ চেচিলিয়াই ক'লে যেতিয়ালৈকে তোমাৰ আত্মা পবিত্ৰ বাপ্তিস্মৰ দ্বাৰা শুদ্ধ নহয় তেতিয়ালৈকে সেই দূতক দেখিবলৈ নোপোৱা। বালেৰীয়াই চেচিলিযাৰ কথা মতে খৃষ্টীয়ান ধৰ্ম্মত দিক্ষীত হৈ বাপ্তাইজিত হ'ল। আৰু এদিন চেচিলিযাৰ ওচৰলৈ গৈ এজন সুন্দৰ ঈশ্বৰ দূত দেখা পালে তেতিয়া তেও নিজ ভায়েককো খৃষ্টীয়ান ধৰ্ম্মত দিক্ষীত কৰিলে আৰু শেষত ধৰ্ম্মৰ কাৰণে জীৱণ উচৰ্গা কৰিলে।

সৰ্ব্বশেষত চেচিলিয়াকো ধৰি আনি এখন ডাঙৰ তপত পাত্ৰত পেলাই দিয়া হৈছিল। কিন্তু তেওঁৰ একো নহ'ল। অকস্মাত এখন তৰোৱালে স্বৰ্গদুৱাৰ মুকলি কৰি দিলে আৰু তেওৰ পবিত্ৰ আত্মাই অনন্ত সুখ ভোগ কৰিবলৈ গতি কৰিলে।



মঙ্গলদৈৰ মহা সভা

মঙ্গলদৈ-অঞ্চলত ২ বছৰৰ পৰা বৰ আচৰিত ভাবে কাথলিক খ্ৰীষ্টীয়ানত আহিছে কাৰণ আজি কালিও অনেক অনেক লোকে আহিবলৈ ইচ্ছুক আছে, কিন্তু আশা কৰোঁ অলপ বছৰ পাছত মঙ্গলদৈত বহুত কাথলিক খ্ৰীষ্টীয়ান হৈ যাব মঙ্গলদৈত ৰেবং ফাদাৰ এ আলেচিৰ কষ্ট ও পৰিশ্ৰমৰ দ্বাৰা ক্ৰমে ক্ৰমে প্ৰাই বিলাক গাৱেঁই সত্য খ্ৰীষ্টীয়ান হৈ গৈছে। মঙ্গলদৈ অঞ্চলত ৰেবং ফাদাৰ এ আলেচি এচ চি প্ৰাই ১ মাহ ২ মাহৰ ভিতৰতেই যাই।

আৰু তেওঁৰ পৰামৰ্শৰ দ্বাৰা মঙ্গলদৈ অঞ্চলত এটা মহা সভাৰ উৎসব পতা হৈছিল। ইয়াত আতই মঙ্গলদৈ অঞ্চলত কাথলিক খ্ৰীষ্টীয়ান সকলে গোট খাই বৰ ধমধামেৰে মহা সভাৰ উৎসব মানিলে। আটাই খ্ৰীষ্টীয়ান বিলাকে বৃহস্পতি বাৰ দিনা আবেলিৰ পৰা গোট হৈছিল, গোট খোৱাৰ পাছত পবিত্ৰ চাক্ৰামেন্তৰ আশীৰ্ব্বাদ হয়। আটাই মানুহ সংখ্যা ৫০০।৬০০ মান আছিল। চাক্ৰামেন্ত আশীৰ্ব্বাদৰ পাছত বাইস্কুব হৈছিল, বাইস্কুবৰ আগয়ে ৰেবং ফাদাৰ এ ৰাবালিকৰ দ্বাৰা মুক্তি উৎসবৰ বিষয় সুন্দৰ উপদেশ শুনি আটাই উপস্থিত থকা লোকে সন্তোষ পালে। শুক্ৰবাৰ দিনা আবেলি অনেক দিঘলীয়া কৈ ক্ৰুচৰ বাট যাত্ৰাৰ নিচিনাকৈ সুন্দৰ ৰূপে প্ৰাই ৩৬ বিঘামান মাটীৰ এখন পঠাৰত কৰা হৈছিল। শনিবাৰ দিনা ৰাতিপোৱা কৃষ্ণগৰৰ মহা মান্যবৰ বিশপ মহোদয় আহে তেওঁক আনিবলৈ আটাই খ্ৰীষ্টীয়ান ও ফাদাৰ দল বান্ধি যাত্ৰাৰ নিচিনাকৈ গৈ তেওঁক আধা মাইল দূৰৰ পৰা আদৰ অভ্যাৰ্থনাৰে আগ বঢ়াই আনি গিৰ্জালৈ সোমুৱা হয়। আৰু আবেলি আটাই খ্ৰীষ্টীয়ানে সৈতে দল বান্ধি যি মঙ্গলদৈ অঞ্চলত কাথলিক মিশনৰ প্ৰাই মেৰি ইস্কুল স্থাপিত কৰা হৈছে, তাক চাবলৈ কৃষ্ণগৰৰ মান্যবৰ বিশপক আদৰেৰ সৈতে যাত্ৰাৰ নিচিনাকৈ ইস্কুলৰ কম্পাওন্দৰ ভিতৰত নিয়া হয় তাত অনেক কথা আলোচনা কৰি ইস্কুলৰ নিয়ম ঠিৰাং কৰা হয়। ৰবিবাৰ দিনা মান্যবৰ বিশপ দ্বাৰা ৬০ জন নতুন খ্ৰীষ্টীয়ানে অস্নান পালে।

তাৰ পাচত পবিত্ৰ চাক্ৰামেন্তৰ সৈতে বৰ ধুমধামেৰে শোভা যাত্ৰা কৰা হয়। যাত্ৰাতো বৰ দিঘলীয়া বাট এটাৰে হৈছিল যাত্ৰাৰ সময়ত বহুত মানুহ গোট হৈছিল আৰু সকলোৰ হাতত এটা আঁৰিয়াৰচাতিক জলাই লৈছিল যাত্ৰাৰ সময়ত দেখিবলৈ বৰ সুন্দৰ হৈছিল. যাত্ৰাৰ সময়ত যিমান লোকে দেখিছিল সকলোৱে বৰ সন্তোষ পালে।

যাত্ৰাৰ পাচত আটাই যাত্ৰা দল আৰু পাদাৰ বিলাকেৰে সৈতে অনেক আনন্দ ৰং ধেমালি গিৰ্জা ঘৰৰ সন্মুখত কৰা হৈছিল।


সোমবাৰ দিনা ৰাতিপোৱা [illegible] বৰণ চাক্ৰামেন্ত প্ৰাই ৩০ মান মানুহক দিয়া হয় তাৰ পাচত ইতে সিতে বিদাই লয়।

আমালোকে বিশেষকৈ ধন্যবাদ দিচো গোহাটিৰ চিষ্টাৰ বিলাকক কাৰণ তেওঁ বিলাকে আমালোকৰ মাজত উপস্থিত হৈ বেমাৰ আদি দেখিছিল আৰু দৰকাৰ হলে দাৰাই দিছিল।

শ্ৰীষ্টানিচ লাওচ কমলা
কবিৰালি



কৃষ্ণগৰৰ বিচপ মহোদয় আৰু পাদ্ৰিবিলাক





লৰাবিলাকৰ দূত

কুমাৰী মাৰী য়াই যোহন বস্কৰ ওচৰত এজন দূত থৈছে। এই দূত যোহনৰ মাক। তেওঁ বৰ ভাল আৰু ধাৰ্মিক আছিল।

যোহনৰ দুই বছৰ বয়স হওতেই তেওঁৰ বাপেক ঢুকায়। তেওঁ মৃত্যুৰ সময়ত যোহনৰ মাক মাৰ্গাৰেটক মতাই আনি ক'লে; "মোৰ মৃত্যুৰ কাৰণে বেচি কষ্ট নাপাবা। ঈশ্বৰত আশা কৰা। এয়েই কিন্তু মোৰ শেষ কথা। মোৰ লৰা কেইটিক ভালকৈ ডাঙৰ-দীঘল কৰিবলৈ যত্ন কৰিবা। বিশেষকৈ যোহনৰ কাৰণে চিন্তা কৰিবা"।

স্বামীৰ শেষ কথা মাৰ্গাৰেটৰ নিমিত্তে শেষ আজ্ঞা হ'ল। তেওঁ ভালকৈ বুজিছিল যে মাক সদাচাৰী হলে পুত্ৰও সদাচাৰী হব; বেয়া হলে পুত্ৰও তেনে হব। এই বাবে তেওঁ গোন প্ৰথমে লৰাক সদায় ভাল আদৰ্শ

দিয়ে। তেওঁৰ নিমিত্তে খুব প্ৰাৰ্থনা কৰে। দিনে দিনে মাৰ্গাৰেটে যীচু আৰু কুমাৰী মাৰীয়ালৈ নিজৰ পুতেকক উচৰ্গা কৰে। যোহনৰ অন্তৰত সকলো উপায়েৰে ঈশ্বৰ, যীচু আৰু কুমাৰী মাৰীয়াৰ প্ৰতি ভক্তি স্থাপন কৰিবলৈ যত্ন কৰে। পাপক ঘিণ, আৰু স্বৰ্গৰ চিন্তা কৰিবলৈ শিক্ষা দিয়ে। যোহন অলপ অহঙ্কাৰী আছিল যদিও মাকৰ মাত শুনিলে নিজৰ বেয়া আচৰন হাত কৰে। ন বছৰ বয়সতে তেওঁ ইমান গুণীলৰা হৈ উঠিল যে দুষ্ট লৰাবিলাকে তেওঁক দেখা মাত্ৰকে বেয়া কাম আৰু বেয়া কথা নকৈছিল। এটা আচৰিত উদাহৰণ কওঁ শুনা। ইযাৰ দ্বাৰা যোহনৰ গুণ ভালকৈ বুজোৱা যায়।

এদিন ঘৰলৈ আহোতে তেওঁৰ মুখৰ পৰা বৰ তেজ ওলাইছিল। মাকে দেখি বুজিলে আৰু খং উঠি কলে, "সেই দুষ্ট, দুৰ্জ্জন লৰাবিলাকৰ লগত গৈছিলি কিয় ?"

যোহন - "মই থাকিলে সিহঁতে বেযা কথা বা বেয়া কাম কেতিয়াও নকৰে। এই কাৰণে তেওঁলোকৰে সৈতে খেলবলৈ গৈছিলো।"

মাক —"এৰা! কিন্তু সিহঁতে তোৰ মুৰ ঘনে ঘনে আঘাত কৰি ভাঙ্গে।"

যোহন—"জানি শুনি নকৰে, তেওঁলোকেও দুখ পায়।"

মাক —"বাৰু তথাপি আৰু সিহঁতৰ লগত নায়াবি।"


যোহন—"আই!................"

মাক —"মোৰ কথাই কথা।"

যোহন (কান্দি)—"এয়েই আপোনাৰ আদেশ হলে মানিব লাগিব। কিন্তু মই তেওলোকৰ লগত থাকিলে মৰা মৰি নকৰে, মোৰ ইচ্ছা মতেহে কৰে।............"

মাকে ভাল কামত কলগ্ৰহ হব বুলি ভয় কৰি কয়, - "এৰা! যা।"


মাতৃ সকল, এই কথা আপনালোকলৈ ভাল আদৰ্শ হয়। আপনালোকৰ পুত্ৰ বোৰ যোহনৰ নিচিনা হয়।



প্ৰশ্ন—কাথলিক বোৰে কিয় আঠুঁ কাঢ়ি প্ৰাৰ্থনা কৰে ?

উত্তৰ--তোমাতকৈ ডাঙৰ মানুহৰ আগত তুমি নবহা; আঠু কাঢা। ই কেৱল সজ নিয়ম হে। এই সজ নিয়ম ঈশ্বৰৰ ওচৰতো যোগ্য, আমি তেওঁৰ আগত দাসৰ আকৃতি লোৱা উচিত; কিয়নো ঈশ্বৰ সকলো মানুহত-কৈ ডাঙৰ আঠু কঢা ভক্তিৰ সকলোতকৈ ডাঙৰ চিন।

কিন্তু প্ৰাৰ্থনাই ঈশ্বৰৰ আগত উপস্থিত হোৱাতকৈ বেছি বুজায়, কিয়নো আমি সদায় ঈশ্বৰৰ ওচৰত; অকল প্ৰাৰ্থনা কৰা সময়ত হে এনে নহয়। প্ৰাৰ্থনাৰ মানে ঈশ্বৰক আৰাধনা কৰা: অৰ্থাৎ তেৱেই সকলো আৰু আমি অতি নিকৃষ্ট ইয়াক প্ৰকাশ কৰা। আমাৰ নিকৃষ্টতাক ধলিত আঠুঁ কঢ়াৰ বাহিৰে অন্ত কোনো উপায়েৰে ভালকৈ প্ৰকাশ কৰিব নোৱাৰি কিয়নো আমি ধূলিহে। প্ৰাৰ্থনাৰে ঈশ্বৰক তেওঁ দেখুউৱা কৃপাৰ কাৰণে ধন্যবাদ দিয়া হয়; আৰু কৃপা খোজা হয়। আঠুঁ কঢাই ভিক্ষুকে দাতাৰ বদান্যতাত যে একেবাৰে নিৰ্ভৰ কৰে আৰু যে দাতাৰ ওচৰত সি বশ্যতাক স্বীকাৰ কৰে। প্ৰাৰ্থনা কৰা মানে আমি ঈশ্বৰৰ ওচৰত আমাৰ পাপ প্ৰকাশ, আৰু তাৰ বাবে অনুতাপ কৰোঁ; আৰু ক্ষমা মাগোঁ। আঠু কঢাৰ বাহিৰে আন কোনো কামে যি জন অনন্ত নৰকৰ যোগ্য তেওঁৰ মনৰ ভাব প্ৰকাশ কৰিব নোৱাৰে; আন কোনো উপায় নাই যাৰ দ্বাৰা তেওঁ মুক্তি পাব পাৰে; যিজনৰ পৰা দুস্প্ৰাপ্য দয়া লাভ কৰিব পাৰে, যি জনক তেওঁ উদণ্ড আৰু অনুচিত ভাবে মনত অসন্তোষ দিছে।



(১) পৰিস্কাৰ হোৱাঁ তোমালোক প্ৰথমে অন্তৰত পৰিস্কাৰ হোৱা তাৰ পাচত শৰীৰক পৰিস্কাৰ কৰাঁ। কোনেও লেতেৰা মানুহক ভাল নাপায়। পানী আৰু চাবোনৰ পৰা ভয় নাখাবা।

(২) নম্ৰ হোৱাঁ—তুমি যদি সকলোৰ লগত নম্ৰ আৰু দয়ালু হোৱা তেন্তে সকলো পাব পাৰাঁ। বেয়া ভাষা ব্যবহাৰ নকৰিবা। তোমাৰ ভাই ভগ্নী বা আন কাৰো লগত গৰ্ব্বভাবে মৰা-কিলা নকৰিবা।

(৩) সত্যবাদী হোৱাঁ - মিছা কলে শেহত তোমাক কোনেও বিশ্বাস নকৰা হব। তোমাৰ টান হলেও সচাঁ কৰাঁ। সত্যবাদী সকলোৰে বন্ধু।

(৪) সকলোৰে বাধ্য হোৱা —পৃথিবীত সকলো মানুহেই বাধ্য হোৱা উচিত। বাধ্যতা নিমখৰ নিচিনা। নিমখ নহলে ভাত খাব নোৱাৰা। সোৱাদ নোপোৱা। তোমাৰ ওপৰৱালা সকলক তুমি বাধ্য নহলে কেতিয়াও সন্তোষ দিব নোৱাৰা।

(৫) ধৰ্ম্মৱন্ত হোৱা—ঈশ্বৰ আমাৰ সৃষ্টিকৰ্ত্তা আমি তেওঁক ধন্যবাদ দিয়া উচিত। তেৰেই আমাৰ প্ৰভু—আমি তেওঁক মানি চলা উচিত। তেওঁ আমাৰ পিতা —আমি তেওঁক ভাল পোৱা উচিত।

(৬) পবিত্ৰ হোৱা—আমি আমাৰ ভাব চিন্তা, কথা বতৰা আৰু শৰীৰতো পবিত্ৰ হব লাগে। আমাৰ শৰীৰ পবিত্ৰ আত্মাৰ মন্দিৰ; সেই কাৰণে আমি ইয়াৰ প্ৰতি সদ্ভাব ৰখা উচিত আৰু যি ইয়াক অপবিত্ৰ কৰিব পাৰে এনে কোনো কাম কৰা উচিত নহয়।

(৭) অধ্যৱসায়ী হোৱাঁ—কোনো কাম আধা কৰি নেৰিবা : তোমাৰ উদ্দেশ্যক লক্ষ কৰি যোৱা। তুমি প্ৰভুৰ পৰ্ব্বতলৈ উঠিছাঁ। পৰ্ব্বতৰ টিং নাপালেগৈ তুমি সুন্দৰ দৃশ্য উপভোগ কৰিব নোৱাৰাঁ। তুমি যিহকে কৰাঁ মন লাগি কৰাঁ।

ভাৰত বাতৰি


বাম্ব্রাঃ—এখন ৩০০০০ মানুহৰে সৈতে ভৰা বন্দৰৰ ওচৰৰ চহৰ—, ইয়াৰ প্ৰায় সৰহ ভাগ মানুহেই কাথলিক। বোৰা মাহত তাত এখন ডাঙ্গৰ সভা হৈছিল। বহুত আৰ্চবিচপ আৰু বিচপ তাত উপস্থিত হৈছিল। তাত প্ৰায় ৩০০০০০ কাথলিক উপস্থিত আছিল বুলি অনুমান কৰিব পাৰি। তাৰ ৰাস্তাৰ মাজেদি নিচান আৰু ফুলেৰে সৈতে সুসজ্জিত এটা ডাঙ্গৰ শোভাযাত্ৰা কৰা হৈছিল। চহৰৰ থিক মাজতে যীশু খ্ৰীষ্টৰ মূৰ্ত্তি এটা স্থাপিত কৰা হৈছিল। মুক্তিদাতা যীশু খ্ৰীষ্টৰ চৰণত সকলোৱে আহি তেওঁ লোকৰ চহৰ খনক যীশুৰ পবিত্ৰ হৃদয়ত অৰ্পণ কৰিছিল। ই এটা আমাৰ কাৰণে সজ আহি। আমিও প্ৰাৰ্থনা কৰো যাতে আমাৰ ৰজা যীশু খ্ৰীষ্টৰ ৰাজ্য এই ধুনীয়া অসমলৈকো আহে, আৰু যাতে তেওঁ আমাৰ হৃদয়ত আৰু সৰু সৰু চহৰ বিলাকতো ৰাজত্ব কৰিব পাৰে।

মালাবাৰ ইয়াতো কেইদিন মানৰ আগতে এখন ডাঙ্গৰ কাথলিক সভা হৈছিল। অনেক বিচপ আৰু হাজাৰ হাজাৰ মানুহো উপস্থিত হৈছিলহি। সচাকৈয়ে ভাৰতৰ সকলো ঠাইতে আমাৰ মণ্ডলীৰ উন্নতি দেখিলে বৰ সন্তোষ লাগে। আমাৰ প্ৰভুৰ ৰাজ্য আহক।

মিৰাট- ইয়াতো বহুত চমাৰ কাথলিক হৈছে। মান্দ্ৰৰ বিচপ জ্ঞানী মহোদয়ে তেওঁ লোকৰ কেইশ মানক অলপতে মণ্ডলীত ভৰ্ত্তি কৰিছে।

গোৱা - এই পৰ্ত্তুগীজ চহৰত প্ৰাই সকলো বোৰ মানুহেই কাথলিক। ইয়াতে এটি বৰ সুন্দৰ গিৰ্জাত সন্ত ফ্ৰান্‌চিচ্ জেভিয়াৰৰ শৰীৰ এতিয়াও আলৰ ভাৱে আছে আৰু ইয়াক ৰখা আজি ৪শ বছৰ হৈছে। বছৰি বছৰি শই শই যাত্ৰীয়ে তেওঁৰ এই স্তূপলৈ গৈ স্তুতি বিস্তি কৰে আৰু কেইজন মান ৰোগীয়ে ইয়ালৈ গৈ সুস্থ হৈছে।

গৰাকীক বিচাৰি উলিওৱাঁ



চোৱা সৌ চোৰটোৱে সেই মালটো চুৰ কৰি লৈ গৈছে। গৰাকী চাৰ নাকৰ শুচৰতে আছে।

Permissu Superiorum

Printed at the Catholic Orphan Press, Calcutta

Edited by Rev. Fr. A. Alessi, S.J. Catholic Mission, Tezpur [illegible]

অসাগৌরার নন্দ



মহেশ - টি. সত্য সাক জাবনা।

ভাৰতীয় খবৰ

কোৱেটা: কেইসপ্তাহমানৰ আগতে উত্তৰ ভাৰতৰ এই চহৰ খন এটা ভয়ানক ভূমিকম্পৰ দ্বাৰাই সম্পূৰ্ণৰূপে ধ্বংশ হৈ গ'ল। ই ৰাতি হৈছিল, সেই কাৰণে প্ৰায় সকলোবিলাক মানুহেই মাটিৰ তললৈ সোমাই গৈছিল। প্ৰায় ২০,০০০ মানুহে জীৱন হেৰুৱালে।

মঙ্গলদৈ: কেইদিন আগতে অনেক গাৱঁত কলেৰা হৈছিল। কেইবা শও মানুহ মৰিল। কেৱল ২০ জন কথলিকহে মৰিল, কিয়নো পিতা এলিচিয়ে [illegible] ভাল ঔষধ আৰু মানুহবিলাকক সান্ত্বনা দিবলৈ প্ৰাণপণে [illegible]।

গৌহাটী: আমাৰ মাতৃ মাৰীয়াৰ সন্মানাৰ্থে এটা ডাঙৰ শোভাযাত্ৰা হৈছিল। [illegible] উপস্থিত আছিল। লৰা আৰু ছোৱালীবিলাকে ধুনীয়া গীত গান কৰিছিল। [illegible] মোখিয়া পাল চিকবাউৰ [illegible] আন বিলাক [illegible] প্ৰধান মাতৃৰ সন্মানাৰ্থে এনে শোভাযাত্ৰা কৰা হৈছিল।

টিংভাঙ্গৰ [illegible] কেইবা [illegible] খ্ৰীষ্টিয়ান হৈছে, এতিয়া এটা ধুনীয়া গীৰ্জা সজা হ'ব। [illegible] পোলাইছে।

ভাৰতত: এতিয়া ৩০০০০০০ কেইবা লাখ কাথলিক আছে। জীশুৰ ধৰ্মই পৃথিৱীৰ [illegible] প্ৰত্যেক দেশতে জয় কৰিব পাৰিছে।

পেচোৱাৰ: অলপ দিনৰ আগতে এই চহৰ খনৰ ডাঙৰ বজাৰ খনত ভয়ানক ৰকমে জুই লাগে। যেতিয়া কেইবা হাজাৰ মানুহৰ ঘৰ নাইকিয়া হল, তেতিয়া কেইবা শও মানুহ মৰিল।

হে ঈশ্বৰ! আমাক দয়া কৰা!

অসমীয়াৰ বন্ধু

ভাগ ২য় | জুলাই, ১৯৩৫ | সংখ্যা ১১

বন্ধুৰ বাণী।

যীচু খ্ৰীষ্টৰ ধৰ্ম্ম প্ৰেম ধৰ্ম্ম, সত্য ঈশ্বৰ-প্ৰেম আৰু সত্য মনুষ্য প্ৰেম। ইয়েই আমাৰ প্ৰভুৰ প্ৰথম আৰু সৰ্ব্বশ্ৰেষ্ঠ আদেশ।

এদিন এজন ডেকাই প্ৰভু যীচুক সুধিছিল "প্ৰভু! [illegible] আৰু সৰ্ব্বোত্তম আদেশ কি?" যীচুৱে উত্তৰ কৰিলে "তোমাৰ প্ৰভু [illegible] তোমাৰ অন্তৰেৰে, তোমাৰ কায়মনোবাক্যে ভাল পোৱাঁ; তাৰ [illegible], তোমাৰ চুবুৰীয়াক তোমাৰ নিজৰ নিচিনা স্নেহ কৰা; ইয়াকে কৰা, আৰু তুমি অনন্ত জীৱন লভিবা।"

মৰমৰ বন্ধুসকল, আপোনালোকে এনে সুন্দৰ মধুৰ কথা শুনিছেনে? তুমি এজন আচল খ্ৰীষ্টীয়ান। ঈশ্বৰক তোমাৰ পিতাৰ নিচিনা ভালপোৱা, মানুহক তোমাৰ ভাতৃৰ নিচিনা স্নেহ কৰা, তোমাৰ অন্তৰত আচল খ্ৰীষ্টীয়ানৰ প্ৰেমৰ জুই সঞ্জীবিত কৰা; তোমাৰ [illegible] মৰমৰ [illegible] পৃথিৱীৰ [illegible] কোনো ধৰ্ম্ম [illegible] এনে [illegible] শিক্ষা দিয়ে। "[illegible] আমি সেই কাৰণে ঈশ্বৰক [illegible] কৰিব [illegible]" [illegible] আমাক [illegible]।


[illegible] যাতে [illegible] পাৰোঁ।

আমি কেনেকৈ আমাৰ চুবুৰীয়াক ভাল পাব লাগে? যীচুৱে আমাক এটি উদাহৰণ দিছে। আমি ঈশ্বৰ জ্ঞান কৰি আমাৰ ভাই ভনীৰ নিচিনাকৈ তেওঁলোকৰ নৰিয়াত চাব লাগে আৰু টানৰ সময়ত সহায় কৰিব লাগে। আমি তেওঁলোকৰ ওচৰলৈ যাব লাগে, সময়ত সান্ত্বনা দিব লাগে, আৰু কোনো কথা নাজানিলে শিকাই দিব লাগে। তেওঁলোকৰ দুখত আমি দুখী আৰু তেও লোকৰ সুখত আমি সুখী হব লাগে। আমাৰ মৰম অকল কথাতেই নহয় কামতো হব লাগে। যদি আমাৰ ঈশ্বৰত ভক্তি আছে তেন্তে আমি তেওঁৰ আদেশ মানি চলিব লাগিব; আমি তেওঁৰ কথা শুনিব লাগিব আৰু লৰা ছোৱালীয়ে যেনেকৈ পিতৃক ভাল পায়, হকা-বাধা মানি চলে তেনেকৈ আমিও তেওঁক ভাল পাই সকলো কথা মানি চলিব লাগে।


যদি আমি আমাৰ চুবুৰীযাক ভাল পাওঁ তেন্তে তেওঁ-লোকৰ দৰকাৰত আমি যি পাৰো সহায় কৰা উচিত।

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই কৈছিল “মই যেনেকৈ তোমালোকক ভাল পাওঁ তেনেকৈ তোমালোকেও ইটোৱে সিটোক ভাল পোৱা।

অসমীয়াৰ বন্ধু।



যীচুৰ বহুমুলীয়া তেজ



জুলাইৰ পহিলাতে আমি যীচুৰ বহুমুলীয়া তেজ মনত পেলাওঁ। এই স্মৃতি অৱশ্যে বৰ মধুৰ আৰু সুখদাযক। ই আমাৰ কেৱল ঈশ্বৰৰ পৰা পোৱা লৰা যীচুৰ মৃত্যু আৰু অনুৰাগৰে সৈতে কিনা আমাৰ পবিত্ৰ মুক্তি শোৱৰাই দিয়ে।

যদি আমি কেৱল জানিলো হেতেন যে আমাৰ প্ৰভু যীচু খ্ৰীষ্ট অহাৰ আগেয়ে মনুষ্য জাতি কি আছিল। মনুষ্য জাতি ইমান তলত পৰিছিল যে কোনো মানুহেই ইয়াক মুক্ত কৰিব নোৱাৰিছিল। যেতিয়া মানুহ বেমাৰী আছিল; এখন ফাটেকত আছিল আৰু সম্পূৰ্ণৰূপে অন্ধকাৰত আছিল, তেতিয়া আমাৰ পবিত্ৰ মুক্তি দাতাই মানুহক দয়া কৰিবৰ কাৰণে আৰু ৰক্ষা কৰিবৰ কাৰণে স্বৰ্গৰ পৰা নামি আহি এজন মানুহ হৈছিল।

যীচুৰ জীৱন পৃথিৱীত মানুহৰ সকলো বিলাক লৰা ছোৱালীৰ স্বৰ্গীয়, পবিত্ৰ আৰু খুব নিৰ্ম্মল আছিল। দুখ কষ্ট পোৱা মনুষ্য জাতিৰ কাৰণে তেওঁৰ হৃদয় মৰমৰে সৈতে পুৰিছিল, সকলো ব্যাধিৰ পৰা আৰোগ্য হবৰ আৰু ৰক্ষা পাবৰ কাৰণে দুখীয়া, বেমাৰী আৰু বিজাতীয় মানুহ তেওঁৰ ওচৰলৈ গৈছিল।

যীচুৰ স্বৰ্গীয় ক্ষমতা ইমান ডাঙৰ আছিল যে এজনী বেমাৰী তিৰোতাই কেৱল তেওঁৰ গাৰ কাপোৰ চুয়েই আৰোগ্য হৈছিল।

তেতিয়া ভয়লগা শেষ হৈছিল। তেওঁৰ শত্ৰুয়ে তেওঁক বন্দী কৰিবলৈ কৃতকাৰ্য্য হৈছিল। যেতিয়া তেওঁ পৃথিবীক মুক্তিলৈ আনিছিল, তেতিয়া তেওঁৰ সম্মান আছিছিল। যীচু খ্ৰীষ্ট ঈশ্বৰৰ, আৰু তেওঁৰ পবিত্ৰ তেজেৰে আমি শুদ্ধ হৈছিলোঁ।

ক্ৰুচত তেওঁৰ তেজ তোপা তোপে জৰি ওলাই আছে। তাতে আমাৰ মুক্তি হয়।

তেনেহলে আমি এনেকুৱা বহুমুলীয়া তেজৰ যোগ্য হবলৈ প্ৰতিজ্ঞা কৰো আৰু এনেকুৱা পবিত্ৰ মুক্তি দাতাক ধন্যবাদ দিও আহা।

ওপৰত কোৱা সকলো বিলাক বস্তু সম্পন্নতাৰ সংযোগত হে হয়। (কলচ ৩-১৪)

আৰু ওপৰত পবিত্ৰ উৎসাহ পূৰ্ণ সকলো বস্তু তোমালোকৰ মাজত আছে। (১ পিট ৪-৮)

তুমি ৰাতিৰ সময়ে অন্ধকাৰত থাকা, কিন্তু এতিয়া তোমাক ঈশ্বৰে পোহৰ দিছেহে। পোহৰৰ লৰা ছোৱালীৰ দিচিনাকৈ খোজ কাঢ়া। (ইফি ৫-৮)

যীচুৱে কৈছিল -ময়েই পুনৰুত্থান আৰু শেষ জীৱন। যি মোক বিশ্বাস কৰে, যদিও তেওঁ মৰিছে তথাপি তেওঁ জীয়াই থাকিব। আৰু সেই দৰে যি মোত বিশ্বাস কৰি জীয়াই থাকে তেওঁ কেতিয়াও নমৰে। (যোহ ১১-২৬)



মণ্ডলীৰ উত্তৰাধিকাৰীবিলাক

ঈশ্বৰে মণ্ডলী স্থাপন কৰিছে। এতেকে কেৱল ঈশ্বৰেইহে মণ্ডলীৰ একমাত্ৰ [illegible] স্বৰ্গলৈ গল হ'ত এতিয়া তেওঁ আছে। সেই দেখি তেওঁ এজন উত্তৰাধীকাৰী

নিযুক্ত কৰিলে। ৰোমৰ প্ৰথম বিচপ্ সন্ত পিটৰ যি পাচনি সকলৰ প্ৰথম আৰু পৃথিবীৰ ঈশ্বৰৰ প্ৰতিনিধি তেওঁক ঈশ্বৰে সৰ্ব্ব প্ৰথমে মুৰব্বী নিয়োগ কৰিলে যেনেকৈ আমাৰ সম্ৰাটে ইংলণ্ডত থাকিব লগা হোৱাত ভাৰত বৰ্ষলৈ এজন ভাইচৰয় পঠাইছে। প্ৰভু যীচুৱে পিটৰক কৈছিল "মোৰ ভেৰা বোৰক চৰোৱা, মোৰ মেৰছাগ বিলাকক চৰোঁৱা" (সন্ত যোহন ২১)! তাৰ মানে "সকলো বিশ্বাসী লোকক শাসিত কৰাঁ!" আৰু এসময়ত প্ৰভুৱে কৈছিল "তুমি পিটৰ, মই এই শিলৰ ওপৰত মোৰ মণ্ডলী স্থাপন কৰিম। ইয়াৰ ওপৰত নৰক দুৱাৰৰ কোনো প্ৰভাৱ নহব" (সন্ত মাথ ১৬)। সেই কাৰণে আজি প'প—ৰোমৰ বিচপ—যি পিটৰৰ উত্তৰাধীকাৰী মণ্ডলীৰ মুৰব্বী। যেনেকৈ ভাইচৰয়ক গৱৰ্ণৰে, গৱৰ্ণৰক ডিপুটি কমিচনাৰ বিলাকে, ডিপুটি কমিচনাৰ বিলাকক মৌজাদাৰ-বোৰে, আৰু মৌজাদাৰ বোৰক গাওঁবঢ়াই সহায় কৰে, সেই দৰে প'পক কাৰ্ডিনেল সকলে, কাৰ্ডিনেল সকলক বিচপ সকলে, আৰু তেখেত সকলক ফাদাৰ সকলে সহায় কৰে।

কাৰ্ডিনেল ৭২ জন আৰু তেখেত সকলে সকলোবোৰ ডাঙৰ ডাঙৰ ঠাইৰ বিচপ সকলৰ মুৰব্বী হিচাবে পপক মণ্ডলীও সকলো গুৰুতৰ বিষয়ত সহায় কৰিছে, অথবা ৰোমত থাকি তেখেতৰ ওচৰহে সকলো লাগতিয়াল বিষয় সমাধা কৰিছে। বিচপ ১৬১০ জন, তেখত সকল সকলোবোৰ 'ডায়চিচ' বা মিচনৰ গৰাকী। গোতেই পৃথিবীক বহুত 'ডায়চিচ'ত ভাগ কৰা হৈছে:—যেনে, শিলং 'ডায়চিচ', ৰানচি 'ডায়চিচ', কৃষ্ণগড় 'ডায়চিচ', আৰু প্ৰত্যেক 'ডায়চিচ'ৰ মুৰব্বী হৈছে বিচপ মহোদয়। আৰ্ক বিচপ সকল ,ডায়চিচ'ৰ বিচপ সকলৰ ওপৰত।

প্ৰত্যেক 'ডায়চিচ'ত অনেক ফাদাৰ থাকে আৰু সি সকলে বিচপ সকলক সকলো বিষয়তে, খ্ৰীষ্টীয়ান সকলক শিক্ষা দিয়াত, নতুন খ্ৰীষ্টীয়ান কৰাত সহায় কৰিছে।

যি সকলে পুৰোহিত হবৰ কাৰণে শিক্ষা পাব লাগিছে সেই সকলক 'ব্ৰাদাৰ' বোলা হয়। আৰু অন্য এক শ্ৰেণীৰ 'ব্ৰাদাৰ' আছে (তেওঁ লোকক 'লে' ব্ৰাদাৰ বোলা হয়) যি সকলে কেতিয়াও পুৰোহিত হব নোৱাৰে।

'চিষ্টাৰ' সকলে ঈশ্বৰৰ সেৱা কৰে আৰু 'ফাদাৰ' সকলক তিৰোতা মানুহক আৰু ছোৱালী বিলাকক শিক্ষা দিয়াত সহায় কৰে।

দূত আৰু সাধুবিলাক



আমাৰ প্ৰাৰ্থনা কৃত্ৰিম আৰু দুৰ্ব্বল এই কাৰণে পবিত্ৰ কাথলিক মণ্ডলী সাধুবিলাক আৰু দূতবিলাকৰ সহায় খুজিবলৈ উদগাইছে। তেওঁলোক পৰমেশ্বৰৰ সন্মুখ হলে, তেওঁ সিবিলাকৰ প্ৰতি সন্তুষ্ট হৈ, তেওঁবিলাকৰ প্ৰাৰ্থনা শুনি, গ্ৰহণ কৰে। আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰাত তেওঁবিলাকৰ আনন্দ। এই দেখি আমি যদি এই দিহাৰ ব্যৱহাৰ নকৰো, তেন্তে আমি মুখৰ নিচিনা। তেওঁ-পোনে পোনে ঈশ্বৰৰ ওচৰলৈ চাপি যায়।

সকলো সময়তে তেওঁবিলাক জবৰ ডাঙৰ বন্ধুৰ নিচিনা আছিল। পৰমেশ্বৰৰ সিবিলাকৰ প্ৰতি খং উঠিল। তেতিয়া সিবিলাকে ক্ষমা পাবৰ নিমিত্তে ঈশ্বৰৰ ওচৰলৈ গ'ল, কিন্তু তেওঁ ক'লে "মোৰ মাতৃৰ ওচৰলৈ যোৱা; তেওঁ তোমালোকৰ নিমিত্তে প্ৰাৰ্থনা"। আৰু এই কথা অনুসৰি পৰমেশ্বৰ জবৰ প্ৰাৰ্থনা গ্ৰহণ কৰিলে। অতএৱ আমি ঈশ্বৰৰ কৃপাত; তেওঁৰ পৰামৰ্শ লৈ তাৰ বন্ধুবিলাকৰ সৈতে চলিম।



১ ।

আসমানীয়ান বন্ধু



প্রবণ লোচেন। আমার নামে স্মরণ রাখ। প্রার্থনা করো

কেনেকৈ এজন খ্ৰীষ্টিয়ান মৰা উচিত

ঠিক পিচ পিঠিত থকা ছবি খনলৈ চোৱা। তাত তুমি দেখিবা আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰতিপালক পিতা পবিত্ৰ যোচেফ। তেও প্ৰায় মৃত্যুপ্ৰায় আৰু শয্যাগত। কিন্তু তেও মৃত্যুলৈ ভয় নকৰে। তেওঁৰ কাষত যীচু আৰু মাৰীয়া। তেও তেওঁবিলাকত তেওঁৰ খুব আনন্দ আৰু আশা দেখিছে। তেওঁৰ পবিত্ৰ আত্মাক স্বৰ্গলৈ লৈ যাবলৈ—তেওঁৰ কামত এটা স্বৰ্গীয় দূত সাজু হৈ আছিল। কি সুন্দৰ মৃত্যু।

মৰমৰ পাঠক! আমিও এই দৰে মৰিবলৈ খুব আশা কৰো। আমাক সান্ত্বনা দিবলৈ আৰু আমাৰ কাৰণে স্বৰ্গৰ বাট মুকলি কৰি দিবলৈ আমি যীচু আৰু মাৰিয়াক আমাৰ কাষত পাইছো। কিন্তু যদি আমি পবিত্ৰ মৃত্যু আৰু সুখেৰে মৰিবলৈ যাওঁ তেন্তে আমিও পবিত্ৰ জীৱন যাপন কৰিবলৈ খুব চেষ্টা কৰা উচিত। আমাৰ মৃত্যু থিক আমাৰ জীৱনৰ নিচিনা হব। যদি আমি ভাল খ্ৰীষ্টিয়ান হও আৰু আমাৰ সকলো কাম ভালকৈ সম্পূৰ্ণ কৰি কৰো তেন্তে আমাৰ একোলেকে ভয় নাই। যদি আমি আমাৰ জীৱনত ঈশ্বৰক ভাল পাও তেনেহলে তেওঁ তেওঁৰ ভাল পোৱা আমাক দিব। যদি আমি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ উপদেশ মতে চলো, তেন্তে আমি নিশ্চয় তেওঁক স্বৰ্গৰ মহিমাত লগ ধৰিব পাৰিম।

যদি আমি আমাৰ জীৱন বেয়া বাটেদি নিও, যদি আমাৰ খ্ৰীষ্টিয়ানৰ কৰ্ত্তব্য পাহৰি যাও, আৰু যদি আমি ঈশ্বৰৰ আৰু মণ্ডলীৰ আদেশ উপলঙ্ঘা কৰো তেন্তে আমাৰ মৃত্যু কেতিয়াও পবিত্ৰ আৰু সুখী হব নোৱাৰে। তেতিয়া যীচু আৰু মাৰিয়া আমাৰ ওচৰলৈ নাহে; কেৱল আমাৰ আত্মা তলত থকা নৰকৰ অন্ত নোহোৱা জুইলৈ লৈ যাবলৈ ভূত-প্ৰেত হে আহিব—।






পবিত্ৰ লৰেন

মণ্ডলীৰ সাতজন ডিকনৰ ভিতৰত লৰেন এজন প্ৰধান। তেওঁলোকে দুখীয়া মানুহৰ সেৱা কৰিছিল। এই কামতে পবিত্ৰ লৰেনে নিজৰ জীৱন ত্যাগ কৰিছিল। যেতিয়া পবিত্ৰ পপে ধৰ্ম্মৰ কাৰণে জীৱন দিবলৈ গৈছিল তেতিয়া লৰেনে তেওঁৰ পিচে পিচে গৈ এই বুলি কান্দিছিল, "আপুনি কিয় ত্যাগ কৰে"? পবিত্ৰ পপে তেওঁক সান্ত্বনা কৰনাৰ্থে উত্তৰ দিলে "মোৰ বাছা, নাকান্দিবা, তিনি দিনৰ মূৰত মোৰ লগলৈ আহিব পাৰিবা" এই ভবিষ্যত বাণী সত্যত পৰিণত হ'ল।

তিনি দিনৰ মূৰত মোৰ নগৰৰ শাসনকৰ্ত্তাই লৰেনৰপৰা মণ্ডলীৰ সকলো ধন সম্পত্তি দাবি কৰি খুজিলে। পবিত্ৰ লৰেনে ক'লে "তিনি দিনৰ মূৰত আমালোকে সকলো ধন সম্পত্তি তোমাৰ হাতত সমৰ্পণ কৰিম"। তৃতীয় দিনা পবিত্ৰ লৰেনে নগৰৰ সকলো ৰোগী, দুখীয়া মানুহক মাতি গোট খুৱাই সিবিলাকক শাসনকৰ্ত্তাক দেখুৱাই ক'লে "চাওক এই বিলাকেই মণ্ডলীৰ ধন সম্পত্তি"। এই কথা শুনি শাসনকৰ্ত্তা খঙত জ্বলি উঠিল আৰু ততালিকে লৰেনৰ প্ৰাণদণ্ডৰ আজ্ঞা দিলে। তেওঁক পিণ্ডত দিয়া হ'ল।



প্ৰশ্নোত্তৰ



প্ৰশ্ন :—খ্ৰীষ্টিয়ানবিলাকে কিয় ক্ৰুচৰ চিন কৰে ?

উত্তৰ :—ক্ৰুচৰ চিন আমাৰ বহুত দিনৰ আগৰে পৰা ব্যৱহাৰ কৰা পুৰনি অভ্যাস। টাৰ্টু লিয়ন্দে নিয়ম কৰি গৈছিল (১৬০–২২২) খ্ৰীষ্টিয়ান বিলাকে খোৱা, কাম কৰা, প্ৰাৰ্থনা কৰা, শোৱা ইত্যাদি দিনৰ প্ৰধান কাম বিলাকৰ আগেয়ে ক্ৰুচৰ চিন কৰিব লাগে।

বেপটিচ্মা দিওতে ক্ৰুচৰ কেইবাটাও চিন আমাৰ কপাল আৰু বুকু ইত্যাদিৰ ওপৰত কৰা হয়। খ্ৰীষ্টৰ নিমিত্তে জীৱাই থাকিবলৈ আৰু তেওঁলৈ উচৰ্গা কৰিবলৈ শোধবাই দিয়া হয়। যাতে খ্ৰীষ্টই আমাৰ মন, হৃদয়, কথা আৰু সকলো কামকে শাসন কৰে।

ক্ৰুচৰ চিন সেই কাৰণে খ্ৰীষ্টলৈ আমাৰ এই উচৰ্গা শোধবোৱা এটা চিন। আমি তেওঁলৈ সম্পন্ন কৰা কামৰ এটা প্ৰাৰ্থনা। এই কথাৰ দ্বাৰাই পবিত্ৰ ত্ৰিত্বৰ ৰহস্য প্ৰকাশ কৰা হয়। আমিও খ্ৰীষ্টিয়ানৰ এই প্ৰধান ৰহস্যত, আমাৰ বিশ্বাস প্ৰকাশ কৰো। "আমি তেওঁক পবিত্ৰ আত্মাৰ পুত্ৰেক পিতাৰ নামত।" (বহুত নামত নহয়, কাৰণ ঈশ্বৰ এজন) সেই কাৰণে আমি কওঁ তিনি ব্যক্তিৰে এক ঈশ্বৰ। ক্ৰুচৰ চিন কৰাৰ দ্বাৰাই ধৰ্ম্যৰ মাজেদি আমাৰ মুক্তিত বিশ্বাস প্ৰকাশ কৰো। ক্ৰুচৰ ওপৰত মৃত্যু মানুহৰ ঈশ্বৰ, ঈশ্বৰৰ পুত্ৰ।

ক্ৰুচৰ চিন এটা আশীৰ্ব্বাদ। ঈশ্বৰৰ আশীৰ্ব্বাদ প্ৰাৰ্থনা আমাক আৰু আমাৰ কামত : আমি কওঁ ঈশ্বৰৰ নামত ইত্যাদি। আমি কওঁ যাতে আমাৰ কামে তেওঁৰ দৃষ্টিত সন্তোষ দিয়ে। তেওঁ যেন আশীৰ্ব্বাদলৈ অনুমতি দিয়ে আৰু বিশেষকৈ যেন তেওঁৰ যশলৈ লগৰীয়া হয়। ইয়াকে

প্ৰকাশ কৰি আমি ক্ৰুচৰ চিন কৰো যে খ্ৰীষ্টৰ মাজেদিয়েই সকলো সাহ আৰু দয়াৰ কথা শুনোঁ। আৰু আমি তেওঁক সদাই বিশ্বাস কৰো। আমি আমাৰ পৰা দুষ্টৰ প্ৰলোভন আৰু গৰ্ব্ব-ভাবৰ ৰিপু দুৰ হবলৈ আমাৰ গাত ক্ৰুচৰ চিন কৰোঁ। কিয়নো সেই বিলাকে আমাক ঈশ্বৰৰ মহিমা গোষনা কৰিবলৈ নিদি কেৱল আমাৰ নিজৰ কাৰণেহে কাম কৰিবলৈ দিয়ে।

আমি সদাই ভক্তিভাবেৰে ধৰ্ম্মোপদেশ পূৰ্ণ পবিত্ৰ অথচ অতি সহজ আৰু চুটি প্ৰাৰ্থনা কৰিবৰ কাৰণে আমাৰ মনত অলপ উৎসাহ দৰকাৰ। কিন্তু আমি আকৌ ভাবি চোৱা উচিত আমি কৰা ক্ৰুচৰ চিনৰ দ্বাৰা তেওঁ যে তুষ্ট হৈছে, এই কথা আমাক সকলো সময়তে দেখুৱা নাই।

এনে প্ৰবাদ আছে যে কোনো দুষ্ট মানুহে সন্ত বেনেদিক্টক এবাটি বিহ দিছিল। সেই পবিত্ৰ পুৰুষে খোৱা পিয়া সকলো কৰাৰ আগতে ক্ৰুচৰ চিন কৰাৰ অভ্যাস আছিল। সেই বাটিটোক পিয়াৰ আগতে আমাৰ মুক্তিৰ চিন ক্ৰুচৰ অভ্যাস কৰিলে। হঠাৎ বাটিটো ভাগি চুৰ মাৰ হৈ গ'ল। এই দৰে সন্ত বেনেদিক্টে ক্ৰুচৰ দ্বাৰা ৰক্ষা পালে।

বিশেষকৈ আমি আমাৰ জীৱনলৈ চক ৰখা উচিত, যাতে আমাৰ আত্মাই শৰীৰৰ দুৰ্ব্বলতা, দুষ্টৰ প্ৰলোভন, আৰু বাধা বিঘিনিৰ মাজেদির্ঘ জীৱন অতিবাহিত কৰিব পাৰি, যদি অমি ক্ৰুচৰ চিন ভালকৈ বুজি আৰু আগ্ৰহেৰে সৈতে মনত ৰাখি কৰোঁ।

এয়ে মোৰ আদেশ, যেনেকৈ মই তোমাক ভাল পাওঁ সেই দৰে তুমিও পৰস্পৰে ইটোৱে সিটোক ভাল পোৱা। (যন ১৫-১২)

যদি এটা মানুহে কয়, মই ঈশ্বৰক ভাল পাও আৰু যদি সি তাৰ ককায়েকক ঘিন কৰে, তেন্তে সি মিচলীয়া; কিয়নো সি তাৰ ককায়েকক দেখিও ঘিন কৰে, তেনেহলে সি ঈশ্বৰক নেদেখাকৈ কেনেকৈ ভাল পায়। (১ যন ৪-২০)





কাছ আৰু শহা পহুৰ কথা

এদিন এটা অহঙ্কাৰী শহাই এটা কাছক লগ পালে। কাছ টোক দেখি শহাটোৱে ঠাট্টা কৰি হাঁহি কৰিবলৈ ধৰিলে 'তই এটা কেনে মুখ জন্তু; তই একেবাৰে যাবই নোৱাৰ। কোনো দুৰ্ঘটনা পালে তই পেটেৰে চুচৰি চুচৰি যাব। মোলৈ চাচোন। আমাৰ সকলো পশুতকৈ মই বেচি বেগাই লৰিব পাৰো।

তাকে শুনি কাছটোৱে ক'লে "সঁচাকৈয়ে নে? তেন্তে আহা, আমি যাব মাৰো। যিয়েই প্ৰথমে সেই গছজোপা লৰিগৈ পাব পাৰিব, তাৰেই জয় হ'ব।"

এক.........দুই.........তিন। কাছটোৱে যিমান বেগাই যাব পাৰে সিমান বেগেৰে যাবলৈ ধৰিলে। কিন্তু শহাটোৱে মনতে ক'লে "বাৰু যা তনেই প্ৰথম হবলৈ চেষ্টাকে কৰাকে চাও! মই অলপ জিৰাই লওঁ তাৰ পাচত তিনি থাপতে তোক চেৰ পেলাম.........।

কিন্তু কথা এনে ঘটিলগৈ যে শহাটো পৰা মাত্ৰকে তাৰ টোপনি আহিল। আৰু কাছটো একেৰাহে থিৰেৰে গৈয়েই আছে।

কিছু সময়ৰ পাছত শহাটোৱে হঠাৎ সাৰ পাই দেখে যে কাছুটোৱে গছ জোপা পাবলৈ কেই খোজ মানুহে আছে। সেইদেখি তেঁও যিমান বেগেৰে পাৰে লৰিবলৈ ধৰিলে, কিন্তু মিছাতে। শহাটোৱে কাছটোক পোৱাৰ আগয়েই কাছটোৱে গছ জোপা চুলেগৈ।

তেতিয়া সকলো জন্তুবোৰে শহাটোক ঠাট্টা বিদ্ৰুপ কৰি হাঁহিবলৈ ধৰিলে আৰু কলে " তোৰ বেচ্ হৈছে; ইয়াৰ পৰা নম্ৰ হবলৈ শিক!"

আমিও এই গল্পৰ পৰা শিকিব লাগে যে আমি আমাৰ কোনো ভাল গুণ থাকিলে তাৰ পৰা যসশ্যা, গপ কৰিব নালাগে। কিন্তু সদায় সকলোৱে ওচৰত নম্ৰ আৰু মিহি হব লাগে।

ঈশ্বৰৰ উপায় জন বস্কৰ স্বপ্ন



১৮২৪ খ্রীষ্টাব্দৰ আগষ্ট মাহ বেগাই চমু চাপি আহিল। জ'ন বস্কোৰ বয়স এতিয়া নবছৰ। সেই সময়ত এৰাতি জ'ন বস্কোৱে সপোন দেখিলে তেওঁ ঘৰৰ ওচৰৰ এখন ডাঙৰ খেল মাটিত; আৰু তাত এজাক সৰু লৰা। কিছুমানে হাঁহিছিল, কিছুমানে খেলি আছিল। কিন্তু সিহঁতৰ কেইটামানে ফিতাহি মাৰিছিল আৰু ঈশ্বৰৰ নিন্দা কৰিছিল। জ'ন বস্কোয়ে সিহঁতৰ উপযুক্ত শাস্তি দিবৰ কাৰণে সিহঁতৰ মাজলৈ ঠেলি হেচি সোমাই গ'ল আৰু হাতৰ মুঠি দুটা টানকৈ ধৰি ভালকৈ

চাৰিওফালে মগ্নতিযাবলৈ ধৰিলে যাতে সিহঁতক কৰা কামৰ পৰা বিৰত কৰি ৰাখিব পাৰে।

অকস্মাৎ সেই ঠাইত এজন শান্ত মূৰ্ত্তিৰ মানুহ আবিৰ্ভাব হ'ল। মানুহ জনে আচৰিত ৰকমে সাজ পোচাৰ পিন্ধিছিল আৰু ডেকা বয়সৰ বুলি অনুমান হৈছিল। তেওঁ জ'ন বস্কোক নাম কাঢ়ি মাতি কলে। নহয়, [illegible] দ্বাৰা নহয় তুমি তোমাৰ এই বন্ধু বোৰৰ হৃদয় নম্ৰতাৰে আৰু দয়াৰে জয় কৰিব লাগিব। সেই কাৰণে সিহঁতক পাপৰ নীচতা আৰু ধৰ্ম্মৰ [illegible] দেখুৱাই দিয়া।"

[illegible] আৰু তেওঁ কি কৰিছে নকাৰছে একো-[illegible] কোৱা [illegible] কোন সুধিলে।

[illegible] কোনো নহয়, [illegible] যদি [illegible] আদেশ পালি চলিবলৈ আৰু [illegible]।

[illegible] এজনা গহীণ আকৃতি [illegible] আবৰণ পিন্ধিছিল আৰু [illegible] চিকমিকিয়া [illegible] প্ৰশ্ন [illegible] আৰু [illegible] উত্তৰ পাই থাকোতে থাকোতে [illegible] আৰু একো কব নোৱাৰা হৈ সেই তিৰোতা গৰাকীৰ [illegible]। [illegible] মৰমেৰে মোক [illegible] ধৰি ক'লে 'চোৱা' [illegible] থকা ঠাই চোখৰ'লে চাই মই দেখিবলৈ পালো যে [illegible] ঠাইত কিছুমান ছাগলি, কুকুৰ মেকুৰী গাহৰি আৰু আন আন জন্তু মাথোন আছে।

তিৰোতা মানুহ গৰাকীয়ে কলে "দেখা, ই তোমাৰ কৰ্ম্ম ক্ষেত্ৰ। নম্ৰ, শক্তিবান আৰু ধৰ্ম্ম পৰায়ন হবলৈ চেষ্টা কৰা, আৰু তুমি এই জন্তু বোৰৰ কি অৱস্থা ঘটিছে দেখিছা, সিহঁতক তুমি নৱাৰ জীৱন দান দিব লাগিব।

মই আকৌ এবাৰ সেই খেল-মাটিৰ ফালে চালোঁ; এইবাৰ ওপৰত কোৱা জন্তু বোৰৰ ঠাইত মই কিছুমান শান্ত ভেৰা ছাগলি দেখিলোঁ; সিহঁতে ডেওদি নাচি নাচি ঘাহৰ ওপৰত জপিয়াই আনন্দেৰে ফুৰি ফুৰিছিল যেন সিহঁতে মোক উপদেশ দি থকা মানুহ জন আৰু তিৰোতা গৰাকীক সম্মান হে দেখুৱাইছিল।

তেতিয়াও মই শুয়েই ভাবিছিলো যে সপোনত মই কান্দিবলৈ ধৰি সেই তিৰোতা গৰাকীক দয়া কৰি তেতিয়াও মই সেই গুঢ়তত্ব নোপোৱা কথাবোৰ ভালকৈ ভাঙ্গি কবলৈ কলোঁ. যাতে সেই ঘটনা বোৰৰ মানে মই বুজিব পাৰোঁ।

তেওঁ তেতিয়া উত্তৰত মোৰ মুৰত হাত ফুৰাই ক'লে "যেতিয়া ইয়াৰ থিক সময় আহিব তেতিয়া তুমি সকলো কথা বুজিব পাৰিবা"।

তেতিয়া কিহবাৰ শব্দ হোৱাত মই সাৰ পালোঁ। আৰু সকলো কথা "সপোনত আলাসত চাং পতাৰ" নিচিনাকৈ নাইকিয়া হ'ল।

আজি প্ৰায় ত্ৰিশ বছৰৰ পাচত জ'ন বস্কোৰ দ্বাৰাই স্থাপিত হোৱা চলিচিয়ান ফাদাৰবিলাকৰ কামৰ দ্বাৰাই সপোন জীৱন্ত সত্যত পৰিণত হৈছে।





বিদেশৰ বাতৰি

ফ্ৰান্সঃ -ইয়াতে পৃথিবীৰ ভিতৰত সকলোত কৈ ডাঙৰ জাহাজ সজা হৈছিল। জাহাজ খনৰ নাম "নৰমাণ্ডী।" তাত ২০০০ তকৈও বেছি মানুহ যাব পাৰিছিল। ই এখন ওপঙি থকা চহৰৰ দৰে। ই বৰ বেগাই যায়, আৰু ঘণ্টাত ১০০ মাইল কৈ চলে।

আমেৰিকাঃ দেট্ৰয়ত নগৰত এজন কাথলিক পুৰোহিতে বাস কৰিছিল, কাথলিক ফাদাৰে প্ৰত্যেক দেওঁবাৰে টেলিগ্ৰাফৰ সহায়েৰে উপসনা বিষয়ক একোচা বক্তৃতা পঠাইছিল। ৩০০০০০০ তকৈও বেছি মানুহে তেওঁৰ সেই বক্তৃতা শুনিছিল। কেইবা হাজাৰো প্ৰটেষ্টাণ্ট কাথলিক হৈছিল।

স্পেইনঃ—ঈশ্বৰৰ বিৰোধি মানুহ বিলাক ধ্বংশ হৈছে। এতিয়া গৱৰ্ণমেণ্ট কাথলিক বিলাকৰ হাতত আৰু সম্ভৱতঃ ৰজাও উলতি যাব।

ইতালিঃ -ৰোমত ৩০০ তকৈও বেছি কাথলিক গিৰ্জা আছে। বাসিন্দা মানুহ প্ৰায় একলাখ আৰু সকলোৱেই কাথলিক। প্ৰটেষ্টাণ্ট বিলাকে এটা প্ৰকাণ্ড গিৰ্জা সাজিবলৈ চেষ্টা কৰিছিল, কিন্তু মহাশয় পুচলিনিয়ে বাধা দিছে

এবিচিনিয়াঃ -এই দেশখন আফ্ৰিকাত। বৰ্ত্তমান তাত ইতালিৰ বিৰোদ্ধে মৰা মৰি আৰু কাজিয়া চলিছে। সম্ভৱতঃ সোন কালে এখন যুদ্ধ হব। কিন্তু এবিচিনিয়াই [illegible]



মৰমৰ পাঠক পাঠিকা
সকল। আপোনালোকে সৌ
ঘণ্টাটো বজোৱা শুনিছেনে
[illegible] বাজছে আৰু
সকলোকে [illegible] আপুনি
অসমীয়া বন্ধুৰ [illegible]
[illegible] দলেনে
[illegible] গৰাহক
[illegible] লোকৰ
[illegible]

নতুন পাঠক পাঠিকা
সকলক [illegible] আপুনি
[illegible]
[illegible] পাব [illegible]
[illegible] বছৰত
[illegible] অসমীয়া
বন্ধুৰ সম্পাদকলৈ পঠাই দিবক। [illegible]

ASAMIYAR-BANDHU

Name

Address

PO [illegible]

PERMISSU SUPERIORUM
PRINTED AT THE CATHOLIC ORPHAN PRESS CALCUTTA
EDITED BY REV FR. A. [illegible] CATHOLIC MISSION [illegible] ASSAM)

অসমীয়াৰ বন্ধু



মোলৈ দুখী আৰু ভাৰাক্ৰান্ত সকলো আহা

মই তোমালোকক সান্ত্বনা দিম।

' যীচুৰ কথা "

ভাৰতীয় বাতৰি

মাইচোৰঃ দক্ষিন ভাৰতৰ এই প্ৰদেশত কাথলিক গিৰ্জ্জাই বহুত উন্নতি কৰিছে। সাধু ফিলোমেনাৰ সন্মানাৰ্থে এতিয়া এটা ধুনীয়া গিৰ্জ্জা আৰম্ভ কৰা হৈছে। ই ১০,০০০ মানুহৰ কাৰণে যথেষ্ট হব।

বৰ্ম্মাঃ—ইয়াতো কাথলিক গিৰ্জ্জাই খুব ভাল কৰিছে। এই টঙ্গু মিচনত ১৭ খন গাৱে উপদেশ লবলৈ সুধিছে আৰু খ্ৰীষ্টিয়ান হৈছে।

ৰাঁচিঃ--ভাৰতৰ প্ৰধান উন্নত হোৱা কাথলিক মিচন বিলাকৰ ভিতৰত ইয়ো এটা। তাত প্ৰায় ১০০,০০০ কাথলিক আছে। তাত বহুত ধুনীয়া গিৰ্জ্জা, স্কুল, হস্পিতাল আৰু মাউৰা লৰা ছোৱালীৰ আশ্ৰম আছে।

শিলংঃ—অলপতে শিলঙত বিচপ লুইচ মাথিয়াজৰ দ্বাৰা ৬ জন নতুন পুৰোহিতক নিয়োগ কৰা হৈছে। তাত এখন ডাঙ্গৰ কলেজ আছে, য'ত প্ৰায় ১০০ মান ছাত্ৰক পুৰোহিত আৰু মিচনাৰী হবলৈ শিক্ষা দিয়া হৈছে। প্ৰতি বছৰে তেওঁলোকৰ কিছুমানে শিক্ষা সাং কৰি চাৰিও ফালে যীচু খ্ৰীষ্টৰ শুভ বাৰ্ত্তা প্ৰকাশ কৰিবলৈ গৈছে।

তেজপুৰঃ ট্ৰেইনিং স্কুল আৰম্ভ কৰা হৈছে। প্ৰায় ২০ জন মান দেকা মানুহ আমাৰ পবিত্ৰ ধৰ্ম্মৰ উপদেশ লবলৈ আহিছে। সিহঁত ইয়াত ৬মাহ থাকিব আৰু তেতিয়া সিহঁতৰ ধৰ্ম্মলৈ পৰিবৰ্ত্তন কৰিবলৈ চাৰিও ফালৰ গাওঁ বিলাকলৈ যাব। সিহঁত বিশেষকৈ কছাৰী; কিয়নো মঙ্গলদৈত বহুত গাৱে খ্ৰীষ্টিয়ান হব খুজিছে।

গৌহাটীঃ—যোৱা মাহত কাথলিক হাই স্কুলৰ লৰা ছোৱালী বিলাক বন্ধত আছিল। সিহঁতে অলপ দিনৰ ভিতৰতে আকৌ সিহঁতৰ পঢ়া আৰু কাম আৰম্ভ কৰিব।

কুৰিবৰালিঃ—আমি ইয়াত খ্ৰীষ্ট ৰজা স্কুল নামে এখন ডাঙ্গৰ স্কুল খুলিছোঁ। চাৰিও ফালৰ গাওঁ বিলাকৰ বহুত লৰা ইয়াত উপস্থিত হৈছে। তাত বহুত ভাল শিক্ষক আছে। এই দৰে আমি প্ৰভু ভক্ত মানুহ আৰু সজ খ্ৰীষ্টিয়ান গঠন কৰিবলৈ আশা কৰোঁ।

অসমীয়াৰ বন্ধু

ভাগ ২য় | আগষ্ট, ১৯৩৫ | সংখ্যা ১২

বন্ধুৰ বাণী।

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই প্ৰায়েই তেওঁ কি কবলৈ গৈছে, তাকে মানুহ বিলাকক বুজাবৰ কাৰণে দৃষ্টান্ত দি কৈছিল, "শুভ বাৰ্ত্তা" এই ধুনীয়া দৃষ্টান্তবিলাকৰে পৰিপূৰ্ণ, যি অতি পৰিস্কাৰ আৰু সহজ আৰু যাক সকলো মানুহে বুজিব পাৰে।

মই এইবাৰ তোমালোকক যীচুৰ দৃষ্টান্ত বিলাকৰ দুটা বা এটা কব খোজো, যি তোমালোকক এটা ভাল শিক্ষা দিব।

এদিন এদল মানুহে আমাৰ প্ৰভুক, তেওঁৰ অনন্ত আত্মাৰ কথা শুনিবলৈ অনুসৰণ কৰিছিল। তেতিয়া যীচুয়ে এটা ধুনীয়া দৃষ্টান্ত দি ক'লে:- স্বৰ্গৰ ৰাজ্য এজন অতি ডাঙ্গৰ ৰজাৰ নিচিনা, যি তেওঁৰ কেৱল পুতেকৰ বিবাহ ভোজ তৈয়াৰ কৰিছিল। যেতিয়া সকলো বন্ধ বস্তু থিক হ'ল, তেওঁ চাকৰ বিলাকক ৰাজ্যৰ মন্ত্ৰী বিলাক, প্ৰধান বিষয়া বিলাক আৰু সকলো বিলাক ভদ্ৰলোকক তেওঁৰ পুতেকৰ বিবাহ ভোজলৈ নিমন্ত্ৰণ কৰিবলৈ পঠালে। কিন্তু এনে ঘটিল যে তেওঁলোক সকলোৱে মিছাই কিছুমান কাৰণ দৰ্শাই আহিবলৈ অসন্মত হ'ল।

ইয়াতে ৰজাৰ খুৱ খং উঠিল আৰু তেওঁৰ সৈন্য বিলাকক তেওঁলোকক শাস্তি দিবলৈ পঠালে। তেতিয়া তেওঁ কলে, "মোৰ ৰাজ্যৰৰ প্ৰধান আৰু

ভদ্র মানুহ বিলাক আহিবলৈ অসন্মত হ'ল যদি, মই দুখিয়া আৰু সাধাৰণ বিলাকক মাতিম"। সেই কাৰণে তেওঁ আকৌ তেওঁৰ চাকৰ বিলাকক পঠালে, যি ৰাস্তা আৰু হাত বিলাকৰ মাজেদি গৈছিল আৰু শীঘ্রে বজাৰ কাৰেং আলহিৰে ভৰি পৰিল। প্ৰকাণ্ড ভোজ ঘৰ মুকলি কৰি দিয়া হ'ল। সিহঁত সকলোৱে খুব জাক জমকৰে সজোৱা মেজ বিলাকত বহি খুব ভাল ভাত পানীৰ ভাগ ল'লে। সিহঁত সকলো খুব সুখী আৰু আনন্দিত হ'ল।

মৰমৰ বন্ধু সকল। এই দৃষ্টান্তৰ অতি ডাঙৰ অৰ্থ আছে। সেই ডাঙৰ ৰজাই পৰমেশ্বৰ;—পুতেক যীচু খ্ৰীষ্ট। বিবাহ ভোজেই পৃথিবীত খ্ৰীষ্টিয়ান ধৰ্ম্ম আৰু স্বৰ্গত অনন্ত আত্মা। চাকৰ বিলাকেই মিচনাৰী বিলাক, যি ঈশ্বৰৰ ৰাজ্যলৈ সকলোকে নিমন্ত্ৰণ কৰিবলৈ সকলো ঠাইলৈকে গৈছিল। সিহঁত প্ৰথমে ভদ্ৰ আৰু জ্ঞানী মানুহ বিলাকৰ ওচৰলৈ গৈছিল কিন্তু তেওঁ লোকে নুশুনিলে,—তেওঁলোক বৰ অহঙ্কাৰী। সেই কাৰণে সিহঁত দুখীয়া আৰু সাধাৰণ বিলাকৰ ওচৰলৈ গ'ল, আৰু ধৰা, আমাৰ দেশতো সিহঁতেই শুভ বাৰ্ত্তাৰ পোহৰ পাইছে। সিহঁতেই ৰাজ কাৰেঙত সোমাই স্বৰ্গত অনন্ত আত্মাত প্ৰবেশ কৰিব।

কাৰণ দুখীয়া কুলি বিলাকেই তোমালোক যেতিয়া আন্ধাৰত পৰিবা, এদিন উজ্জ্বল পৰিচ্ছদত ঈশ্বৰৰ ৰাজ্যত বহিব। অনভিজ্ঞ বিলাকে তোমালোকক কব—আমি তোমালোকৰ দৰে চতুৰ নহয়, কিন্তু আমি ঈশ্বৰত আৰু তেওঁৰ পুতেক যীচু খ্ৰীষ্টত বিশ্বাস কৰোঁ। আমি মিচনাৰী বিলাকে কি কৈছিল বিশ্বাস কৰোঁ, কিয়নো সিহঁতেই ঈশ্বৰৰ চাকৰ আৰু তেওঁৰ নামত আহিছিল। আমি এতিয়া স্বৰ্গৰ আনন্দত সুখী: তোমালোক তোমালোকৰ সকলো জ্ঞানেৰে হেপাহ নপলোৱা জুইত, কিয়নো তোমালোকে তেওঁ পঠোৱা চাকৰ বিলাকক নেমানিলা।

মৰমৰ বন্ধু সকল। এতিয়াও তোমালোকৰ সময় আছে। ঈশ্বৰৰ চাকৰ বিলাক তোমালোকক মাতি এতিয়াও ইয়াতে আছে। "আহা! সকলো সাজু; ভোজ তৈয়াৰী হৈ আছে; ঈশ্বৰৰ পুত্ৰ যীচুৰ মহত ভোজলৈ আহা"!

"অসমীয়াৰ বন্ধু।"

প্ৰেমৰ চাক্ৰামেণ্ট।





আমাৰ প্ৰভু যীচু খ্ৰীষ্টই আমাক ভাল পাইছিল গতিকেই তেওঁ সদাই আমাৰ মাজত থাকিবলৈ ইচ্ছা কৰিছিল; নহয়, তেওঁ আমাৰ আহাৰ হবলৈ আৰু কোনো প্ৰকাৰে আমাৰ হৃদযত থাকিবলৈ খুজিছিল! সেই কাৰণেই তেওঁ তেওঁৰ প্ৰেমৰ "চাক্ৰামেণ্ট" উলিযাছিল। সেয়ে পবিত্ৰ ইউকেৰিষ্ট, যত ৰুটি আৰু দাখ্ৰা তেওঁৰ শৰীৰ আৰু তেজলৈ সলনি হৈছিল।

যেতিয়া পুৰোহিতে পবিত্ৰ উচৰ্গাৰ মাজেদি ৰুটি আৰু দাখ্ৰাক আশীৰ্ব্বাদ কৰে আৰু অৰ্পণ কৰাৰ শব্দ উচ্চাৰণ কৰে; তেতিয়া বেদিৰ ওপৰত আমাৰ প্ৰভু যীচু খ্ৰীষ্ট উপস্থিত; তেৱেঁই পবিত্ৰ কুমাৰীৰ দ্বাৰাই জন্ম হৈছিল আৰু সেয়ে স্বৰ্গৰ মহিমাত। যীচুয়ে কৈছিল-যিয়েই এই ৰুটি খাব (তেওঁৰ শৰীৰ) তেওঁ চিৰকাল জীয়াই থাকিব। তেওঁ মোত আৰু মই তেওঁত থাকিম। "থিক এই মহত সত্যৰ কথা ভাবা।" যেতিয়া আমি পবিত্ৰ কমোনিয় পাও, তেতিয়া আমি যীচুত আৰু যীচু আমাত হয়। আমি তেওঁৰ শৰীৰৰ অঙ্গ হওঁ।

আমাৰ কাৰণে কি এটা মহত সন্মান। তেনে আমাৰ কি কৰ্ত্তব্য হোৱা উচিত? পহিলাতে এনে এজন মহত অতিথিক পাবলৈ আমি নিজক যোগ্যৰাব কৰা উচিত; যেতিয়া পৃথিৱীৰ এজন ৰজা তোমাৰ ঘৰত সোমাই,

তুমি তেওঁক সম্মান দেখুৱাবলৈ খুব চেষ্টা কৰা। তুমি ঘৰ পৰিস্কাৰ কৰা, মৱলা বিলাক আঁতৰাই নিয়া; তুমি ইয়াক ফুল আৰু মুল্যবান কাপোৰেৰে সজোৱা। কিন্তু যীচু ৰজা বিলাকৰ ৰজা। তেওঁ ঈশ্বৰৰ পুত্ৰ;. তেৱেঁই আমাৰ মুক্তি দাতা; তেনেহলে আমি আমাৰ আত্মাক তেওঁৰ দৰ্শনৰ কাৰণে সাজু কৰিবলৈ খুব চেষ্টা কৰা উচিত। আমি আমাৰ অনুতাপ আৰু পাপ স্বীকাৰ কৰাৰ দ্বাৰাই ইয়াক শুদ্ধ কৰা উচিত। আমি ইয়াক ভক্তি, বিশ্বাস আৰু কৃতজ্ঞতাৰে সজোৱা উচিত।

আমি ধিক, যদি আমি এটা মহত আত্মামাৰু পাপৰে এই চাক্ৰামেণ্ট আমাৰ আত্মালৈ আনো। তুমি সেই মানুহটোৰ যীচুৰ দৃষ্টান্ত শুনিছা, যি লেটেৰা কাপোৰেৰে সৈতে ৰজাৰ ভোজলৈ গৈছিল; ৰজাই তেওঁৰ ঘৰত লাজ দিয়াৰ কাৰণে তাক খুব শাস্তি দিবলৈ তেওঁৰ সৈন্য বিলাকক হুকুম দিলে। সেই কাৰণে ঈশ্বৰেও আমাক তেনেকুৱা কৰিব, যদি আমি পবিত্ৰ কমোনিয় অপৰিস্কাৰ আৰু পাপপূৰ্ণ হৃদয়েৰে গ্ৰহন কৰিবলৈ যাওঁ।

দ্বিতিয়তে আমি এই পবিত্ৰ চাক্ৰামেণ্ট গ্ৰহণ কৰিবলৈ যাবলৈ প্ৰায়েই যতদুৰ সম্ভব ইচ্ছুক হোৱা উচিত। ই আমাৰ আত্মা সম্বন্ধীয় আহাৰ। ইয়াৰ আহাৰ নোহোৱাকৈ আমাৰ শৰীৰ দুৰ্ব্বল হয়, আৰু মৰে। সেই দৰে আমাৰ আত্মায়ো এই স্বৰ্গীয় আহাৰ নোহোৱাকৈ শাস্তি ভোগে।

তেন্তে আমাৰ অন্তঃকৰণৰে সৈতে আমাৰ মহিমান্বিত প্ৰভুক ধন্যবাদ দিওঁ আহা; যি তেওঁৰ শৰীৰ আৰু তেজ আমাৰ আহাৰৰ নিমিত্তে দিছিল, তেৱেঁই আমাৰ হৃদয়ৰ ৰজা। তেনেহলে আমাৰ হৃদয় দুৱাৰ তেওঁলৈ মুকলি কৰোঁ আহা; আৰু কওঁ:—"প্ৰভু আহা! তুমি আমাৰ ৰজা হোৱা, মোৰ বন্ধু! মোৰ ত্ৰাণ কৰ্ত্তা"!



ধন্য কুমাৰী মাৰীয়াৰ স্বৰ্গলৈ উত্থান।



এই মাহৰ ১৫ তাৰিখে কাথলিক গির্জাই ঈশ্বৰৰ মহতী মাতৃৰ সন্মানার্থে এটা মহত ভোজ পাতিছিল। ই আমাৰ কাৰণে এটা হুকুম পৰব। এই দিনা আমি মাৰীযাৰ স্বৰ্গলৈ উত্থান গ্ৰহণ মনত পেলাওঁ; সেয়ে, তাইক স্বৰ্গৰ মহিমালৈ সোঁশৰীৰেৰে নিয়া হৈছিল।


আমি পুৰনী বুৰঞ্জীত পঢ়িছো যীচুৰ মাক মৰিল। সেই সময়ত পাচনি বিলাকৰ এজন উপস্থিত নাছিল। যেতিয়া তেওঁ বহুত দিনৰ মুৰত আহিল, তেওঁ এবাৰ তাইৰ শৰীৰটো চাবলৈ খুজিছিল; আৰু সেই কাৰণে তেওঁক কবৰলৈ নিযা হৈছিল। কিন্তু তেওঁলোকে ইয়াক খুলি সুদা দেখি বৰ আচৰিত হ'ল। তেওঁলোকে তাইৰ শৰাৰৰ পৰিবর্ত্তে বহুত ধুনীয়া ফুল দেখা পালে। তেতীয়া তেওঁলোকে এটা আচৰিত বাজনা শুনিলে আৰু ওপৰলৈ চাই পবিত্ৰ কুমাৰীক এটা স্বৰ্গীয় দূতে স্বৰ্গলৈ নিয়া দেখা পালে।

সেইটো আমাৰ প্ৰভু যীচু খ্ৰীষ্টই কৰিছিল, যি তেওঁৰ মাকক খুব ভাল পাইছিল আৰু তাইৰ শৰীৰ কবৰত পচিবলৈ দিয়া নাছিল। তাইৰ শৰীৰৰ পৰাই তেওঁ জন্মিছিল, সেই গতিকে কেনেকৈ তেওঁ নিৰ্ম্মল শৰীৰক পোক বিলাকৰ দ্বাৰাই খাবলৈ দিব?

সেইটো ঈশ্বৰে নিজে কৰিছিল, যি কুমাৰী মাৰীয়াক তেওঁৰ পুত্ৰেকৰ মাক হবলৈ বাচিছিল। তাইৰ পাপ নাছিল আৰু সেই দেখি তাই পাপৰ দণ্ড প্ৰাৰ্থনা কৰিব নেলাগিছিল, যি মনুষ্য জাতিৰ ভাগ্য।

তাক একেবাৰেই পবিত্ৰ আত্মাৰ দ্বাৰাই কৰা হৈছিল, যি কোনো প্ৰকাৰে মাৰীয়াৰ স্বামী আৰু যি এটা প্ৰধান মঠৰ নিচিনাকৈ তাইত আছিল।

ই আমাৰ নিমিত্তে এটা আনন্দৰ দিন; কাৰণ আমি জানো আমাৰ এজনী ভাল আই স্বৰ্গত আছে, যি আমাৰ কাৰণে এতিয়া আৰু আমাৰ মৃত্যুৰ সময়ত প্ৰাৰ্থনা কৰে।



কাথলিক বিলাকে ক্ৰুচ মেডেল আৰু স্কাপুলাৰ কিয় লৈছিল?

মেডেল ইত্যাদি তাবিজ নাহয়, আৰু কাথলিক বিলাকে সেই বিলাকক এনে কুৰা বুলি নেভাবে। তেওঁলোকৰ নিজৰ শক্তি নাই, কিন্তু যদিও আমি ঈশ্বৰ চিন্তা, ধৰ্ম্ম, স্বৰ্গ আৰু নৰ্ক পাহৰি যাওঁ তেওঁলোকে আমাৰ মনত স্থিৰ কৰি প্ৰতি পালন কৰা উপসনা কৰে।

সেই কাৰণে তেওঁলোকৰ ঈশ্বৰৰ কাৰণে খুব ক্ষমতা আছে। আৰু গিৰ্জ্জাই তেওঁলোকৰ দৰকাৰ উৎচাহ দিবলৈ বহুত দণ্ডমোচন আৰু আত্মা সম্বন্ধীয় শক্তি মঞ্জুৰ কৰিছে।

তেওঁলোকে এজন পুৰুহিতৰ দ্বাৰাই আশীৰ্ব্বাদ পোৱা উচিত। আৰু তেওঁলোকে ঈশ্বৰৰ সহায় আৰু আশীৰ্ব্বাদৰ ইমান বোধগম্য হৈছে যে পুৰোহিত সম্বন্ধীয় আশীৰ্ব্বাদত তেওঁলোকৰ গিৰ্জাৰ দ্বাৰা পিন্ধোতা সকলক সোধা।

কাথলিক বিলাকে কিয় পবিত্ৰ পানী ব্যৱহাৰ কৰিছিল?

কাথলিক গিৰ্জাই পৃথিবীৰ সকলো বিলাক বস্তু অলৌকিক সৃষ্টাৰ খুলীয়া বৃত্তান্ত বুলি আমাক অনুমান কৰি লবলৈ কৈছে। আমাৰ অন্তৰে

নিজে তেওঁক এইদৰে দেখুৱাইছিল যি তেওঁৰ শ্ৰেষ্ঠ বচন উপমাৰ সহায়েৰে ভাৱিছিল, বা প্ৰত্যেক দিনৰ আমাৰ জীৱনৰ বস্তু বিলাকৰে সৈতে তুলনা কৰিছিল, আৰু ধৰ্ম্ম পুথিয়ে কৈছেঃ—এই নিমিত্তে তেওঁৰ অনাদি অনন্ত পৰাক্ৰম আৰু ঈশ্বৰীয় স্বভাৱ আদি কৰি অদৃশ্য গুনবোৰ জগতৰ সৃষ্টিকালৰে পৰা নানা কাৰ্য্যত বোধগম্য হৈ স্পষ্টৰূপে দেখাগৈছে। (ৰোম ১·২০) এই খনৰ শিক্ষাত উৎসৱ বিলাক আৰু চিন বিলাক গিৰ্জাত দৰকাৰ আৰু সেই বিলাকেই মানুহৰ মন ধুকিপাবলৈ অতি উজু আৰু সজ বাট।

পবিত্ৰ পানী এটা চিন। পানী আমাৰ প্ৰভু যীচুৱে নিজে আৰু বাপ্তাইজ লোৱা যোহনে বাপ্তাই দিওতে পবিত্ৰৰ চিন বুলি ব্যৱহাৰ কৰিছিল।

গিৰ্জাৰ ওচৰত পানীৰ পাত্ৰ এটা ৰখা হয়। পহিলা গিৰ্জাতে খ্ৰীষ্টিয়ান বিলাকে পবিত্ৰ প্ৰাৰ্থনা লবলৈ গিৰ্জাৰ ভিতৰলৈ সোমাৰ আগতে ঈশ্বৰৰ ঘৰৰ সম্মানাৰ্থে তাতে হাত ভৰি ধোয়ে। এই অভ্যাসৰ বাকী পবিত্ৰ পানীৰে কি কৰে! ইয়াৰে সৈতে আমি গিৰ্জাৰ ভিতৰলৈ সোমোৱাৰ আগতে আমাৰ গাত চতিয়াই লওঁ আৰু দেওবাৰৰ অৱস্থাত ইয়াক এৰা হয়।

ইয়াক পবিত্ৰ বোলা যায় কাৰণ ই ইয়াকৰ সকলো দৰকাৰৰ কাৰণে দুষ্ট আত্মাৰ বিৰোদ্ধে ঈশ্বৰৰ সহায় খুজি আশীৰ্ব্বাদিত হয়। সম্ভৱতঃ ইয়াৰ গুণ গিৰ্জাৰ এই প্ৰাৰ্থনা বিলাকৰ ওপৰত আৰু যি বিলাকে ইয়াক ব্যৱহাৰ কৰে সেই বিলাকৰ উচৰ্গাৰ ওপৰত নিৰ্ভৰ কৰে।

যেতিয়া তেওঁ ইয়াক আশীৰ্ব্বাদ দিয়ে, তেতিয়া আমাক আৰু অন্য-বিলাকক আশীৰ্ব্বাদ দিবলৈ যাতে ঈশ্বৰে, বৰ্ত্তমান কৰা প্ৰাৰ্থনা মঞ্জুৰ কৰে তাকে প্ৰাৰ্থনা কৰি এজন খ্ৰীষ্টিয়ানৰ আৱশ্যকীয় হৃদয়ৰ পবিত্ৰতা শোধৰাই দিবলৈ আৰু দুষ্ট আত্মাৰ প্ৰলোভন দূৰ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা উচিত।



পবিত্র এন্টনি আমার নিমিত্তে প্রার্থনা কর।

" পাদুৱাৰ সাধু এণ্টনি ।"

তুমি পিচৰ পিঠিত যীচু খ্ৰীষ্টক কোলাত লৈ থকা এজন ডেকাপুৰো-হিত দেখা পাবা। তুমি তেওঁৰ মুৰৰ ওপৰত এটা ধুনীয়া পোহৰ আৰু ওচৰত থকা মেজ খনত এখন কিতাপ আৰু কিছুমান ভেট ফুল দেখা পাবা। সেই পুৰোহিত জন কোন? যীচু খ্ৰীষ্ট তেওঁৰ কোলাত কিয় ইমান সুখী হৈছিল ?

শুনা, সেই পুৰোহিত জনৰ নাম পাদুৱাৰ সাধু এণ্টনি। পাদুৱা ইটালিৰ এখন চহৰ, কিন্তু এণ্টনি ইটালিয়ান নহয়। কিন্তু তেওঁক পাদুৱাৰ এণ্টনি বুলিহে জনা গৈছিল, কিযনো তেওঁ তেওঁৰ জীৱনৰ বাকী চোৱা তাতে কটাইছিল। এই চহৰতে তেওঁ অতি অদ্ভুত কাম কৰিছিল। তেওঁ বৰ সাধাৰণ পুৰোহিত আছিল আৰু এচিচিৰ সাধু ফ্ৰান্সিচৰ সমাজত (দলত) সোমাই ছিল। তেও ইন্দ্ৰিয দমন আৰু প্ৰাথনাত এটা গুপ্ত জীৱন কটাই-ছিল। কিন্তু ঈশ্বৰে তেওঁৰ মহত পবিত্ৰাতা সকলোলৈ প্ৰকাশ কৰিছিল আৰু তেতিয়া তেওঁ চহৰে চহৰে প্ৰেমৰ শুভ বাৰ্ত্তা প্ৰকাশ কৰি ফুৰিছিল।

সেই সময়ত তাত বহুত অসৎ মানুহ আছিল। তেওঁ সিহঁতৰ ওচৰলৈ গৈ আৰু পবিত্ৰ কথাৰে সিহতক ঈশ্বৰলৈ পৰিৱৰ্ত্তন কৰিছিল। তাৰ চহৰ বিলাকৰ ইখনৰ সিখনৰ লগত কাজিযা চলিছিল, তেওঁ সিহঁতক শান্তিলৈ অনাত কৃতকাৰ্য্য হৈছিল।

তেওঁ এজন পবিত্ৰ স্বৰ্গীয় দূতৰ নিচিনা - এই কাৰণেই তোমালেকে সৌ ভেট ফুল বিলাক দেখিছা। তেওঁৰ সৰু লৰা যীচুৰ কাৰণে এটা মহত প্ৰেম আছিল। এদিন যীচু এটা সৰু লৰাৰ দৰে তেওঁৰ আগত উপস্থিত হৈ তেওঁক সাবতি লৈ চুমা খাইছিল।

সাধু এণ্টনিৰ দৰে আমিও ধাৰ্ম্মিক আৰু পবিত্ৰ হবলৈ যত্নবান হলেহে হে সৰু লৰা যীচুৱে আমাক ভাল পাব আৰু আমাৰ আত্মালৈ আহিবলৈ খুব আনন্দিত হব।

এজন খ্ৰীষ্টিয়ানে কি জনা উচিত


এজন খ্ৰীষ্টিয়ানে তেওঁৰ সকলো কাম সম্পন্ন কৰিবলৈ, আৰু ভাই ককাইৰ উপকাৰী হবলৈ লিখা পঢ়া শিকা উচিত। ই দেখিবলৈ বৰ বেজাৰ লগা যে নিশ্চেই কমেহে কেনেকৈ লিখিব আৰু পঢ়িব লাগে শিকিবলৈ চেষ্টা কৰে। সিহতে ভাবে কেৱল নগৰৰ মানুহ, চাহাব আৰু বাবু বিলাকেহে লিখা পঢ়া জনা উচিত। ই এটা প্ৰধান ভুল।

সকলোৱে কিছু শিকিবলৈ যত্ন কৰা উচিত, যদি সিহতে কোনটো ভুল আৰু শুদ্ধ জানিব খোজে। আজি কালি বিশেষকৈ লাগতীয়াল জীৱন-যাপন কৰিবলৈ অলপ জ্ঞানৰ বিশেষ দৰকাৰ ; যাতে তেওক কোনো দুষ্ট মানুহে হেচিব নোৱাৰে।

কিন্তু এজন খ্ৰীষ্টিয়ানে কেনকৈ পঢ়িব লাগে শিকা উচিত ; বিশেষকৈ যাতে তেওঁ তেওঁৰ প্ৰাথনা কিতাপ খন বাইবোল খন আৰু আন কিতাপ বিলাক পঢ়িব পাৰে। ইয়াত আমি কেনেকৈ ভাল খ্ৰীষ্টিয়ান হব পাৰি তাকে শিকা উচিত। আমি সৎ আৰু পবিত্ৰ মানুহৰ জীৱনী পঢ়াৰ দ্বাৰাই তেওঁ লোকৰ আহি লৈ চলিম। আমি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ শুভ বাৰ্ত্তা পঢ়াৰ দ্বাৰাই তেওঁক বেচিকৈ ভাল পাম।

মাইকী বাপেকীয়ে তেও লোকৰ লৰা ছোৱালীক অন্ততঃ তিনি বা চাৰি বছৰৰ কাৰণে স্কুললৈ পঠাবলৈ খুব চেষ্টা কৰা উচিত। বহুতে সিহঁতক গৰু আৰু মহ চৰাবলৈ পঠায়। সিহঁত এই দৰে কিৰকমৰ খ্ৰীষ্টিয়ান হব।

কিন্তু উঠি অহা ডেকা মানুহ বিলাকেও শিকিবলৈ চেষ্টা কৰা উচিত। ইয়াক শিকিবলৈ কেতিয়াও খুব দেৰি হোৱা নাই। ই সত্য যে তুমি কেতিয়াও সৰু লৰা ছোৱালীৰ নিচিনাকৈ স্কুললৈ যাব নোৱাৰা। কিন্তু আবেলি তুমি শিকিবলৈ চেষ্টা কৰাত অলপ সময় খৰছ কৰিব পাৰ। এদিন তুমি ইমান আনন্দিত হবা, যে তুমি পঢ়িব আৰু লিখিবলৈ শিকিলা ই তোমাৰ কাৰণে তোমাৰ দৈনিক কামত আৰু আত্মা সম্বন্ধীয় জীৱনত খুব সহায় হব।



বিদেশৰ বাতৰি

কৰিয়া—জগতৰ আটাইতকৈ ওখ মানুহ জন ইয়াত। তেওঁৰ বয়স উনত্ৰিশ; তেওঁ নফিত ওখ।


কচ্ছিয়া--এই মহাদেশত আজিকালিও কাথলিকবিলাক বহুত, তথাপি পুৰোহিতলোকৰ সংখ্যা বিশহে হব পাৰে। শাসনকৰ্ত্তাবিলাকে পাদ্ৰিবিলাকৰ কামত সকলো মতে বাধা কৰে। দেশত আকাল চলে।

গুৱাদালুপ—ব্ৰিন্স নামে এজন কাথলিক পুৰোহিতে কুষ্ঠৰোগী বিলাকক ভালেমান দিন শুশ্ৰষা কৰাৰ পাচত ৰোগ সঞ্চাৰ কৰি চৌৱষ্ঠি বয়সত স্বৰ্গী হল।

স্পেন—হেনৰিক মাতৰবাৰ নামেৰে এজন প্ৰখ্যাত উঁমহতীয়া প্ৰচাৰক আপোন ভুল স্বীকাৰ কৰি কাথলিক মণ্ডলীৰ উপদেশ গ্ৰহণ কৰিলে। এতিয়া তেও পাৰ্য্যমানে কাথলিকবিলাকৰ মাজত কাম কৰে।

টুৰিন ইটেলি যোৱা নবেম্বৰ মাহত খ্ৰীষ্টান সকলৰ সহায় মাৰিয়াৰ প্ৰকাণ্ড গীৰ্জ্জাত এক অন্তৰস্পৰ্শী বিদায় উৎসৱ পতা হৈছিল। প্ৰায় ২০০ শতকৈও অধিক চেলেচিয়ান্ মিশনাৰি আৰু ১০০ চেলেচিয়ান 'চিষ্টাৰে' যীচুৰ সুসমাচাৰ পৃথিবীৰ সকলো ঠাইতে প্ৰচাৰ কৰিবলৈ যাবৰ নিমিত্তে তেওঁলোকৰ পিতা-মাতা আৰু বংশপৰিয়ালৰ পৰা বিদায় ল'লে। তেওঁলোকে ঈশ্বৰ-প্ৰেম আৰু জীৱৰ মুক্তিৰ কাৰণে তেওঁলোকৰ পৃথিবীৰ সৰ্ব্বস্ব ত্যাগ কৰিলে। তেওঁলোকৰ ত্ৰিশ জন ভাৰতলৈ আহিছে আৰু অতি সোণকালে তেওঁলোকে তেওঁলোকৰ মহান্ কাৰ্য্য আৰম্ভ কৰিব।

আমাৰ আত্মা আৰু এখন বীণ



এখন পুৰণা ঘৰৰ কোণত এটা বীণ ওলোমা আছে। কেনেবে তাক বজাবলৈ নজানে। ধুলিয়ে তাৰ ওপৰত দ'ল পাৰ হৈছে। আটায়ে কোৱা কথা এই "এই বীণখন কোনো কামৰ নোহা।"

বহুদিন উকলল এনেতে ঘৰৰ গৰাকী ফিৰি আহিলগৈ। তেওঁ দেখিলে যে ওলাম থকা বীণটোক চাই তাক বেনাৰ পৰা নমাই দি, ভালদৰে ধুলি মচাই আৰু সুৰ মিলাই, তাক ইমান ভালকৈ বজাই দিলেগৈ যে সকলো তবধ লাগিল।

আমাৰ আত্মা এই বীণখনৰ দৰে। আমি পাপ কৰিলে যাচু আমাৰ আত্মাৰ গৰাকীক আঁতৰাই দিওঁহ। তেতিয়া আমাৰ আত্মাৰ ওপৰত ধুলি পৰে আৰু ঈশ্বৰৰ প্ৰেম তেনেহ লোপ পায়। তেতিয়া আমাৰ আত্মা কি কামত লাগিব পাৰিব? কিন্তু আম পাপস্বীকাৰ কৰি আকৌ যাচু আমাৰ গৰাকীক মাতি আনিলে যীচুৱে আমাৰ আত্মাক চাফ-চিকন কৰি পেলাই আমাক পুনাই ঈশ্বৰৰ প্ৰেম দিয়ে। তেতিয়াহে আমি ওৰে দিনটো গান গাই শান্তিৰে দিন নিয়াব পাৰোঁগৈ।

PERMISSU SUPERIORUM
PRINTED AT THE CATHOLIC ORPHAN PRESS, CALCUTTA
EDITED BY REV. FR. A. ALESSI, SC. CATHOLIC MISSION TEZPUR. (ASSAM)

দুটা বাট



এই পৃথিবীত কেৱল দুটা বাট আছে; দুটাত কৈ বেচি নহয়। এটা বাটেদি এটা পৰ্ব্বতলৈ উঠিব পাৰি; ই বৰ থেক কাঁইটীয়া, টান আৰু নিচেই কমেহে ইয়াত খোজ কাঢ়িব পাৰে। আনটো বাট ডাঙৰ, সহজ আৰু ফুলেৰে ভৰা; বহুত মানুহে ইয়াত বগাব পাৰে।

তুমি দুয়োটা বাট কলৈ গৈছে জানেনা? প্ৰথমটো ওপৰলৈ গৈছে, স্বৰ্গলৈ ঈশ্বৰলৈ। দ্বিতীয়টো তললৈ, নৰ্কলৈ—চয়তানলৈ গৈছে। প্ৰথম টোৰ গুৰি অনন্ত জীৱন, স্বৰ্গসুখ, যি চিৰকাল থাকিব। দ্বিতীয়টোৰ গুৰি নৰ্কত অক্ষয় শাস্তি, য'ত হেপাহ নপলোৱা জুই। প্ৰথমটো সজ মানুহৰ বাট। দ্বিতীয়টো দুষ্ট মানুৰ বাট। কোনটোৰেদি তুমি যোৱা? তুমি প্ৰথমটোৰেদি সকলো কষ্ট আৰু যাতনাৰ মাজেদি কোনো বাধা নোহোৱাকৈ উঠিবানে? তুমি প্ৰকৃতত্বে তোমাৰ পিতা ঈশ্বৰলৈ যোৱানে? তুমি তেওঁক পাবলৈ তোমাৰ এই পৃথিবীৰ সকলো অসৎ আমোদ-প্ৰমোদ আৰু লোভ এৰিবলৈ সাজুনে?

আমাৰ প্ৰভু যীচু খ্ৰীষ্টই কৈছে, ময়েই বাট! যদি তোমাক অনন্ত জীৱন লাগে, মোক অনুসৰণ কৰা। যদি তোমাৰ দৰকাৰ, মোৰ লগত ক্ৰুচৰ চিন কৰিবলৈ কালবেৰী পৰ্ব্বতলৈ আহা; যদি তুমি তোমাৰ ধন,

আমোদ প্ৰমোদ আৰু জীবন মোত কৈ ভাল পোৱা তেন্তে তুমি মোৰ শিষ্য নহয়। তুমি যদি মোৰ কাৰণে জীৱন দিয়া, তেনে তুমি অনন্ত জীৱন পাবা।

কিন্তু, বহুত মানুহে মহা গুৰু যীশুক নেমানে সিহঁতে পৃথিবীৰ চয়তানক মানে আৰু অন্ত নোহোৱা ধ্বংশলৈ নিয়া ডাঙৰ বাট টোৰেদি যায়। যেতিয়া সিহত নৰ্কত পৰে, তেতিয়া সিহতে সিহতৰ মূৰ্খামি বুজি পায়। সিহঁতে অনুতাপ কৰে; কিন্তু এতিয়া বৰ দেৰি হ'ল, সময় পাৰ হ'ল। নৰ্কৰ দুৱাৰ চিৰকালৈ বন্ধ হ'ল আৰু কোনেও যাতনাৰ সেই ঠাইৰ পৰা বাহিৰলৈ আহিব নোৱাৰে।

তেন্তে এতিয়াও আমাৰ সময় আছে, আমি অনন্ত জীৱনলৈ নিয যীচুৰ সেই বাটটোৰেদি খোজ কঢ়িবলৈ আমাৰ মনক উন্নত কৰো আহা।

বীৰ লৰা দাবিদ



৪০ বছৰৰ পাচত ইজ্ৰায়েল সন্তান বিলাকে কানাযন সোমাই দেশ অধিকাৰ কৰিলে।

অনুমান ৫ শতাব্দিৰ পাচত বৈৎহেলেমত এজন মানুহ আছিল। তেওঁৰ সাত পুত্ৰ। সৰ্ব্ব কনিষ্ঠৰ নাম দাবিদ, সি বাপেকৰ মেৰ পাল চৰায়।

ফিলিষ্টিয় বিলাকৰে সৈতে যুদ্ধ হ'ল। দাবিদৰ সকলো ভাতৃয়ে তাত যোগ দিলে।

এদিন দাবিদৰ বাপেকে তাৰ ককায়েক হতঁৰ খবৰ লবলৈ দাবিদক শিবিৰলৈ পঠালে। দাবিদ শিবিৰত থাকোঁতেই গোলিয়াথ নামে ফিলিষ্টিয় বিলাকৰ মহাবীৰে যীহুদি বিলাকৰ সম্মুখলৈ আহি ক'লে, "তোমালোকৰ এজনক মনোনীত কৰা। তেওঁ মোৰৰে সৈতে যুদ্ধ কৰক। তেওঁ মোক বধ কৰিব পাৰিলে আমি তোমালোকৰ দাস হম; কিন্তু মই তেওঁক বধ কৰিলে তোমালোক আমাৰ দাস হব লাগিব"।

তাৰে সৈতে যুদ্ধ কৰিবলৈ কোনেও সাহ নকৰিলে। তেতিয়া দাবিদে ক'লে "ময়েই তাৰে সৈতে যুদ্ধ কৰিম"।

দাবিদে নলাৰ পৰা পাঁচটা ডলি উলিয়াই লাথি আৰু ফিঙ্গা লৈ গোলিযাথৰ সম্মুখলৈ গ'ল। গোলিযাথে তাক দেখি ক'লে "মই কুকুৰ নে যে লাথি লৈ মোৰ ওচৰলৈ আহিছ"?

দাবিদে উত্তৰ কৰিলে "তই খড়্গ আৰু ঢাল লৈ আহিছ; মই প্ৰভুৰ নামত আহিছোঁ"।

দাবিদে এটা ডলি লৈ ফিঙ্গাৰে গোলিযাথৰ গালে মাৰিলে। ডলিটো যোদ্ধাৰ কপালত পৰি সোমাই গ'ল। সি মাটিত পৰিল। দাবিদে গোলিয়াথৰ খড়্গ লৈ তাৰ মূৰ কাটিলে।

(এতিয়াৰ পৰা)

"সজ নিয়ম"।

১। পহিলাতে অনুমতি নোখোজাকৈ আন মানুহৰ ঘৰত নোসোমাবা।

২। আন মানুহৰ আগত তোমাৰ টেটু পৰিস্কাৰ নকৰিবা বা থুই নেপেলাবা।

৩। যেতিয়া তুমি মানুহৰ মাজত থাকা নেহাঁমিয়াবা বা বাহু মেলি দিদিবা।

কাথলিক মণ্ডলীৰ শিক্ষা



প্ৰেমৰ দহ আজ্ঞা

আমি ঈশ্বৰক প্ৰেম কৰিবলৈ বাধ্য, এই কাৰণ যে তেওঁৰে অসীম ভাল নিজে নিজে আৰু আমাৰ প্ৰতি। আমি ঈশ্বৰৰ আজ্ঞা পালন কৰি তেওঁৰ প্ৰতি প্ৰেম দেখুৱাম। এই আদেশ বোৰৰ ভিতৰত তিনটি আমাৰ বাধ্যতা প্ৰথমটো ঈশ্বৰৰ প্ৰতি, দ্বিতীয়টো নিজৰ আৰু আনটো নিজৰ ওচৰ চুবুৰিয়াৰ প্ৰতি কৰ্ত্তব্য কাম দেখুৱাইছে।

প্ৰথম আজ্ঞা ঃ—

প্ৰথম আজ্ঞা অনুসৰি আমি বিশ্বাস, ভৰসা, প্ৰেম আৰু ধৰ্ম্মেৰে এক সত্য আৰু জীৱিত ঈশ্বৰক পূজা কৰিবলৈ বাধ্য। বিশ্বাসৰ অহিতে পাপ এইবোৰ : অসত্য ধৰ্ম্মব্ৰত, ইচ্ছুক আশঙ্কা অবিশ্বাস, বিশ্বাসৰ মতৰ জুই আৰু মণ্ডলীৰ উপদেশৰ জগৰীয়া অজ্ঞানতা। যেতিয়া আমি বিশ্বাস হেৰুৱাবলৈ বিপদত থাওঁ তেতিয়া আমি আত্মিক বাধ্যতা, অৰ্থাৎ চাক্ৰমেণ্টবোৰ, পবিত্ৰ মিচ্ছা, দৈনিক প্ৰাৰ্থনা, নিজ আত্মাৰ মিমাংসা, শলাগাৰ প্ৰাৰ্থনা, অসাদৰ, অসাৱধানতা কৰা ঃ এই দৰেই বেয়াকিতাপ, অকাথলিক স্কুল অহা যোৱা কৰিলে, আৰু অসত্যধৰ্ম্মৰ সৈতে থাকিলে সেই সকলো পাপ।

ভৰসাৰ বিৰুদ্ধে পাপ দুবিধ, অৰ্থাৎ হতাশ আৰু ধৃষ্টতা। [illegible] অহিতে মূল পাপ মিছা দেৱতা বা মূৰ্ত্তিৰ পূজা কৰা আৰু যি [illegible]

হে দিব লাগে ইয়াক প্ৰাণী বোৰকে দিলে। প্ৰথম আজ্ঞাই দূতবিলাক আৰু সাধুবিলাকক স্বৰ্গীয় সম্মান দিবলৈ নিসিদ্ধ কৰে, কিন্তু আমি তেওঁলোকক হীন-সম্মান দিব পাৰোঁ এই কাৰণে যে তেওঁবিলাক ঈশ্বৰৰ বন্ধু; ধাৰ্ম্মিক পুৰুষৰ অস্থি, ক্ৰুচ আৰু পবিত্ৰ চিত্ৰবোৰক সম্মান দেখুৱাব পাৰো, কিয়নো সেই বিলাকেই খ্ৰীষ্টৰ ও সাধুবিলাকৰ সোঁৱৰণ।

এই আজ্ঞা অনুসাৰে চয়তানৰ কুমন্ত্ৰনা, আঁচৰন বোৰ ইত্যাদি সমাজক কান দিবলৈ নিষিদ্ধ। যি যি কৰ্ম্মেৰে বা ভাবেৰে আমাৰ বিশ্বাস কমিব পাৰে এই বোৰ অতি শীঘ্ৰে দূৰ কৰা দৰকাৰ। বৰ্ত্তমানে অনেক অনেক সস্তা গ্ৰন্থ প্ৰচাৰ কৰা হয়, কিন্তু সেই সকলো আমাৰ আত্মাৰ ও আত্মাৰ বিশ্বাসৰ বধী, সেই বোৰে অনেক মানুহ, তিৰোতা, লৰা ও ছোৱালীৰ বিশ্বাস ক্ষতি ও নষ্ট কৰে। ভৰসা আৰু প্ৰেম নষ্ট হলে আমি উভয়কে বিশ্বাসেৰে পাব পাৰো; কিন্তু বিশ্বাসৰ ধ্বংশ হলে তাক পুণৰ পাবলৈ হলে কৃপাৰ আচৰিত কাৰ্য্যৰ আৱশ্যক। তেতিয়া হে আমালোকে ত্ৰাণৰ পথলৈ আগুৱাবলৈ কৃতকাৰ্য্য লাভ কৰিব পাৰিম।

"সজ নিয়ম"।

৪। আন মানুহক তোমাৰ কাৰণে বহুত সময় ৰবলৈ নিদিবা।

৫। ওপৰালাৰ অনুমতি নোলোৱাকৈ তেওঁ লোকৰ সম্মুখত নবহিবা।

৬। বুঢাক বা দুৰ্ব্বল মনৰ মানুহক অৱজ্ঞা কৰি নেহাঁহিবা।

৭। যেতিয়া আন মানুহে জীৱনি লয় কোঢাল নকৰিবা।

৮। আন মানুহে যি কৰে তাকে দেখি অনুশৰণ নকৰিবা।

৯। তুমি সকলো জানো বুলি ভাবি তোমাৰ আচৰনত গপাল নহবা।

১০। তুমি কথা কওঁতে সকলো মানুহ কলা হোৱাৰ নিচিনাকৈ ৰব জোৰে নকৰা।

১১। তোমাৰ ধৰ্ম্ম আন মানুহৰ আগত প্ৰকাশ কৰিবলৈ ভয় নকৰিবা।

১২। তুমি তোমাক আন মানুহৰ আগত নথুৱা আন মানুহক ঈশ্বৰৰ আগত দেখাবিবা।

অহঙ্কাৰী হৰিণা।



এদিন এটা অহঙ্কাৰী হৰিণাই হাবিত এটা শহাক লগ পাইছিল। সিহঁতে একেলগে পানী খাবলৈ আৰু জিৰনি লবলৈ এটা নিজৰাৰ ওচৰলৈ গৈছিল। হৰিণা টোৱে সেই নিৰ্ম্মল পানীত তাৰ নিজৰ প্ৰতিবিম্ব দেখি কবলৈ ধৰিলে:— চোৱা মোৰ বন্ধু। মোৰ কি ধুনীয়া এজোৰ শিং আছে, সিহঁত দেখিবলৈ কেনে সুন্দৰ! ইয়াতে শহাটোৱে কলে "মই ধুনীয়া শিঙৰ কাৰণে সিমান যত্ন নলওঁ। মই বিপদৰ সময়ত বহু দুৰলৈ লৈ যোৱা এই বেগীঠেং দুখনক হে বেচি ভাল পাওঁ। মই ভয় কৰো, যে তোমাৰ শিঙে তোমাক কোনো সময়ত এটা বেয়া ফান্দত পেলাব। কিন্তু হৰিণাটোৱে শহাটোৱে কি কৈছিল মন নকৰিলে। ই পানীৰ চৰিবলৈ একে থৰে চাই আছিল আৰু ঘূৰাই ২ অনেক বাৰ কৈছিল "বাস্তৱতে ইহঁত ধুনীয়া; কোনো ৰজাই তেওঁৰ মূৰত থকা এটা মুকুত এই দৰে ভাল নেপায়"।

তেনে সময়তে এটা শব্দ শুনা গ'ল। এটা চিকাৰীযে তাৰ কুকুৰ বিলাকৰে সৈতে কিছুমান জন্তু মাৰিবলৈ বিচাৰি আহিছিল। এতিয়া কুকুৰ বিলাকে হৰিণাটো আৰু শহাটোক দেখি ভুকিবলৈ ধৰিলে আৰু সিহঁতক খেদি গ'ল। শহাটোৱে একমুহূৰ্ত্তৰ ভিতৰতে হাবিত নাইকীয়া হ'ল। হৰিণাটোৱেও তাৰ জীৱনৰ কাৰণে বৰ বেগাই লৰিবলৈ ধৰিলে। ইয়াৰ ঠেং বাস্তৱতে বৰ বেগী; কিন্তু শিং জোৰ এটা জোপোহাত মেৰখাই ধৰিলে; কুকুৰ বিলাকে ততালিকে ইয়াক খাই পেলালে। বেচেৰা মেৰখাই হৰিণা টোৱে মৰাৰ আগেযে অনুতাপ কৰিলে—মই এই দুৰ্ভগীয়া শিং জোৰৰ বশ কৰিবলৈ গৈ কেনে মুখ আছিলোঁ; এতিয়া সিহঁতেই মোৰ মৃত্যুৰ কাৰণ।

মৰমৰ পাঠক! আমিও আমাৰ কাৰণে বিপদ জনক বস্তু বিলাকক কোনো সময়ত প্ৰশংসা কৰোঁ আৰু যি বিলাক বস্তু লাগতীয়াল সেই বিলাক বস্তুৰ কাৰণে যত্ন নলওঁ।

"সাঁথৰ"

পুৰস্কাৰ ! পুৰস্কাৰ !!

মই কোন?

(১) মই মোৰ ঘৰ পিঠিত তুলি নিব পাৰোঁ।
মই লাহে লাহে মাটিত খোজ কাঢ়িব পাৰোঁ।
মই পানীত সাঁতুৰিবও পাৰো।
কোৱাচোন মই কোন ?

(২) মই বৰ অহঙ্কাৰী আৰু অযোগ্য।
মোৰ পাখিবিলাক নালা আৰু সেউজীয়া।
মই মোৰ পাখিবিলাক ব্যবহাৰ কৰাৰ দৰে নেজো ব্যবহাৰ কৰিব পাৰো।
মোক কোন বুলি ভাবা ?

(৩) মই মোৰ ডেকাকাল পানীত কটাও।
মোৰ নেজ থকা কালত ঠেং নাছিল।
মোৰ এতিয়া ঠেং আছে কিন্তু নেজ নাই।
মই মাটি আৰু পানীত থাকো।
মোৰ নাম কি ?

বিশেষ কি চাব লগীয়া :—

আমি এই সাথৰ কেইটাৰ যি শুদ্ধকৈ উত্তৰ দিব পাৰিব এটা ধুনীয়া পুৰস্কাৰ দিম।

ASAMIYAR-BANDHU

Name

Address

P.O.

PERMISSU SUPERIORUM
PRINTED AT THE CATHOLIC ORPHAN PRESS, CALCUTTA.
EDITED BY REV. FR. A. ALESSI, S.C., CATHOLIC MISSION TEZPUR. (ASSAM.)



বিদেশী বাতৰি ।

কানাডা ঃ—এই দেশৰ এখন সৰু চহৰত একে সময়তে পাঁচটা লৰা ছোৱালী জন্মিছিল। আমেৰীকাৰ সকলো অংশৰ পৰা বহুত মানুহ সিহঁতক চাবলৈ গৈছিল।

আফ্রিকা ঃ—এই দেশ খনক কলা মহাদেশ বোলে। কিন্তু এতিয়া ইযাত যীচু খ্ৰীষ্টৰ পোহৰ বহুতৰলৈ বিয়পি পৰাত বগা মহাদেশ হৈছে। যোৱা বছৰত ৩০০০,০০০ কেও বেচি নিগ্ৰো কাথলিক হৈছে।

চিন ঃ—জাপানে মানচুকু বোলা উত্তৰ অংশ অধিকাৰ কৰিছে। এতিয়া জাপান বিলাকক আন এটা অংশ লাগে গতিকে যুদ্ধ হব।

বলিভিয়া ঃ—(আমেৰীকা) কেইবা মাহে বলিভিয়াই গ্ৰেণ্ড চাকু বোলা এডোখৰ ঠাইৰ নামকে পাৰাগুৱেৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। শেষত এতিয়া দুয়ো খন দেশৰ মাজত শান্তি স্থাপন হৈছে।

জাৰ্ম্মানি ঃ-এই দেশত নাজি বিলাকে সকলো অধিকাৰ কৰিলে। এতিয়া সিহঁতে ধৰ্ম্মৰ বিৰোদ্ধে যুদ্ধ কৰিব খুজছে, কিন্তু সিহঁতে দেখিছে যে, এইটো অসম্ভব। জাৰ্ম্মানিত থেৰেচা নিউমান নামে এজনা পবিত্ৰ কুমাৰী আছে। তাই বহুবছৰৰ কাৰণে এতিয়া একো নেখায; তাই কেৱল প্ৰত্যেক ৰাতিপুৱা পবিত্ৰ কমুন্য লয়। তাইৰ গাত আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ ক্ৰুচত মৰা যাৰ দাগ আছে। বহুত মানুহে তাইক চাবলৈ গৈছে আৰু তাই সিহঁতক দিয়া সজ উপদেশ শুনিছে। তাই বহুত ভবিষ্যত কথা কব পাৰে। বহুত দুষ্ট মানুহ তাইৰ ওচৰলৈ গৈ পৰিবৰ্ত্তন হৈছে।

ৰুচিয়া ঃ—বলচেভিষ্ট বিলাকে বহুত ধুনীয়া আৰু পুৰণি গিৰ্জ্জা ধ্বংশ কৰিলে। সিহঁতে ধৰ্ম্ম উঠাই দিব খুজছে। কিন্তু মানুহ বিলাকে যদি বলৰে গিৰ্জ্জা বিলাক টানি আনিব পাৰে, তেনে হলে সিহঁতে কেতিয়াও সিহঁতৰ হৃদয়ৰ পৰা বলৰে খ্ৰীষ্টিয়ান ধৰ্ম্ম টানি আনিব নোৱাৰে।


অসমীয়াৰ বন্ধু



মই'যে সজ মেৰ ৰখীয়া।

সজ মেৰ ৰখীয়াই মেৰ ছাগলিৰ লগতে নিজৰ জীৱন কটায়।

'যীচুৰ কথা"



বিদেশী বাতৰি

ইটালি ঃ—১২০,০০০ ইটালিয়ান সৈন্য আফ্ৰিকাৰ ভিতৰৰ এবিচিনয়ালৈ গৈছে। শুনা গৈছে যে, নচেৎ অলপ দিনৰ ভিতৰতে এই দুয়োখন দেশৰ মাজত এখন যুদ্ধ হব। এবিচিনয়ান বলকে অনেকবাৰ ইটালি ৰাজ্য আক্ৰমন কৰিছিল আৰু এতিয়া সিহঁতে পাব লগীয়া শাস্তি পাব।

লুবিয়ানা ঃ -(যুকোস্লাভীয়া) যোৱা বাৰ এই চহৰ খনত এখন বৃহৎ কাথলিক সভা হৈ গ'ল। তাত ১০০,০০০ মানুহ উপস্থিত হৈছিল। "চালিচিয়ান কাৰ্ডিনেল হ্লণ্ড" সভাপতি আছিল।

ওলেণ্ড ঃ—শিক্ষা বিভাগৰ মন্ত্ৰী মিষ্টাৰ মাৰ্চেণ্ট প্ৰটেষ্টাণ্ট আছিল। তেওঁ বহুত কাথলিক স্কুল পৰিদৰ্শন কৰি কাথলিক ফাদাৰ আৰু চিষ্টাৰ বিলাকে ছাত্ৰবিলাকক উদাৰতাৰে ভালকৈ শিকোৱা দেখি কাথলিক ধৰ্ম্ম গ্ৰহণ কৰিলে।

মাল্টা ঃ –মাল্টা দ্বীপত এজন ইংৰাজ নৌ-সেনাপতিয়েও প্ৰটেষ্টাণ্ট ধৰ্ম্ম এৰি কাথলিক ধৰ্ম্ম লৈছে। অলপতে ইয়াত এখন কাথলিক সভা বহিছিল আৰু তাত আমাৰ প্ৰভুৰ সম্মানাৰ্থে পবিত্ৰ ইউকাৰিস্ট পতা হৈছিল।

স্পেইন ঃ—পম্বো নামেৰে এজন ডেকা কাথলিকে অকলে উৰা জাহাজেৰে ৩,৭০০ মাইলতকৈয়ো বেছি দূৰ স্পেইনৰ পৰা আমেৰিকালৈ গৈছিল। তেওঁৰ লগত আমাৰ মহিলা মাৰীয়াৰ এখন চবি থকাৰ কাৰণে তেওঁ অকনো ভয় নকৰিছিল আৰু তেওঁ সকলো সময়তে মালা জপিছিল।

অসমীয়াৰ বন্ধু

ভাগ ২য় | চেপ্টেম্বৰ, ১৯৩৫ | সংখ্যা ১৩

বন্ধুৰ বাণী।



আমাৰ প্ৰভু যীশু খ্ৰীষ্টৰ পথ প্ৰদৰ্শকৰ বিষয়ে আৰু বেচিকৈ শুনিবলৈ তোমালোকে মোলৈ লেখিছিলা।

যাৰু ময় আজি অতি আনন্দ মনেৰে অলপ সৰহকৈ কম। এতিয়া এই ছবি খনিলৈ চোৱা, তাত দেখিবলৈ পাবা পাচনিবিলাক ও মানুহৰ দলে আমাৰ প্ৰভুৰ বাক্যলৈ একান্ত মনেৰে কাণ দি আছে।

তেওঁ সিবিলিকক কি কৈছে? তেওঁ তেওঁৰ হাত ওপৰলৈ তুলি ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে উপদেশ দিছে। "তোমালোকে পোন-প্ৰথমে ঈশ্বৰৰ ৰাজ্য বিচাৰা আৰু তেমালোকৰ যি পাবলগিয়া সেই সকলো পাছত দিয়া হব।"

যদি এজন মানুহে গোটেই পৃথিবী লাভ কৰি তেওঁৰ আত্মা হেকৰাই তেনেহলে কি হব?

কি খাম? বা কি পিন্ধিম এই দৰে কৈ চিন্তা নকৰিবা "আকাশৰ চৰায় ও পথাৰৰ ফুল বোৰলৈ চোৱা......, সেই বোৰে শ্ৰম নকৰে তথাপিও সেই বোৰে আহাৰ প্যাই আছে ও পৃথিবীৰ বজাৰ নিচিনা সাজ পাৰেৰে বিভূষিত হৈ আছে......কাৰণ ঈশ্বৰে সিবিলাকলৈ চিন্তা কৰি আছে।

তুমি যদি ঈশ্বৰক প্ৰেম কৰি তেওঁৰ আজ্ঞাধীন হোৱা নিশ্চয় তেওঁ তোমাৰ নিমিত্তে কিমান চিন্তা কৰিব।

তাৰ পাছত যীশুৱে এটা দৃষ্টান্ত দি কলে ঃ—

এসময়ত এটা বৰ ধনী ও দুষ্ট মানুহ আছিল। সি কেৱল এই পৃথিবীৰ সুখ ও ধন বিচাৰি ফুৰিছিল ও দৰিদ্ৰৰ প্ৰতি বৰ কু-আচৰণ কৰিছিল। এসময়ত এটা কাঙালে তাৰ দুৱাৰ মুখত থিয় হৈ মেজৰ পৰা খোৱা বস্তু খোজাত তাক বঞ্চিত কৰি খেদায় পাঠালে, কালক্ৰমে সেই ধনী ও কাঙাল মৰিল সেই কাঙালৰ আত্মা দূতবিলাকৰ দ্বাৰায় স্বৰ্গলৈ নিয়া হল আৰু ধনীয়ে গোটেই জীৱনটো অসৎ উপায়েৰে কটোৱাৰ বাবে তাৰ আত্মাৰ নৰকৰ অনন্ত অগ্নিশিখাত পেলোৱা গল।

এদিন যেতিয়া সি অগ্নিশিখাৰ যন্ত্ৰনাত পিয়াহৰ অনুভব কৰি স্বৰ্গৰ ফাললৈ চকু তুলি সেই কাঙালটোক মহা আনন্দেৰে বহিথকা দেখা পায়, কান্দি বিঙিয়াই কলে মোৰ বৰ পিয়াহ লাগিছে। মোক অলপ পানী দিয়া যাতে ময় মোৰ এই ভীষণ পিযাহ গুচাব পাৰো।

কিন্তু ঈশ্বৰে কলে নহয় নহয়·····তুমি গোটেই জীৱনটোত মোক প্ৰেম ও কাঙালক চেনেহ সহায় নকৰি ধন ও সুখ বিচাৰিছিলা··· সেই গতিকে তুমি এতিয়া এই অনন্ত জ্বলি থকা অগ্নিশিখাত বাস কৰা।


তাৰ পাছত সি আকৌ কবলৈ ধৰিলে, উঃ মোক অলপ সময় দিয়ক ; যাতে ময় পৃথিবীলৈ গৈ মোৰ ভাই ভনীক এই ভয়ানক নৰকৰ বিষয়ে বৰ্ণাব পাৰো যাতে তেওঁ লোকে ভাল কাম কৰে আৰু যেন মোৰ অনুগামী নহয়।

কিন্তু ঈশ্বৰে কলেঃ—"নহয়, নহয়·····সিহঁতৰ লগত মোৰ ধৰ্ম্ম প্ৰচাৰকবিলাক আছে, তেওঁলোকে মোৰ শিক্ষা জানে, যদি সিহতে মোৰ দাসৰ কথা আওকাণ কৰে তোমাৰ কথালৈ ও আওকাণ কৰিব।"

প্ৰিয় বন্ধু সকল, যীশুৰ এই দৃষ্টান্ত লৈ এবাৰ ভাবি চোৱা। তুমি ঈশ্বৰৰ ধৰ্ম্মপ্ৰচাৰকৰ কথা শুনিচানে, মিচনাৰীবিলাকে কিমান দূৰদেশৰ পৰা আহি স্বৰ্গ ঢুকি পাবলৈ শিকাইছে ? তোমাৰ এতিয়াও ভাবিবলৈ সময় আছে, তুমি যদি সিহঁতক নেমানা বা সিহঁতৰ কথা অবজ্ঞা কৰা জানিবা যে ঈশ্বৰেও এদিন তোমাৰ কথা নুশুনিব, তেতিয়া তোমাৰ অতি পলম হব।

তেতিয়া তুমি কান্দিবা, কিন্তু কোনেও তাৰ উত্তৰ নিদিব। সেই সময়ত তুমি বৰ পিপাসিত হবা, কিন্তু তোমাৰ কোনেও পিয়াহ নিবাৰণ নকৰিব ; তুমি সেই জ্বলি থকা নৰকত পৰি থাকিবা, ও সেই সময়ত কেকোনেও তোমাক সেই যন্ত্ৰনাৰ পৰা আতৰাব নোৱাৰিব।

এতিয়াও তোমাৰ সময় আছে মন ফিৰোৱা ও আমাৰ যীশু খ্ৰীষ্টকে বিশ্বাস কৰা। "অসমীয়া বন্ধু"



মহত আলহী

এসময়ত এজন ৰজাই তেওঁৰ মন্ত্ৰীবিলাকৰে সৈতে এখন অতি ডাঠ হাবিত চিকাৰ কৰিবলৈ গৈছিল। অকস্মাতে ৰজাই এটা হৰিণা দেখি তেওঁৰ ঘোৰাই যিমান বেগাই লৰিব পাৰে তাৰ পিচে পিচে লৰিবলৈ ধৰিলে। কেই ঘণ্টা মান লৰাৰ পাচত হৰিণাটো ক্লান্ত হৈ মাটিত পৰিল আৰু ৰজাই তাক অনয়াসে তুলি ল'লে।

ৰজাই চিকাৰত বৰ সুখী হৈ তেওঁৰ বন্ধু বিলাকৰ ল'গ ধৰিবৰ কাৰণে বেগাই উলতি আহিল। কিন্তু হাবি খন ইমান ডাঠ আছিল যে, তেওঁ আচল বাট পাহৰি তেওঁলোক থকা ঠাইলৈ নগৈ হাবিৰ মাজেদি বহুদূৰলৈ যাবলৈ ধৰিলে।

ৰাতি হ'ল। ৰজাৰ বৰ ভাগৰ লাগিল। তেতিয়া ইমান আন্ধাৰ আছিল যে, তেওঁ আৰু অলপো আগুবাব নোৱাৰিলে। সেই কাৰণে তেওঁ ঘোৰাৰ পৰা নামি এটা ডাঙৰ শিলৰ ওপৰত বহিল। তেওঁৰ বৰ ভোক লাগিল। তেওঁ বনৰীয়া জন্তুৰ কাৰণে বৰ ভয় কৰিবলৈ ধৰিলে।

থিক এনেসময়তে তেওঁ বহুত দুৰত এটা পোহৰ দেখা পালে। তেওঁ তালৈকে গ'ল। এইটো এটা কাঠ কটীয়া মানুহৰ ঘৰ। তেওঁ দুৱাৰত খুন্দিয়াবলৈ ধৰিলে। কাঠ কটীয়া মানুহটো খঙেৰে উত্তৰ দি ওলাই আহিল। আৰু আলহীক বিদ্ৰোপ কৰিবলৈ ধৰিলে। সি তেওঁক ৰজা বুলি নেজানিছিল। ৰজাই যেতিয়া এটুকুৰা ৰুটি আৰু শুবলৈ এডোখৰ ঠাই খুজিলে, কাঠ কটীয়া মানুহটোৱে এডাল লাঠি লৈ তেওঁক কোবাবলৈ ধৰিলে।

ৰজা গুচি গ'ল, কিছু সময়ৰ পাচত তেওঁ লগৰীয়া বিলাকক লগ পালে আৰু কাৰওলৈ উলতি গ'ল।

ৰাতিপুৱা তেওঁ সৈন্য বিলাকক সেই দুষ্ট কাঠ কটীয়া মানুহটোক তেওঁৰ আগলৈ আনিবলৈ পঠালে। যেতিয়া কাঠ কটীয়া মানুহটো উপস্থিত হৈছিল, ৰজাই তেতিয়া ৰাজ পৰিচ্ছদত মন্ত্ৰী আৰু প্ৰধান বিষয়া বিলাকৰ দ্বাৰা বেৰি থকা সিংহাসনত বহি আছিল। তেওঁ কাঠ কটীয়া

মানুহটোক দেখা মাত্ৰেই থিয়হৈ খঙাল চকু তাৰ ওপৰত ৰাখি কলে— এতিয়া তই মোক চিনি পাইচনে ?ময়ে সেই দুখীয়া বাটকৰা, যি মোক ৰাতি তোৰ ঘৰলৈ যাওঁতে তই সিমান কৈ গালি পাৰিছিলি।—এই কথাত কাঠ কটীয়া মানুহটোৱে ইমান ভয় পালে যে, সি মাটিত পৰিল আৰু মৰিল।

মৰমৰ পাঠক ! স্বৰ্গৰ ৰজা যীচু খ্ৰীষ্ট অনেক সময়ত তোমাৰ হৃদয়-দুৱাৰত খুন্দিয়াবলৈ আছে। তেওঁৱেই প্ৰধান আলহী; তেওঁক তোমাৰ ঘৰলৈ আহিবলৈ লাগে। তুমি তেওঁক গ্ৰহণ কৰানে ? নাইবা তুমি তেওঁক গালি পাৰি তেওঁৰ সম্মুখত দুৱাৰ বন্ধ কৰা ? মনত ৰাখিবা – আমাৰ মৃত্যুৰ পাচত, এদিন আমি তেওঁৰ দ্বাৰা বিচাৰ কৰিবলৈ, তেওঁৰ আগলৈ যাম। তেতিয়া তেওঁ আমাক কব—মই কতবাৰ তোমাৰ দুৱাৰত খুন্দিয়াই-ছিলোঁ ! কিন্তু তুমি ইয়াক খোলা নাছিলা। মই এডোখৰ সৰু ৰুটি, পানী আৰু জীৱনি লবলৈ এডোখৰ ঠাই খুজিছিলো। তুমি মোক খেদি দিছিলা।

আমি তেতিয়া কি উত্তৰ দিম ?

সজ মেৰ ৰখীয়া।



ঢাকনিৰ ওপৰত দিয়া ছবি খনে কি বুজায় ? তুমি মেৰ ছাগলি বিলাকৰ মাজত এজন মেৰ ৰখীয়া দেখিবলৈ পাইছা। তেওঁ সিহঁতক অতি মৰমেৰে চায়। মেৰ ছাগলি বিলাকেও তেওঁক খুব ভাল পায় আৰু অনুসৰন কৰে; কিয়নো সিহঁতে জানে যে তেওঁ সিহঁতক ভাল ঘাঁহনিলৈ লৈ যায়। সেই সজ মেৰ ৰখীয়াই আমাৰ প্ৰভু যীচু খ্ৰীষ্ট। যি বিলাকে তেওঁৰ কথা শুনি তেওঁক অনুসৰণ কৰে, সিহঁতেই মেৰ। এতিয়াও তেওঁক অনুসৰণ নকৰা বহুত আছে। সিহঁত তেওঁৰ পৰা বহুত আঁতৰত আৰু সিহঁত এতিয়াও বাং কুকুৰৰ মুখত পৰা বিপদত পৰি আছে। আহা ! আমি সকলোৱে সদাই তেওঁৰ কাষত থাকি তেওঁৰ [illegible] শুনি আৰু তেওঁক অনুসৰণ কৰি [illegible]।

এজন খ্ৰীষ্টীয়ানে কি জনা উচিত ?



আমাৰ প্ৰভু যীশু খ্ৰীষ্টয এই জগৎলৈ ঈশ্বৰলৈ সত্য ও ওচৰ চুবুৰীযালৈ সৰল প্ৰেম দিবলৈ আহিছিল।

আমালোকে যদি যীশুক সত্যাতে অনুসৰন কৰিব খোজো তেন্তে আমালোকে ঈশ্বৰক সকলো অন্তৰেৰে ও নিজ লগৰী বিলাকক যথাসাধ্যে প্ৰেম কৰা উচিত।

আমালোকে কেবল আমালোকৰ বন্ধু ও পৰিযালক প্ৰেম কৰিব লাগে এনে নহয, কিন্তু শত্ৰুকো প্ৰেম কৰা উচিত।

এজন প্ৰকৃত খ্ৰীষ্টীয়ানে সকলো দোষ ক্ষমা কৰা ও প্ৰত্যেক ওচৰ চুবুৰীয়াৰ নিমিত্তে নিজকে সকলো কাৰ্য্যতে উৎসৰ্গ কৰা উচিত, সেই প্ৰেম কেবল মুখৰ দ্বাৰা নহই কিন্তু কাৰ্য্য ও সত্যতাৰ দ্বাৰা হব লাগে।

সাধু যোহনে কৈছিল যে আমালোকে যদি ওচৰ চুবুৰীয়াক ঘিনায় ঈশ্বৰক প্ৰেম কৰো তেনে হলে আমি মিছলিযা, আৰু সাধুপৌলে কৈছিল যে প্ৰকৃত প্ৰেমে আমাৰ পাপৰ থুপ ঢাকি ৰাখে।

ঈশ্বৰক ক্ষমা খোজাৰ পূৰ্বেই আমালোকে আমাৰ ওচৰ চুবুৰীয়াক ক্ষমা কৰা উচিত। যেনেকৈ আমালোকে প্ৰভু প্ৰাৰ্থনাত কও যে "আমি যেনেকৈ আমাৰ অপৰাধী বিলাকক ক্ষমা কৰো তেনেকৈ আমাৰ অপৰাধ সকল ক্ষমা কৰা।

যেতিয়া বধকৰো তাবিলাকে তেওঁক ক্ৰুচত দিবলৈ হাতে ভৰিয়ে বিন্ধ কৰিছিল তেওঁ চিঞৰি কৈছিল পিতৃ এওঁ বিলাকক ক্ষমা কৰা, কাৰণ এওঁ বিলাকে কি কৰিছে তাক নেজানে।

এই আদৰ্শটো হাজাৰ হাজাৰ ভাল খ্ৰীষ্টীয়ান লোকে তেওঁ লোকৰ শত্ৰুক ক্ষমা কৰি অনুসৰন কৰিছে।

এতিয়া এই গল্পটো শুনা :—

অনেক বছৰৰ আগেয়ে ইটালীৰ ফ্লৰেন্স নামে এখন ধনীয়া নগৰত জন গোলবার্টী নামে এজন মহৎ লোক বাস কৰিছিল। তেওঁৰ এটী অতি চেনেহৰ ভায়েক আছিল।

কিন্তু এসময়ত এটা দুষ্ট মানুহে সেই লৰাটোক বধ কৰিলে। তুমি তেওঁৰ ককায়েক জনৰ বেজাৰ অনুভব কৰিব পাৰা। তেওঁ সেই মৰণৰ প্ৰতিকাৰ লবলৈ প্ৰতিজ্ঞা কৰিলে। সেই দিন যীশু খ্ৰীষ্টৰ ক্ৰুচৰ উপৰত মৰণৰ পবিত্ৰ শুকুৰ বাৰদিন আছিল।

জন গোলবাটীয়ে তেওঁৰ চাকৰ ও সৈন্যবে সৈতে বাটেদি গৈ থাকোতে তেওঁৰ ভায়েকক বধ কৰোতা জনক দেখা পালে। সেই সময়ত তেওঁ ততালিকে খঙত উগ্ৰমূৰ্ত্তি হৈ হাতত এখান চোকা তৰোৱাল লৈ তাক বধ কৰিব গল। বেচেৰায় দেখিলে সি মাৰব ও সাৰিবলৈ কোনো উপায় নেদেখি সি জনৰ ভৰিত পৰি সাবটি লৈ চিঞৰি কলে—"আজি আমাৰ প্ৰভু যীশু খ্ৰীষ্ট আমাৰ নিমিত্তে ক্ৰুচত মৰিল······তেওঁৰ হৈ মোক ক্ষমা কৰক ·····মোক বচাওক।

জনে তাৰ মূৰৰ উপৰলৈ ডাঙ্গা তৰোৱাল খন থমালে ও অলপ পৰ ভাবি তেওঁৰ অস্ত্ৰখান দলিয়াই পেলায়দি সেই শত্ৰুটোক সাবটি চুমা খায় কলে হয় যীশুৰ প্ৰেমতেই ময় তোমাক ক্ষমা কৰিলো।

তাৰ পাছত জনে এটা ধৰ্ম্ম মন্দিৰলৈ গৈ যীশু ক্ৰুশত মৰা প্ৰতিমূৰ্ত্তিৰ আগত আঠু কাঢ়িলে, তেতিয়াই তেওঁ যীশু ক্ৰুচত মৰা প্ৰতিমূৰ্ত্তিৰ মূৰ তেওঁৰ ফাললৈ দো খায় অহা দেখিলে, আৰু চিঞৰি কোৱা এটা মাত শুনিলে—জন এতিয়াহে তুমি মোৰ প্ৰকৃত শিষ্য।



সন্ত যোহন বস্কৰ গোটাচেৰেক উপদেশ

(১) পাপ পৰমেশ্বৰৰ আটাইতকৈ ডাঙৰ শত্ৰু।

(২) ঈশ্বৰে পাপক ঘিণ কৰে।

(৩) ধনী হবৰ ইচ্ছা কৰিলে, দুখীয়া নিচলাক খোলা মনৰে দান কৰিব লাগে।

(৪) সৰু লৰা ছোৱালীবিলাক, যীচু আৰু কুমাৰী মাৰীয়াৰ প্ৰিয় পাত্ৰ।

(৫) অনাথবিলাকক ৰক্ষা কৰোতাক ঈশ্বৰে আশিৰ্ব্বাদ কৰে আৰু মৰণৰ সময়ত কুমাৰী মাৰীয়াই ৰক্ষা কৰে।


(৬) আমি ইহকালতো ভাল কাম কৰাৰ বাবে পুৰস্কাৰ পাম।

(৭) জীৱনৰ ভাল কাম মৰণৰ সুখ।

(৮) যিবিলাকে ঈশ্বৰক বিচাৰবৈল পলম কৰে, তেওঁলোক বিপদত পৰে।

(৯) যি আত্মা তৰে, সি নিজকে তৰে। যি আত্মা নষ্ট কৰে, সি নিজৰ সকলো নষ্ট কৰে।

(১০) স্বৰ্গত চিৰকাললৈ শান্তি লাভ কৰা হয়।



এচিচিৰ মৰমৰ সাধু ফ্ৰান্সিচ ! তুমি ক্ৰুচত মৃত্যু হোৱা আমাৰ প্ৰভু যীচু খ্ৰীষ্টক খুব ভাল পোৱা ; আমাৰ অন্তঃকৰণেৰে তেওঁক ভাল পাবলৈ আমাক শিকোৱা ।

এসিসি প্ৰদেশৰ সাধু ফ্ৰান্সিস

যোৱা বাৰৰ সংখ্যাত আমালোকে পাদুৱাৰ সাধু এণ্টনিৰ আচৰিত জীৱনীৰ বিষয় পাইছিলো, তেওঁ এজন সাধু ফ্ৰান্সিসৰ সমাজৰ মঠবাসী সন্ন্যাসী আছিল।

তুমি সিপিঠিত সেই মহান ধাৰ্ম্মিক লোকজনৰ ছবি দেখিবলৈ পাবা। তেওঁ ইটালীৰ এসিসি চহৰৰ এজন প্ৰখ্যাত ধনী সদাগৰৰ একেজনা পুত্ৰ আছিল। তেওঁ তেওঁৰ গোটেই ডেকা কালটো নানাপ্ৰকাৰ ৰং ধেমালিৰে কটাযছিল।

এদিন তেওঁ বেমাৰত পৰি থাকোতে, পৃথিবী এৰি ঈশ্বৰৰ দাস হবলৈ মতা এটা মাত শুনিবলৈ পালে। তেওঁ তাকে কৰিবলৈ প্ৰতিজ্ঞা কৰাত ততালিকৈ আৰুগ্য হল।

তেওঁ নিজৰ ঘৰ বাৰী ধন সম্পত্তি এৰি এটা সৰু গুহালৈ গৈ প্ৰাৰ্থনাৰে নিজকে উৎসৰ্গ কৰিলে।

যীশু খ্ৰীষ্টই যেনেকৈ আমালোকৰ পাপৰ নিমিত্তে দুখ ভোগ কৰিছিল, তেনেকৈ তেওঁ তেওঁৰ প্ৰেমত কষ্ট ভোগকৰি অতিশয় আনন্দ লাভ কৰিছিল।

তেওঁ ইমান ডাঙৰ ধাৰ্ম্মিক আছিল যে বনৰ বনৰীয়া জন্তু বোৰে ও আকাশত উৰি ফুৰা চৰায বোৰেও তেওঁৰ কথা শুনিবলৈ আছিল।

এদিন তেওঁ বাটত এজন আধামৰা কুষ্ঠৰুগী দেখা পালে ও তাৰ ওচৰত গৈ এটা চুমাখোৱাত সেই কুষ্ঠৰুগী তৎক্ষণাৎ আৰুগ্য হল।

হাজাৰ হাজাৰ ভাল ভদ্ৰ মানুহে তেওঁক অনুসৰণ কৰি তেওঁৰ শিষ্য হৈছিল। তেওঁলোক সকলোৱে বৰ দৰিদ্ৰভাবে ও পৰম ধাৰ্ম্মিক ভাবে কাল যাপন কৰিছিল। এই প্ৰকাৰে তেওঁলোকে সাধু ফ্ৰন্সিস নামেৰে এখন সমাজ গঠন কৰিলে, যি সমাজে এই পৰ্য্যন্ত এই পৃথিবীত ভাল কাম কৰিআছে।

ক্ৰুচবিদ্ধ যীশুৰ প্ৰতি সাধু ফ্ৰান্সিসৰ ইমান প্ৰেম ও ভক্তি আছিল যে তেওঁ প্ৰত্যেক দিনেই বেশীভাগ সময় তেওঁৰেই ক্ৰুচৰ দুখ ভোগৰ ধ্যানত মগ্ন হৈ কটাইছিল।

এদিন যেতিয়া তেওঁ প্ৰাৰ্থনা কৰি আছিল, এনে সময়ত এজন দূত আহি তেওঁৰ হাত ও ভৰি স্পৰ্শ কৰাত, আমালোকৰ প্ৰভু যীশু খ্ৰীষ্টৰ আঘাতৰ চিন তেওঁতো দেখা দিলে।

ক্ৰুচবিদ্ধৰ নিচিনাকৈ তেওঁ সেই চিনলৈ তেওঁৰ গোটেই জীৱনটোকেই কটায়ছিল।

বুঢ়া মানুহক সন্মান কৰা।



আমি আমাতকৈ বয়সীল মানুহক সন্মান আৰু ভক্তি কৰিব লাগে। ই বৰ দুখৰ বিষয যে, লৰা আৰু দেকা মানুহ বিলাকে তেওঁলোকৰ আদেশ নমনায় নহয়, তেওঁলোকক অৱজ্ঞা কৰি হাঁহেও ঈশ্বৰে নিশ্চয় সিহঁতক শাস্তি দিব। থিক এই চবি খনলৈ চোৱা : সোওফালে তোমালোকে এজন বুঢ়া মানুহ গছ জোপাৰ কাষত থিয় হৈ থকা দেখা পাবা। তেওঁৱেই সিদ্ধপুৰুষ এলিচিয়াচ। তেও বৰ ধাৰ্ম্মিক পুৰুষ। এদিন কিছুমান লৰাই তেওঁক তপা আৰু অতি বৃদ্ধ দেখি হাঁহিবলৈ আৰু বেযা বচন বুলিবলৈ ধৰিলে। এলিচিয়াচে ইয়াতে বৰ দুঃখীত হৈ তেওঁক সহায় কৰিবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰিলে। মুহুৰ্ত্ততে হাবিৰ পৰা কিছুমান বাঘ, ভালুক ওলাই সেই দুষ্ট লৰা বিলাকৰ ওপৰত পৰি সকলোকে মাৰি পেলালে।

এটী সজ কামৰ পুৰস্কাৰ



জন এজন মাউৰা লৰা। তেওঁৰ প্ৰতি-পালনৰ নিমিত্তে কেৱল দদায়েক এজন আছিল। তেওঁৰ নিচেই সৰু কালতে পিতৃ মাতৃ ঢুকায। তেওঁৰ দদাযেক এজন বৰ নিষ্ঠুৰ স্বভাবৰ লোক আছিল, মাজে সময়ে জনৰ প্ৰতি বৰ নিষ্ঠুৰ ব্যবহাৰ কৰিছিল। ঈশ্বৰ যে সকলোৰে পিতৃ এই কথা-ষাৰ মনত ৰাখি দুখীয়া লৰা জনে সকলো দুখ পাহৰি সহি আছিল।

বাস্তবিকে, জন এজন বৰ সজলৰা আছিল। তেওঁ সদায় অতি পুৱাতে উঠি নিজক পৰিষ্কাৰ কাৰ গিৰ্জ্জালৈ প্ৰাৰ্থনা কৰিবলৈ গৈছিল।

এদিন যেতিযা তেও গিৰ্জ্জাৰ পৰা ওলায আহিছে, এনে সময়তে তেও আলিৰ ওপৰত এটি সিকি পৰি থকা দেখা পাই অতি আনন্দেৰে বুটলি নিজকে কলে বাৰু কিছুমান মিঠায় ও ফলমুল কিনি আনোগৈ, কাৰণ বহুত দিন হল মিঠায় ও ফলমুলৰ সোৱাদ পোৱা নাই এই বুলি পোনেই বজাৰলৈ গল।

তেওঁ যেতিয়া মিঠায় কিনিবলৈ ধৰিছিল, এনে সময়তে এজন লেঙেৰা মগনীয়াই তেওঁৰ ওচৰলৈ আহি হাত পতাত জনে অলপ পৰ ৰই ও মিঠায় বোৰলৈকো একেবাহে চাই মগনীয়াৰ হাতত সেই সিকিটো দি কলেঃ— দুখীয়া মানুহ, তুমি নিশ্চয় বৰ ভোকত আছা·····এই মোৰ যি আছে তাকে লোৱা।

কিন্তু এই লৰাজনৰ সজ কামটী এজনী চহকী তিৰুতাই দেখা পাই তেওঁৰ ওচৰলৈ আহি সোধাত, মাউৰা ও দদায়েকে তেওঁৰ প্ৰতি কুব্যৱহাৰ

কৰাৰ কথা শুনি চহকী তিৰুতা জনীয়ে মৰমেৰে কলে 'মোৰ লগত আহা, মোৰ লৰা নাই······তুমিয়েই মোৰ পুত্ৰ স্বৰূপ হবা ও মৰ তোমাৰ স্থ মাতৃ হম''।

তুমি ভাবি চোৱা, সেই চহকী তিৰুতা জনীৰ লগত যাবলৈ ও লগত থাকিবলৈ জনে কিমান আনন্দ পাইছিল। তাইৰ ঘৰত তেওঁ যি বিছাৰি ছিল, তাকে পাইছিল. যেতিয়া চহকী তিৰুতাজনী ঢুকাল তাইৰ অনেক সম্পতি পাই জন অতি ধনী ও সুখী লোক হল।

কিন্তু তেওঁ সদায় দুখীয়াক পুতৌ কৰিছিল ও কেতিয়াও ভিক্ষা দিবলৈকো পিচ নোহোহকিছিল।

এই গল্পটোৰ পৰা আমি শিক্ষা কৰা উচিত যে আমি সদায় দৰিদ্ৰক ও ৰুগীয়াক পুতৌ কৰিলেহে নিশ্চয় ঈশ্বৰেও আমাক কিবা ভক্তিৰ পুৰস্কাৰ দিব।



'মণ্ডলীৰ বিষয়।'

প্ৰশ্ন ঃ—সকলো বিলাক খ্ৰীষ্টিয়ন সমাজ একে নে ?

উত্তৰ ঃ—নহয়, সিহঁত একে নহয়! যীচুৱে কেৱল এটা গিৰ্জা সাজি ছিল। তেওঁ পেতাৰক কৈছিল, "এই শিলৰ ওপৰত মই মোৰ গিৰ্জা স্থাপন কৰিম।" (মোট ১৬-১৮) তেওঁ গিৰ্জা বিলাক বুলি নকৈ গিৰ্জা বুলিহে কৈছিল। ইয়াৰ দ্বাৰা আমাক তেওঁৰ গিৰ্জা কেৱল এটা বুলিহে বুজাইছে। নতুন নিয়মে আমাক অনেক ঠাইত একেটাকেই শিকাইছে ; (১ কোৰ ১০-১৭ এফ ৪-৪) আৰু প্ৰত্যেকেই, যি খ্ৰীষ্টৰ এটা গিৰ্জাৰ পৰা আঁতৰি যায়, পাপ কৰে (তিত ৩-১০)। এই পাপৰ কাৰণ হৈছে, যি তাইক এৰি আন বাটেদি যায় আৰু খ্ৰীষ্টৰ প্ৰকৃত শিক্ষা এৰে (১ তিম ৩-১৫)। আমি এতিয়াও যি তাইক ভূল বুলি তাইৰ শিক্ষা নেমানে সেই বিলাকৰ সৈতে মিলা উচিত নহয় (২ যহন ১০ ! গেলাট ১-৮)।

ক্ৰমান্বয়ে এইটো পৰিস্কাৰ হৈছে যে, সকলো বিলাক সমাজ একে নহয়, কিন্তু খ্ৰীষ্টৰ গিৰ্জা কেৱল এটা আৰু আমি ইয়াৰ পৰা আঁতৰি যোৱা উচিত নহয়।



প্ৰশ্ন ঃ—কোনটো প্ৰথম গিৰ্জা ?

উত্তৰ ঃ—কাথলিক গিৰ্জাই প্ৰথম গিৰ্জা। তাই এতিয়া প্ৰায ১৯০০ বছৰীযা পুৰনি। তাই জেৰুজেলমত আৰম্ভ হয়। যীচু খ্ৰীষ্টই তাইৰ স্থাপন কৰ্ত্তা। কাথলিক গিৰ্জাত কৈ পুৰণি গিৰ্জা আৰু পুৰণি সমাজ নাই। তাইক "কাথলিক" বোলা যায, ("সকলো ঠাইতে") কিয়নো খ্ৰীষ্টৰ গিৰ্জা এখন ঠাইৰ গিৰ্জা নহয; গোটেই পৃথিবীব। আজি কালি তোমালোকে কাথলিক বিলাকক প্ৰত্যেক দেশতে বিযপি পৰা দেখিবা; তোমালোকে প্ৰত্যেক দিনাই কাথলিক গিজা সংখ্যাত আৰু বলত উঠি অহা দেখিবা। সিহঁত প্ৰায় ৪০০ কোটি। যদিও সিহতে প্ৰত্যেক ঠাই আৰু প্ৰত্যেক ভাষা গ্ৰহণ কৰিছে, তথাপি সিহঁতে সকলো একেমতেৰে একেটা। সিহঁতে একেটাকে বিশ্বাস কৰে; সিহঁতৰ একেটা চাক্ৰামেণ্ট; সিহঁতে একেটা ভেৰাৰখীযা—প'পক মানি চলে।

কাথলিক গিৰ্জাই প্ৰথম, তাইয়েই ভেটি। আন সকলো বিলাক সমাজ একেডাল গাৰ পৰাই কটা ঠাল। সিহঁত নতুন—আমি সিহঁত কাৰ দ্বাৰা আৰম্ভ হৈছে আৰু কোনে আৰম্ভিছিল জানো। আমি জানো, সিহঁত জেৰুজেলমত আৰম্ভ হোৱা নাছিল বা যীচু খ্ৰীষ্টই ও সজা নাছিল।

মণ্ডলীৰ শিক্ষা—ঈশ্বৰৰ আজ্ঞা।



দ্বিতীয় আজ্ঞা।

দ্বিতীয় আজ্ঞা অনুযায় আমি ঈশ্বৰ, পবিত্ৰ জনবিলাক, পবিত্ৰ বস্তুৰ বিষযত সম্মান আৰু শ্ৰদ্ধাৰে কথা কবৈল বাধিত। বিধি শপত আৰু প্ৰতিজ্ঞা-বত সম্পন্ন কৰিবলৈ লাগতিযাল। এই আজ্ঞা মিছা, বিবেচনা হীন, অন্যায, আৰু অনাবশ্যক শপত খোৱক, ঈশ্বৰ নিন্দা কৰা, শাও দিযা, অপবিত্ৰ আৰু অশুচি কথা এই সকলো নিষেধ কৰে।

তৃতীয় আজ্ঞা।

প্ৰভুৰ দিন পবিত্ৰ ৰূপে পালন কৰিবলৈ এই আজ্ঞা অনুসাৰে পবিত্ৰ কাথলিক মণ্ডলীযে এই দেখি মিচা শুনিবলৈ আৰু দাস্য-কাৰ্য্য নকৰিবলৈ আমাক আদেশ দিযে। গুৰুতৰ কাৰণ নহলে দেওবাৰ আৰু নিৰ্দ্দিষ্ট পৰ্ব্বদিনত মিচ্চা নুশুনিলে আমি আগ্নামাৰু পাপ কৰো। মিচ্চা এক অংশতে শুনিলে কৰ্ত্তব্য কাম্য পূৰ্ণ নকৰে। মিচ্চাৰ আটাইতকৈ প্ৰধান অংশ অন্ততঃ উপস্থিত হবলৈ আমাৰ আবশ্যক। নিৰ্দ্দিষ্ট স্বাধীন পৰ্ব্বদিনত মিচ্চা শুনিব পৰাটো প্ৰধান শিক্ষক বিলাকৰ কৰ্ত্তব্য কাম। সাত বছৰৰ পৰা সকলোৱে খ্ৰীষ্টিযান মিচ্চা শুনিবলৈ বাধিত। পিতৃ মাতৃৰ অসাবধানতাৰ দ্বাৰা সন্তানে মিচ্চা শুনিলে তেওঁবিলাকৰ আত্মা মাৰু পাপ।

অমনযোগী শৰীৰেৰে উপস্থিত হোৱাটো যথেষ্ট নহয়। যি সময়ত ফাদাৰে বেদিৰ ওপৰত কৰে, ইয়াৰ বিষয়ত চিন্তা কৰি প্ৰাৰ্থনা কৰিব লাগে। এই সময়ত আমি দৈনিক প্ৰাৰ্থনা, জপমালা কৰা বা আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দুখ ভোগৰ বিষয়ত চিন্তা-ধ্যান কৰা খুব ভাল। আমাৰ ব্যৱহাৰ আৰু আচৰণ সম্মান-জনক আৰু মনোযোগী হোবা আৱশ্যক। কথা কবলৈ, চাহিবলৈ, খাবলৈ শুবলৈ আৰু ইচ্ছামত অমনোযোগতা এই সকলো পাপ। দাস্য কাম কৰিব নোৱাৰোঁ, যি কাম কৰিবলৈ বিশেষকৈ শৰীৰৰ কাম কৰা যায় সেযে দাস্য কাৰ্য্য। মনৰ কাম নিষিদ্ধ নহয়। নিষ্পাপী খেল, ধেমালি আমোদ কৰিবলৈ অনুমতি দিয়া যায়। প্ৰাৰ্থনাৰ নিমিত্তে, পবিত্ৰ চাক্ৰামেণ্ট গ্ৰহণ কৰাৰ বাবে, ভালগ্ৰন্থ পঢ়িবলৈ ইয়াৰ নিমিত্তে বিশেষৰূপে শৰীৰক জিৰণি দিয়া যায়। এই দেখি আমি যদি ভাল উপদেশ শুনো আৰু পবিত্ৰ চাক্ৰামেণ্টৰ আশীৰ্বাদ দিয়া সময়ত উপস্থিত হব পাৰো ভাল হব। নিজ সন্তান বিলাকক উপদেশ শুনিবলৈ পঠোটোৱেই পিতৃ মাতৃৰ কৰ্ত্তব্য কাম। পাদ্ৰিবিলাকৰ কাম আৰু বিশ্বাসী বিলাকৰ শিক্ষা. যি বিলাকে ইয়াৰ এটাও উপদেশ নুশুনে সিহঁতৰ বিচাৰ কি হব।

জ্ঞানী লোকৰ মহত্ত্ব



যদি তুমি বহুত দিন সুখেৰে জীয়াই থাকিবলৈ ইচ্ছা কৰা, তেন্তে সদাই মানুহ আৰু ঈশ্বৰেৰে শান্তিত থাকিবা।

যদি তুমি তোমাৰ অভাৱৰ সময়ত আনৰ পৰা সহায় বিচাৰা, সিহঁতক আগতে সিহঁতৰ অভাৱত সহায় কৰি থবা।

যদি তোমাক ভালকৈ শুবলৈ লাগে, তেন্তে তুমি সদাই তোমাৰ হৃদয় পৰিষ্কাৰ আৰু পাপ শূন্য কৰি ৰাখিবা।

যদি তোমাক ভালকৈ মৰিবলৈ লাগে, তেন্তে তুমি ভালদৰে জীয়াই থাকিবলৈ চেষ্টা কৰিব লাগে।



মাৰীয়াৰ মধুৰ নাম

এই মাহৰ ১২ তাৰিখে আমি মাৰীয়াৰ মধুৰ আৰু পবিত্ৰ নামৰ ভে উৎসব পাতোঁ। আমাৰ নিজ-মাতৃৰ নামৰ নিচিনাকৈ তেওঁৰ নামো নি আমালৈ মৰমৰ। আমি বিশেষকৈ লোভ আৰু শেষ বিচাৰৰ সময়ত অতি স্নেহেৰে প্ৰায়েই ইয়াক পুনঃ পুনঃ উচ্চাৰণ কৰোঁ। দুষ্টাত্মাৰ বিৰোদ্ধে যীচুৰ নামৰ পাচতে মাৰীয়াৰ নাম অতি ক্ষমতা বান। যেনেকৈ এটা সৰু লৰাই কোনো বিপদত ভয় খাই তাৰ মাকৰ ওচৰলৈ যায়, সেইদৰে আমিও দুষ্টাত্মা বিলাকে আমাক প্ৰলোভন দেখুৱালে মাৰীয়াৰ ওচৰলৈ লৰি যাব লাগে। তেওঁ নিশ্চয় আমাক ৰক্ষা কৰিব আৰু মাতৃতুল্য আৱৰণীৰে তেওঁৰ কাষত আশ্ৰয় দিব।

" ভাৰতীয় বাতৰি "

লাহোৰ [illegible] চহৰত চৰ্চ [illegible] [illegible] পাদৰী [illegible] [illegible] মেচনাৰী [illegible] । [illegible] [illegible] [illegible] [illegible] বহুত মানুহ [illegible] [illegible] ।

[illegible] [illegible] মেচনাৰী । [illegible] আৰু [illegible] [illegible] [illegible] আৰু অনাথ আশ্ৰম আছে ।

প্ৰথমতে [illegible] কলেজ [illegible] [illegible] [illegible] মেচনাৰী আৰু সজ পুৰুষ [illegible] শিক্ষা দিছে ।

[illegible] [illegible] [illegible] [illegible] কলেজ । [illegible] [illegible] ল'ৰাবিলাকক শিক্ষা দিয় হয় ।

তৃতীয় খন [illegible] কলেজ । [illegible] খ্ৰীষ্টান আৰু ভাৰতীয় ল'ৰাবিলাকক শিক্ষা দিয়া হয় [illegible] সকলো [illegible] মেচনাৰীৰ অধীনত । সকলো ছাত্ৰই জাতি বা ধৰ্ম ভেদ নোহোৱাকৈ তাত উপস্থিত হব পাৰে । বহুত [illegible] পৰা যোৱা ল'ৰাবিলাকৰ কাৰণে তাত [illegible] আছে ।

জোৱাই জয়ান্তুয়া পাহাৰ৷ কাৰ্লিক পাদাৰ [illegible] [illegible] শুশু যাচৰ সাধু থেৰেচাৰ সন্মানাৰ্থে এটা ধুনীয়া গঢ়া সাজিছে । [illegible] আচাৰত আৰু বহুত মানুহে ইয়াক চাবলৈ গৈছে ।

দিল্লী-গভৰ্নমেণ্টে কৈছে যে যোৱা বছৰত ১৬,০০০ [illegible] কেবা বেছি মানুহ বনৰীয়া জন্তুৰ হাতত মৰিছিল ১১,০০০ [illegible] বশাক্ত সাপে খাই মাৰিছিল ।

সূৰ্য্য উদয় ।

(১)

আকাশৰ ওপৰলৈ সুৰুজ উঠিল,
পোহৰেৰে গোটেই জগত বিয়পি পৰিল ।
সৰু সৰু চৰাইবোৰ আনন্দত বঙীয়াল,
ঈশ্বৰৰ যশ গুণ গাই চিৰকাল ।

(২)

আকাশৰ ওপৰলৈ সুৰুজ উঠিল,
উজ্জ্বল পোহৰ ইয়াৰ বিয়পি পৰিল ।
মেৰছাগ, গৰু আৰু মহ পোৱালি দল
সকলো বোৰ পথাৰত চৰিবলৈ গ'ল ।

(৩)

আকাশৰ ওপৰলৈ সুৰুজ উঠিল
হালোৱাই পথাৰত হাল বাবলৈ লাগিল ।
উঠা হেৰা প্ৰিয় লৰা । হাত মুখ ধোৱা,
ঢেপাঙৰে তব দিন আৰম্ভ কৰা ।

ASAMIYAR-BANDHU

Name

Address

P.O.

Permissu Superiorum
Printed at the Catholic Orphan Press Calcutta
Edited by Rev Fr A Alessi SC Catholic Mission Tezpur (Assam)

অসমীয়াৰ বন্ধু



হে ঈশ্বৰৰ মহতা মাতৃ! আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰা।

ভাৰত আৰু বিদেশৰ বাতৰি।

প্যাৰিচ – সাধ্বী জোৱান অব আৰ্কৰ এটি ডাঙৰ মূৰ্ত্তিৰ সম্মুখেদি মন্ত্ৰী আৰু সৈন্য বিলাকে এই কাথলিক ছোৱালী জনীৰ সন্মান দেখুৱাই গৈছিল; যি বহু বছৰৰ আগেয়ে ফ্ৰান্সক ইংৰাজৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিছিল। তাই এজন দুখীয়া খেতিয়কৰ ছোৱালী। কিন্তু তাই বৰ সাহসী আৰু নম্ৰ আছিল। এদিন তাই মেৰ পাল চৰাই থাকোতে তাইক তাইৰ দেশৰ নিমিত্তে যুদ্ধ কৰিবলৈ মতা এটা দেবদূতৰ মাত শুনিবলৈ পালে। তেতিয়া তাই মেৰ পাল এৰি আহি [illegible] সেনা হ'ল। তাইক [illegible] ইংৰাজৰ [illegible] সৈন্য পৰিচালনা কৰিবলৈ। সেনা নায়ক মনোনীত কৰিলে। [illegible] অবশেষত তাইক বন্দী কৰা হ'ল, আৰু [illegible] [illegible] মাৰিলে। [illegible] নাম উচ্চাৰণ কৰি মৰিছিল।

[illegible] [illegible] ১০০ [illegible] "জেকোবাইটে" কাথলিক ধৰ্ম্ম গ্ৰহণ কৰিছে। [illegible] আৰু কেইবা হাজাৰেও কাথলিক হবলৈ সাজু হৈ আছে।

চীন দেশৰ কাথলিক মিচন [illegible] বছৰত কাথলিক [illegible] কিমান আগবাঢ়িল এই তলত দিয়া সংখ্যা বোৰলৈ চোৱা।

	চন ১৯০৪	চন ১৯..		সংখ্যা
	সংখ্যা	সংখ্যা	প্ৰচাৰক	১১,৯০৭
মিচন জিলা	৮১	১২১	শিক্ষক	১৪,৯৩০
কাথলিক	২,২৭৭,৪১০	২,৭০১,৪৬৮	পঢ়াশালী	১৫ ০০০
পুৰোহিত	২,৮১৭	৪,১০৭	ছাত্ৰ	৩৪৪,৪০২
সহকাৰী বাদাৰ	৫১১	১,১৪৮	অনাথ আশ্ৰম	৩৯২
মঠ বাসীনী	১,৫৮৪	৪,১৫০		

যি যি দেশী লৰা বিলাকে ফাদাৰ হব খোজে, তেওঁলোকৰ নিমিত্তে ১৪৮টি পঢ়াশালী আছে। বৰ্ত্তমান ৪৭৪৪ জন লৰায সেই পঢ়াশালী বোৰত ফাদাৰ হবৰ কাৰণে শিক্ষা পাই আছে।

অসমীয়াৰ বন্ধু

ভাগ ২য় | অক্টোবৰ, ১৯৩৫ | সংখ্যা ১৪

এতিয়া আমি পৰস্পৰে ভালকৈ জানিব পাৰিছো আমাৰ বন্ধুত্বা এই কঠিন ঠাইতো বিৰ্ষপ পৰিছে। মোৰ মনেৰে আমি পৰস্পৰে কিছুমান প্ৰশ্ন দাঙি ধৰি আৰু সেই প্ৰশ্নবিলাকৰ উত্তৰ দিয়াত আমি পাছ শুহুহাকি নিভয়ে আগলৈ আগ বাঢিব লাগে।

আমি পুৰণি দাৰ্শনিক পণ্ডিত সকলৰ জীৱনিত পঢ়ি পাইছো যে এইটো এটি অতি উত্তম পথ যাক তেওঁলোকে জ্ঞান আৰ্জ্জিবৰ কাৰণে অনুসৰণ কৰি পৰস্পৰৰ মাজত কিছুমান প্ৰশ্ন তুলিছিল। চক্ৰেটীচ আৰু অনেক গ্ৰীক আৰু ৰুমীয় পণ্ডিতে এনে কৰিছিল।

বাৰু আহা আমি সিবিলাকৰ আৰ্হিলৈ পৰস্পৰৰ ভিতৰত প্ৰশ্নোত্তৰ আৰম্ভ কৰো। প্ৰথম প্ৰশ্ন হব লগীয়া এই সংসাৰৰ মহৎ আলোচ্যৰ বিষয় অৰ্থাৎ ধৰ্ম্ম।

ধৰ্ম্ম কি? সত্য ধৰ্ম্ম কোনটো? ধৰ্ম্মে তোমাক কি বুজায়? ধৰ্ম্মক শুবিচাৰো বোলে, আৰু ই ঈশ্বৰে মানুহলৈ দিয়া আদেশো বুজায় আৰু যেন মানুহে এই বাটেদিয়েই সিবিলাকক অভ্যাস্ কৰে। ধৰ্ম্মই ঈশ্বৰ আৰু মানুহৰ মাজত সম্বন্ধ স্থাপন কৰিছে। ই এটা স্বাভাবিক যে ঈশ্বৰে আমাক বিনা মূল্যে সৃজন কৰাত তেওঁৰ পৰা বিধান আৰু জীৱনৰ নিয়ম আমি পোৱা উচিত।

তেওঁৰেই আমাৰ গৰাকী এই কাৰণে তেওঁক মানি চলা উচিত, কিন্তু তেওঁ আমাৰ পিতৃও সেই গতিকে তেওঁক অৱশ্যে ভাল পাব লাগে।

তুমি যদি কোনো এটা কাম কৰা সেই কামৰ ওপৰত তোমাৰ ক্ষমতা থাকিব। যদি তোমাৰ এটা লৰা থাকে তুমি তাক যি কোনো কাম কৰোৱাবলৈ তোমাৰ ক্ষমতা থাকিব।

ধৰ্ম্মই আমাক ইয়াকে শিক্ষা দিছে যে ঈশ্বৰে আমাৰ পৰা কি বিচাৰিছে আৰু আমি কেনেকৈ তেওঁৰ আদেশ পালন কৰি মানি চলা উচিত। ধৰ্ম্ম গোটেই পৃথিবীৰ সকলো জাতিৰ এনেক অসভ্যৰ মাজতো অতীজৰ পৰা আছে ও শেষলৈকো থাকিব। সেয়েই কোনো দুষ্ট লোকে ধ্বংশ কৰিব নোৱাৰিব।

মানুহ মাত্ৰেই এদিন কলৈ যাব লাগিব বুলি ভাবি ঈশ্বৰ ও স্বৰ্গপথলৈ দৃষ্টি ৰখা উচিত।

আমাৰ আত্মাৰ ভিতৰত একুৰা পবিত্ৰ জুই জ্বলি আছে। সেই জুই কেতিয়াও বাহিৰ নহব। সেই জুই জ্বলি ২ আমাক কব আমি এই পৃথিবীৰ পশু নহয়। আমাৰ আত্মা আছে—সেইয়েই পৰমাৰ্থিক আত্মা যিটো কেতিয়াও নমৰিবব। এই শিক্ষা পৃথিবীৰ সকলো ধৰ্ম্মতেই পোৱা যায়। সিবিলাক সকলোৱে শিক্ষাদিয়ে যে আমি ঈশ্বৰৰ পৰা আহিছো পুনৰ তেওঁলৈ ফিৰি যাবলাগিব। কিন্তু সকলো ধৰ্ম্ম সত্য নে? সেই সকলো ভাল নে? সেইয়েই আমাক সৃষ্টিকৰ্ত্তা পিতৃ ঈশ্বৰৰ ওচৰলৈ যাবলৈ সহায় কৰে নে?

আমি ইয়াৰ উত্তৰ অহাবাৰৰ সংখ্যাত দেখিবলৈ পাম।

অসমীয়াৰ বন্ধু।







যেনে ধৰ্ম্ম তেনে চৰিত্ৰ নীতি। কাৰণ যদি ধৰ্ম্মই দয়া আৰু প্ৰেম, ক্ষমা আৰু ধৈৰ্য্য শিকাই, তাৰ্তে উপায় দিয়ে, তেন্তে এনে ধৰ্ম্ম মানি চলা মানুহ বিলাক দয়ালু, উদাৰ, পবিত্ৰ হব পাৰে। সেই দেখি মহা পুৰুষ এজনৰ জীৱনী ভালৰূপে বুজিবলৈ মন মেলিলে, পোন প্ৰথমতে তেখেতৰ ধৰ্ম্মৰ সংক্ষেপ বিবৰণ এবাৰ পঢ়ি চোৱা উচিত বুলি আমি বিবেচনা কৰো।

সন্ত যোহন বস্ক বা দন বস্কই কাথলিক ধৰ্ম্ম মণ্ডলীৰ শিক্ষাতে অনু-প্ৰাণিত হৈ সকলোৰে পৰা মহত জীৱন যাপন কৰিছিল। কাথলিক মণ্ডলীনো কি? যীচু খ্ৰীষ্টৰ প্ৰতিনিধি সন্ত প'পৰ অধিকাৰত থকা বিশ্বাসী সকলৰ সমাজকে কাথলিক মণ্ডলী বোলে। সকলো দেশ আৰু জাতিৰ কাথলিক ধৰ্ম্মাবলম্বী লোকৰ সংখ্যা ৩৬,৩৮,০০,০০০ অৰ্থাৎ চয়ত্ৰিশ কোটিত কৈয়ো অধিক।

এই ধৰ্ম্মৰ আবিৰ্ভাৱ হল কেতিয়া?

যি দিনাখন ঈশ্বৰে মানুহক সৃজি তেওঁৰ লগত সম্পৰ্ক স্থাপন কৰিলে, সেই দিনাখনেই কাথলিক, ধৰ্ম্মৰ আবিৰ্ভাৱ হল। চয়তানৰ ফুচুলনিত পৰা আদম আৰু ইভক ঈশ্বৰে এটা উপায় দিম বুলি প্ৰতিজ্ঞা কৰে। উপায়টো হৈছে ত্ৰাণকৰ্ত্তা, অৰ্থাৎ যীচু খ্ৰীষ্ট। এই প্ৰতিজ্ঞা কৰাৰ পিছত

মানুহৰ এই আশা যেন ত্ৰাণকৰ্ত্তা আছে। দুৰ্ভাগ্যে পিচালৈ মনুষ্য জাতিৰ সৰহ ভাগেই ঈশ্বৰে কোৱা কথালৈ তেনেই পাহৰি পেলাই প্ৰতিমা পূজক হৈ পৰে।

সেই দেখি বাছি লোৱা ইহুদী জাতিৰ দ্বাৰা ঈশ্বৰে মানুহ বিলাকৰ মাজত ত্ৰাণকৰ্ত্তাজনাৰ স্মৰণ ৰক্ষা কৰে। শ শ বছৰৰ আগেয়ে ষোল ভাববাদীয়ে ত্ৰাণকৰ্ত্তা যীচুৰ কাম কাজ, দুঃখ, শোক, মৃত্যু আৰু পুনৰুত্থান জগতকে জনায়। অৱশেষত ভাববাদীয়ে কোৱামতে, এজনা কুমাৰীয়ে মুক্তিদাতাক জন্ম দিয়ে। তেখেতে " মই পিতাই পঠোৱা ত্ৰাণকৰ্ত্তা আৰু ঈশ্বৰ " বুলি প্ৰমাণ কৰাত গোটেই মনুষ্য জাতিৰ কাৰণে প্ৰাণ ত্যাগ কৰে আৰু পুনাই সজীৱ হৈ স্বৰ্গাৰোহণ কৰে।

যীচুৱে পৃথিবী এৰাৰ আগেয়ে, বাৰজন হোজা মাছমৰীয়া একেলগে গোট খুৱাই, তেওঁলোকক পৃথিবীৰ সীমালৈকে সমুদায় সৃষ্টিৰ আগত এক শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ পঠায়। কিছুকালৰ ভিতৰত সেহ বেচেৰা নিসহায় মাছমৰীয়া কেইজনে ইউৰোপৰ দক্ষিন প্ৰান্তত যীচুৰ মুক্তি জনায়। কিন্তু দুখৰ বিষয় যে, ৰোমান বিলাকে সিহঁতক ইহুদী বুলি ভুলকৈ বুজি খ্ৰীষ্টিয়ান বিলাকক নানান অত্যাচাৰ কৰে, কাৰণ তেতিয়া ৰোমান আৰু ইহুদী বিলাকৰ মাজত এখন ঘোৰ যুদ্ধ লাগিছিল। হেজাৰ হেজাৰ নিৰ্জ্জু লৰাছোৱালী, নিৰ্দ্দোষী নৰ নাৰী, সত্য ধৰ্ম্মাৰ্থে ধৰ্ম্মৰ নামত জীৱন উৎসৰ্গ কৰিছিল। কিন্তু সেই অত্যাচাৰ উৎপীৰনে খ্ৰীষ্টান ধৰ্ম্ম পানী কৰক চাৰি বৰং বৃদ্ধিহে কৰিলে। কাৰণ খ্ৰীষ্টান বিলাকৰ তেজ নব খ্ৰীষ্টানৰ সচ, গতিকে কালত এই পবিত্ৰ ধৰ্ম্মত গোটেই পৃথিবী ব্যাপি পৰিছে। ঈশ্বৰক কোনে বলে পাৰিব ? ৰোমান বিলাকক ভুলোৱাই সচা ধৰ্ম্মত ভুক্ত কৰা হৈছে। আৰু অনেক দেশ যেনে, ফ্ৰান্স, জাৰ্ম্মানি, ইংলণ্ড, স্কটলণ্ড, আইৰলণ্ড, ৰুচিয়া আদিক পাদ্ৰি বিলাকৰ দ্বাৰা সভ্য কৰা হৈছে। অলেখ জগদ্বিখ্যাত বিশ্ববিদ্যালয় পতা হৈছে। এই বিলাকৰ ভিতৰত অকচফৰ্ড, কেইমব্ৰীজ, লোভেন পেৰিচ, বিঙ্গেন, আদিৰ বিশ্ববিদ্যালয় প্ৰধান।



এই পবিত্ৰ মণ্ডলী ভাংখাৰ কৰৰ বুলা চযতানে মনে পাতি উঠি পৰিব লাগিছে। কিন্তু সকলো থা হিংসা আৰু অহঙ্কাৰী এজন জাৰ্ম্মানে, মাৰ্টিন লুথেৰ নামেৰে আচল মণ্ডলীৰ বিৰোধে বিদ্ৰোহ চলাই এটা নতুন সম্প্ৰদায সৃষ্টি কৰে, অৰ্থাৎ প্ৰটেষ্টান্ট বিলাকৰ মণ্ডলী।

এই নতুন সম্প্ৰদাযত জাৰ্ম্মানিৰ সৰহ ভাগ আৰু ইংলণ্ড সোমাইছে। এই ঘটনা ঘটাতো কাথলিক মণ্ডলীৰ কোনো হানি হোৱা নাই। কাৰণ এৰ সুখৰ বিষয় যে নতুনকৈ আৱিষ্কাৰ কৰা আমেৰিকাৰ ততোধিক মানুহে আমাৰ কাথলিক মণ্ডলীত যোগ দিলে। আলাগতীয়া মণ্ডলীৰ কি হল? তাৰ পতন হল। তাৰ পতনৰ ফলত অনেক সৰু সৰু সম্প্ৰদাযত বিভক্ত হৈ গৈছে। তাৰ প্ৰধান পৰিচালক নাই, বিশ্বাসৰো সমানতা নাই। আন ফালে কাথলিক মণ্ডলীৰ সিংহাসনত দুইশ ষষ্ঠি সন্ত প'প এজনৰ পিচত এজন ক্ৰমান্বয়ে কোনো বাধা নোহোৱাকৈ বহি আহিছে। "ৰোমীয়

ধৰ্ম্মাধ্যক্ষৰ তুলনাত পুৰণি ৰাজবংশ আজিকালিৰ হে। জীৰ্ণ আৰু পুৰাতনীয় নহৈ সন্ত প'পৰ বাৰ শক্তিমান আৰু পূৰ্ণ যৌৱনৰ দুৱাৰডলিত থাকে। কাথলিক মণ্ডলীয়ে আজি কালি পৃথিবীৰ যতে ততে উৎসাহী, কৰ্ম্মী, স্বাৰ্থ ত্যাগী পাদ্ৰীবিলাকক পঠিয়াইছে। তাৰ সংখ্যা আগৰ সকলো যুগতকৈ সৰহ। আৰু তাৰ যুগমীয়া শাসনৰ ওৰ পৰিছে বুলি আমি কোনো চিন দেখিবলৈ নেপাওঁ। বৰ্ত্তমান সকলো সম্প্ৰদায় আৰু গবৰ্ণমেণ্টৰ আৰম্ভন দেখি ইয়াৰ শেষ নেদেখিব বুলি আমি সঠিক নহও। চাক্‌চন বিলাক বৃটেইনত সোমোৱা আৰু ফৰাচী বিলাক ৰাইন নৈ পাৰ হোৱাৰ আগেয়ে যেতিয়া আণ্টিযক নগৰত বাগীশবিলাকে উত্তম ৰূপে কৈছিল, আৰু মক্কা নগৰত প্ৰতিমা পূজা প্ৰথা আছিল, তেতিয়া কাথলিক মণ্ডলী মহত্ব আৰু সন্মানৰ যোগ্য আছিল।


আৰু যেতিয়া নিউজিলণ্ডৰ পৰা আহি এজন পথিক নিৰ্জ্জন স্থানৰ মাজত লণ্ডনৰ দলঙত কোনো এটা খহা গাঁথনিৰ ওপৰত থিয় দি চেণ্ট পলৰ গিৰ্জাৰ ভগ্নাশেষৰ নক্সা আঁকিব, তেতিয়া কাথলিক মণ্ডলীৰ শক্তি হ্ৰাস নহব"।

এই বিলাক প্ৰবন্ধ আৰু বুৰঞ্জী বিখ্যাত লিখক লৰ্ড মেকিউলেই নিজে লিখা কথা। তেখেত প্ৰটেস্টাণ্ট আছিল।

বৰ্ত্তমান কাথলিক মণ্ডলীৰ পৰিয়ালৰ সংখ্যাঃ—

ইউৰোপ	...	...	...	২০৬,৭৪,৮৪৭
এচিয়া	...	.	...	৮,১৬৪,৯৪৭
আফ্ৰিকা	...	...	...	৫,৭৯৭,৬৮৫
আমেৰিকা	...	..	...	১৩০,৫৩৭,৪২৬
অষ্ট্ৰেলিয়া	...	...	...	১২,৬৮৯,৪৬৪

এই সকলো ৩৬৪,০০০,০০০ কাথলিক এটা ডাঙৰ পৰিয়াল স্বৰূপ সন্ত প'পৰ কথাত বাধ্য। সন্ত প'প কাৰো অধীনত নাই। তেখেত স্বাধীন। আৰু তেখেতৰ গৌৰৱ ইমান মহত কেতিয়াও নাছিল। সন্ত যোহন বস্ক এই প্ৰতাপান্বিত আৰু পবিত্ৰ মণ্ডলীৰ এজন সুসন্তান আছিল।



তেওঁ এজন ডাঙৰ মানুহৰ পুত্ৰ নহয়। তেওঁৰ বাপেক মাক অতি দুখীয়া তেওঁলোকে নিজৰ পেতৰ নিমিত্তে অতি ৰাতি পুৱাৰ পৰা ৰাতি লৈকেকো কাম কৰিছিল। তেন্তে নিশ্চয় এইটো আসামৰ নিমিত্তে এটি ভাল আদৰ্শ হব।

বিদেশত অনেক সন্ত লৰা আছে কিয়?

কিয়নো সন্ত মাক বাপেক অলেখ। দমিনিকৰ মাক বাপেক ভাল খ্ৰীষ্টিয়ান লোক আছিল। এই কাৰণে আমি আশা কৰো যেন কিছু মাহৰ পাছতে এই ১৫ বছৰীয়া লৰাটিয়ে সন্ত হৈ স্বৰ্গৰ পৰা আমাক অনেক কৃপা দান কৰিব।

তেওঁ পাঁচ বছৰ বয়সতে মিছা সেৱা কৰিবলৈ ভালকৈ জানিছিল। জাৰ কি জহ কালিত তেওঁক সদায় অতি ৰাতি পুৱাতে গীৰ্জ্জা ঘৰৰ দুৱাৰ মুখতে আঁঠু কাঢি প্ৰাৰ্থনা কৰি থকা দেখা পোৱা গৈছিল। ইয়াতেই বুজা যায় যে প্ৰথম পবিত্ৰ কমুন্য গ্ৰহন কৰাৰ পাছত তেওঁৰ ঈশ্বৰৰ প্ৰতি অধিক ভক্তি হৈছিল।

এদিন আবেলি দমিনিকক ৰ'দত ফুৰি থকা দেখা পাই এজন ভদ্ৰ লোকৰ মৰম লাগি কলে "হেৰা অকলে ২ এই বাটেদি ফুৰিবলৈ তোমাৰ ভয় লগা নাইনেনে এই কথাত দমিনিকে উত্তৰ দিলে "মই অকল নহয় মোৰ লগত সদায় এজন দূত থাকে" এই কথাত ভদ্ৰলোক জনে পুনৰায় কলে তুমি ইমান বাট নিতৌ অহা যোৱা কৰিলে ভাগৰিবা। "গৰাকীয়ে মোক ভাল পুৰস্কাৰ দিলে ভাগৰিম কিয়? বুলি দমিনিকে উত্তৰ দিলে"।

"তোমাৰ গৰাকী কোন"?

মোৰ গৰাকী ঈশ্বৰ; সেই ঈশ্বৰ, সি কলে যি জনে তেওঁৰ নামত মুৰ দোৱায় ও পিয়াহত এবাটি পানী দিয়ে সিজনকো তেওঁ পুৰস্কাৰ দিব।

হায়! মাতৃ সকল, তোমা লোকৰ সন্তান দমিনিকৰ নিচিনা হব নে?



দাস বিলাকৰ মুক্তিদাতা অ ক ন্কু

দাস বিলাকৰ মুক্তি দাতা আৰু বন্ধু।

পুৰনি কালত প্ৰত্যেক দেশতে দাস বিলাক আছিল। মানুহে সিহতক মানুহ বুলি গণ্য নকৰি পশুত কৈয়ো অধম বুলিহে ধৰিছিল। সিহঁতক আনি গৰুৰ দৰে বেচা হৈছিল আৰু প্ৰত্যেকেই সিহতক মৰিযাব আৰু প্ৰাণ হত্যা কৰিব পাৰিছিল। কিন্তু যেতিয়া যীচু খ্ৰীস্ট আহি সিহঁতক ধৰ্ম্ম শিক্ষা দি কলে যে সকলো মানুহ ভাই ককাই আৰু ঈশ্বৰেই সকলোৰে পিতা, তেতিয়া খ্ৰীস্ট ধৰ্ম্ম যলেকে ব্যাপি পৰিছিল সেই বিলাক ঠাইৰ দাস বিলাকক মুকলি কৰি দিয়া হল আৰু সিহঁত মানুহ বুলি গণ্য হল।

যেতিয়া মুছলমান বিলাকে আফ্ৰিকা আৰু পৃথিৱীৰ আন আন অংশ আক্ৰমণ কৰে আকৌ এবাৰ বহুত দুখীয়া মানুহক দাস কৰি বহুত দূৰ দেশলৈ নিয়া হছিল। সিহঁতে তাত মানুহ বিলাকৰ মাজত থাকি অনেক কষ্ট ভুগিব লগা হৈছিল। তেতিয়া খ্ৰীষ্টিয়ান মিচনাৰী বিলাকৰ সিহঁতৰ প্ৰতি দয়া উপজি আফ্ৰিকালৈ যাবলৈ ধৰিলে আৰু তাৰ হাটবিলাকত দাসবিলাকক কিনি আকৌ এবাৰ মুকলি কৰি দিলে।

সাধু পিতাৰ নোলাস্কচক বিশেষকৈ দাস বিলাকৰ মুক্তি দাতা আৰু বন্ধু বোলা যায়। তেওঁ বৰ ধনী মানুহ আছিল তেও কাথলিক পুৰোহিত হৈ দুখীয়া আৰু যন্ত্ৰনা ভোগা দাস বিলাকক সহায় কৰিবলৈ কেইবা বাৰো আফ্ৰিকালৈ গৈছিল। তেও তেওৰ ধনেৰে সৈতে যিমানক পাৰে সিমানক মুক্ত কৰিছিল। যেতিয়া তেওৰ একো নোহোৱা হল, দুষ্ট সদাগৰ বিলাকৰ হাতৰ পৰা এটা দাসক মুক্ত কৰিবৰ কাৰণে তেও নিজে তাৰ ঠাইত দাস হৈ সেই দুখীয়া মানুহটোৰ শিকলি পিন্ধিছিল।

এই ধুনীয়া ছবি খনত তোমালোকে সাধু পিতাৰ নোলাস্কচক তেওৰ বন্ধু আৰু দাস বিলাকক সান্তনা দি সিহতক স্বৰ্গ ৰাজ্যৰ কথা কৈ থকা দেখিবলৈ পাবা। যি ঠাইত এজন সত্য পিতা, য সকলোকে ভাল পায় আৰু য'ত এদিন সিহঁত সকলো চিৰ কালৰ নিমিত্তে মুকলি আৰু সুখী হব।

আহা। আমি এই সাধুজনৰ পৰোপকাৰৰ মাজেদি প্ৰাৰ্থনা কৰোঁ যাতে চয়তানৰ সকলো বিলাক দাস সোনকালে ঈশ্বৰৰ সন্তান হয়।

কুমাৰী মাৰীয়া-ঈশ্বৰৰ মাতৃ।




স্বৰ্গৰ আমাৰ প্ৰাৰ্থক বোৰৰ ভিতৰত এজনী যাৰ কাৰ্য্য, পবিত্ৰতা আৰু প্ৰভাবৰ দ্বাৰা আটাই দূত সাধু বিলাকৰ ওপৰত বাহ থাকে। এইজনী কুমাৰী মাৰীয়া, ঈশ্বৰৰ মাতৃ। যীচু খ্ৰীষ্ট, যি জন ঈশ্বৰ তাইৰ দ্বাৰা জন্মিল। এই কাৰণে তায়ে ঈশ্বৰৰ মাতৃ। এনে মহত্ত্ব তাইক দি পৰমেশ্বৰে আটাই প্ৰাণীৰ ওপৰত তাইকে তোলে। দূত বিলাকৰ মুৰিযাল তাইৰ দাস, তাই তেওঁৰ মাতৃ। এনে মহত্বত তাইক তুলি ঈশ্বৰে সকলো পাপ, দোষ, ঘুণৰ পৰা তাইক ৰক্ষা কৰিবলৈ বাধ্য এই দেখি তেওঁ কৃপাপূৰ্ণা তাইকে কৰিলে। পাতৰ দ্বাৰা জন্ম ললে এইটো ঈশ্বৰৰ যোগ্য নহয়। পৰমেশ্বৰে যেনেকৈ দূতবিলাক, আদম আৰু হেবা পবিশুদ্ধ কৰিলৈ, নিজ মাতৃকো তেনেকৈয়ে সকলো পাপৰ পৰা বাজ কৰিব পাৰিলে।তাইৰ জন্ম হ'ল কিন্তু পূৰ্ব্ব পাপৰ পৰা বাজ কৰা হ'ল। তাইয়ে এই জগতত আছি, পৰমেশ্বৰৰ সাক্ষাতে ৰূপহী আৰু মনোহাৰী আছিল। তাইৰ পুত্ৰৰ বহুমূল্য শোনিত, আমাৰ ত্ৰানৰ কাৰণ, সৰ্ব্ব পাপৰ পৰা তাইক ৰাজ কৰিলে। যীচু খ্ৰীষ্টই কুমাৰী মাৰীয়াৰ যেনেতেনেকৈ আমালোকৰ নিমিত্তে প্ৰাণ ত্যাগ কৰিলে। এই কাৰণে তাইয়ে চিঞৰিব পাৰে:— মোৰ আত্মাই, পৰমেশ্বৰ মোৰ ত্ৰাতাৰ স্তুতিত, উল্লাহিত হৈছে। আটাই ৰক্ষিত প্ৰাণীৰ ভিতৰত কুমাৰী মাৰীয়া প্ৰথম। কুমাৰী মাৰীয়াক সকলো পাপৰ পৰ বাজ কৰা। এই গুণৰ নাম নিস্কলঙ্ক গৰ্ভধাৰণ।

আমি কুমাৰী মাৰীয়াৰ প্ৰশংসা কৰি, ঈশ্বৰৰ মৰ্য্যাদাৰক্ষ কৰোঁ। কুমাৰী মাৰীয়াত ইমান গুণ, মহত্ত্ব, গৌৰৱ, পবিত্ৰতা আৰু প্ৰভাৱ দেখি আমি ঈশ্বৰৰ প্ৰশংসা কৰো। যি জন তাইৰ দ্বাৰা আহিল, সেইজনে তাইৰ দ্বাৰা আমাৰ প্ৰতি দয়া কৰিবলৈ বাঞ্চা কৰে।

তাই স্বৰ্গত পৰমেশ্বৰৰ ইমান ওচৰত হৈছে, সেই দেখি পবিত্ৰ মণ্ডলিয়ে তাইৰ প্ৰশংসা কৰিবলৈ আমাক উদগাই দিযে। আমাৰ সকলো আৱশ্যকত তাইক শাপি যাম। "প্ৰণাম মাৰীযা।" এই প্ৰাৰ্থনাত আমি যি তিৰোতা বিলাকৰ মাজত ধন্যা, তাইক আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ সোধোঁ। এতিয়া আমাৰ সকলো লাগতীয়াল বস্তু পাবৰ কাৰণে আৰু বিশেষকৈ মৰণমৰণ কালত, যেতিয়া আমাৰ অংত্মাৰ নিস্পতি হব। পবিত্ৰ মণ্ডলীযে মাতৃক পুত্ৰৰ পৰা বিভিন্ন নকৰে। দিনে ২ তিনবাৰ তাই যীচু খ্ৰীষ্টৰ অৱতাৰৰ নিমিত্তে শলাগ লবলৈ নিজ সন্তান বিলাকক উৎসাহ দিযে। সেই সমযতো ও যিজনী, যাৰ দ্বাৰা পৰমেশ্বৰৰ পুত্ৰ মানুহ হল, তাইৰ প্ৰশংসা কৰা যায। সেই দেখি কাথলিক বিলাক। কুমাৰী মাৰীযাৰ দ্বাৰা উক্ত কথা:-'পুৰুষ পৰম্পৰে সকলোৱেই মোক ধন্যা বুলিব' এই কথাবোৰক পূৰ্ণ কৰে।

পবিত্ৰ জপমালাৰ মাহ।



অক্টোবৰ পবিত্ৰ জপমালাৰ মাহ। গোটেই পৃথিবীৰ ভাল কাথলিক সকলে ঈশ্বৰৰ মাতৃৰ মান্যাৰ্থে সদায গধুলা গীজ্জালৈ মালা জপিবলৈ যায। এইটো এটা অতি সুন্দৰ প্ৰাৰ্থনা যিটো কুমাৰী মাৰীয়াই সন্ত দমিনিকক নিজেই শিকাইছিল। জপ মালা জপোতে আমি যীচু খ্ৰীষ্টৰ জীৱন ও মৰনৰ ধ্যান কৰি জপিব লাগে।

ই এটা অতি উত্তম অস্ত্ৰ যিটোৱে শয়তানৰ লগত যুদ্ধ কৰিবলৈ আমাৰ ক্ষমতা আছে। যেতিয়া আমাৰ হাতত জপমালা থাকে তাৰ কোনো ক্ষমতা নাথাকে। যি জনে তেওঁক মধ্যস্থ কৰি তেওঁৰ মান্যাৰ্থ্যে মালা জপ কৰে তেওঁ নিশ্চয় সিজনক সহায় কৰিব।

মণ্ডলীৰ শিক্ষা।

চতুৰ্থ আজ্ঞা।



আমি ঈশ্বৰক ভাল পাবলৈ ইচ্ছা কৰোঁনে? আহা! আমি আমাৰ চুবুৰীয়াক প্ৰেম কৰোঁ। এইটো নিয়ম; এইটো নিশ্চয় আলি বাট। প্ৰথমে পিতৃ মাতৃক ভক্তি কৰিব লাগে। যি বিলাক সন্তানে নিজৰ পিতৃ-মাতৃক ভাল পায় আৰু মান্য কৰি তেওঁবিলাকক ভক্তি কৰে, সেই সন্তান বিলাকে ঈশ্বৰৰ উল্লিখিত আশীৰ্বাদ আৰু কৃপা পায়। আমি পিতৃ-মাতৃক ভাল পাওঁ এই কাৰণে তেওঁ বিলাকে ঈশ্বৰৰ প্ৰতিনিধি হৈ, পৰমেশ্বৰে তেওঁ বিলাকক সন্মান প্ৰেম কৰিবলৈ আজ্ঞা দিছে। তেওঁ বিলাকৰ প্ৰতি নম্ৰ, শিষ্ট হবলৈ আমাৰ আৱশ্যক, এই কাৰণে আমাৰ কথা সদায় মিঠা হব লাগে। তেওঁ বিলাকৰ দোষ এৰি আহা; আমি সততে সিবিলাকৰ শাৰীৰিক আৰু আধ্যাত্মিক বিষয়ত সহায় কৰো। তেওঁ বিলাক নৰিয়া নে? আমাৰ যত্ন আৰু উত্তেজিত হওক। আহা! আমি বৰ নৰিয়া হলে পাদ্ৰি মাতি পঠাম। তেওঁ বিলাকৰ মৃত্যুৰ পাচত ভাল সন্তান বিলাকে বেচি প্ৰাৰ্থনা কৰে যেন তেওঁবিলাকৰ আত্মা বেগতে সকলো পাপৰ পৰা শুদ্ধ হৈ স্বৰ্গলৈ যাব পাৰে। আদেশখন পাপ নহলে সন্তান বিলাকে মানিবলৈ বাধ্য। গোটেই জীৱনত পিতৃ-মাতৃক ভাল পাবলৈ আৰু সন্মান কৰিবলৈ সন্তান বিলাকৰ আৱশ্যক। আধ্যাত্মিক আদেশ খন মানিবলৈ বিশেষ প্ৰয়োজনীয়। আমাৰ পিতৃ-মাতৃক মান্য কৰিলেই নহয়, বিচপ পাদ্ৰি আৰু

আন ২ প্ৰধান বিলাকবোঁ আজ্ঞা শুনিব লাগে। বিচপ আমাৰ জিজনৰ যত্ন লবৰ বাবে পবিত্ৰ পাপৰ পৰা স্থাপিত হৈছে. এই দেখ তেওঁৱে আমাৰ আত্মা বোৰৰ ৰখীয়া। তেওঁৱেই আমাৰ সম্মানৰ যোগ্য। এই কাৰণে তেওঁ যি পাদ্ৰি আমাক বিশ্বাসৰ সত্য আৰু স্বৰ্গৰ পথ দেখুৱাবলৈ পঠাইছে সিবিলাককো আমি মান্য কৰিব লাগে। পাদ্ৰিয়ে আমালোকক ঈশ্বৰৰ সন্তান নিৰ্ম্মান কৰে. পবিত্ৰ কমুনিয়নৰ দ্বাৰা আমালোকৰ আত্মাক খুৱাইছে; পাপস্বীকাৰেৰে আমাৰ আত্মাৰ আঘাত বোৰক সুস্থ আৰু আৰোগ্য কৰে।

উপদেশৰ দ্বাৰা আমালোকক শিক্ষা দিছে যে দুখ কষ্টৰ সময়ত তেওঁতে সান্ত্বনা পাওঁ, পৰীক্ষাৰ কালত যুদ্ধ কৰিবলৈ সাহ দিছে আমি মৰীযানে তেওঁ আমাক দৰ্শন কৰিবলৈ আহিব। আমি মৃত-প্ৰায় নে: তেওঁৰ পৰা ধৰ্ম্মৰ সান্ত্বনা পাম। পাদ্ৰি ঈশ্বৰৰ মন্ত্ৰী সেৱক এই কাৰণে আহা আমি তেওঁৰ সম্মান কৰি আমাৰ আত্মা বিষয়ত তেওঁৰ কথা শুনি চালম। নাম সম্মান আৰু অধীনতা আন প্ৰধান বিলাকো দিয়া আৱশ্যক. অৰ্থাৎ ৰজাক আৰু যজন তেওঁৰ পৰা দোষৰ শাস্তি শৃঙ্খলা ৰাখিবলৈ স্থাপিত হল সিবিলাকৰ আদেশ শুনিবা। শাসন কৰ্ত্তাৰ বিৰোদ্ধে বিদ্ৰোহ কৰিবলৈ নিষিদ্ধ। যি সভা, সঙ্গ আৰু দেশক ঘৃণা কৰে সেইসকলৰ লগ লবলৈ মানা। কৰ দিবলৈ আৰু যি আদেশ পৰমেশ্বৰৰ আজ্ঞা বোৰৰ বিৰোদ্ধে নহয়, সিহঁতক শুনিবলৈ আমাৰ আৱশ্যক। ভাৰ্য্যা নিজ স্বামীৰ অধীন। দাস বিলাক নিজ নাথৰ প্ৰতি সবিনয়, আজ্ঞাকাৰী আৰু বিশ্বাসৰ পাত্ৰ হব। যি যি আদেশ, যি যি কাম সিবিলাকক দিয়া যায় কৰিব লাগে। শিক্ষক প্ৰধান বিলাক অধীন বিলাকৰ প্ৰতি দয়া প্ৰকাশ কৰিবলৈ বাধ্য। অধীন বিলাকক আহাৰ বাসস্থান আৰু উপদেশ শুনিবৰ নিমিত্তে সুযোগ দিবলৈ তেওঁবিলাকৰ আৱশ্যক। পাপৰ সুবিধাৰ পৰা সিবিলাকক ৰক্ষা কৰিব আৰু যি সি অধীন বিলাক কৰিব পাৰে ইযাক হে ভাল কৰিব। সিবিলাকৰ কাৰ্য্য অনুসৰি যুক্তি-যুক্ত উচিত ধৰ্ম্ম জ্ঞান দিবলৈ প্ৰধান বিলাকৰ আৱশ্যক। সন্তান বিলাকক পুহিবলৈ, সিহঁতক শিক্ষা দিবলৈ ভুল শুদ্ধ কৰিবলৈ, ভাল উদাহৰণ আৰু খ্ৰীষ্টান কাথলিক শিক্ষা দিবলৈ



এই সকলো কাৰ্য্য পিতৃ মাতৃৰ কৰ্ত্তব্য কাম। তেওঁ বিলাকে পুত্ৰ ওপোজাৰ পাচত যাতে সি বাপ্তাইজিত হয় ইযাক চাব। বাপ্তিস্মাত বাজে সন্তানটিক বহুত দিন ৰাখলে পাপ কৰিব লাগে। যোতয়া সম্ভৱ তেতিয়াই সন্তান টিক বাপ্তিস্মা দিব লাগে যাতে এই আটাইতকৈ প্ৰয়োজনীয় চাকামেণ্ট তেকুনা নেজায়। পিতৃ মাতৃয়ে যি ন্যায় অন্যায় পুত্ৰ বিলাকক শিক্ষা দি সিহঁতক বেয়া অপকাৰ পথৰ পৰা ৰক্ষা কৰিব। কথা কবৰ আগেয়ে লৰাটি মন দি অনুকৰণ কৰে যি বিলাক পিতৃ মাতৃয়ে বেয়া উদাহৰণ দি নিজ সন্তান বিলাকক নৰকৰ পথ দেখুৱাইছে সিবিলাকৰ বিচাৰ কেনে ভয়ানক হব। যি পিতৃ মাতৃয়ে নিজ সন্তান বিলাকক সাৱধান কৰি তেওঁ বিলাকক বেয়াৰ পৰা ৰক্ষা কৰে সিবিলাক খুব সুখী হব। এজনী ভাল মাতৃয়ে সোন কালে নিজ পুত্ৰক ক্ৰুচৰ চিন কৰিবলৈ শিক্ষা দিয়াচ আৰু কুমাৰী মাৰীয়াৰ প্ৰেমত তাক আগ বাঢ়ি গ দেখুৱাইছে সন্তানটি প্ৰথম প্ৰাৰ্থনা ঠাইৰ ওচৰৰ পৰা মন দি শিকিবা। যোতয়া লৰাই দুষ্ট বেয়া ইচ্ছা মতি দেখুৱাই তোতিয়া মাতৃয়ে স্থিৰ আৰু সাহেৰে সিহঁতক বাধা দিয়ে। লৰাই যে পিতৃ মাৰ কথা তৎক্ষনাৎ মানিব লাগে আৰু বেজাৰ স্বভাবেৰে আৰু চকু পানাৰে একো নেপাব ইযাক শিকিব লাগে। ডাঙৰ হলে তেওঁৰ পিতৃ-মাতৃয়ে কাথলিকৰ কৰ্ত্তব্য কাম তেওঁক দেখুৱাব অৰ্থাৎ দৈনিক প্ৰাৰ্থনা ৰাতি পুৱাৰ আৰু গধূলিৰ নিবেদন, নিজ আত্মাৰ মিমাংসা, সত্যবাদী, পৰিশ্ৰমী পৰমেশ্বৰ আৰু পবিত্ৰ বস্তুৰ প্ৰতি সন্মান জনক হবলৈ, ঈশ্বৰ আৰু পবিত্ৰ কাথলিক মণ্ডলীৰ আজ্ঞা বিধি পালন কৰিবলৈ, এই সকলো বিষযত তেওঁৰ শিক্ষা হব। মাতৃয়ে প্ৰথম পাপস্বীকাৰ, প্ৰথম

কমুণ্যু আৰু হস্তাৰ্পণৰ নিমিত্তে নিজৰ লৰাক ভালকৈ প্ৰস্তুত মনোযোগ দিব। সন্তানৰ প্ৰতি কৰ্ত্তব্য কাম কৰাটো মাতৃৰ কাৰ্য্য। পিতৃ-মাতৃয়ে সন্তান বিলাকক বেয়া সঙ্গ, আমোদ আৰু পাপৰ পৰা আতৰ কৰিব। লৰা বিলাক সোন কালে শুবলৈ যাব। নিজ সন্তান বিলাকৰ প্ৰতি কৰ্কশতা, বিকথনা, আৰু পক্ষপাতিতা দূৰ কৰিবলৈ পিতৃ-মাতৃৰ আৱশ্যক। তেওঁবিলাকে পৰিয়ালৰ শান্তি আৰু সান্ত্বনা ৰক্ষাৰ নিমিত্তে সজ ব্যৱহাৰ কৰিব। শুক্ৰবাণী বেচি নহব এবং থক আৰু মধ্যম। সেইবিলাকৰ খং উঠিলে শুক্ৰবাণীৰ ফল পৰিণতি নহব। পিতৃ-মাতৃ সোঁৱৰণ কৰা। এই সকলো ভাল লাগতিয়াল উদাহৰণ, বিশেষ ৰূপে খ্ৰীষ্টান কাথলিক কৰ্ত্তব্য কাম বোৰত। তেওঁবিলাকে সোঁৱৰণ কৰক যে এজন পুত্ৰ ঘৰত শিকিছে, ইয়াক একো পধ্যে নাপাহৰিব।

মিচ্ছা দে আঞ্জেলিচ

Re. সুৰ

d. m. l. s : s. l. s. f : s. d. l s. l. s. l· | s. m. r. d. f. m.
কি-ৰি- য়ে- এ

r. r. : d. (৩) m. m. r. d. t, . d. d. m. f : s. l. s. l : s | s.
লেইচন খ্ৰীষ্টে এ

m. r. d. f. m. r. r ; d | (৩) d'. t. d'. t. l. t. d'· s. d'. s : l.
লেইচন | কি ৰি য়ে

m. f : s | s. m. r. d. f. m. r. r : d | (২) d'. t. d'. t. l. t. d'.
এ লেই-চন | কি ৰি যে

s | d'. t. d'. t. l. t. d': s. d. s : l. m. f : s | s. m. r. d. f. m.
এ

r. r : d ||
লেই চন ||

গ্রবিয়া

Re. সুর

s. s. m. r. d. r. m : r : d.	s. s. m r. d. r. m. r : d.	d. r
গ্র বি য়া ইন এক চেলচিচ দেঅ	এৎ ইন তে ববা পাক্স অমী নি বুচ	ব নে

m. s : l : s	d'. t. l. s : l · s	d'. t. l. s. l. t : l : s	s. s.
বলুক্সা-তি চ	লাউ দা মু চ তে	বে নে দী চি মুচ তে-	আ দ

m. r. d. r. m : d	d. r. m. s l s	s. l. t. d'. t. l. t l : s.
বা মু চ তে-	গ্র বি ফি কা মুচ তে	গ্রাচিয়াচআজি মুচ তি বি

s. s. m. r. d. r. m r d	s s. m. r . d r. m · r : d	d
গ্র প্তেব মা গ্রাম গ্রবি য়াম তু বাম	দ মি নি দে উচ বে ক্স চেলে স্তিচ	দে

r. m. s. l. s. l. t d'. t. l. s : s	s. s. m. r. d. r. m. s. l : s.
উচ পা তেব অম্নী পতে এব্র-	দ মি নে যী লি উ নি জে নি তে

l, t. d'. t : l. s	d'. t. l. t. l : s. t. t. l : s	s. s. m. r. d.
ই যে চু গ্রা ক্টে	দ মি নে দে উ চ আ গ্র চ দেই	ফি লি উ - চ

r. m. r : d	d. r. m. s. l. s. l. t. d. t : l. s	s. s. m. r. d.
পা - ত্রিচ	কুই তলিচ পে কা তা মু - - ন্দি -	মি চে বে - বে

r. m : r d	d'. t. l. s. l. t : l : s	s. s. m : r. d. r. m. s.
ন - - বিচ	কুই ত লি চ পে কা মুন্দি	চু চি পে দে প্রে কা চি য়

l. s. l. t. d'. t : l : s	s. s. m. r. d. r. m : r : d	d. r. m. s :
নে ম ন ত্রা - - - ম	কুই চে দে চ আদ্ দেক স্তে বাম	পা ত্রিচ মি চে

l : s	d'. t. l. s. l. t : l : s	d'. t. l. s. l. t. l. s : s
বেবে ন বিচ	কুব নি আম তু চলুচ চান ক্সুচ	তু চ লুচ দমি মু - - চ

s. s. m. r. d. r. m. s : l : s : l. t. d'. t : l : s	s. s. m. r. d.
তু চ লুচ আ - ল্টি - চি মুচ ইয়ে চু গ্রী ক্টে	কুম চান ক

| r. m. r. d. | d. r. m. s. l. s. l. t. d'. t : l : s || s. ... d.
| স্পীরি - - তু | ইন প্র বি য়া দেই পা - - - ত্রি চ || আ - - -

| f. m. r : r : d |
| - - - মেন |

ক্রেদো

Re. সুর

s. m d. f m m. r. d : d | m. f. m s. m d. r : d | d. m.
ক্রে দো ইন উ নুম দে উ - ম - | পা ত্রেম অ ম্নি প তে স্তেম ফা ক্ত

f. s s. s l : s | s s l. l d' t s l l s. | s. m. d. f.
রে ম চে লি এং তেরবে বি চিবা লি উ ম অ ম্নি - উ ম এং ইন বিচি -

m. d r. r d , s. s. m. m d d · r. m. f r . d | m. m.
বি - - লি উম এং ইন উ নুম দ ম নুম যী চুম খ্রী স্টুম ফি লি

m. f. r. s s l. l s || m r. f. f m. d r d | m. m. s.
উম দে ই উ নি জে নি তুম || এং এক্স পা ত্রে না - তুম আ স্তে অ

l. s. m d. r. r d | s. s. s. m d | d r. r. m. r : d | s.
ম্নি য়া চে - - ন্তু লা | দে উম দে দে অ লু মেন দে লু মি নে দে

s. l s. d'. t. s. l. s m. m . r f. m. d. r · d | m. m.
উম বে রুম দে দে অ বে র জে নি তুম এন ফা - - ক্তুম কন সাব-

s. s. l. s f : s | l. d'. t. s s. l. t · s | s . m. m.
স্টান্সিয়ালেম পাত্রো পের কুয়েম অ ম্নি য়া ফাক্তা চুন্ত | কুই প্রপ্তের নচ

s. l : s. | d. d. d. d. r. m. f : s | l. t. d'. t s. l : s | s.
অ মি নেচ এং প্রপ্তের ন স্ত্রাম চালু তেম | দে চেন দিত দে চে লিচ | এং

m. m. d. r . d. m m'. r. m. s. l. s | l. d'. t. s. l. l :
ইন কার না তুচ এস্ত দে স্পী রী তু চান ক্ত এক্স মা রি য়া বির

s | d. m. m. f. f : s || m. r. f. m. d. r. d. d. r. m.
জিনে এং অ মো ফা ক্তুচ এস্ত || ক্রু চি - ফি - মুচ এ চি য়াম

f. s. d. s | s. s. s. l f. s. m | s. m d. f. m. d. r. r :
প্রা ন - বিচ চুব প স্তি য় পি লা তো পা ছুট এৎ চে পু - - ষ্টচ

d. | s. s. s l s s m l. s s | l, r m t r d | d.
এস্ত | এৎ বে চুব বেক্ত তেব চি গা দয়ে চে কুন্দম স্ক প্রু বাচ | এৎ

m s. l r d' t s l | s s. m m. f m. d r :
আ চে - ন্দিত ইন চে লু ম চে দেত আদ দেক্স তেবম পা - খ্রি

d | s s s m m d d r r m r . d | s s l s d' t t
চ | এৎ ই তে ক্রম বে স্ত ব চ অস্ত নুম ' বি যা হউ দ কা বে বি বোচ

s l l s | s s m d f m n r d d' d l l d'
এৎ মতু অচ ন্ যুচ বে ন নন ' বত কা নচ ' ইন ক্রা বি ক্তুম

s s l l s | d m s s r s | s t s m f r
চান ক্তুমদ ম শুম এৎ ন নি কানতেম নৃই অ্য পা এ ন লি

m f m d. r d | d m s m f m s | l s d' t
অ কুবে প্র চে দতে | নই নুম পা ব্রে হে ন লে য টা মুল আদবা

l s | d m m s s r s | s s m m d f m d r
তুব এ- কন বি ফি কা ভু নুইল নু তুচ অস্ত পেব প্র গে

d s s s s m m d r r d | s s s s s l f
ভাচ এৎ ট নাম চান ক্রাম কা থো ল কাম শৎ আ প লে কাম এ

s s m s l t d' l d' t l s | m r m s l m
কে চি য়াম কন যি তে অব উ শুম বা প্রা স্মা হন বে মি চ অ নেম

r m r d | s s m d s s s s l s l m f m |
পে কা ত ক্রম | এৎ এস্ত পে ক্ত বে চুব বে ক্তি য নেম মতু - অ ক্রম |

d' t. l s m l s m f s || s m d r d d'. t s l s. m.
এৎ ব্রী - তাম বে স্তু বি চে কু লি || আ - - - -

f s d r d. d ||
- - - - - - [illegible] ||

অসমীয়াৰ বন্ধু



হে পৰম পৱিত্ৰ যীচুৰ হৃদয়

আমাৰ প্ৰতি দয়া কৰা।

বিদেশৰ আৰু ভাৰতৰ বাতৰি।

নিউ জিল্লীঃ—যোৱা কেই বছৰৰ ভিতৰত পাচিফিক সমুদ্ৰত ২৫,০০০ হেজাৰৰ বেচী সেই দেশীয় মানুহ কাথলিক ধৰ্ম্মত সোমাইছে। কাথলিক মণ্ডলী সত্যতে সাধাৰণ ধৰ্ম্ম হৈছে আৰু সকলো জগতত ব্যাপি গৈছে

বেলজিয়াম ঃ এটা বৰ দুৰ্ঘটনা সেই দেশত হৈগৈছে। যেতিয়া সেই দেশৰ কাথলিক ৰজা আৰু ৰাণী মটৰ গাৰীত ফুৰিছিল হঠাৎ বাটত সিহঁতৰ মটৰ গাৰী এজোপা গছত লাগিল আৰ ৰাণীৰ ভয়ঙ্কৰ ৰূপে আঘাত হল। মৰণৰ আগেয়ে এজন পুৰোহিতৰ দ্বাৰা [illegible] যথা সময়ত পাইছিল তাইহে অন্তলেপন আৰু পাপস্বীকাৰ [illegible] লাইছে

ফ্ৰান্সঃ অল্প বছৰৰ কথা যে পাৰিচ নগৰত এজন লৰা [illegible] নাম গাইদ [illegible] মৰি গল। [illegible] তাৰ [illegible] ভক্তিমন্ত আছিল যে পবিত্ৰ মণ্ডলীয়ে তাক সন্ত [illegible] বুলিছে। [illegible] নিচনা সকলো মানুহ ইচ্ছা কৰিলে সন্ত হৈ যাব পাৰে।

মাদ্ৰাচ — আমাৰ আসাম দেশৰ বিচপ [illegible] মাথিয়াচ যে এতিয়া মাদ্ৰাচত বদলি হ'ল, সেই ঠাইত [illegible] কাথলিক খ্ৰীষ্টান আৰু [illegible] বৰ সুমধুৰ [illegible] অভ্যৰ্থনা কৰা হৈছে। [illegible] বিচপ আৰু পুৰোহিত বিলাক উপস্থিত আছিল।

নগা [illegible] (আসাম) এতিয়া নগা [illegible] কাথলিক খ্ৰীষ্টানৰ সংখ্যা বেচি আছে। বেচিভাগ খ্ৰীষ্টান মানুহ [illegible] আছে কিন্তু এতিয়া বস্তীত থকা বহুত মানুহ কাথলিক হবলৈ বিচাৰিছে। এজন প্ৰটেষ্টাণ্ট মিচনৰ বাবুয়ে মোক এইৰূপে কৈছে 'কাথলিক ধৰ্ম্মত বহুত কথা ভাল দেখা যায় আৰু মানুহক আকৰ্ষণ কৰে যি আমাৰ ধৰ্ম্মত নাই এই গতিকে বহুত মানুহ কাথলিক ধৰ্ম্ম লবলৈ ধৰিছে।

ভিয়েনাঃ (অষ্ট্ৰিয়াৰ ৰাজধানী) এই সুন্দৰ নগৰত ২০টা নতুন কাথলিক গিৰ্জ্জা সজা হৈছে। ইয়াত দুই নিযুত কাথলিক আছে।

অসমীয়া বন্ধু

ভাগ ২য় | নবেম্বৰ, ১৯৩৫ | সংখ্যা ১৫

বন্ধুৰ বাণী।

যোৱা বাৰ মই তোমালোকক ধৰ্ম্মৰ মাজেদি পোৱা ঈশ্বৰ আৰু মানুহৰ মাজত মহৎ ঐক্যতাৰ বিষয়ে কৈছিলো। আমি ধৰ্ম্ম মানুহৰ কাৰণে কি লাগতিয়াল বস্তু দেখিছো। ধৰ্ম্মৰ মাজেদি আমাৰ জীৱনৰ আৰম্ভ আৰু শেষ জানিব পাৰিছোঁ। যেতিয়াৰ পৰাই আমি ঈশ্বৰে সৃষ্টি কৰা এটা পাৰমাথিক আৰু অমৰণ আত্মা পাইছোঁ, ধৰ্ম্মই আমাক আমি জন্তু বিলাকৰ পৰা কিমান ওখত শিকাইছে; যি স্বৰ্গত চিৰকালৰ নিমিত্তে তেওঁৰ দৃষ্টি উপভোগ কৰিব।

কিন্তু এই পৃথিবীত বহুত ধৰ্ম্ম আছে। সিহঁত সকলো সজ আৰু সত্য নে? এই সকলো বিলাক ধৰ্ম্মই ঈশ্বৰক সন্তোষ দিব পাৰেনে? সিহঁত সকলোৱে আমাক স্বৰ্গ পথ দেখুৱাব পাৰেনে?

আজি কালি প্ৰায়েই সজ মানুহে এই প্ৰশ্ন সোধে; যি স্বীকাৰ কৰিব নোৱাৰে যে বেলেগ বেলেগ ধৰ্ম্মই পৰস্পৰে কথাৰে প্ৰতিবাদ কৰি সজ হব পাৰে।

যদি ঈশ্বৰ কেবল এজন তেওঁলোকে কয় ই বুজাই যে ধৰ্ম্ম কেৱল এটা হোৱা উচিত। সেয়ে,—এটা বাটেদি তেওঁক সন্তোষ দিবলৈ কাম কৰা

যায়। মনুষ্য জাতি বহুত লৰা ছোৱালীৰে কেৱল এজন বাপেক থকা এটা ডাঙৰ পৰিয়ালৰ নিচিনা। সকলো বিলাক লৰা ছোৱালীয়ে একেটা বাটেদিয়েই তেওঁৰ কাম কৰা আৰু তেওঁক মানি চলাটোৱেই স্বাভাবিক। যদি বাপেকে কোনো এটা ৰীতিৰে এটা কাম কৰিবলৈ হুকুম দিয়ে, লৰা ছোৱালীৰে সেই কামটো সেই ৰীতি মতে অৱশ্যে কৰিব লাগে।


এতিয়া আমি আমাৰ বিষয়ে কি দেখিছোঁ। আমি হিন্দু, মুছলমান, খ্রীষ্টিয়ান আৰু বহুত মানুহে এটা ধৰ্ম্মৰ পৰা সম্পূর্ণ ভিন্ন ৰকমে কৰা দেখিছোঁ। হিন্দুৱে বহুত দেৱ দেবীক বিশ্বাস কৰে। মুছলমানে কয় যে সেইটো ভুল। খ্রীষ্টিয়ানে ঈশ্বৰৰ পুত্ৰ যীচু খ্রীষ্টক বিশ্বাস কৰে। যি এজন মানুহ হৈ সকলো মানুহ জাতিৰ কাৰণে প্ৰাণ ত্যাগ কৰিছিল। কিন্তু অন্য মানুহে সেইটো বিশ্বাস নকৰি জন্তু আৰু মুৰ্ত্তি পূজা কৰে।

তুমি ভাবানে যে ঈশ্বৰক সন্তোষ দিবলৈ এইটোৱেই অতি সজ বাট? যদি সকলোৰে পিতা এজন তেন্তে তেওঁ কেনেকৈ তেওঁৰ সন্তান বিলাকক ওলোটা বাটেদি তেওঁৰ কাম কৰিবলৈ শিকাব? সত্য কেৱল এটা যেনেকৈ এক সূৰ্য্যৰ পোহৰ আৰু গৰম গোটেই পৃথিৱীতে বিয়পি পৰে সেইদৰে সকলো মানুহৰ কাৰণে সজ, ঈশ্বৰৰ ধৰ্ম্ম অৱশ্যে এটা হোৱা উচিত।

এই পৃথিবীত বহুত ধৰ্ম্ম আছে। কিন্তু সিহঁত সকলো ঈশ্বৰৰ পৰানে? নহয়, সিহঁত মানুহৰ দ্বাৰাই শিক্ষা পোৱা আৰু সৃষ্টি হোৱা। চিন দেশত কনফুচিয়াচ নামেৰে এজন মানুহ আছিল। তেওঁ তেওঁৰ ধৰ্ম্ম সেই দেশৰ মানুহবিলাকক শিকাইছিল। পুৰণি ভাৰতত বুদ্ধ আছিল। কিন্তু এতিয়া ভাৰতৰ নিশ্চেই অলপ মানুহে হে তেওঁৰ ধৰ্ম্মত বিশ্বাস কৰে। আৰৱত মহম্মদ আছিল তেওঁ আৰৱ বিলাকক অন্য ৰকমে "আল্লা" (ঈশ্বৰ) ক পূজা কৰিবলৈ শিকাইছিল। পাৰসাত যোৰোৱাস্তাৰ আছিল আৰু সেই কাৰণে প্ৰত্যেক দেশতে কিছুমান চতুৰ মানুহে এক ৰকমৰ পূজা কৰিছিল।

কিন্তু এই বিলাক ঈশ্বৰৰ পৰা পোৱা ধৰ্ম্মনে? নহয়, সিহঁত নহয়। সেই বিলাক কেৱল মানুহৰ শিক্ষা, তথাপি সিহঁত সজ আৰু চতুৰ হব পাৰে। তেন্তে ঈশ্বৰৰ ধৰ্ম্ম কোনটো?

ক্রুচৰ প্ৰেম



সকলো যুগৰে মহান শিক্ষক যীচু। তেওঁৰ জ্ঞান, নীতি শিক্ষা আৰু মানুহৰ ওপৰত কৰা প্ৰভাৱেই তেওঁৰ মহত্বৰ চিন। তেওঁ সৰ্ব্বজ্ঞানী; সত্য শিক্ষা দিওঁতে তেওঁ আচল আৰু উত্তম উপায় অবলম্বন কৰিছিল। সংসাৰক তেওঁ ধৰ্ম্ম সমাজ আৰু ৰাজকীয় এই সকলো বিষয়তে পৰিবৰ্ত্তন কৰিলে। তেওঁ সংসাৰলৈ অহাৰ লগে লগে মানুহ ৰীতি নীতি, স্বভাৱ চৰিত্ৰত বহুত আগ বাঢ়িল। সংসাৰত আজিলৈকে নাজৰথীয় যীচুৰ বাহিৰে এনে কোনো মহৎ পুৰুষ উদ্ভব হোৱা নাই যি উনৈশ শতিকাৰ ভিতৰত প্ৰতি যুগে যুগে জাতি বৰ্ণ নিৰ্ব্বিশেষে পৃথিবীৰ প্ৰতি ঠায়ে ঠায়ে অসংখ্য অসংখ্য সত্য প্ৰেমী ভক্ত লাভ কৰিছে। যীচুৰে আবিৰ্ভাব কৰা এই নব যুগৰ প্ৰকৃত প্ৰমাণ পূৰ্ব্বৰ সৌ অখ্ৰীষ্টীয় সকলৰ দিনৰ লগত আজিৰ, বেথেলহেমৰ উজ্জ্বল তৰাটিয়ে যুদিয়াৰ পাহাৰৰ ওপৰত পেলোৱা ৰূপালী পোহৰৰ পাচৰ সংসাৰৰ লগত বিজাই চালে ওলাই পৰে।

যীচুৰ মহিমা মানুহৰ আত্মিক আৰু সাংসাৰিক বিষয়তো কেনে শক্তিশালী। তেওঁৰ শিক্ষা মানুহৰ দুৰ্ব্বল প্ৰভাৱৰ লগত নিমিলিছিল। বৰং তেওঁৰ সেই শিক্ষাই মানুহৰ ইচ্ছা আৰু আকাঙ্খাক বাধা দিছিল। তেওঁৰ মুক্ত জীৱনৰ আৰম্ভতে অতীজৰ আচাৰ ব্যৱহাৰ এৰি দিলে। যি মানুহৰ প্ৰবৃত্তি ঘৃণা প্ৰতিশোধ উদগাইছিল, যি মানুহক সদায় নিম্নশ্ৰেণীত ৰাখিছিল, যি দুঃখ দৈন্য দৰিদ্ৰতাক অৱজ্ঞাৰে চাইছিল সেইবোৰ তেওঁ সদায় এৰিছিল আৰু সকলোকে এৰিবলৈ কৈছিল। তেওঁ ইচ্ছা কৰিছিল সকলোৱে তেওঁৰ এই শিক্ষা দ্বিৰুক্তিৰে গ্ৰহণ কৰিব। যাৰ পৰা মানুহ সদায় আঁতৰত

থাকিবলৈ ইচ্ছা কৰে, সেই যাতনা, দুঃখ ভোগ যি জনে যিনাইছিল তেওঁ যীচুৰ শিষ্য হব নোৱাৰিছিল। শিষ্যবিলাকক তেওঁ বিলাস বাসনা, যশ গৌৰব, ধন-ঐশ্বৰ্য্য ত্যাগ কৰিবলৈ আদেশ দিছিল আৰু শিকাইছিল যে তেওঁৰ কাৰণে মৃত্যু, তেওঁত আৰু তেওঁৰ নামত বিশ্বাসৰ প্ৰকৃত প্ৰমাণ হব। যদিও অনেকে যীচুৰ এই কথাত আচৰিত হৈছিল তেওঁ লোকে প্ৰত্যেকেই নিজৰ জীৱনৰ পৰাই জানিব পাৰিছিল যে দুঃখ ভোগ মানুহৰ জীৱনৰ এটা অখণ্ডনীয় দশা। কোনোৱে শৰীৰৰ অসুখত ভুগিছে, কোনোৱে মনৰ অসুখত ভুগিছে কোনোৱে শৰীৰ মন এই দুয়োৰে অসুখত ভুগিছে। সচাঁকৈয়ে যি সকল তেওঁৰ পৰা আতৰি গৈছিল সেই সকল বৰ ভাগ্যবান হলহেঁতেন যদি সিবিলাকে বুজিলে হেতেন যে যীচুৱে "যদি কোনোৱে মোক অনুসৰন কৰিবলৈ ইচ্ছা কৰে, তেন্তে তেওঁ আগেয়ে আত্ম-ত্যাগ কৰোক আৰু তেওঁৰ ক্ৰুচ বহন কৰি মোৰ পাছে পাছে আহোক।" কিয়নো বাক্যোন আনন্দৰ আৰু মোৰ ভৰ লঘু (মথি ১১,৩০) বুলি কওঁতে দয়া আৰু করুণাৰ বশ হৈছিল। মানুহৰ বঞ্চিত সুখ সম্পদৰ বাট দেখুৱাইছিল। আত্মাৰ এই সুখ শান্তি লভিবৰ উপায় আমাৰ আত্ম ত্যাগৰ ভাৰ ধৈৰ্য্যেৰে বস কৰি সাহস মনেৰে, বিশ্বাসেৰে বহন কৰাৰ বাহিৰে অন্য কোনো নাই। দুঃখ যন্ত্ৰনা মানুহৰ উৎপত্তিৰ পৰাই আৰম্ভ আৰু ইয়াৰ হাত কোনেও সাৰিব নোৱাৰে; কিয়নো ঈশ্বৰৰ ইচ্ছাই মানুহৰ ইচ্ছা নহয়। যি সকলে নাজৰথীয় যীচুত মুক্তি কামনা কৰে সেই সকলে বিশ্বাসত অনুপ্ৰাণীত হয় যাক তেওঁলোকে বৰ্ণাব নোৱাৰে। সন্ত সকলৰ জীৱন বিচাৰি প্ৰতি পাতে পাতে দেখিবলৈ পাবা। দুঃখ যাতনা তেওঁলোকৰ মনত একো নহয় কিয়নো সেই সকলে যীচুৰ কাৰণে, স্বৰ্গৰ এটি অস্ফুট আহ্বানত হৈ সেই সকলো নীৰবে সহ্য কৰিছিল।

যীচুৰ ক্ৰুচ সচাকৈয়ে কেনে মধুৰ। বিশ্বাসী সকলৰ কাৰণেই কেনে মহৎ কেনে আদৰৰ বস্তু! আহা হে ভাই ভনীসকল, আহা যীচুৰ ক্ৰুচ-মনত যীচুত স্থিৰ বিশ্বাস ৰাখি সকলোৱে কান্ধত তুলি লওঁহক। আমি যীচুৰ প্ৰিয় ভক্ত হম, স্বৰ্গ আমাৰ ৰাজ্য হব।

পিতৰ পদ্ম গগৈ।



বাপ্তিস্মা

বাপ্তিস্মা এটা চাক্রামেণ্ট, যি আদি পাপৰ পৰা আমাক পৰিস্কাৰ কৰি আমাক খ্রীষ্টিয়ান, ঈশ্বৰৰ সন্তান, মণ্ডলীৰ সভ্য আৰু স্বৰ্গৰ উত্তৰাধিকাৰী। বাপ্তিস্মাই বাস্তবিক পাপবোৰক ক্ষমা কৰে, অৰ্থাৎ যি পাপ আমি বাপ্তিস্মাৰ আগেযে কৰিছো। সকলো দণ্ডক সহে বাপ্তিস্মাৰ দ্ৰব্য পানী। তাৰ কথা ' মই তোমাক বাপ্তিস্মা দিও, পিতৃ, পুত্ৰ আৰু পবিত্ৰাত্মাৰ নামত। বাপ্তিস্মাৰ সাধাৰণ শুশ্ৰূষা কৰোতা পাদ্ৰি, কিন্তু আৱশ্যক হলে কোনো এজন হব পাৰে। এই দেখি কেনেকৈ দিব লাগে তাক জনা সকলো মানুহৰ লাগতিযাল। কিমান ধাতৃ বা চিষ্টাৰ বিলাকে অনেক মৃত প্ৰায় শিশুবিলাকক স্বৰ্গৰ দুৱাৰ খুলি দিছে। আমিও পাৰিলে সুজোগ পালে এই দৰে কাৰব পাৰো। এজন ইংৰাজী চিপাহী দিনে দিনে সমুদ্ৰৰ দাতিত ফুৰিগৈ যি পিযাহ খোৱা সন্তান বিলাকক এৰিদিযা হৈছিল সিহঁতক বাপ্তাইজিত কৰিছিল। বাপ্তিস্মা এইদৰে দিযা হয, সন্তান শিশুৰ মুৰত পানী ঢালি কৰা " মই তোক বাপ্তাইজিত কৰো: পিতৃ, পুত্ৰ আৰু পবিত্ৰাত্মাৰ নামত।'

বাপ্তিস্মা দিযাৰ সাধাৰণ নিযম, পানী আৰু শিশুৰ শৰীৰক চুব-লগীযা। যি জনে পানী ঢালি দিছে তেওঁৰেই কথা কব। যি জনে বাপ্তিস্মা দিছে মণ্ডলী আৰু যীচু খ্ৰীষ্টৰ ভাব অনুসৰি দিব লাগে তেনেহলে বাপ্তিস্মা গ্ৰহণ কৰা যাব। বাপ্তিস্মা লবৰ নিমিত্তে বিশ্বাসৰ মূল শিক্ষা, পাপৰ অনুতাপ আৰু চাক্ৰামেণ্ট লবলৈ ইচ্ছা সেই সকলো ডাঙৰ জনা বিলাকৰ আৱশ্যক। ধৰ্ম্ম পিতৃ কাথলিক হব লাগে। তেওঁ সাৱধান ৰূপে চাব যে শিশুৱে কাথলিক ধৰ্ম্মৰ শিক্ষা পাব আৰু তাইৰ নিয়ম বিধি অনুসৰি চলিব।



বাইবেল আমাৰ নিমিত্তে যথেষ্ট নে?



আমি শুনিছোঁ সৰহ ভাগ প্ৰটেষ্টানে কয় যে আমাৰ বাইবেলখন আছে সেয়ে মোৰ পক্ষে যথেষ্ট। মোক শিক্ষা দিবলৈ কাকো প্ৰয়োজন নকৰে। ময় যেতিয়া বাইবেলখন পঢ়িম পবিত্ৰ আত্মাৰ পোহৰে মোক সকলো বুজাই দিব। সেইয়ে সচাঁ নে? এই ছবিখনিলৈ চোৱা তাতে ইয়াৰ উত্তৰ দেখিবলৈ পাবা।

ৰথৰ ওপৰত বহি এজন মানুহে এখন কিতাপ পঢ়ি থকা দেখিব পোৱা। সেই মানুহজন কান্দাকী নগৰৰ ৰাণীৰ মন্ত্ৰী, সেই মানুহজনে যদিও বাইবেলখন পঢ়িছে তাৰ অৰ্থকে একোবেই বুজিব পৰা নাছিল। তেও এজন অতি ধাৰ্ম্মিক লোক দেখি, ঈশ্বৰে তেওঁৰ ওপৰত দযাৰ পৰবশ হৈ তেওঁক বাইবেলখনৰ সকলো বিষয় বুজাবৰ কাৰণে পাঁচনি ফিলিপক তেওঁৰ ওচৰলৈ পঠিযালে। তাৰ পিচত তেও সকলো বুজি ও বিশ্বাস কৰি বাপ্তাইজিত হল। (পাঁচনি কৰ্ম্ম ৮-২৬)

আমি ইয়াৰ পৰা কি শিক্ষা পাও? বাইবেলখনই আমাৰ পক্ষে যথেষ্ট নহয়। এই সকলো বিষয় আমাক বুজাবলৈ কোনো এজন থকা উচিত। যীচুনে পাঁচনি সকলক কৈছিল যে যোৱা সকলো জাতিকেই ধৰ্ম্ম শিক্ষা দিয়া তেও কোৱা নাছিল যোৱা সকলো মানুহৰ মাজত বাইবেল বিলায় দিয়া। আমালোক কেথলিকে প্ৰথমে যাচুত বিশ্বাস, পাচত বাইবেল, আমি, পাঁচনি সকলৰ উত্তৰাধিকাৰী তোৱা সকলক মানো যি সকলে আমাক বুৰাবলৈ ও শিক্ষাদিবলৈ ক্ষমতা পাইছে।

মহাদূত সাধু মিখায়েল।



আমি বাইবোলত এই প্ৰধান দূত জনৰ কথা পঢ়িছো। যেতিয়া লুচিফাৰ আৰু তেওঁৰ অনুসৰনকাৰী বিলাকে ঈশ্বৰৰ বিৰোদ্ধে থিয দিছিল, তেওঁ সিহঁতৰ বিৰোদ্ধে গৈ কৈছিল,- ঈশ্বৰৰ নিচিনা কোন? লুচিফাৰ পৰাস্ত হল আৰু নৰকলৈ পেলোৱা হল। এই চবি খনলৈ চোৱা। তুমি তাত সাধু মিখায়েলক হাতত এখন লঘু তৰোৱাল লৈ ঈশ্বৰৰ নিচনা হবলৈ বিচৰা অহঙ্কাৰী লুচিফাৰক ভৰিৰে গচকা মাৰি ধৰি থকা দেখা পাবা।

সাধু মিখায়েল, দূত বিলাকৰ নেতা ঈশ্বৰৰ বৰ বিশ্বাসী আছিল। তেওবেই কাথলিক গির্জাৰ ৰক্ষা কৰ্ত্তা। তেওঁ ইয়াক সকলো বিলাক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিছিল। তেও সদাই ঈশ্বৰৰ শত্ৰু আৰু দুষ্টাত্মা বিলাকৰ বিৰোদ্ধে যুদ্ধ কৰিছিল।

যেতিযা আমাক চযতানে লোভ দেখুৱাই তেতিযা আমি নিশ্চয় সাধু মিখায়েলক আমাক সহায কৰিবলৈ মাতিম। সাধু মিখায়েল আমাৰ কাষলৈ আহিলে চযতানে আমাৰ বিৰোদ্ধে একো কৰিব নোৱাৰিব। সদায় পবিত্ৰ মিচ্ছাৰ পাচত পুৰোহিতে এই সুন্দৰ প্ৰাৰ্থনা কৰে। প্ৰাৰ্থনা—হে মহাদূত সাধু মিখায়েল, যুদ্ধৰ সময়ত আমাক ৰক্ষা কৰা, চযতানৰ জাল আৰু দুষ্টাত্মাৰ বিৰোদ্ধে আমাৰ আশ্ৰয় হোৱা। প্ৰভূ! তাক আজ্ঞা কৰক: আমি বিনয়ৰ সৈতে প্ৰাৰ্থনা কৰো। আৰু তুমিহে স্বৰ্গীয় দূতৰ নেতা। ঈশ্বৰৰ শক্তিৰ দ্বাৰা চয়তান আৰু আন আন যি সকল দুষ্টাত্মা বিলাকে আত্মাৰ ধ্বংশৰ কাৰণে পৃথিবীত ফুৰে, সেই বিলাকক নৰকত পেলোৱা।—আমেন।



হে ঈশ্বৰৰ অকলঙ্ক মাতৃ !

আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰা

লুৰ্ড্‌চ্‌ কুমাৰী

তেওঁ ঈশ জীয়াৰী ৰাজেন্দ্ৰ কুমাৰী
নামে স্বৰগৰ পৰা,
যত, অমল কিৰণ কৰে বিতৰণ
শোভে অগগন তাৰা;
পিতা, পুত্ৰ, আত্মা হে মহা পিতা
...সন্ত, দূতেৰে ঘেৰা।
তেওঁ অতিযে কোমলা দয়াত অতুলা
ৰূপে গুণে অনুপমা,
তিৰীৰ মাজত যাউতি যুগত
জন্ম হোৱা নাই যাৰ সমা।
তেওঁক নালাগে মহিমা নালাগে গৰিমা
নালাগে ঐশ্বৰ্য্য ধন,
তেওৰ আমাৰ দুঃখ, কষ্ট, হোৱা স্বৰ্গ ভ্ৰষ্ট,
আতৰ কৰাই মন।
তেও দুঃখীৰ আশ্ৰয় পাপীৰ আশ্ৰয়
কাষলৈ মাতে সকলোকে,
দিযে শান্তি পানী আৰু অভয় বাণী
নাৰাখে কাকো ভোকে।
ফৰাচী দেশেও পূৰ্ব্বৰ্তি কালত
একে কৰিছিল খেতি,
তেওঁৰে কন্যা নামে মহা ধন্যা
অকনী বাৰ্ণাদেট্ৰী।
সেই কন্যাৰ আগতে এদিন অকস্মাতে
দিলেহি তেও দেখা,
ক'লে "হবা মহা সাধ্বী যব চিৰ কীৰ্ত্তি
বোৱাবা সোণালী ৰেখা।

পৰ্ব্বতে ভৈয়ামে আকাশে পাতালে
উঠিব মহান ৰোল,
জাতি বৰ্ণ ভেদি সকলো মুখেদি
মাত্ৰ 'যীচু' 'যীচু' বোল।
নাৰী বৰেণ্যা হ'ম মই ধন্যা
ধন্য মোৰ গৰ্ভফল,
হবা তুমি স্বৰ্গী মহা পুণ্য ভাগী
আৰু ই পুণ্যস্থল।
প্ৰত্যেকে জানিব লোকে বখানিব
মই 'নিস্কলঙ্কিনী'
আমি পাপ-হীনা পাপীৰ তাৰনা.
লুডচৰ "মহাৰাণী"।

"সত্য"



এজন বাপ্তিষ্ট মিচন প্ৰচাৰকে নগাওঁৰ পৰা আমালৈ পত্ৰ লিখিছে আৰু সন্ত পিতৰ শৰু গিৰ্জ্জা যে তেওঁৰে স্থাপিত কৰিছিলে তাৰ বিষয়ে জানিবলৈ খুজিছে।

চিঠি দীঘল হোৱাৰ কাৰণ এই বাৰে আমি সকলো কথাৰ উত্তৰ লিখি দিব পৰা নাই। তেওঁৰে লিখিছে যে সন্ত পিতৰ গিৰ্জ্জাৰ ভেঁটি হব নোৱাৰে কিন্তু প্ৰভু যীচু খ্ৰীষ্ট অকলহে মণ্ডলীৰ ভেঁটি হব পাৰে। আমি ইয়াত তেওঁৰ প্ৰথম ভাগ প্ৰশ্নৰ উত্তৰ দিছোঁ আৰু বাকী অহা মাহত লিখিম।

"Editor."

উত্তৰ।

ময় বৰ সন্তুষ্ট হৈছো যে আপুনি মণ্ডলীৰ সম্বন্ধে মোক লিখি পঠিয়াইছে কাৰণ কেনেকুৱা সত্যৰ বিষয়ে আমি অনুসন্ধান কৰিলেহে কি সত্য তাক জানিবলৈ পাওঁ। এই বাৰ কাকতত ঠাই নজুৰিব বুলি ময় এতিয়া সাধু পিতৰ আৰু মণ্ডলীৰ স্থাপন কৰা বিষয়ে আপোনাৰ প্ৰশ্নৰ উত্তৰ দিছো। অহা মাহত মই কোন্ মণ্ডলী প্ৰথম তাৰ বিষয়ে লিখিম।

আপুনি সাধু মথি ১৬-১৮ লিখিত বাক্যৰ পৰা প্ৰমাণৰ নিমিত্তে উল্লেখ কৰিছে যে আমাৰ প্ৰভু যাচু খ্ৰীষ্টে পিতৰক কৈছিল "এতিয়াৰ পৰা তোমাৰ নাম পিতৰ অৰ্থাৎ শিল আৰু এই শিলৰ ওপৰত ময় আপোন মণ্ডলী স্থাপন কৰিম মই আশা কৰোঁ আপুনি এই বাক্য যে কোৱা হৈছিল সেই পিতৰক কোৱা হৈছিল তাক মঞ্জুৰ কৰিছে নতুবা যি বাক্য তাত আগত বা পিছত লিখা আছে তাৰ কোন অৰ্থ নুবুজায়। প্ৰায় সকলো বুদ্ধিমান প্ৰটেষ্টেণ্ট লেখকবিলাকে এই কথা স্বীকাৰ কৰে, যেনে আলফোৰ্ড, ব্লুমফীল্ড, বীল, মাণ্টেল চাঁফাৰ্ট ইত্যাদি। টোমচানে স্পষ্টৰূপে কয় পিতৰ শিল আছিল সিহঁৰ ওপৰত যীচু খ্ৰীষ্টৰ কোৱা নিচিনা তেওঁৰ মণ্ডলী নিৰ্ম্মান কৰা উচিত, এই কথাৰ কোনো সন্দেহ নাই। (montesseron 191)

আদি খ্ৰীষ্টানবিলাক পিতৰৰ সম্বন্ধে সদাই কৈছিল যে তেওঁৱে মণ্ডলীৰ শিল।

তেৰতুলিয়ান (১৬০-২২২) লিখিছিলে 'পিতৰ যে শিল আছিল তেওঁৰ ওপৰতহে মণ্ডলী নিৰ্ম্মান কৰা হব পাৰেৰ আৰু তেওঁৰ হাতত স্বৰ্গৰ ৰাজ্যৰ চাবি আছে। De praes 22.

চিপ্ৰিয়ানে (২০০-২৫৮) কৈছিলে 'পিতৰ যাক যীচু খ্ৰীষ্টে প্ৰথম বুলি নিযুক্ত কৰিছিলে আৰু তেওঁৰ ওপৰত তেওঁৰ মণ্ডলী নিৰ্ম্মান কৰিছিলে এই বিশ্বাস সকলো আদি মণ্ডলীৰ মাজত চলিত আছিল আৰু সিবিলাক পিতৰক শিল বুলি মানিছিল যাৰ ওপৰত খ্ৰীষ্টৰ মণ্ডলী নিৰ্ম্মান কৰা হৈছিল আৰু তেওঁৰ ওপৰত নৰকৰ পুৰদ্বাৰেও পৰাজয় কৰিব নোৱাৰিব। (Epis. 71 et in Lucan 22.)

আমি সাধু পৌলৰ পত্ৰত (১ কোৰ০ ৩-১১) পাঠ কৰি কি বুজিবলৈ পাওঁ? আমি পিতৰ পৰা বুজিবলৈ পাওঁ যে যীচু খ্ৰীষ্টহে অকল মণ্ডলীৰ ভেঁটি? যদি তেনেকুৱা হয় তেনেহলে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ লিখিত বাক্যক সাধু মথি ১৬-১৮ আমি বাদ দিব লাগিব। কিন্তু সাধু পৌলৰ লিখিত বাক্যৰ কি সত্য অৰ্থ আছে? আপুনি যদি ভালকৈ ১ কোৰ০ ৩ অধ্যায় পাঠ কৰিব তেনেহলে জানিব যে সাধু পৌলে কোৰন্থী বিলাকক লৰাবিলাকৰ নিচিনা শিকাইছে। সিবিলাক তেতিয়ালৈকে অধিক গভীৰ ৰহস্য বুজিবলৈ অযোগ্য আছিল যি তেওঁবে পূৰ্ণবিলাকৰ নিমিত্তে শিক্ষা দিছিলে। দেখোক (১ কোৰ০ ২-৬) তেওঁৰ আচল শিক্ষা যীচু খ্ৰীষ্টৰ বিষয়হে আছিল, অৰ্থাৎ তেওঁৰ ঈশ্বৰত্বৰ আৰু পৰিত্ৰাণৰ বিষয়ে।

আমি কাথলিক বিলাক প্ৰভু যীচু খ্ৰীষ্টৰ বাহিৰে পিতৰক শিল বুলি কেতিয়াও দাবী ক'ৰিব নপাৰো কিন্তু শিল আৰু ভেঁটি যীচু খ্ৰীষ্টৰ পিচত।

আমি বিশ্বাস কৰো যে যীচু খ্ৰীষ্টহে মণ্ডলীৰ স্থাপিত কৰোঁতা প্ৰথম শিল তেওঁহে আৰু পিতৰ তেওঁৰ পিছত. যেনেকুৱা এই ভাৰত বৰ্ষৰ বৰলাট চাহাব বাহাদুৰ চৰকাৰৰ শিলৰ নিচিনা ৰজাৰ দ্বাৰা স্থাপিত হোৱা নিজৰ দ্বাৰা নহয় তেনেকুৱাই পিতৰ মণ্ডলীৰ শিল আৰু এইয়ে অৰ্থ যেতিয়া পিতৰ আপোন ১ম পত্ৰত ২য় অধ্যায় ৪ পদত লিখিছিলে যে যীচু খ্ৰীষ্টে জীয়া বহুমূল্য শিল ঈশ্বৰৰ দ্বাৰা নিযুক্ত কৰা হৈছে আৰু খ্ৰীষ্টান বিলাকেই জীয়া শিল যিবিলাকৰ দ্বাৰা আত্মিক ঘৰ অৰ্থাৎ মণ্ডলী নিৰ্মান কৰা হৈছে। (১ পিতৰ ২-৫) তেওঁ যিশাইয়া ২৮-১৬ পদত উল্লেখ কৰে " দেখা মষ চিয়োনত এটা শিল নিৰ্ম্মান কৰিছোঁ, বহুমূল্য ধৰণী শিল আৰু দৃঢ ভেটি, যি কোনোৱে তাৰ ওপৰত বিশ্বাস কৰে শিলাজ্জত নহব। হয় যীচু খ্ৰীষ্টহে প্ৰথম আৰু শেষ তেওঁ জগতৰ ত্ৰাণকৰ্ত্তা আৰু আমি কেৱল তেওঁৰ ওপৰত বিশ্বাস কৰিলে আমাৰ পৰিত্ৰাণ হব পাৰে। তেওঁৱে সত্য জীৱন আৰু পথ। তেওঁৱে আমাৰ জীৱনৰ আৰু বিশ্বাসৰ ভেঁটি। এইটোকে জগতৰ সকলো কাথলিক বিলাকে বিশ্বাস কৰিছে। কিন্তু এই কথাও স্পষ্ট যে আমাৰ প্ৰভুৱে এই জগতত দৃশ্য মণ্ডলী স্থাপিত কৰিছে। খ্ৰীষ্টৰ মণ্ডলী

এটা পৰ্ব্বতৰ ওপৰত থকা নগৰৰ নিচিনা আৰু যি কেতিয়াও গোপনে থাকিব নোৱাৰে। (মথি ৫-১৪)

আৰু এইটো কথাও স্পষ্ট যে যীচু খ্ৰীষ্টে কেতবিলাক অধিকাৰী আৰু মণ্ডলী চলাওঁতা স্থাপিত কৰিছে যেনে, পাচনিবিলাকক আৰু বিশেষৰূপে সাধু পিতৰক সকলো পাচনিবিলাকৰ ওপৰত যুবৰাজ স্বৰূপ, তেওঁকহে স্বৰ্গৰ ৰাজ্যৰ চাবি যীচু খ্ৰীষ্টে দি গৈছে। (মথি ১৬-১১) আৰু তেওঁকহে ভেড়া আৰু পোৱালিবোৰক চৰাবলৈ আদেশ দিছে, (জোহন ২১-১৬), অৰ্থাৎ মেৰ পালক নিজৰ পৰিবৰ্ত্তে সকলো যিবিলাক তেওঁৰ ওপৰত বিশ্বাস কৰিব এই গতিকে পিতৰক নিযুক্ত কৰিছিলে।


সাধু পিতৰ আৰু তেওঁৰ উত্তৰাধিকাৰী ৰোমৰ বিচপ বিলাক অৰ্থাৎ পোপবিলাক খ্ৰীষ্টৰ এই জগতত প্ৰতিনিধি। দৃশ্য ভেঁটি আৰু দৃশ্য মণ্ডলীৰ মস্তক তেওঁবিলাকহে। আপুনি কয় যে কোনো মানুহ ইমান পবিত্ৰ হব নোৱাৰে যে বহুমূল্য ভেঁটি হব পাৰে, কিন্তু আপুনি পাহৰিব নেলাগে যে ঈশ্বৰে পাপিমানুহৰ পৰা এজন ডাঙ্গৰ সাধু কৰিব পাৰে, যেনেকুৱা পৌলক. মাকদালীৰীক ইত্যাদি। আৰু আপুনি খ্ৰীষ্টৰ কথা পাহৰিব নেলাগে যে খ্ৰীষ্ট মণ্ডলীৰ মাজত প্ৰতিদিন জগতৰ শেষলৈকে থাকিব। (মথি ২৮-১৮-২০) আৰু তেওঁ পাচনি বিলাকৰ ওপৰত আৰু তেওঁবিলাকৰ উত্তৰাধিকাৰী বিলাকৰ ওপৰত পবিত্ৰাত্মা পঠিয়াবলৈ অঙ্গীকাৰ কৰিছে যে সদাই তেওঁবিলাকৰ লগত থাকি যি সত্যতাক শিকাব। (১ জোহন ১৪-১৬)

যীচু খ্ৰীষ্টত কেৱল ভাৱমুলক বিশ্বাস যথেষ্ট নহয়, যেনেকুৱা আপুনি কয়। যদি আমি যীচু খ্ৰীষ্টৰ ওপৰত বিশ্বাস কৰো আৰু যদি তেওঁক প্ৰেম কৰোঁ তেনেহলে আমাৰ উচিত যে আমি তেওঁৰ আজ্ঞা কৰো। (জোহন ১৪-২২)

আৰু যীচু খ্ৰীষ্টৰ এইটোও আজ্ঞা আছে যে কোনোৱে তোমাক শুনে অৰ্থাৎ পাচনিবিলাকক আৰু তেওঁৰ উত্তৰাধিকাৰীবিলাকক যি মোকহে শুনে আৰু যে কোনোৱে তোমাক তুচ্ছজ্ঞান কৰে সি মোকহে তুচ্ছজ্ঞান কৰে। (লুক ১০-১৬)

যদি কোনোৱে মণ্ডলীক নুশুনে তেন্তে সি তোমালৈ পৰজাতি আৰু কৰতোলাৰ নিচিনা হওক। (মথি [illegible])

[illegible]



মণ্ডলীৰ শিক্ষা

পঞ্চম আজ্ঞা।

এই আজ্ঞা অনুসৰী সকলো ইচ্ছাইক নৰহত্যা বাধিত। ঠিক যুদ্ধ, আত্মৰক্ষা বা অন্যৰ নামত এই আটাইতে বাজে, আমি আনৰ প্ৰাণটোক বধ কৰিব নোৱাৰো ও আত্ম প্ৰাণৰ হত্যাও কৰিব নোৱাৰোঁ। এই দেখি যি পাপে জীৱনক চাপৰ কৰে সি নিসিদ্ধ। যুজ দন্দ-বিবাদ, খং কোপ ঘিন প্ৰতিহিংসা বাধা এই কাৰনে যে সিবোৰ নৰহত্যাৰ পথ।

কুইচ্ছা আৰু বেয়া উদাহৰণ আমাৰ চুবুৰিয়াৰ আধ্যাতিক হত্যা কৰে এই দেখি সিবিলাক এই আজ্ঞাৰ বিপক্ষে।

ষষ্ঠ আৰু নৱম আজ্ঞা।

যি পবিত্ৰ ও শুদ্ধতা বিপক্ষে, অৰ্থাৎ সকলো নিশুদ্ধ চিন্তা ভাব, বাক্য কথা বা কাৰ্য্য নিষেধ কৰে। এইটো জানিবই যে চিন্তা ইচ্ছাইক নহলে পাপ নচলে। এই বেয়া ভাব বহুত দিনলৈকে সততে আমাক গমনাগমন কৰিব কিন্তু আমি তাক গ্ৰহণ নকৰি খেদাবলৈ চেষ্টা কৰিলে পাপ নকৰোঁ। এই আজ্ঞা অনুসৰি আটায় নিলাজ খেল, ধেমলি, আমোদ আৰু নাচন নিষিদ্ধ। ও সেই বিলাকক দেখিবলৈ ও নিষিদ্ধ কৰে। এই আজ্ঞায় নিষিদ্ধ গান গ্ৰন্থ আৰু চবিবোৰক পাপৰ আলিপথ হয় এই কাৰনে এই সকলো আজ্ঞাৰ বিৰুধ। আপদায়া লগৰীয়া, আমোদ বাতৰিকাকত ও উপন্যাসবোৰৰ পৰা দূৰ থকা। এই দৰে এই আজ্ঞা পালন কৰিবলৈ ইচ্ছা থাকিলে আমি এলাহ আৰু সকলো কুইচ্ছা আতৰ কৰিব লাগে।





জয় পোৱা আৰু কষ্টভোগ কৰা মণ্ডলী।

আমি কাথলিক বিলাক ধাৰ্ম্মিকলোক সকলৰ সহভাগীত্বত বিশ্বাস কৰোঁ অৰ্থাৎ সকলো খ্ৰীষ্টান বিলাকৰ আত্মা যে স্বৰ্গত বা এই জগতত অথবা যি বিলাকৰ আত্মা শুচ্যগ্নিত আছে সি বিলাকৰ আত্মাৰ সম্বন্ধ আমাৰ আছে। আমাৰ নিমিত্তে এই ভাব অতি সান্ত্বনাযুক্ত আৰু অতি উৎসাহজনক। আমি জানোঁ যে সাধুবিলাকে স্বৰ্গত আমাৰ প্ৰাৰ্থনা শুনে আৰু সিবিলাকে আমাৰ নিমিত্তে ঈশ্বৰৰ স্বৰ্গত প্ৰাৰ্থনা কৰিব পাৰে। সিবিলাক ঈশ্বৰৰ বন্ধু আৰু সেই কাৰণে সিবিলাকৰ প্ৰাৰ্থনা ইমান প্ৰবল যে আমাৰ বৰ সহায়কাৰী হয়। সিবিলাক আমাৰ আগেই এই জগতৰ পৰা গৈছে। আৰু সিবিলাকে আমাৰ বাট চাই আছে যেন আমিও সিবিলাকৰ লগতে স্বৰ্গৰ অনন্ত জিৱণী আৰু কুশল পাব পাৰোঁ।

আমি জানোঁ যে দুৰ্ভাগ্য আত্মাবিলাক শুচ্যগ্নিত ঈশ্বৰৰ ৰাজ্যত সোমাবৰ যোগ্য হবৰ নিমিত্তে বহুত কষ্ট পাই আছে। আমি সিবিলাকক আমাৰ প্ৰাৰ্থনাৰ দ্বাৰা আৰু কামৰ দ্বাৰা সহায কৰিব পাৰোঁ। আমি সিবিলাকৰ কষ্ট পোৱা সময় চুটি কৰি দিব পাৰোঁ। সিবিলাক ফাটকত সোমুৱাৰ নিচিনাকৈ পৰি আছে আৰু সিবিলাকৰ নিমিত্তে ৰজাবিলাকৰ ৰজাৰ ওচৰত আমি প্ৰাৰ্থনা কৰি সিবিলাকৰ কাৰণ অন্ধকাৰময় ফাটকৰ দুৱাৰ মুকলি কৰি দিব পাৰোঁ। আমি বাইবেলত পঢোঁ যে মৃতবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰা ভাল কাৰণ তাৰ দ্বাৰা সিবিলাক পাপৰ ক্ষমা লাভ কৰি অনন্ত

যীশু [illegible] পাৰ হৈছে আৰু সেই নিমিত্তে আমাৰ মাতৃ-গিৰ্জাই আমাক [illegible] [illegible] সিবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ আহ্বান কৰিছে [illegible] শুচ্যগ্নিৰ আত্মাৰ পৱিত্ৰ মাহ।

আহা ! তেনেহলে আমি গিৰ্জাৰ আদেশ শুনি প্ৰতিদিন আমাৰ ভাই বিলাকৰ আত্মাৰ নিমিত্তে প্ৰাৰ্থনা কৰোঁ। ছিবিলাকে এতিয়া আমাক এৰি গৈছে আৰু সিবিলাক এতিয়াও শুচ্যগ্নিত কষ্ট পাই আছে। সিবিলাক আমাৰ কালে হাত মেলি আৰু দুৰ্ভাগ্য অধুবৰ নিচিনা কয় আমাৰ প্ৰতি দয়া কৰা, আমাৰ প্ৰতি দয়া কৰা, " তুমি অনন্ত বিবিলাক আমাৰ বন্ধু।"

আহা আমি সিবিলাকৰ নিমিত্তে প্ৰাৰ্থনা ও ভাল কাম কৰোঁ, আমি বিশেষকৈ সিবিলাকৰ নিমিত্তে পৱিত্ৰ মিচ্চা বলিদান উৎসৰ্গ কৰোঁ যেন প্ৰভু যীচু খ্ৰীষ্টৰ বহুমূল্য তেজ সিবিলাকৰ ওপৰত পৰি পাপ ক্ষমা হয়।

আহা আমি বাৰে বাৰে প্ৰতিদিনে মণ্ডলীৰ সুন্দৰ প্ৰাৰ্থনা কৰি থাকোঁ—প্ৰাৰ্থনা কিতাপ ২৩ পৃষ্ঠা হে প্ৰভু সকলো বিশ্বাসীৰ সৃষ্টিকৰ্ত্তা আৰু ত্ৰাণকৰ্ত্তা, তোমাৰ মুক্ত চাকৰ বিলাকৰ আত্মাক পাপৰ ক্ষমা দান কৰা যেন ধাৰ্ম্মিক কাকুতিৰ দ্বাৰা তেওঁবিলাকে নিতৌ হেঁপাহৰ ক্ষমা লাভ কৰিব পাৰে। তুমি যুগে যুগে জীৱিত আছা আৰু অনন্ত কাললৈকে ৰাজত্ব কৰা। আমেন।

চানক্ৰুচ

Fa. সুৰ

d .r .m ,d .r : d d | d :,t :,l ,s | d .r .m : s .m .r : d
চান - - - - - ক্ৰুচ চান ক্ৰুচ - চান - - - - - -

r d | d .m .s .f .s .t : m m | s .f .m .r .d .r : m .d .,l
ক্ৰুচ দ - - - - মি - সুচ চা-বা - - - - - - -

s .d .r .m : s .m .r .d .r : d .d | d .m .s .s .m .r .s .s
- - - - - - - - - - অত | প্লে - নি চুস্ত ছে - - জি

s .l .l .s .f : s : f m | s .f .m r. .m .m .r : d d | d .d .,t
এং তেৰ - - - ৰা গ্ৰ - বি য়া তু - - আ | অ - চা -

l s,,s .d .r .m .m .s : m .r .d .r :d | d .m .s .s .m .r .l
না ইন এ - ক্লেল · - চিচ | বে নে - দি - - -

s s l .l s l s f m m m l m s l s s s s l
কুচকুই বে - - - নিত ইন ন ম-নে দ - গি নি অ চা

s m l r d | r m l r ,l ,s ,d r m s m r d r d
না ইন এ ক্লেল চিচ

আগ্নচ দেই

Fa সুর

d l r l r l | l l s ,l ,s ,l ,t l r
আ গ্নচ দে ই - লেচ পে-কা তা মু

l l l l r r l r r r r d | d m s
লে ম ন ন বিচ আ গ্নচ দে

m r | r m l r d l | d r m
- ইচ পে কা না ক মি চে

r r m r l r l | r r l m d r d d |
বে নে ন - বিচ আ গ্নচ - দে ই

l d l ,l ,s r ,l l l r r d | l r m m r l
কুই ত - লিচ পে না গা দ না ন বিচ

m r m d r l l
পা চেম

ইতে মিচ্চা এস্ত

d m l s s r s l s d' l s f l s | s m r d t m
দে - - অ

r r d
গ্রাচিয়াচ

জীৱন পাব পাৰে আৰু সেই নিমিত্তে আমাৰ মাতৃ-গির্জ্জাই আমাক নবেম্বৰ মাহত সিবিলাকৰ নিমিত্তে প্ৰাৰ্থনা কৰিবলৈ আহ্বান কৰিছে এইদৰেই শুচ্যগ্নিৰ আত্মাৰ পবিত্ৰ মাহ।

আহা ! তেনেহলে আমি গির্জ্জাৰ আদেশ শুনি প্ৰতিদিন আমাৰ ভাই বিলাকৰ আত্মাৰ নিমিত্তে প্ৰাৰ্থনা কৰোঁ যিবিলাকে এতিয়া আমাক এৰি গৈছে আৰু সিবিলাক এতিয়াও শুচ্যগ্নিত কষ্ট পাই আছে। সিবিলাক আমাৰ কালে হাত মেলি আৰু দুৰ্ভাগ্য অন্তৰৰ নিচিনা কয় আমাৰ প্ৰতি দয়া কৰা, আমাৰ প্ৰতি দয়া কৰা, " তুমি অনন্ত যিবিলাক আমাৰ বন্ধু।"

আহা আমি সিবিলাকৰ নিমিত্তে প্ৰাৰ্থনা ও ভাল কাম কৰোঁ, আমি বিশেষকৈ সিবিলাকৰ নিমিত্তে পবিত্ৰ মিচ্চা বলিদান উৎসৰ্গ কৰোঁ যেন প্ৰভু যীচু খ্ৰীষ্টৰ বহুমূল্য তেজ সিবিলাকৰ ওপৰত পৰি পাপ ক্ষমা হয়।

আহা আমি বাৰে বাৰে প্ৰতিদিনে মণ্ডলীৰ সুন্দৰ প্ৰাৰ্থনা কৰি থাকোঁ—প্ৰাৰ্থনা কিতাপ ২৩ পৃষ্ঠা হে প্ৰভু সকলো বিশ্বাসীৰ সৃষ্টিকৰ্ত্তা আৰু ত্ৰাণকৰ্ত্তা, তোমাৰ মৃত চাকৰ বিলাকৰ আত্মাক পাপৰ ক্ষমা দান কৰা যেন ধাৰ্ম্মিক কাকুতিৰ দ্বাৰা তেওবিলাকে নিতৌ হেঁপাহৰ ক্ষমা লাভ কৰিব পাৰে। তুমি যুগে যুগে জীৱিত আছা আৰু অনন্ত কাললৈকে ৰাজত্ব কৰা। আমেন।

চানক্টুচ

Fa. সুৰ

d .r .m ,d .r : d d | d :,t :,l ,s , d .r .m : s .m .r : d
চান - - - - - - ক্টুচ চান ক্টুচ - চান - - - - - - -

r d | d .m .s .f .s .f : m m | s .f .m .r .d .r : m .d .,l
ক্টুচ দ - - - - মি - সুচ চা-বা - - - - - - - -

s .d .r .m : s .m .r .d .r : d .d | d .m .s .s .m .r .s .s
- - - - - - - - - - অত | প্লে - নি চুস্ত ছে - - লি

s .l .l .s .f : s :f m | s .f .m r. .m .m .r :d d | d .d .,t
এং তেৰ - - - বা গ্ল-ৰি য়া তু - - আ | অ - চা -

l .,s .d .r .m .m .s : m .r .d .r :d | d .m .s .s .m .r .s :
না ইন এ - স্কেল - - - চিচ | বে নে - ছি - - -

s s .l .l s .f .s .t m m m d .m s .l s s | s s :l
কু চকুই বে - - - নিত ইন ন মি-নে দ - মি নি | অ - চা

s m f r d | r m d t ,l ,s ,d r m s m r d :r :d
- - না ইন এ - স্কেল - - - চিচ

আগ্নুচ দেই

Fa. সুর

d r l r m l r l | d d l ,l ,s ,l ,s ,l ,d d .r
আ গন্নুচ দে ক কুই ত - লিচ পে-কা তা - মু -

d l f r m r r l m r m l r d d | d m s s
ন্দি ম চে বে বে ন বিচ | আ - গন্নুচ দে

m r s s | m r m l r l r m d r d l | d r m
- ক কুই ত লিচ পে কা তা মু - ন্দি মি চে

m r f m r m d r r l | l r d m d r d d
বে বে ন - বচ | আ গন্নুচ - দে - ই

d d l ,l ,s ,l ,s ,l ,d d r l d | d r m m r f
কুই ত - লিচ পে কা তা ন ন্দি | দ না ন - বিচ

m r m d r d d
পা চেম

ইতে মিচ্চা এস্ত

d m .t s s l s .l s d' l .s f s l s | s .m r d f .m
দে - - - - অ

r .r : d
গ্রাচিয়াচ

সন্ত জোন বোকৰ গীত

| কান স কল আ ভা! নিজ

| m : d. ,d d : d ,r ,m | f m ,r ,d | t, : l, ., t, |
| আ - হা অ নাথ লোকৰ | পি তৃৰ বন্ধু | কৈ গুন গা |

| l, s, ,s, s, l, ,t, | d . r, d | r d ., r |
| কা - শা! আ টাই দে-শৰ | ল - বাৰ দন | ব স্ক যে |

| m d ,d | d d ,r ,m | f m r , d t, l, ., t, |
| পি - তা আ- | জি - জগত | জু ৰ প্ৰ শং শা যে |

| d d . s, t, d .d r m r f r d |
| কি - মান যী | চুৰ পোহৰ থ কা আ মাৰ - ইয়া তে |

| t, s, s, r m m f f m r d ,r ,m |
| অ লপ কি মাণ মানুহ চ-লে আ-ন্ধাৰ মন - খা |

| r s, . ,s, | s, l, , t, d t, , d r d , r |
| বো - তে পি | তৃৰ দ ৰে তু মি আ- টাই লোকক |

| m d ,d | d d ,r ,m | f m r , d t, l, ., t, |
| মা - তি যী | চুৰ গোৰা- | ল তে বে - গে-তে |

| d d . d | f ., m r r | s m s |
| সো - মা দন | ব - - স্ক দন | ব স্ক আ |

| f f ,m ,r | r d . d ,t, | l, . f m .r |
| মা - ৰে ব | কক আ- | মা লো ক |

| r . d s, . f | m r , r | d . d . | D. S.
| কে স্কু শা বি | লা - ই জি | ৱা |

অসমীয়াৰ বন্ধু

ভাগ ২য় | দিচেম্বৰ, ১৯৩৫ | সংখ্যা ১৬

বন্ধুৰ বাণী।

যোৱাবাৰ মই এটা প্ৰশ্নৰে সৈতে মোৰ চিঠি শেষ কৰিছিলো। এতিয়া মই তাৰে উত্তৰ দিবলৈ চেষ্টা কৰিছো।



প্ৰশ্নটো আছিলঃ—

"ঈশ্বৰৰ ধৰ্ম্ম কি?"

আমি দেখিছোঁ যে এই পৃথিবীত বহুত ধৰ্ম্ম আছে। সিহঁত সকলো সত্য নহয়, কিয়নো সিহঁতৰ শিক্ষা সম্পূৰ্ণ বিভিন্ন। বগা আৰু ক'লা কেতিয়াও একে হব নোৱাৰে।

প্ৰায় সৰহভাগ ধৰ্ম্মই জাতীয়; কিয়নো সিহঁতৰ উৎপত্তি আৰু বৃদ্ধি নিজৰ দেশৰ ভিতৰতে আৰু কেৱল সেই দেশৰ মানুহৰ নিমিত্তে হে ভাল। কিন্তু ঈশ্বৰৰ ধৰ্ম্ম সাধাৰণ আৰু সকলোৰে কাৰণে সজ হোৱা উচিত, কাৰণ সকলো ঈশ্বৰৰে সন্তান।

বহুত ধৰ্ম্ম যুদ্ধ আৰু ক্ষমতাৰ প্ৰভাৱত উৎপত্তি হৈছে। কিন্তু ঈশ্বৰৰ ধৰ্ম্ম প্ৰেম আৰু সত্যৰ মাজেদি উৎপত্তি আৰু বিস্তাৰিত হোৱা উচিত।

কেৱল এটা ধৰ্ম্মই আজি পৃথিবীৰ ভিতৰত সকলোৰে নিমিত্তে সহজ আৰু সাধাৰণ ধৰ্ম্ম হৈ শান্তিৰ বাটেদি বিয়পি পৰিছে। যি ধৰ্ম্মই সকলো বিলাক মানুহ একে ভাই ককাই, সকলোৰে পিতা সৃষ্টিকৰ্ত্তা ঈশ্বৰ কেৱল এজন বুলি শিক্ষা দিছে আৰু যি ধৰ্ম্মই পৃথিবীত প্ৰেম, সুবিচাৰ, আৰু সকলোকে সত্য শিক্ষা দিছে; সেই টোৱেই যীচু খ্ৰীষ্টৰ ধৰ্ম্ম। যাক ঈশ্বৰৰ পুত্ৰৰ দ্বাৰাই স্বৰ্গৰ পৰা অনা হৈছিল। এই ধৰ্ম্ম প্ৰথমে পূবত বিস্তাৰিত হয়। আৰু পূবৰ পৰা তিনি জন জ্ঞানী মানুহ যীচু খ্ৰীষ্ট জন্ম হওঁতে তেওঁক পূজা কৰিবলৈ বেথেলহেমলৈ গৈছিল। এটা তৰাই তেওঁলোকক বাট দেখুৱাইছিল; সেই তৰাটো এতিয়াও সকলোকে বেথেলহেমলৈ মাতি পূবত জিলিকি আছে।

যীচু খ্ৰীষ্টই এই পৃথিবীলৈ এটা দুৰ্ব্বল কেচুৱাৰ দৰে আহি অতি কষ্টেৰে জীৱন কটাইছিল। তেওঁৰ আদেশ প্ৰচাৰ কৰিবলৈ আৰু সেই আদেশ অনুসৰণ কৰি চলিবৰ কাৰণে মানুহ বিলাকক বাধ্য কৰাবলৈ মহম্মদৰ দৰে তেওঁৰ সৈন্য সমান্ত নাছিল। কিন্তু তেওঁ ঈশ্বৰৰ পুত্ৰ আৰু আমাৰ মুক্তিৰ কাৰণেই তেওঁৰ ক্ৰুচৰ ওপৰত মৃত্যু হৈছিল। এতিয়াও তেওঁৰ ধৰ্ম্ম আৰু বেচিকৈ বৃদ্ধি হবলৈ ধৰিছে। আজি পৃথিবীত ৬০০ কোটি মানুহে যীচু খ্ৰীষ্টত বিশ্বাস কৰে। এইটো সত্য যে মাজে মাজে মানুহে তেওঁৰ উপদেশ অনুসৰণ নকৰে; কিন্তু যীচু খ্ৰীষ্টৰ ধৰ্ম্ম কেতিয়াও হ্ৰাস নহয়। পৃথিবীত কেৱল এইটো ধৰ্ম্মই মানুহৰ আশা আৰু আকাঙ্খ্যা পূৰ্ণ কৰিছে। এই ধৰ্ম্মৰ সুদূৰ দেশতো উন্নতি আৰু বৃদ্ধি হৈ আছে।

"খ্ৰীষ্টৰ ৰাজ্য আহিছে"।

অসমীয়াৰ বন্ধু।



সুইচ্ছাই মানুহৰ শান্তি।

২৫ ডিচেম্বৰে যেতিয়া আমাক সেই সুখৰ ঘণ্টাৰ পৰা এখোজ আৰু দুৰলৈ নিয়ে, তেতিয়া পাপ আৰু দুখ কষ্টৰে ভৰা এই পৃথিৱীত মানুহৰ আশাকাংক্ষী প্ৰতিজ্ঞাকাৰী ত্ৰাণকৰ্ত্তাৰ আবিৰ্ভাৱ হয়। ২৪ আৰু ২৫ ডিচেম্বৰৰ ভিতৰত ঠিক ৰাতি মাজ নিশা বহুদূৰাকাংক্ষী ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টই বেথেলহেমৰ এখন চহৰত জন্ম গ্ৰহণ কৰে।

এই পৃথিৱীত এজন ত্ৰাণকৰ্ত্তাই সুবিচাৰ, সাধাৰণ পাপৰ কাৰণে বিতুষ্ট হোৱা, মানুহক দাসত্ব আৰু চয়তানৰ হেচাৰ পৰা মুক্ত কৰিবলৈ আৰু ঈশ্বৰক সন্তুষ্ট কৰিবলৈ যে এদিন আহিব এই শুভ বাৰ্ত্তা প্ৰথমে ঈশ্বৰে আমাৰ প্ৰথম পিতা আদাম আৰু ইভলৈ তেওঁলোকৰ পাপৰ পাচত ততালিকে ঘোষণা কৰিছিল। "মই তেও আৰু তাইৰ মাজত তেওঁৰ সন্তান আৰু তাইৰ সন্তানৰ মাজত শক্ৰতা পাতিছো। তাই তেওঁৰ মুৰ মোহাৰি ভাঙ্গিব"। (Gen. III 10)

কেই হেজাৰ মান বছৰৰ পিচত ঈশ্বৰে আব্ৰাহামক প্ৰতিজ্ঞা কৰি কলে যে ত্ৰাণকৰ্ত্তা তেওঁৰ সন্তান বিলাকৰ ভিতৰৰে এজন হোৱা উচিত। সেই একে প্ৰতিজ্ঞাকে তেওঁ আইজাক আৰু জাবাব্দলৈ আৰু ১০০০ বছৰৰ পাচত ৰজা দেভিদলৈকো কৰিছিল। ঈশ্বৰে দেভিদক কলে যে দেভিদৰ এটা পুত্ৰ

জন্ম হব, যাৰ সিংহাশন চিৰকাললৈকে স্থাপিত হব। (Kings VII, 13.)

ঈশ্বৰে পিচত সিদ্ধপুৰুষ সকলক পঠিয়াই তেওঁলোকৰ দ্বাৰাই অহাৰ বিষয়ে আৰু জন্ম, মৃত্যু, দুখ কষ্ট, মানুহ আৰু ত্ৰাণকৰ্ত্তাৰ আনন্দ আৰু জয়ৰ বিষয়ে বহুত ভবিষ্যৎ কথা কোৱালে। সিদ্ধ পুৰুষ ইচাইয়াছে কৈছে (770-700 B. C.) "আমাৰ এটা শিশু জন্ম হল, আমি এটা পুত্ৰ পালোঁ তাৰ নাম শান্তিৰ কুমাৰ, পৃথিবীৰ পিতা, ঈশ্বৰ আৰু আচৰিত বিচাৰক হব। (Is IX, 6)

মানুহ জাতিক চয়তানৰ দাসত্বৰ পৰা আৰু দুৰ্ভগীয়া অৱস্থাৰ পৰা ৰক্ষা কৰিবলৈকে তেওঁ সাধাৰণ পাপত পৰিছিল বুলি কোৱা এজন ৰক্ষা কৰ্ত্তাৰ প্ৰতিজ্ঞা সকলোৱে বয়সীয়া বিলাকৰ সহায়ত ভালকৈ বুজি মনত ৰখা উচিত। ৪০০০ বছৰৰ নিমিত্তে সকলো মানুহে স্বৰ্গলৈ চাইছিল। আৰু ত্ৰাণকৰ্ত্তাৰ নিমিত্তে চিঞৰি নিবেদন পঠাইছিল, যেন ঈশ্বৰ সুখৰ ঘটনালৈ বেগাই লৰি আহে। সেই সময়ত সিহঁত ঈশ্বৰৰ পৰা আৰু বহুদূৰলৈ আঁতৰি গল আৰু পাপ আৰু দুখ কষ্টৰ কুহঁকত পৰিল গৈ। মানুহে দুষ্টাত্মাৰ আক্ৰমণ বাধা দিব নোৱাৰিলে, সেয়ে তাক হেচি দাসত্বলৈ নমালে। সি তাৰ দুষ্টেন্দ্ৰিয় দমন কৰিব নোৱাৰিলে আৰু বেগাই হতাশ আৰু দুভগীয়া হৈ পৰিল। এই সময়তে পাপ ভয়ানক ৰূপে বাঢ়িবলৈ ধৰিলে। সি ঈশ্বৰৰ আৰু তাৰ মাজত এখন জপনা থিয়হৈ থকা দেখা পালে। ওপৰৰ পৰা মানুহলৈ কোনো পোহৰ আহিব নোৱাৰে; সহায় নাই, দয়া নাই কোনো শান্তনাই মানুহক চুকি পাব নোৱাৰে। পাপৰ জপনা অভেদ্য।

কিন্তু অৱশেষত ঈশ্বৰে মানুহক সোঁৱৰাই দিলে যি জন মানুহক তেওঁ নিৰ্দোষিতা আৰু সুখৰ ৰাজ্যত জন্ম দিছিল তেওঁক এতিয়া দাসত্ব আৰু হেচাত গজালেৰে বিন্ধি থোৱা হৈছে। সেই মানুহ জনক তেওঁ নিজেই মাতিছিল। তেওঁ তেওঁৰ ওপৰত স্নেহ ৰাখিছিল আৰু প্ৰতিজ্ঞাকাৰী ত্ৰাণকৰ্ত্তা তেওঁকেই পঠাইছিল। ২৪ আৰু ২৫ ডিচেম্বৰৰ ৰাতিৰ ভিতৰত দীৰ্ঘাকাঙ্খী প্ৰতিজ্ঞাকাৰী মুক্তিদাতাৰ পৃথিবীৰ ওপৰত আবিৰ্ভাৱ হয়।

তেওঁৰ জন্মত উৰ্দ্ধস্বৰ্গত স্তুতি আৰু ঈশ্বৰৰ মহিমা পৃথিবীত সুইচ্ছা পৰায়ন লোকৰ শান্তি হৈছিল। সেই কাৰণে ভেৰাৰখীয়া বিলাকে আনন্দৰ বাৰ্ত্তা লৈ আহিছিল। ভয় নকৰিবা, কিয়নো চোৱা যি “শুভবাৰ্ত্তা” সকলো মানুহৰ কাৰণে হব সেই মহা আনন্দৰ শুভবাৰ্ত্তা মই তোমালোকক জনাওঁ, যে দায়দৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্ত্তা জন্মিল; তেওঁৱেই অভিষিক্ত প্ৰভু। (Luke II 10.)


অ' সকলোবিলাক ৰাতিৰ ভিতৰত সুখৰ ৰাতি; যি ঈশ্বৰৰ প্ৰতিজ্ঞাৰ পৰিপূৰ্ণ সাক্ষী দিছিল। অৱশেষত বহু আশাকাংক্ষী ত্ৰাণকৰ্ত্তাৰ আবিৰ্ভাৱ হল। বহু শতাব্দিৰ পৰা চয়তানৰ যেচোই মানুহৰ ওপৰত ৰাজত্ব কৰা শেষ হৈ আহিছে। সেই পাপৰ জপনা ঈশ্বৰৰ পৰাই আমালৈ বন্ধ হৈছে আৰু সজ লোক সকলে ইয়াক হেচামাৰি টুকুৰা টুকুৰকৈ ভাঙ্গি পেলালে। যি বিলাকে ইয়াক অনুসৰন কৰিছিল সেই সকলৈ অন্ধকাৰ পৃথিবীৰ ওপৰত পোহৰ পৰিছিল। যি তেওঁক পাবলৈ চেষ্টা কৰিছিল শান্তি, শান্তনা আৰু অনন্ত স্নেহ তেওলোকৰ ওপৰত পাৰছিল। অ' যেতিয়া অতি সুখৰ বাতৰি দিয়া হৈছিল, বাস্তৱতে সুখৰ ৰাতি হৈছিল। শুভবাৰ্ত্তাই পৃথিবীত মানুহৰ শান্তি।



ঈশ্বৰ সকলো ঠাইত উপস্থিত আছে; তেওঁ সকলো জানে আৰু দেখে আমাৰ ভাববোৰো।


যদি তোমাৰ আত্মা উদ্ধাৰ কৰা আটাই বস্তু উদ্ধাৰ হব, কিন্তু আত্মা হেৰুৱা হলে আটাই বস্তু অনন্তকাল লৈকে হেৰুৱা হব।


যিবিলাকে প্ৰাৰ্থনা কৰে সিবিলাকে সঁচাকৈয়ে পৰিত্ৰাণ পাব, আৰু যিবিলাকে প্ৰাৰ্থনা নকৰে সিবিলাকে সঁচাকৈয়ে হেৰুৱা যাব।





“ ওপৰত দিয়া এই শব্দ কেইটা লিখা এখন জাননী। কিছুমান দেশৰ প্ৰত্যেক ৰেলৰ আড্ডাতে পোৱা যায়। যেতিয়া ৰেলগাড়ী আহে তেতিয়া মানুহে অসাবধানতাৰে ৰেলৰ চিৰি পাৰ হৈ নেযাবলৈ এই শব্দ কেইটাই সাবধান কৰি দিছে। স্থিৰ মনৰ অভাৱত আমাৰো যে পাৰমাৰ্থিক মৃত্যু ঘটিব পাৰে জীৱনৰ বাটতো সেই একে সতৰ্কতাকে কৰি দিয়া আছে। এই খন পঢ়ি অমনোযোগী মানুহক বিপদৰ পৰা হাত সাৰিবলৈ সুবিধা দিছে ”।





মানুহৰ এটা জীজ্ঞাসু মন আছে।

আমি অনাদি কাল উত্তৰ বিচাৰিছোঁ।

আমি সুখী নহওঁ, আমাৰ বিশ্ৰাম নাই, যেতিয়ালৈকে কেইটামান সমস্যাৰ সমাধান নহয়

আমাক যেই সেই উত্তৰেই ওলোটাব নোৱাৰে,

এটা নিশ্চিত উত্তৰেহে আমাক সন্তুষ্ট কৰিব।

জীৱনৰ প্ৰহেলিকাৰ বিষয়ে কোনো উত্তৰে আমাক সন্তুষ্ট কৰিব নোৱাৰে, যেতিয়ালৈকে আমাৰ মন ইয়াত থিত নলয়।

—ই যুক্তিসঙ্গত, নিশ্চিত হ'ব লাগিব—

যেতিয়ালৈকে অন্তঃকৰণ ইয়াত থিত নলয়,

—ই আশাপ্ৰদ, সুখপ্ৰদ হ'ব লাগিব।

আমি সোধোঃ

মই ক'ৰপৰা আহিছোঁ?

মই ইয়াত কিয়?

মই কলৈ গৈছোঁ?

তেতিয়া গোটেই মানৱ জাতিয়ে উত্তৰ দিয়ে; ঈশ্বৰ; কিন্তু সেইদৰে উত্তৰ দিওঁতে ই প্ৰথম বাৰতকৈও টান কিছুমান প্ৰশ্ন তোলে।

তেওঁ কোন?

তেওঁ ক'ত আছে?

তেওঁ আমাৰ কি [illegible]?

দ্বিতীয় প্ৰশ্ন কেইটাৰ সন্মুখিন হৈ

আমি তেন্তে—

অসৎ উপায়েৰে জীৱন নিৰ্ব্বাহ কৰিব লাগেনে?

কেতিয়াও নহয়।

প্ৰথমতে আমি উটি গৈছিলো, কোনো নিৰ্দ্ধাৰিত পথ নোহোৱাকৈ এতিয়া অন্ততঃ আমি জানো কোন পিনে বিচাৰি যাব লাগে; অৰ্থাৎ

দূৰত আৰু আমাৰ ওপৰত।

ঈশ্বৰক বিচাৰি যোৱাৰ আগতে

কিবা যোগাৰ কৰিব লাগিবনে কি?

হয়, এইটো নিশ্চয়কৈ মানসিক প্ৰবৃত্তিৰ

এটা প্ৰশ্ন।

সোধা, তেতিয়া তুমি পাবা। বিচাৰা, তেতিয়া তুমি পাবা। আঘাট কৰা, তেতিয়াই তোমালৈ মুকলি হব।

তোমাৰ ৰাজ্য আহোক



"ঈশ্বৰে জগতলৈ এনে প্ৰেম কৰিলে যে, তেওঁৰ পুত্ৰত যি বিশ্বাস কৰে, সি নষ্ট নহৈ অনন্ত জীৱন পাবৰ নিমিত্তে তেওঁৰ সেই একজাত পুত্ৰকেই দান কৰিলে। (St John 3-16)





মুক্তি ক'ত ?

(১)

জীৱনৰ আৰম্ভতে বাহিৰ ওলালো,
পৰ্ব্বতলৈ উঠা এটা বাটেদি উঠিলোঁ।
সকলোবোৰ ৰঙা দেখি নীলাকাশাত,
আচৰিত হলো অতি উঠি ওপৰত।

(২)


চকুৰ আঁতৰি থাকে ডাৱৰ আৰত,
ৰৈছিলোঁ কতবাৰ পৰি কত ঠাইত।
কিন্তু, চিৰ-স্বৰে মোক মাতে সৰ্ব্বদাই,
দীঘলীয়া পথে মই যাওঁ সেই ঠাই।

(৩)

বহুবাৰ হাতভৰি শোনিতেৰে ভৰা
বাট আছিল শিল ও কাঁইটেৰে গৰা।
কিন্তু, চিৰ-স্বৰে মাতিছে মোক যাবলৈ,
মই এতিয়া ভাগৰুৱা বুঢ়া হলোগৈ।


(৪)


প্ৰথমতে পৰিছিল বলবুদ্ধি মোৰ,
দেখিলোঁ পাচত কিন্তু সুন্দৰ পোহৰ।
ঈশ্বৰৰ স্বৰ শুনি দেখোঁ ক্ৰুচ তাত,
যাত্ৰা মোৰ শেষ হ'ল চিৰ মুক্তি যত।



সপ্তম আৰু দশম আজ্ঞা।

সপ্তম আৰু দশম আজ্ঞাই সকলো লোভীয়া আৰু অন্যায ভাৱ চিন্তা নাইবা আন সকলো বোৰ লবলৈ নিষেধ কৰে। যেতিয়া আমি আমাৰ চুবুৰিয়াৰ পৰা কিছু বস্তু ধাৰ কৰি লৈ পুনৰাই দিবলৈ মন নকৰো তেতিয়া পাপ কৰোঁ। এই আজ্ঞা অনুসৰি শুদ্ধকৈ নিজ কাম কৰিবলৈ দাসবোৰৰ আৰু শিক্ষক বিলাকৰ আৱশ্যক। যি বিলাকে বেচাত বা কিনাত প্ৰতাৰণা কৰিবলৈ চেষ্টা কৰে সিবিলাকে এই আজ্ঞাৰ বিপক্ষে পাপ কৰে। এতেকে মিছা বা অন্যায় জোখ ব্যৱহাৰ কৰা নিষিদ্ধ। ভাল বস্তুত বেয়া বস্তু মিহলি কৰিলে, অন্যৰ বস্তু নষ্ট কৰিলে এই আদেশ অনুসৰি দোষী। আমি পাৰিলে ক্ষমা পাব পাৰোঁ; পাপৰ ধন বস্তু মেলামত কৰাই আমাৰ দৰকাৰ। এনেকৈ ঋণ, ধাৰ দিব লাগে। এই বিষয়ে অসাৱধান হব নোৱাৰো। যিবিলাকে দুখীয়া বিলাকৰ নম্রতাৈল আশা কৰি সিহঁতৰ ওপৰত নিৰ্দ্দয় ব্যৱহাৰ কৰে, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ সাখ্যাতে সিবিলাকৰ বিচাৰ কি হব? পাপৰ ধন বস্তু পুনৰাই দিয়া বৰ কঠিন; এই বিষয়ত পাদ্রিৰ পৰামৰ্শ লব লাগে। তেওঁ আমাৰ বন্ধু, তেওঁ সদায় আমাক সহায় কৰি সকলোবিলাক ঠিক স্বৰূপে নিষ্পাতি কৰিব। এই দেখি আমি তেওঁৰ পৰামৰ্শ লবলৈ ভয় কৰিম কিয়?





চাক্ৰামেণ্ট বোৰ।

আমাৰ শৰীৰৰ যেনেকৈ তেনেকৈ আমাৰ আত্মাৰ জীৱন, যি আৰম্ভ কৰি, বৃদ্ধি হৈ, ক্ষতি পাই আহাৰ আৰু দৰৱ তাইৰ লাগতিয়াল। এই সকলো প্ৰয়োজনৰ নিমিত্তে পৰমেশ্বৰে চাক্ৰামেণ্ট বোৰক যোগোৱাই স্থাপন কৰিলে। এই চাক্ৰামেণ্ট বোৰ আধ্যাত্মিক জীৱন, শক্তি, আহাৰ আৰু ঔষধ আমাক দিছে। বহুমূলীয়া শোনিতৰ দ্বাৰা আমি সকলো কুশল হিত পাওঁ। আমি পৰিত্ৰাণকহে নেপাওঁ, কিন্তু যি আমাৰ আত্মাৰ ৰক্ষাৰ নিমিত্তে লাগতিয়াল কৃপা, সেই সকলো পাওঁ। অৰ্থাৎ পোহৰ, যাৰ দ্বাৰা যি কৰিবলৈ আমাৰ আৱশ্যক ইয়াক দেখা পাওঁ; পৰীক্ষাৰ পৰাজয় কৰিবৰ নিমিত্তে শক্তি, পাপৰ ক্ষমা, দুখ সহিবলৈ আৰু অন্তলৈকে মন পুতি লাগিবলৈ কৃপা এই সকলো পাব পাৰো।

চাক্ৰামেণ্ট বোৰৰ দ্বাৰা যীচু খ্ৰীষ্টৰ বহুমূলীয়া শোণিতৰ গুন আমাৰ আত্মাত ঢলা যায়। এই দেখি সিবিলাক পৰিত্ৰাণৰ প্ৰধান উপায় দিহা। চাক্ৰামেণ্ট সাতটা যেনেঃ—বাপ্তিস্মা, হস্তাৰ্পণ, পবিত্ৰ ইউকাৰিষ্ট, পাপ-স্বীকাৰ, অন্তলেপন, পৌৰহিত্য আৰু বিবাহ। সকলো চাক্ৰামেণ্টত তিনটা বস্তু; বাহিৰ চিন, ভিতৰুৱা কৃপা, আৰু প্ৰভু যীচু খ্ৰীষ্টৰ স্থাপন যি ইন্দ্ৰিয় বিলাকৰ দ্বাৰা গম পাইছে সেই বাহিৰ চিন বোলা যায়। বাহিৰ চিনৰ দ্ৰব্য আৰু বাক্য। যি বস্তু চাক্ৰামেণ্ট দিয়াত ব্যৱহাৰ কৰা যায় সেই দ্ৰব্য

বোলা যায়, যেনে: বাপ্তিস্মাৰ দ্ৰব্য পানী। বাক্যঃ যি কথা চাক্ৰামেণ্ট দিবৰ সময়ত কোৱা যায়, ইয়াৰ নাম বাক্য। যি আধ্যাত্মিক কৃপা চাক্ৰামেণ্টৰ দ্বাৰা পোৱা হয় তাৰ নাম ভিতৰুৱা কৃপা। চাক্ৰামেণ্ট বোৰ কৃপাৰ চিন বোৰ নহয় কিন্তু সিবিলাক ফলদায়ক কিয়নো সিবিলাকৰ দ্বাৰা কৃপা পোৱা যায়। অলপ পানী শিশুৰ মূৰত ঢালি তাৰ আত্মা আদি পাপৰ পৰা নিকা কৰা হয়। পাদ্ৰিয়ে পাপস্বীকাৰ শুনি কিছু কথা কয়, আৰু দেখা, পাপৰ শিকলি ছিঙ্গিছে সেই আত্মা ভূটৰ দাস বন্দী আৰু নহয়। তাই আৰু এবাৰ স্বাধীন আৰু মুক্ত হৈ ঈশ্বৰৰ সুখী সন্তান।

ঈশ্বৰেহে বাহিৰ চিনক কৃপা দিয়াৰ ক্ষমতা দিব পাৰে। এই দেখি প্ৰত্যেক চাক্ৰামেণ্ট যীচু খ্ৰীষ্টৰ দ্বাৰা স্থাপিত হব লগীয়া। সিবিলাক যীচু খ্ৰীষ্টৰ দ্বাৰা স্থাপিত তেনেহলে সিবিলাকৰ ফলৰ বিষয় কোনো সন্দেহ নাই। বেলিয়ে যেনেকৈ পৃথিবী খনক পোহৰ জীৱন, জহ, বৰণক দিছে। তেনেকৈ চাক্ৰামেণ্ট বিলাক উপযুক্ত ৰূপে গ্ৰহণ কৰা হলে, সুস্থতা আৰু আধ্যাত্মিক সৌন্দৰ্য্য দিছে। হস্তান্তৰ কেতবিলাক আৱশ্যক, কিন্তু সিবিলাক কৃপাদায়ক নহয়, বৰং কৃপাৰ আলিপথ প্ৰস্তুত কৰে। লাগতিয়াল হস্তান্তৰ নহলে পাপস্বীকাৰ চাক্ৰামেণ্ট সুচাৰুৰূপে পোৱা নাযায়। পবিত্ৰ ইউ-কাৰিষ্ট শেষ ভোজনত স্থাপিত হল; পাপস্বীকাৰ যীচু খ্ৰীষ্টৰ পুনৰ জীৱিত হোৱাৰ দিনত; বাপ্তিস্মা, হস্তাৰ্পণ অন্তলেপন আৰু বিবাহ স্থাপনৰ কাল জনা নহয়। কিজানি সিবিলাকৰ স্থাপন যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ পাতত হ'ল, যেতিয়া আমাৰ প্ৰভু যীচু খ্ৰীষ্টই ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে কথা কলে। বাপ্তিস্মাত বাজে স্বৰ্গলৈ সুধিবলৈ নোৱাৰি তেনেহলে তেওঁ আটাই চাক্ৰামেণ্টতকৈ লাগতিয়াল। যি বিলাকে মাৰাত্মক পাপ কৰে সিবিলাকৰ কাৰণে পাপস্বীকাৰ লাগতিয়াল। সুযোগ হলে হস্তাৰ্পণো লব লাগে। পৰা সময়ত পবিত্ৰ ইউকাৰিষ্ট গ্ৰহণ কৰা আৱশ্যক। পৌৰহিত্য আৰু বিবাহ মণ্ডলীৰ কাৰণে আৱশ্যক সকলোৰে আৱশ্যক নহয়।

বাপ্তিস্মা, পৌৰহিত্য আৰু হস্তাৰ্পণে আত্মাক এচিনক চকা কৰে, সি একো পধ্যে হুঁহা নাযাব। সি অনন্তকাললৈকে আত্মাৰ মহিমা বা লাজ হব। যি বোৰ চাক্ৰামেণ্ট স্বাভাবিক দিয়ে, এবাৰ হে গ্ৰহণ কৰা হব

পাৰে। সকলো চাক্ৰামেণ্টে পবিত্ৰ কৰা কৃপা দিছে বা বঢ়াইছে। ইয়াৰ দ্বাৰা আত্মাই ঈশ্বৰৰ সাক্ষাতে মনোহৰ। বাপ্তিস্মা আৰু পাপস্বীকাৰ মৃত লোকৰ চাক্ৰামেণ্টবোৰ বোলা যায়, এই কাৰণে সিহঁতক গ্ৰহণ কৰোঁতে আত্মা পাপত মৃত হব লাগে। তেনেহলে সিবোৰ কৃপাক দিয়ে। আন চাক্ৰামেণ্ট বিলাক জীৱিত লোকৰ চাক্ৰামেণ্ট বোলা যায়। কিয়নো সিহঁতক গ্ৰহণ কৰাৰ সময়ত কৃপাত জীৱিত হবলৈ আমাৰ আত্মাৰ আৱশ্যক। সিহঁতে আত্মাত কৃপাক বঢ়াইছে। পবিত্ৰ কৰোঁতা কৃপাত বাজে প্ৰত্যেক চাক্ৰামেণ্টে এটা বিশেষ কৃপা দান কৰে। চাক্ৰামেণ্টৰ কৃপা যথাৰ্থ কৃপা যাৰ দ্বাৰা আমি আৱশ্যক হলে সহায় পাওঁ। চাক্ৰামেণ্ট উপযুক্ত ৰূপে গ্ৰহণ নকৰিলে ডাঙৰ পাপ হয়, অপবিত্ৰতা। যেতিয়া আমি চাক্ৰামেণ্টবিলাকক উপযুক্তৰূপে গ্ৰহণ কৰোঁ তেতিয়া আমাৰ আত্মা আনন্দৰে পৰিপূৰ্ণ হয়। এই দেখি চাক্ৰামেণ্ট বিলাক লবলৈ আমাৰ খুব আগ্ৰহ হোৱা উচিত। কিন্তু আহা! আমি সোঁৱৰণ কৰো আমাৰ প্ৰস্তুত অনুসৰি কৃপা পাম।

আমি কি প্ৰকাৰৰ চাউল খাব লাগে?

কলত বনা চাউল ব্যবহাৰ কৰাৰ বাবে ভাৰত বৰ্ষত নানা প্ৰকাৰ বেমাৰ ও আৰু বেৰি বেৰি ৰোগে আগুৰি ধৰিছে। কাৰণ কলত বনা চাউলৰ সাৰপদাৰ্থ সকলো নষ্ট হৈ যায়। ঘৰত বনা চাউল যদিও ময়লা দেখায় ই মানুহৰ শৰীৰ সবল কৰি ৰাখে।

এসময়ত টুৰিল নগৰৰ এজন ডাক্তৰে এইটো প্ৰমান কৰিবৰ নিমিত্তে ৪০ জনী পাৰো চৰাই আনি তাৰে ২০ জনীক কলৰ চাউল আৰু বাকী ২০ জনীক ঘৰত বনা চাউল খুৱাবলৈ ধৰিলে। অৱশেষত তেওঁ দেখিলে যে কলত বনা চাউল খুওৱা কিজনি ক্ৰমান্বয়ে বেমাৰী হৈ উৰিব নোৱাৰা হল তাৰ পিছত বেমাৰীৰ পৰা ১০ জনীক আনি খোৱাৰ সলনি কৰি ঘৰত বনা চাউল খুওৱাত পুনৰায় সুস্থ হল আৰু বাকী ১০ জনীক সেই চাউল ব্যবহাৰ কৰি থকাত অৱশেষত মৰি যোৱা দেখা পালে।



মাদাৰ মাৰীয়া মাজ্জাৰেল্ল।

মাদাৰ মাজ্জাৰেল্ল চালিচিয়ান চিষ্টাৰবিলাকৰ প্ৰথম সৰ্ব্বসাধাৰণ অভিভাবক আছিল। ১৮৩৭ চনত মনেচে নামেৰে এখন সামান্য গাৱত তেওঁ উপজিছিল। তেওঁৰ মাক বাপেক ধাৰ্ম্মিক মানুহ আছিল। তেওঁবিলাকৰ সন্তানবিলাকক ঈশ্বৰৰ ভয়ত তুলিবৰ কাৰণে অনেক যত্ন কৰিছিল। মাৰীয়াই সকলোতকৈ ভাল। সৰুৰে পৰা তেওঁ মাক বাপেকক সহায় কৰিবলৈ সদায় চেষ্টা কৰিছিল। প্ৰতি দেওবাৰত মাৰীয়া মাকৰ লগত গিৰ্জ্জালৈ গৈছিল আৰু তাৰ পৰা উভতি গৈ মাকে তেওঁক শুনা উপদেশৰ বিষয়ে কথা সুধিছিল। সেই সময়ত সৰু গাৱত স্কুল নাছিল। সেই কাৰণে মাৰীয়াই লিখাপঢ়া একো নেজানিছিল তথাপি তেওঁ ততালিকে প্ৰশ্নোত্তৰ ইতিহাস ইত্যাদি মুখস্থ কৰিবলৈ পাৰিছিল। অলপ ডাঙৰ হলত বাপেকৰ লগত খেতি কৰিবলৈ আৰম্ভ কৰিছিল। আৰু ইমান পৰিশ্ৰমেৰে কাম কৰিছিল যে তেওঁৰ নিচিনা কোনোৱে কাম কৰিব নোৱাৰিছিল। তেওঁ সদায় নিজৰ কাম ঈশ্বৰক উপহাৰ কৰিছিল। প্ৰতিদিনে খেতিলৈ যোৱাৰ আগতে অতি কষ্টেৰে পবিত্ৰ মিচ্চা শুনিবলৈ গৈছিল। কেতিয়া-বা কেতিয়াবা সময় নেজানি ২-৩টা বজাৰ আগেয়ে গিৰ্জ্জাত উপস্থিত হৈছিল।

তেতিয়া দুৱাৰ খনৰ ওচৰত ৰহি প্ৰাৰ্থনা কৰিছিল। কিছুমান বছৰৰ পাচতে মাৰীয়া বৰ টান বেমাৰত পৰিছিল, তাৰ পৰা সুস্থ হল কিন্তু তেওঁৰ গা[redacted]মান [redacted]হৈছিল যে তেওঁৰ নিমিত্তে খেতিৰ কাম অসম্ভৱ হৈছিল তেতিয়া এজনী বন্ধুৰ লগত দৰ্জ্জীৰ কাম শিকিবলৈ গল আৰু তাক ভালকৈ জানি নিজৰ গাৱৰ ছোৱালীবিলাকৰ নিমিত্তে এটা স্কুল মেলিলে। এনেকৈ মাৰীয়া মাজ্জাৰেল্লে ছোৱালীবিলাকৰ মাজত কাম কৰিবলৈ আৰম্ভ কৰিলে।

১৮৭২ চনত সন্ত জন বস্ক চিষ্টাৰ বিলাকৰ সঙ্গ স্থাপন কৰিবলৈ ইচ্ছা কৰিছিল। তেওঁৰ বচা মাৰীয়া মাজ্জাৰেল্লৰ ওপৰত পৰিছিল, এনে ১৮৭২ চনত আগষ্ট মাহত ৬ তাৰিখে তেওঁ আৰু আন ১৪ জনী ছোৱালীয়ে চিষ্টাৰৰ সাজ পিন্ধিছিল। এনে ডাঙ্গৰ দান পাইছোঁ বুলি ভাবি মাৰীয়া মাজ্জাৰেল্লৰ হৃদযত সন্তোষ আৰু কৃতজ্ঞতাৰ পৰিপূৰ্ণ হৈছিল আৰু সেই দিনাৰে পৰা নিজৰ জীৱন ঈশ্বৰৰ মহা মহিমা আৰু আত্মাবিলাকৰ পৰিত্ৰাণৰ [redacted]কটাবলৈ আৰম্ভ কৰিছিল। সেই দিনাৰে পৰা তেওঁ সন্ত জন বস্কৰ খোজত যাওঁতে নিজৰ আত্মা আৰু আন চিষ্টাৰবিলাকৰ আত্মা পবিত্ৰ কৰিবলৈ চেষ্টা কৰিছিল। সেই কামও তেওঁৰ সফল হল আৰু আমি আশা কৰোঁ যে ততালিকে তেওঁ সাধু পপৰ পৰা ধন্যা ঘোষণা কৰা যাব। ১৮৮১ খৃঃ মেই মাহত ১৪ তাৰিখে তেওঁৰ মৃত্যু হল।

এজন খ্ৰীষ্টীয়ানে কিজনা উচিত।

ভাৰতবৰ্ষত ব্যৱহাৰ কৰিব লগীয়া কপাহ কাপোৰেই অতি উত্তম। কাৰণ সেই বিলাক বেচ শীতল ও ধূৱলৈ অতি উজু। সকলোতকৈ বগা কাপোৰেই উত্তম কাৰণ বগায় সূৰ্য্যৰ তাপ আকৰ্ষন কৰিব নোৱাৰে। যেনে কলা কাপোৰে কৰে। তুমি সদায় চাফ চিকুন কাপোৰ পিন্ধিবা ও মাজে সময় গাধূবা যাতে তোমাৰ গাৰ ছাল পৰিষ্কাৰে থাকে।

ৰাতিৰ সময়ত তোমাৰ বুকু সদায় কাপোৰেৰে ঢাকি ৰাখিবা যদি নাৰাখা তেন্তে ঠাণ্ডা লাগি নিমুনিয়া, ডায়েৰিয়া ইত্যাদি বেমাৰ হব পাৰে।



অনন্ত জীৱনৰ বাট।

প্ৰথম ভাগ - ৰেল গাৰী স্বৰ্গ লৈ যায়।

গাৰী প্ৰস্থান কৰা—প্ৰতি মিনিট সৰু জগতৰ সকলো ষ্টেশনৰ

প্ৰথম শ্ৰেণী—দৰিদ্ৰতা, পবিত্ৰতা আৰু বাধ্যতা।

টিকেটৰ মূল্য—প্ৰেম আৰু দুখভোগ।

দ্বিতীয় শ্ৰেণী—ভক্তিমন্ত আৰু পৰোপকাৰ।

টিকেটৰ মুল্য—মন আৰু মন দমন কৰা।

তৃতীয় শ্ৰেণী - অনুতাপ।

টিকেটৰ মুল্য - ঈশ্বৰৰ প্ৰতি ভয় আৰু শাৰীৰিক অবশতা।

নিয়মবোৰ।

১ম —ৰিটান টিকেট পোৱা নে যায়।

২য় —চাক্ৰামে সকলোৱে বিনা মুল্যে পায়।

৩য় —সকলো যাত্ৰীবিলাকৰ উচিত যে সিবিলাকে ঈশ্বৰৰ আজ্ঞা পালন কৰে।

৪র্থ—কোনো মাল বস্তু লব নোবাৰে কেবল ভাল কাম লগত লৈ যাব পাৰে।

৫ম —বাটত কেৱল এখন হে বোৱা ঠাই আছে য'ত যাত্ৰীবিলাকৰ শুচ্যাগ্নিত শুদ্ধ হবলৈ দৰকাৰ হয়।

নিমুনীয়া ৰোগ।

এই বেমাৰৰ উৎপত্তি গৰমৰ পৰা ঠাণ্ডা লাগিলে হয়। এই বেমাৰত বুকে পিঠিয়ে বিখ আৰু মুখ হালধীয়া বৰণ হৈ পৰে। উশাহ ছুটী ও ঘনায় ২ হয় কাহো মাজে সময় হয়। পোন প্ৰথমতে বেমাৰীৰ বুকু ও পিঠি কাপোৰেৰে ভালকৈ ঢকা অতি দৰকাৰ। তাৰপাছে গোটেয় গা কৰ্পূৰ তেল দি ঘহি আৰু বটলত গৰম পানি ভৰায় সেক দিব লাগে। সেই সময়ত বেমাৰীক গাখীৰ, কণি আৰু চা দিব লাগে।